# উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি

## আভাস আৰু আলোচনা

অসমীয়া বিভাগ
বি. এইচ্. কলেজ

# বিষয়সূচী

উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা

● ড° দিলীপ কুমাৰ কলিতা/১

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা

● ড° অনিল কুমাৰ শইকীয়া/৫

উত্তৰ-পূৱ ভাৰতৰ লোক সাংস্কৃতিক বৈচিত্ৰ্যত সামাজিক সংহতি আৰু সংপ্ৰত্যয়

● ড° বিজয়া বৰুৱা ৰাজখোৱা/২৯

উত্তৰ পূৰ্বাঞ্চলৰ লোক সংস্কৃতি আৰু সাংস্কৃতিৰ সমন্বয়

● ড° বিনীতা বৰা দেৱচৌধুৰী/৩৭

প্ৰাচীন অসমৰ নৃগোষ্ঠীগত অধ্যয়ন ঃ এটি ঐতিহাসিক বিশ্লেষণ

● ড° লক্ষীমা হাজৰিকা/৪৫

উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃ-গোষ্ঠীগত অৱদান

● ভূপা পাটগিৰি/৫৬

উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃ-গোষ্ঠীগত অৱদান (মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত সোণোৱাল কছাৰী আৰু বৰো জনজাতিৰ ওপৰত এক আলোচনা)

● কিশোৰ কুমাৰ ৰাজবংশী আৰু ● অমৰজ্যোতি বৰ্মন/৬৫

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু ইয়াৰ বিশেষত্ব

● ড° অমৰজ্যোতি কোঁৱৰ/৭৪

অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান
● কল্পনা বসুমতাৰী আৰু ● ড° বনলতা কলিতা/৮৪

উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত লোকনৃত্য ঃ বৈচিত্ৰ্যতা আৰু সমন্বয়
● ড° নিতু চহৰীয়া/৯৩

সমাহৰিত সংস্কৃতিৰ পটভূমিত জনজাতীয় আৰু অসমীয়া মুছলমান সমাজ
● ড° আব্দুল মালিক/১১১

পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত অসমীয়া সংস্কৃতিৰ মূল্যায়ন
● ড° ধনেশ্বৰ কলিতা/১১৮

উত্তৰাধুনিকতাবাদ, সাংস্কৃতিক বিশ্বায়ন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ ভৱিষ্যত
● ড° চুলতান আলী আহমেদ/১২৩

গৰীয়াৰ গো-পূজা
● ছাহজাহান ছিদ্দিকি/১৩১

একোটা গোষ্ঠী নতুবা সম্প্ৰদায় বা একোখন সমাজৰ আত্মপৰিচয় স্বাভাৱিকভাৱে জাতিভিত্তিক আৰু সম্প্ৰদায়যুক্ত - এই কথাষাৰ অস্বীকাৰ কৰিলে এই অঞ্চলৰ সমাজ বিলাকক বুজি উঠিব পৰা নাযায়।

উত্তৰ-পূৰ্বাঞ্চলটোত সাংস্কৃতিক বৈচিত্ৰ্যতা ৰক্ষা কৰি ঐক্যবদ্ধভাৱে সমাজ সংহতিৰ বাবে চেষ্টা কৰিব লাগিব। অৰ্থনৈতিক চিন্তাটোৱে সৰ্বোচ্চ চিন্তা নহয়। আৰ্থিক উন্নয়ন হৈছে এক সময় সাপেক্ষ ব্যৱস্থা। সাম্প্ৰতিক সময়ত সকলো দিশৰ পৰা অঞ্চলটোৰ সামাজিক সংহতিৰ ওপৰত আক্ৰমণ চলিব ধৰিছে। সেয়ে এনেবোৰ দিশ বিবেচনা কৰিলে এই কথা স্পষ্ট হৈ উঠে যে - সকলো ৰাজ্য অথবা সম্প্ৰদায় আৰ্থিক বিচাৰত সকলোতকৈ দুৰ্দশাগ্ৰস্ত হোৱাটোৱেই যে সংহতিবিৰোধী কৰ্মই অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে সেইটো মুঠেই নহয়।

এই অঞ্চলটোৰ ভিতৰত থকা জাতি, গোষ্ঠী অথবা সম্প্ৰদায় বিশেষক আত্মনিয়ন্ত্ৰণৰ বাবে স্বায়ত্ব শাসন ব্যৱস্থাটো আদৰণীয়। তেনে হৈ উঠিলে তেওঁলোকৰ ভাষা, সাহিত্য-সংস্কৃতি ৰক্ষণাবেক্ষণ দিয়াৰ উপৰি উত্তৰণ ঘটোৱাৰ সুবিধা পাব।

উত্তৰ-পূৰ্বাঞ্চলটোৰ সামাজিক সংহতি নিৰ্মাণত আৰ্থিক আৰু সামাজিক উন্নয়নক প্ৰাথমিক স্বত্ব হিচাপে বিবেচনা কৰিলেও ইয়াৰ লগত সংপৃক্ত হ'ব লাগিব বৃহৎ এক সাংস্কৃতিক ৰূপান্তৰ। হিন্দুৰ বহুমন্দিৰত এতিয়াও তথাকথিত নিম্ন শ্ৰেণীৰ মানুহৰ প্ৰৱেশ নিষিদ্ধ হৈছে, আনকি বহু ধৰ্মীয় গৃহত মহিলাৰ প্ৰৱেশত বাধা দিয়া হয়। সেইদৰে মুছলমান সম্প্ৰদায়ৰ ধৰ্মগৃহ মজিদত এই পৰ্যন্ত মহিলাৰ ধৰ্মীয় প্ৰাৰ্থনা নিষিদ্ধ হৈ আছে। এনেবোৰ ঐতিহ্যক পৰিৱৰ্তন কৰিবৰ হ'ল। শুচিতা-অশুচিতাক লৈ সূক্ষ্মস্তৰ ভেদে হিন্দুৰ আচাৰ-বিচাৰৰ অভ্যাসে এনেদৰে আবৃত্ত কৰি ৰাখিছে, আমি এনেদৰে অভ্যস্ত হৈ গৈছোঁ যে এনেবোৰ যে আমাৰ হীনমন্যতা আৰু অমানৱীয়তাৰ মনোবৃত্তি তাক আমি পাহৰি গৈছোঁ। ইতিমধ্যে আমি যিসকলক ঘৃণা কৰিছিলো, যি সকলক চাইছিলো সেইখিনিয়ে আজি শিক্ষা-দীক্ষা লাভ কৰি তেওঁলোক জাগি উঠিছে। মনুষ্যত্বৰ অপমানৰ বিৰুদ্ধে প্ৰতিবাদ আৰু প্ৰতিৰোধ ক্ৰমে বৃদ্ধি পাই আহিছে। যিখন সমাজ, সম্প্ৰদায় বা গোষ্ঠী আৰ্থ-সামাজিক সাংস্কৃতিকভাৱে আগবাঢ়ি আছে সেইসকলে পিছপৰা সকলক গ্ৰাস কৰাৰ পৰিৱৰ্তে সেইসকলক হাতত ধৰি আগুৱাই লৈ যোৱাৰ বাবে এক পৰিৱৰ্তন আনিব পাৰিলে সংঘাত হ্ৰাস পাব আৰু সংহতি স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰিব।

আমাৰ উত্তৰ-পূৰ্বাঞ্চলত সংস্কৃতি আৰু সভ্যতাৰ মাজত যি সংঘাত আৰু সমন্বয়ৰ প্ৰভাৱ প্ৰৱল হ'ব লাগিছিল, সম্প্ৰতি সেই প্ৰাৱল্য সম্ভৱ হৈ উঠা নাই। সঁচাকৈয়ে



# উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা

● ড° দিলীপ কুমাৰ কলিতা

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চল এটি ভৌগোলিক অঞ্চল হিচাপে বৰ্তমান আঠখন ৰাজ্যৰ সমষ্টি বুলি ধৰা হয়। এই অঞ্চলত সন্নিবিষ্ট সাতখন ৰাজ্য অসম, অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু মেঘালয়ক পূৰ্বতে উত্তৰ পূৰ্বাঞ্চল বোলা হৈছিল আৰু শেহতীয়াকৈ চিকিম ৰাজ্যখনো ইয়াত সামৰা হৈছে। এই অঞ্চলটো পৃথিৱীৰ ভিতৰতেই আটাইতকৈ বেছি সাংস্কৃতিক বৈচিত্ৰ্যৰে ভৰা বুলি ক'লেও বঢ়াই কোৱা নহয়। নৃগোষ্ঠীৰ ফালৰ পৰা চাবলৈ গ'লে ইয়াৰ কম ঠাইত আটাইতকৈ বেছি জনগোষ্ঠীয়ে বাস কৰে। আৰ্য্য, মঙ্গোলীয়, নেগ্ৰিট', দ্ৰাবিড়, ককেচীয় আদি জাতিৰ মানুহ ইয়াৰ বাসিন্দা। কেৱল অসমতে ডেৰশতকৈও অধিক জনগোষ্ঠীৰ বসতি। চাহ জনগোষ্ঠীৰ ভিতৰত এশতকৈও অধিক ভাষা-ভাষী আৰু জাতি-জন-জাতিয়ে অসমত বাস কৰে। চাহ জনগোষ্ঠীৰ লোকসকল বৃটিছে অসমত চাহ বাগিছা খোলাৰ পিছত মধ্য ভাৰতৰ ছোটা নাগপুৰ মালভূমি অঞ্চলৰপৰা আনি অসমত থাপিছিল । ২০০ বছৰৰো অধিক কাল অসমত বসবাস কৰা চাহ জনগোষ্ঠীৰ লোকসকল অসমৰ এক অভিন্ন অংগ। তেওঁলোকৰ মাজত বহুকেইটা ভাষাৰ লোক আছে যদিও ছাদ্ৰি আৰু অসমীয়া ভাষাৰ জৰিয়তে তেওঁলোকৰ বিভিন্ন ভাষা-ভাষী লোকসকলৰ মাজত ভাষীক সম্পৰ্ক স্থাপন কৰে। তেওঁলোকৰ মাজত টুছু পূজা, কৰম পূজা, ঝুমুৰ নৃত্য আদি সামূহিক নৃত্য উৎসৱ আদি পালন কৰা হয়। জন্ম, মৃত্যু, বিবাহ কেন্দ্ৰিক আচাৰ-অনুষ্ঠানবোৰ প্ৰতিটো জনগোষ্ঠীৰ পৃথক যদিও বৰ্তমান এইবোৰৰ মাজত যথেষ্ট পৰিমাণে Acculturation আৰু Assimilation হোৱা পৰিলক্ষিত হয়।

● সঞ্চালক, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম

অসমৰ ভূমিপুত্ৰ হিচাপে চিহ্নিত যি কেইটা জনগোষ্ঠী আছে তাৰ ভিতৰত বড়ো, ৰাভা, মিচিং, তিৱা, কাৰ্বি, ডিমাছা, দেউৰী ইত্যাদি প্ৰধান যদিও অসমত প্ৰায় তিনি কুৰি বিভিন্ন জনগোষ্ঠীৰ লোকে বসবাস কৰে। প্ৰায় প্ৰতিটো জনগোষ্ঠীৰে সুকীয়া ভাষা, কলা,সংস্কৃতি আছে। অৱশ্যে দীৰ্ঘদিনীয়া Acculturation আৰু Assimilationৰ প্ৰক্ৰিয়াৰ ফলত দুই এক জনগোষ্ঠী যেনে--সোণোৱাল, ঠেঙাল, আদি জনগোষ্ঠীয়ে অসমীয়া ভাষাকেই মাতৃভাষাৰূপে ব্যৱহাৰ কৰে। সংস্কৃতিৰ ক্ষেত্ৰত প্ৰত্যেকটো জনগোষ্ঠীয়ে নিজৰ স্বকীয়তা বজাই ৰাখিছে যদিও ইটো জনগোষ্ঠীৰ সংস্কৃতিৰ ওপৰত অন্যান্য জনগোষ্ঠীসমূহৰ সংস্কৃতিৰ সৈতে আদান-প্ৰদানৰ জৰিয়তে প্ৰভাৱ পৰা দেখা যায়।

অসমীয়া ভাষী লোকসকলৰ মাজত আৰ্য্য, ককেছীয়, মঙ্গোলীয়, আদি লোক পোৱা যায়। কান্যকুব্জকে আদি কৰি অন্যান্য ঠাইৰ পৰা অহা ব্ৰাহ্মণসকল, আল্পাইন মূলৰ কলিতাসকল আৰু মঙ্গোলীয় জনগোষ্ঠী সমূহৰপৰা অসমীয়া হৈ পৰা লোকসকল যদিও অসমীয়া ভাষী, ধৰ্মীয় আৰু সামাজিক সাংস্কৃতিক জীৱনত তেওঁলোকৰ মাজত যথেষ্ট প্ৰভেদ পৰিলক্ষিত হয়।

অসমৰ ভৈয়াম অঞ্চলত বাস কৰা জনজাতীয় লোকসকলৰ ভিতৰত বড়োসকলৰ সংখ্যাই আটাইতকৈ বেছি। তেওঁলোকৰ ভিতৰতো ধৰ্মীয় আৰু সামাজিক সাংস্কৃতিক পাৰ্থক্য নথকা নহয়। পৰম্পৰাগত বাথৌ ধৰ্ম, ব্ৰাহ্ম ধৰ্ম, খৃষ্টান ধৰ্ম, বৈষ্ণৱ ধৰ্ম, আদি ধৰ্মীয় পন্থা তেওঁলোকৰ মাজত প্ৰচলিত আছে। কাজেই ধৰ্মীয় নীতি-নিয়ম সমূহ সুকীয়া সুকীয়া হোৱাটো স্বাভাৱিক। আনহাতে কাষৰীয়া জনগোষ্ঠী সমূহৰ প্ৰভাৱো তেওঁলোকৰ কিছু অংশৰ ওপৰত নপৰা নহয়। অন্যান্য জনগোষ্ঠীৰ লগত বৈবাহিক সম্বন্ধও কিছু পৰিমাণে নোহোৱা নহয়। কিছু সংখ্যক বড়ো জনগোষ্ঠীৰ লোকে অসমীয়া ভাষাকেই মাতৃভাষা হিচাপে ব্যৱহাৰ কৰাৰো উদাহৰণ আছে। ফলত অসমীয়া ভাষী আৰু অন্যান্য জনগোষ্ঠীৰ সৈতে তৃণমূল পৰ্য্যায়ত তেওঁলোকৰ যথেষ্ট সমন্বয়ৰ পৰিচয় আছে বুলি নিঃসন্দেহে ক'ব পাৰি।

ৰাভা জনগোষ্ঠীৰ মূল আঠটা ঠালৰ ভিতৰত পাতিৰাভা সকলে মাতৃ ভাষা হিচাপে অসমীয়া ভাষাৰ এটি ৰূপ ব্যৱহাৰ কৰে, যাক পণ্ডিতসকলে শেহতীয়াকৈ ৰাভামিজ হিচাপে উল্লেখ কৰিছে। পাতি ৰাভাসকলৰ মাজত প্ৰচলিত লোকগীত আৰু লোক সাহিত্য এই ভাষাতেই সৃষ্টি কৰা হৈছে। ভাৰীগানৰ ৰামায়ণৰ কাহিনী, মায়াৰন্তি বিষহৰিৰ দৰে সুদীৰ্ঘ মনসা কাব্য, এই ভাষাতেই ৰচিত । ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতি, পৰম্পৰাগত পূজা-পাতলেৰে পালন কৰা হয় যদিও খৃষ্টান



বিষয়। এই দৃষ্টিৰে প্ৰত্যক্ষ কৰিলে বহুজাতি আৰু সম্প্ৰদায় লৈয়ে উত্তৰ-পূৰ্বাঞ্চলক এক মহাজাতিৰ মিলনভূমি বুলি ক'ব পাৰি। প্ৰতিখন বৃহৎ সমাজ যেন একোখন যুক্তৰাজ্য, যাৰ ভিত্তিত আছে স্থানীয় আৰু সাংস্কৃতিক পৰিচয় লৈয়ে বিভিন্ন লোকসমাজ। জাতি, সম্প্ৰদায় বিভক্ত আমাৰেই সমাজ আৰু এই সমাজত শ্ৰেণীদ্বন্দ্বৰ অৱস্থিতি বিদ্যমান।

অতীতত সমাজ বুলি ক'লে প্ৰধানতঃ গ্ৰাম্য সমাজখনেই আছিল। সেই সমাজত জাতি-ধৰ্ম আদিক ভিত্তি কৰিয়েই মানুহৰ পৰিচয় আছিল। ব্যৱসায়-বাণিজ্য সম্প্ৰসাৰণৰ লগে লগে সৃষ্টি হ'ল অন্য এখন জগত। ইয়াৰ কেন্দ্ৰত আছে নাগৰিক সমাজ। নগৰৰ অজ্ঞাত বহু লোকৰ মাজত মানুহৰ পৰিচয় কিছু পৰিমাণে অস্পষ্ট হৈ পৰে। ক্ৰেতা অথবা বিক্ৰেতা, মালিক নতুবা মজুৰি শ্ৰমিক হিচাপে চিহ্নিত হয়। তেতিয়া মানুহৰ শ্ৰেণী পৰিচয় তেওঁৰ জাতি অথবা ধৰ্ম প্ৰধান কথা হৈ নাথাকে, আৰ্থিক সম্পৰ্কটোৰেই প্ৰধানতম পৰিচয় হৈ পৰে। জাতি ধৰ্মৰ পৰা বিচ্ছিন্ন কৰি ব্যক্তিৰ পৰিচয় লোৱাটো গ্ৰাম্য সংস্কৃতিৰ চৰিত্ৰৰ সৈতে মিল থকা বিষয় নহয়। নাগৰিক সভ্যতাৰ অধিপত্য থকা সত্ত্বেও এই অঞ্চলৰ সংস্কৃতি আজিও গভীৰভাৱে গ্ৰাম্য সংস্কৃতিৰ স্বকীয়তা প্ৰত্যক্ষ হয়।

আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমাজত যিদৰে বৈসাদৃশ্য পৰিলক্ষিত হয় সেইদৰে সাদৃশ্য অথবা সহযোগিতা স্থাপনৰ উপায়বিলাকো তাৰ মাজতেই বিচাৰি উলিয়াব পৰা যায়। সমাজ সংহতিৰ প্ৰতিবন্ধকতা হিচাপে যদিহে শোষক আৰু শোষিত শ্ৰেণীক বিচাৰ কৰা হয়, তেনেহ'লে শোষক শ্ৰেণীক উৎখাত কৰি অঞ্চলটোত সম্প্ৰীতি স্থাপনৰ পথ উন্মোচিত কৰিব পাৰি। আকৌ যদি ভবা হয় যে বৃহৎ সমাজ বহু জাতি-সম্প্ৰদায়ৰ এক যুক্তৰাজ্য, তেনেহ'লে সাম্প্ৰদায়িক দ্বন্দ্বৰ ভিতৰেদিও দায়িত্বশীল মানুহৰ দৃষ্টিত সাম্প্ৰদায়িক ঐক্য স্থাপনৰ বিষয়টোৱে প্ৰাধান্য পাব। দুই বৈৰী সম্প্ৰদায়ৰ মাজত এটা সম্প্ৰদায়ক উৎখাত কৰি শান্তি-সম্প্ৰীতি স্থাপন কৰা চিন্তাটো কিন্তু এক অমানুষিক চিন্তালৈহে পৰ্যবসিত হ'ব।

উত্তৰ-পূৰ্বাঞ্চলটোৰ সাংস্কৃতিক বৈচিত্ৰ্যক আমি কেনেদৰে মূল্য দিম, সেইটো হৈছে অন্য এক মূল্যবোধৰ প্ৰশ্ন। সকলো স্থানীয় সংস্কৃতিকে একাকাৰ কৰি মানৱ সংস্কৃতি স্থাপন কৰিব পৰা নাযায়। বৈচিত্ৰ্য ৰক্ষা কৰি ঐক্য প্ৰতিষ্ঠা কৰাই মুখ্য কৰ্ম হিচাপে বিবেচনা কৰিব লাগে। সামাজিক অনুষ্ঠান বিলাকৰ এক বিশেষ স্থান আছে আৰু ইয়াৰ স্বকীয় মূল্য আছে। সেয়ে বৈচিত্ৰ্যৰ ভিতৰেদি ঐক্য প্ৰতিষ্ঠা কৰিবলৈ গ'লে তাৰ নিজস্ব মূল্য সংযোজিত হ'ব লাগিব। প্ৰকৃততে সাধাৰণ মানুহৰ অথবা

গঢ় লৈ উঠিছে উত্তৰ-পূৰ্বৰ সংস্কৃতি। বিভিন্ন যুগত বিভিন্ন জনগোষ্ঠীৰ মানুহে নিজৰ নিজৰ সংস্কৃতি লৈ এই অঞ্চলটোলৈ আহিছিল আৰু নিজৰ নিজৰ সাংস্কৃতিক বৰঙণি দি উত্তৰ-পূৰ্বাঞ্চল তথা অসমীয়া সংস্কৃতিক বাৰে ৰহণীয়া ৰূপ প্ৰদান কৰিছে। সাংস্কৃতিক সমন্বয় আৰু বিশেষকৈ সমাহাৰণ প্ৰক্ৰিয়াৰ মাজেদি উত্তৰ-পূবৰ সংস্কৃতিয়ে যৌগিক ৰূপ ধাৰণ কৰি স্বকীয় বৈশিষ্ট্য সম্পন্ন এক পৰিপূৰ্ণ সংস্কৃতি হৈ উঠিছে।

**সামাজিক সংহতি নিৰ্মাণত সাংস্কৃতিক বৈচিত্ৰ্যৰ ভূমিকা ঃ**

অৰ্থনীতি জগতৰ পিতৃস্বৰূপ আদাম স্মিথৰ কেইষাৰমান বক্তব্যৰ দ্বাৰা এই বিষয়টো অৱতাৰণা কৰিব বিচৰা হৈছে। আদাম স্মিথৰ “The theory of Moral sentiments” গ্ৰন্থখনত উল্লেখ কৰিছে যে - আনৰ চকুত ভাল বুলি প্ৰমাণিত হোৱা আৰু আনৰ অনুভূতিক শ্ৰদ্ধা কৰাই হ’ল নৈতিকতাৰ ভেটি। স্পষ্টকৈ ক’বলৈ গ’লে এজন ব্যক্তিৰ নীতিবোধক তেঁৱেই আনক বুজি পোৱাৰ ক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। ব্যৱহাৰিক নৈতিকতাৰ দিশত তেখেতৰ অভিমত আছিল এনেধৰণৰ - লোকৰ সুকুমাৰ প্ৰকৃতি আৰু নীতিজ্ঞানৰ ওপৰত থকা উপযোগিতাৰ প্ৰভাৱৰ বিষয়ে অনুমান নকৰি (অৰ্থাৎ নিজা ধাৰণা জাপি নিদি) তেওঁ ইয়াক বাস্তৱ জীৱনৰ সমস্যা হিচাপে বিবেচনা কৰিব লাগে। মানুহৰ লোকাচাৰ, ৰীতিগত অভ্যাস, ফেচন আদিক অকল সমাজৰ ব্যাখ্যাৰ কাৰণে লাগতিয়ালেই নহয়, এই বিষয়ে নিজেও অনুসন্ধান কৰিব লাগে।

আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক সংহতি নিৰ্মাণত এইখিনি সাৰুৱা কথা আজিও গ্ৰহণীয় বুলি ভাবিব পাৰি। এই অঞ্চলটোত বিভিন্ন জাতি, গোষ্ঠী, সম্প্ৰদায়ৰ ভিতৰত সহযোগিতা আৰু সংঘাত অব্যাহত আছে যদিও ইয়াৰ লগে লগে যে নিঃশব্দে সহযোগিতাও চলি আছে, এনে আশাবাদক লৈয়ে আমাৰ সংহতি নিৰ্মাণৰ চিন্তা সজীৱ হৈ আছে। প্ৰকৃততে সংঘাতৰ চৰিত্ৰ যদি আমাৰ জ্ঞাত নহয়, তেনেহ’লে সংহতিৰ পথো লাভ কৰা সহজ নহয়। সামাজিক গঠন প্ৰক্ৰিয়া তথা সংঘাতৰ স্বৰূপ লৈ তত্ত্ববিদসকলে বহু মতামত আগবঢ়াই আহিছে। একাংশৰ মতে সমাজৰ আচল দ্বন্দ্বটো হ’ল ধনী আৰু দৰিদ্ৰৰ মাজত, শাসকৰ সৈতে শোষিত শ্ৰেণীৰ মাজত। আনহাতে শ্ৰেণী দ্বন্দ্বৰ ব্যাখ্যাকাৰ সকলে সমাজখনৰ সংঘাত সমূহ দুটা দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব বিচাৰে। এফালে আছে সম্পত্তিৰ মালিক আৰু আনফালে আছে সৰ্বহাৰা। আধুনিক সমাজত দ্বন্দ্বসমূহ মূলতঃ ধনীৰ সৈতে শ্ৰমিকৰ, মূলধন অথবা উৎপাদন যন্ত্ৰৰ মালিকানাৰ প্ৰশ্নটোৱে বিশেষভাৱে প্ৰাধান্য পায়। সামাজিক সংঘাতৰ চৰিত্ৰ অনুধাৱন কৰিবলৈ হ’লে এই দিশত মনোনিবেশ কৰাটো আটাইতকৈ প্ৰয়োজনীয়



আৰু হিন্দু ধৰ্মীয় পন্থা সমূহৰ অনুগামীলোকো তেওঁলোকৰ মাজত যথেষ্ট পৰিমাণে আছে। তেওঁলোকৰ ধৰ্মীয় পৰম্পৰাত দেৱ-দেৱীসকলৰ দুটা শ্ৰেণী- ৰাভা বায় আৰু লেমা বায় তেওঁলোকৰ মাজত প্ৰচলিত। ৰাভা বায়ে পৰম্পৰাগত ৰাভা দেৱ-দেৱী সমূহক সূচায় আৰু লেমা বায়ে অনা ৰাভা দেৱ-দেৱী সকলক সূচায়। ইয়ে ধৰ্মীয় স্তৰত ঘটা সমন্বয়ৰ উদাহৰণ দাঙি ধৰিছে। ৰাভা ভাষা মাতৃ ভাষা হিচাবে প্ৰয়োগ কৰা ৰাভাসকলৰ ক্ষেত্ৰটো এই কথাখিনি প্ৰযোজ্য। এনেদৰে সামাজিক সাংস্কৃতিক জীৱনতো ৰাভাসকলৰ অন্যান্য জনগোষ্ঠীৰ সৈতে যথেষ্ট আদান-প্ৰদান হৈছে।

অসমৰ তিৱাসকলৰ অধিক সংখ্যকৰেই মাতৃভাষা অসমীয়া। অসমীয়া ভাষী লোকৰ সৈতে দীৰ্ঘদিনীয়া সহ অৱস্থানৰ ফলত অসমীয়া ভাষা এওঁলোকৰ মাজত বহুলভাৱে প্ৰচলিত। Tribe caste continuum প্ৰক্ৰিয়া, যিটোৰ জৰিয়তে জনজাতিৰ পৰা বৰ্ণ হিন্দু পৰ্য্যায়লৈ উত্তৰণ হোৱাৰ ব্যৱস্থা আছে , তাৰ ফলতে অসমৰ বৰ্ণ হিন্দু সমাজত যথেষ্ট পৰিমাণে জনজাতি মূলৰ লোক থকাৰ উমান পোৱা যায়। বৈষ্ণৱ ধৰ্মত শৰণ লৈ অতীজতে তিৱাসকলৰ কিছু অংশ বৰ্ণ হিন্দু অসমীয়া হিচাপে পৰিচিত। এই কথা অন্য জনগোষ্ঠীৰ ক্ষেত্ৰতো প্ৰযোজ্য। এইসকল লোকে অন্যান্য অসমীয়া ভাষী লোকৰ দৰে ধৰ্মীয় ৰীতি নীতিসমূহ পালন কৰে। তিৱাসকলৰ নৃত্য-গীত আৰু অন্যান্য সংস্কৃতিৰ উপাদান তেওঁলোকৰ মাজত সজীৱ হৈ থকাৰ উপৰিও যিটো বিষয়ে তিৱাসকলক সাংস্কৃতিকভাৱে প্ৰক্ষেপিত কৰে সেয়া হৈছে-- তেওঁলোকৰ পৰম্পৰাগত ৰাজতন্ত্ৰ আৰু বিনিময় প্ৰথা। আজিকোপতি পৰম্পৰা ৰক্ষা কৰি তিৱাসকলৰ ৰজা আছে আৰু ৰাজ অভিষেকো আছে। সেয়েহে তেওঁলোকৰ ৰজাৰ তত্ত্বাৱধানত জোনবিল মেলা অনুষ্ঠিত হয় আৰু এই মেলাত মুদ্ৰাৰ প্ৰয়োগ নোহোৱাকৈ বিনিময় প্ৰথাৰে পাহাৰৰ লোক আৰু ভৈয়ামৰ লোকৰ মাজত বিভিন্ন বস্তুৰ আদান-প্ৰদান হয়। তেওঁলোকৰ লাংখুন নৃত্য, ছগ্ৰামিছাৱা নৃত্য আদি মনোমহা নৃত্যই অসমৰ পৰিৱেশ্য কলাৰ ভঁৰাল চহকী কৰিছে।

অসমৰ উজনি ভাগত বসবাস কৰা মিচিং সকলৰ জীৱনো অতি বৰ্ণাঢ্য। তেওঁলোকৰো কিছু সংখ্যকে অসমীয়া ভাষাকেই মাতৃভাষা হিচাপে ব্যৱহাৰ কৰে যদিও বেছিভাগেই মিচিং ভাষাত পটু। অসমৰ বিহু নৃত্য-গীতলৈ মিচিং জনগোষ্ঠীৰ অৱদান লেখত লবলগীয়া। আলি-আই-লিগাং, প’ৰাগ আদি উৎসৱেৰে আৰু বৰ্ণাঢ্য সংস্কৃতিৰে অসমৰ মিচিংসকলে এহাতে যিদৰে অসমীয়া মূলসুঁতিৰ দ্বাৰা প্ৰভাৱিত হৈছে, সেইদৰে অসমীয়া মূলসুঁতিকো প্ৰভাৱিত কৰিছে।

অসমৰ আন এটি প্ৰধান জনজাতি কাৰ্বিসকল ভৈয়াম আৰু পাহাৰ উভয়তে বসবাস আছে। ভৈয়ামত বাস কৰা কাৰ্বিসকলৰ কিছু অংশই মাতৃভাষা হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰে। কাৰ্বি ভাষা মাতৃভাষা হিচাপে প্ৰয়োগ কৰা কাৰ্বিসকলৰ মাজত খৃষ্টান আৰু পৰম্পৰাগত কাৰ্বি ধৰ্মাৱলম্বী লোক আছে। পৰম্পৰাগত কাৰ্বি ধৰ্মাৱলম্বী লোকসকলৰ মাজত চ'মাংকানকে আদি কৰি বহুকেইটা উৎসৱ পাৰ্বন আৰু নৃত্যগীতৰ পৰম্পৰা আছে। অৱশ্যে সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি খৃষ্টান ধৰ্মাৱলম্বী লোক সকলেও নৃত্য গীতসমূহৰ পৃষ্টপোষকতা কৰে। কাৰ্বি সকলৰ লোকগীতৰ ভঁৰাল অতি চহকী ।

অসমৰ আটাইবোৰ জনগোষ্ঠী নিজ ভাষা আৰু সংস্কৃতিৰে সমৃদ্ধ যদিও প্ৰায় প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ ভাষাৰ লগতে অসমীয়া ভাষাও জানে। আনহাতে অসমীয়া ভাষী লোকসকলৰ ভিতৰত খুউব কমেহে জনগোষ্ঠীয় ভাষাৰ সৈতে পৰিচিত। বৰ্ত্তমানে অসমীয়া ভাষী লোকসকলৰ মাজত জনগোষ্ঠীয় ভাষা জনাৰ আগ্ৰহ কিছু পৰিমাণে পৰিলক্ষিত হৈছে। এইদৰে জনগোষ্ঠীয় নৃত্য-গীত শিকাৰ প্ৰতিও আগ্ৰহ দেখা যায়। মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিৰ প্ৰতিযোগিতা সমূহত অজনগোষ্ঠীয় ছাত্ৰ-ছাত্ৰী সকলেও বিভিন্ন জনগোষ্ঠীয় নৃত্য গীত পৰিৱেশন কৰা দেখা যায় । তাৰ বাহিৰেও অজনগোষ্ঠীয় লোকৰ দ্বাৰা গঠিত পেছাদাৰী, অপেছাদাৰী দলেও জনগোষ্ঠীয় নৃত্যগীত শিকি পৰিৱেশন কৰিবলৈ লৈছে। জনগোষ্ঠী সমূহে ইতিমধ্যে ভাষিক, সামাজিক, সাংস্কৃতিক বহুদিশত অজনগোষ্ঠীয় লোকৰ সৈতে সমন্বয়ৰ স্বাৰ্থত বহুখিনি আগবাঢ়ি অহাৰ প্ৰমাণ দিবলৈ সক্ষম হৈছে। সেইদৰে অন্যান্য সকলেও জনগোষ্ঠীয় সংস্কৃতিৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰাৰ উদাহৰণ দাঙি ধৰিছে। আমাৰ পণ্ডিতসকলে উত্তৰ পূৰ্বাঞ্চলক Cultural hot spot বুলি কোৱাৰ সম্পূৰ্ণ যুক্তিযুক্ততা আছে। ইয়াত যিদৰে সাংস্কৃতিক বৈশিষ্ট্যৰ এক অপূৰ্ব সমাহাৰ ঘটিছে সেইদৰে সামাজিক সংহতিৰ নিৰ্মাণতো ইয়াৰ ভূমিকা প্ৰভূত।



# উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা

**● ড° অনিল কুমাৰ শইকীয়া**

ভাৰতবৰ্ষৰ উত্তৰ-পূৱৰ প্ৰান্তীয় অঞ্চল হিচাপে সাতখন ৰাজ্য আৰু শেহতীয়াকৈ ছিকিমক সামৰি উত্তৰ-পূৰ্বাঞ্চল নামেৰে একোটা ৰাজনৈতিক আৰু অৰ্থনৈতিক গোট স্থাপন কৰা হ'ল। অঞ্চলটোৰ কেন্দ্ৰীয় ৰাজ্য হিচাপে অসমখন ধৰি মণিপুৰ, মেঘালয়, ত্ৰিপুৰা, মিজোৰাম, অৰুণাচল আৰু নগালেণ্ড এই অঞ্চলটোত অন্তৰ্ভুক্ত হৈছে। অৰ্থনৈতিক আৰু সামাজিকভাৱে এক সমগোত্ৰীয় চৰিত্ৰৰ বাবে শেহতীয়াকৈ ছিকিমখনকো অঞ্চলটোৰ লগত সাঙুৰি দি ৮ খন উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য হিচাপে পৰিচিত হৈছে। ২,৬২,২৩০ কিঃমিঃ ভৌগোলিক পৰিমণ্ডলে আগুৰা উত্তৰ-পূৰ্বাঞ্চলৰ এই বৃহৎ ভূ-খণ্ড বিভিন্ন জাতি-জনগোষ্ঠীৰ বসতিস্থল।

ভাৰতবৰ্ষৰ প্ৰান্তীয় সীমাৰ এই অঞ্চলটো বিভিন্ন জাতি, ধৰ্ম, জনজাতি, জনগোষ্ঠী লোকৰ সংগমস্থলী। এই অঞ্চলটোত প্ৰায় ২০০ৰো অধিক জনগোষ্ঠীৰ লোকে বসবাস কৰে। ইয়াৰে অধিকাংশই পাহাৰীয়া জনগোষ্ঠী। এই অঞ্চলটোৰ প্ৰতিটো জনগোষ্ঠীয়ে স্বকীয় বৈশিষ্ট্য তথা সত্বাৰে পৰিপুষ্ট। গোষ্ঠীগত আত্মপৰিচয়ৰ মাধ্যম হ'ল সংস্কৃতিৰ বৈশিষ্ট্য। প্ৰতিটো জনগোষ্ঠীৰে নিজা নিজা সাংস্কৃতিক বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰ আনৰ লগত একে নহয় যদিও ভাৰতবৰ্ষৰ দৰে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বাসভূমিত বাৰেৰহণীয়া সাংস্কৃতিক মিলনক্ষেত্ৰই ঐক্যৰ মাজত অনৈক্য স্থাপন কৰি এক সবল সাংস্কৃতিক বৈচিত্ৰ্য প্ৰতিফলিত কৰিছে।

ভাৰতীয় সংস্কৃতিৰ এক ক্ষুদ্ৰ সংস্কৰণ হ'ল এই উত্তৰ-পূৰ্বাঞ্চল। অষ্ট্ৰলয়ড, মংগলয়ড, ভূ-মধ্যসাগৰীয় আৰু নৰ্ডিক এই নৃগোষ্ঠীসমূহৰ সাংস্কৃতিক সমাহৰণেৰে

● বিশিষ্ট লেখক তথা অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, কাকজান মহাবিদ্যালয়, যোৰহাট

সভ্যতা সংস্কৃতিৰ বিপদ ঘটায়। নৈতিকতা অন্তৰ সংস্কৃতিৰ বস্তু - তাৰ বাস্তৱ সংস্কৃতিৰ ওপৰত প্ৰভাৱ আছে।

জ্যোতিপ্ৰসাদ আগৰৱালাই অন্তৰ সংস্কৃতি আৰু অৰ্থনীতিৰ লগত এনে এক সংযোগ সাধন ঘটাইছে য'ত আধ্যাত্মিকতা আৰু মানসিক প্ৰৱণতা দুয়োটাই প্ৰভাৱান্বিত হয় বুলি উল্লেখ কৰিছে। অৰ্থনীতিৰ পৰিৱৰ্তনে সংস্কৃতিৰো পৰিৱৰ্তন সম্ভৱ কৰি তোলে। তেখেতৰ মতে সভ্যতাৰ প্ৰতিটো স্তৰত শ্ৰমৰ সম্পৰ্ক স্থাপনেৰে সংস্কৃতিৰ উত্তৰণৰ লগতে অৰ্থনীতিৰো সমৃদ্ধশালী অৱস্থা এটা প্ৰাপ্ত হয় বুলি চিৰবন্দিত শিল্পীজনে বিশ্বাস কৰিছিল।

**অৰ্থনৈতিক কৰ্মৰ লগত সংস্কৃতিৰ সম্পৰ্কৰ অতীত অৱস্থান ঃ**

অতীত কালত শ্ৰমৰ ওপৰত ভিত্তি কৰিয়েই আৰ্যসকলে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰৰ বৰ্ণ বিভাজন ঘটাইছিল। আৰ্যীকৃত জনসমষ্টিৰ মাজত মূলতঃ বৰ্ণবিভাজনৰ দ্বাৰা বিশেষভাৱে সামাজিক স্থান নিৰ্ধাৰণ কৰিছিল যদিও সাধাৰণ লোকৰ মাজত বৃত্তিধাৰী সম্প্ৰদায়সমূহ সৃষ্টি হৈছিল। সেয়ে বৃত্তি ব্যৱস্থাটোৱে সেই সময়ৰ সমাজ ব্যৱস্থাত শ্ৰমজীৱি মানুহৰ সামাজিক স্থান নিৰ্ণয়ত বিশেষ ভূমিকা পালন কৰিছিল। জাত বা সম্প্ৰদায়ৰ পৰিচয়টো পৰৱৰ্তী সময়ত হোৱা বুলি কোৱা হৈছে। বৃত্তিজীৱী সকলক সেই সময়ত শূদ্ৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিছিল।

উল্লেখ্য যে বিভিন্ন বৃত্তিমুখী শ্ৰমিক সম্প্ৰদায়ৰ পূৰ্ব পুৰুষৰ যুগত পুৰণি কামৰূপ তথা প্ৰাগ্‌জ্যোতিষপুৰৰ নগৰ সভ্যতাৰ দুটা সাংস্কৃতিক আধাৰ স্থাপত্য আৰু ভাস্কৰ্য কৰ্মৰ প্ৰয়োগ ঘটিছিল। এই বৃত্তিজীৱীসকলৰ এহাতে উচ্চস্তৰৰ লগত (শিষ্ট সংস্কৃতিৰ সৈতে) আৰু আনহাতে সমাজৰ নিম্ন স্তৰৰ (লোক সংস্কৃতি) লগতো সম্পৰ্ক স্থাপন হৈছিল। হাল বাই শালি খেতি কৰা পদ্ধতিটো শূদ্ৰসকলেই প্ৰয়োগ কৰিছিল। বিশেষভাৱে উল্লেখ্য যে, গ্ৰামীণ সংস্কৃতি গঢ় লৈ উঠাত এই শ্ৰেণীৰ অৱদান অনস্বীকাৰ্য। ডি. ডি. কোশাম্বীৰ "Cultural and Civilization of Ancient India" গ্ৰন্থত গ্ৰামীণ আৰু জনগোষ্ঠীৰ শ্ৰমৰ প্ৰকৃতিয়ে জাত-পাতৰ প্ৰভেদ সৃষ্টিৰ কথা উল্লেখ কৰিছে। হিউয়েন চাঙৰ টোকাত উল্লেখ আছে যে - সেই সময়ত চাৰিওফালে নদীৰ লগত সংযুক্ত নলাৰে পানী আনি নগৰত যোগান ধৰা, দ-সাৰুৱা মাটিত নিয়মীয়াকৈ খেতি কৰা আৰু আনাৰস, নাৰিকলৰ খেতিৰ উপৰি হাতীৰ দ্বাৰা নানা অৰ্থনৈতিক কৰ্ম সম্পাদন কৰিছিল।

আহোমসকলৰ পাইক প্ৰথাই অৰ্থনীতিত এক নতুন যুগৰ সূচনা কৰিছিল।



যেন আমাৰ ভাৱনাত এক দ্বন্দ্বহীন, নিৰ্জীৱ, যান্ত্ৰিক আৰু অমানুষিক চিন্তাই ক্ৰিয়া কৰি আছে। বহুল বিশ্বখনলৈ মন মেলিবলৈ আমাৰ যেন ধাউতি নাই, আমি আমাৰ চৌপাশকেই বিশ্ব বুলি ভাবি থাকো। সেয়ে ঘোলা চকুত নিৰ্মীয়মান নহয় সূৰ্য।

প্ৰকৃতাৰ্থত আমাৰ সূক্ষ্ম ঐতিহ্যৰ প্ৰতি আমি সচেতন হ'ব লাগিব। ইতিমধ্যে অঞ্চলটোৰ সংস্কৃতিত প্ৰতিভাত হৈ থকা বহুবোৰ মূল্যবোধ আমি হেৰুৱাই পেলাইছোঁ। সেৱাকেন্দ্ৰিক মনোভাৱৰ ক্ষমতা, সিদ্ধান্ত গ্ৰহণৰ সততা, মিতব্যয়িতা, পৰিয়াল আৰু সমাজ জীৱনৰ বাহ্যিকতা বৰ্জন আদি আমাৰ ঐতিহ্য আছিল, অথচ আমাৰ জীৱন তথা সাংস্কৃতিক জীৱনবোধৰ পৰা সেইবোৰ আঁতৰাই পেলাইছোঁ।

সাম্প্ৰতিক সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনীতি, সমাজ আৰু নৈতিকতাত পশ্চাদগামীতাৰ পয়োভৰ ঘটিছে। এনে পশ্চাদগামীতাৰ স্বৰূপ উদ্‌ঘাটন কৰিবলৈ আমাৰ সংস্কৃতিয়ে জানো চেষ্টা কৰিছে। আমি অৱশ্যে এতিয়াও প্ৰৱল আশাবাদী হৈ ক'ব পাৰো যে সংস্কৃতি এতিয়াও আছে, তাক দুষ্কৃতিয়ে শেষ কৰিব পৰা নাই। যুক্তি, বিশ্বপ্ৰেম, সহিষ্ণুতা, সহযোগিতাক আমি বিদায় দিয়া নাই যদিও এনে লোকৰ সংখ্যা কম, আমি সামূহিক চিন্তা-কৰ্মৰে এই সংখ্যা বঢ়াব লাগিব। মানুহৰ অন্তৰ আত্মা আৰু বৰ্হিঃআত্মাৰ দুয়োটা আত্মাতেই সংস্কৃতিৰ পৱিত্ৰ, নিষ্পাপ পোহৰে আমাক উজ্বলাই তুলিব লাগিব।

আমাৰ জীৱন চৰিত্ৰক এনেদৰে গঢ়ি তুলিব লাগিব যাতে দুষ্কৃতিৰ পৰিৱেশক অস্বীকাৰ কৰি ভৱিষ্যত সংস্কৃতিৰ সুস্থ আৰু সমৃদ্ধ তথা উত্তৰণৰ চিন্তাৰে আগবাঢ়িব লাগিব। জটিল জীৱনবোধে বাহিৰ আৰু ভিতৰত শ্ৰেণী বিভাজনৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়াৰ কাণ্ড সংঘটিত কৰিছে। ইয়াৰ প্ৰভাৱ আমাৰ সংস্কৃতিৰ ওপৰতো পৰিছে। কলাৰ ক্ষেত্ৰতো শ্ৰেণীবিভাজন ঘটিল। শিষ্ট সংস্কৃতি আৰু লোক সংস্কৃতি পৰস্পৰ বিচ্ছিন্ন হৈ পৰিল। অভিজাত মানস আৰু লোক মানসৰ এই বিচ্ছিন্নতাই অঞ্চলটোৰ সাংস্কৃতিক জীৱনবোধক খণ্ডিত ৰূপত প্ৰতিফলন ঘটাবলৈ বাধ্য কৰি তুলিছে। সম্প্ৰতি আমি এই সম্পৰ্কে সজাগ হ'ব লাগিব আৰু উভয় সংস্কৃতিৰ সমন্বয় সাধনত উত্তৰ-পূৰ্বৰ সমাজৰ বাসিন্দা প্ৰবৃত্ত হ'ব লাগিব। সমাজ বিলাক গুণান্বিত কৰিবলৈ হ'লে মানুহে এই ঐতিহাসিক দায়িত্ব পালন কৰিবলৈ আগবাঢ়ি আহিব লাগিব। সংস্কৃতিৰ এই অৰ্ধ-নাৰীশ্বৰ ৰূপৰ ওপৰতে আমাৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। আমাৰ সময়ত কৰ্মযজ্ঞ, বিশেষকৈ প্ৰশাসন, অৰ্থনৈতিক পৰিকল্পনা, সামাজিক প্ৰগতিত সংস্কৃতিৰ প্ৰজ্বলিত উত্তাপ অনুভূত নহ'লে সংস্কৃতিৰ সামগ্ৰিক বিকাশ কেতিয়াও সম্ভৱ হৈ নুঠিব।

অতীতত ভৃগুমুনি ব্ৰহ্মজ্ঞানী হৈছিল কেৱল অন্ন ব্ৰহ্মৰ জ্ঞানেৰে নহয়, তেওঁক প্ৰয়োজন হৈছিল প্ৰাণ, মন, বিজ্ঞান আৰু আনন্দৰ জ্ঞান। ব্ৰহ্মাক যদি আমি জীৱন বুলি ধৰো, তেনেহ'লে আমি উপলব্ধি কৰিব পাৰিম যে - মানুহক আহাৰ-বিহাৰ, উশাহ-নিশাহ, ভাৱনা-চিন্তা, প্ৰজ্ঞা আৰু আনন্দৰ প্ৰয়োজন। এইবোৰ নহ'লে মানুহ বাচি থাকিব নোৱাৰে। এইবোৰৰ অভাৱ ঘটিলে সংস্কৃতিয়েও জীৱনী শক্তি লাভ কৰিব নোৱাৰে। এই 'পঞ্চকোষ'ৰ এটাৰ অভাৱ হ'লেই মানুহে সংস্কৃতিক তাৰ প্ৰকৃত ৰূপত প্ৰতিষ্ঠা কৰিব নোৱাৰে। ৰাজনীতিকো সংস্কৃতিৰে ছন্দোময় কৰি জন ৰাজনীতিলৈ উত্তৰণ ঘটাব লাগিব।

আধুনিক যুগত বিজ্ঞানৰ প্ৰয়োগে জাতি-জনগোষ্ঠীৰ বিকাশ তুলনামূলকভাৱে দ্ৰুততৰ কৰি আনিছে। এনে বিকাশে জাতি সমূহৰ বিকাশমান সংস্কৃতিৰ মাজত পাৰ্থক্য কমাই আনিছে আৰু সমন্বয়ৰ ভেঁটি বহল কৰিছে। এই সমন্বয়ৰ গাত আউজি এক বিশ্ব সংস্কৃতি অংকুৰিত হৈ সাম্প্ৰতিক সময়ত ক্ৰমে বিকাশমুখী গতিৰে আগবাঢ়িছে। এই সমন্বয়ৰ বিশ্ব সংস্কৃতিয়েই অনাগত দিনৰ ঐক্যবদ্ধ মানৱ সমাজৰ বুনিয়াদ বুলি ভাবিব পাৰি। অৱশ্যে এচাম ৰক্ষণশীল লোকে সংস্কৃতিৰ বহল পটভূমিত অন্তৰ্ভূক্ত হ'বলৈ দ্বিধাবোধ কৰে। সাম্প্ৰতিক সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ক্ষেত্ৰখনত এক সম্প্ৰসাৰণ প্ৰৱণতাৰ মনোভাৱ পৰিলক্ষিত হৈছে। এনে প্ৰৱণতাক প্ৰতিৰোধৰ বাবে সৰু-বৰ জাতি সকলোৱে সজাগ হৈ থকাটো প্ৰয়োজন। সমন্বয়ৰ ক্ষেত্ৰত সম্প্ৰসাৰণবাদী প্ৰৱণতা অতি ভয়ংকৰ। স্বকীয় সাংস্কৃতিক বৈশিষ্ট্যখিনিক সন্মান জনাই আৰ্থ-সামাজিক ব্যৱধানসমূহ ক্ৰমে হ্ৰাস কৰি উত্তৰ-পূৰ্বাঞ্চলত সমন্বয়ৰ ভেঁটি সবল কৰাটো সম্ভৱ কৰি তুলিব পৰা যায়। মধ্যযুগৰ শংকৰদেৱৰ সময়ত এনে সমন্বয়ৰ ভেঁটি গঢ়ি তোলাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। সেইদৰে আহোম ৰাজত্বৰ দিনত এই সমন্বয়ৰ ভেঁটিটো শক্তিশালী হৈ উঠিছিল। আধুনিক যুগত জ্যোতিপ্ৰসাদ-বিষ্ণুৰাভাই সমন্বয়ৰ এই সাংস্কৃতিক যাত্ৰা অব্যাহত ৰাখিব বিচাৰিছিল। বিষ্ণুপ্ৰসাদ ৰাভাই জনজাতীয় বৈশিষ্ট্যসমূহ সুৰক্ষিত কৰি জনজাতি সমূহৰ গোষ্ঠীগত চিন্তাৰ উৰ্ধত গৈ এক বহল সাংস্কৃতিক পথাৰখনলৈ লৈ যোৱাৰ চেষ্টা কৰিছিল।

উল্লেখ্য যে এক ৰক্ষণশীল মনোভাবাপন্ন লোকৰ প্ৰৰোচনাত সাংস্কৃতিক জগতখনত এক পুনৰুত্থানবাদী চিন্তাৰ প্ৰাদুৰ্ভাৱ পৰিলক্ষিত হৈছে আৰু সংস্কৃতিৰ গতিশীল ধাৰাটো ৰুদ্ধ কৰি দিব বিচৰা হৈছে। আমাৰ বৃহৎ পূৰ্বাঞ্চলটোৰ আওপুৰণি চিন্তাৰ ভঁৰালটোক ন চিন্তাৰ শইচেৰে ভৰাবলৈ নতুন প্ৰজন্ম আগবাঢ়ি আহিব লাগিব। উদাৰভাৱৰ সাংস্কৃতিক চিন্তা-ভাৱনা আৰু কৰ্মইহে অঞ্চলটোত সাংস্কৃতিক সমন্বয়



সমাজ সংহতিত ইয়াৰ বিৰূপ প্ৰভাৱ নপৰাকৈ নাথাকে। এনে প্ৰেক্ষাপটত ৰূপান্তৰ প্ৰক্ৰিয়াক অগ্ৰাধিকাৰ দিলে সমাজ-সংস্কৃতিৰ গতিশীল জীৱনবোধে সমাজ সংহতিত নতুন মাত্ৰা প্ৰদান কৰিব পাৰিব বুলি ভাবিব পাৰি। ইয়াতেই সৃষ্টি হয় উদাৰবাদী সাংস্কৃতিক দৃষ্টিভংগী, যিয়ে অনৈক্য মাজত ঐক্যৰ বিচিত্ৰতা নিৰ্মাণ কৰিব পাৰিব।

আত্মপৰিচয়ৰ প্ৰচেষ্টাত অনেকখিনি প্ৰতিবন্ধকতা প্ৰত্যক্ষ হয়। চমুকৈ ক'বলৈ গ'লে- ৰাজনৈতিক ক্ষেত্ৰত, ধৰ্মীয় দিশত, সাংস্কৃতিক চৰিত্ৰত, আৰ্থিক প্ৰেক্ষাপটত জটিলতাই দেখা দিয়ে। এনেবিলাক কাৰণত উত্তৰ পূৰ্বাঞ্চলত বহুসময়ত গোষ্ঠীগত সংঘাত, উপ-জাতীয়তাবাদ, উগ্ৰবাদ আদিৰ দৰে ভয়ংকৰ অশুভ অৱস্থাৰো সৃষ্টি হৈ আহিছে।

সকলো জনগোষ্ঠীৰ মাজত সংহতি নিৰ্মাণত সংস্কৃতিয়ে অনান্য ভূমিকা পালন কৰি আহিছে আৰু অদূৰ ভৱিষ্যতেও কৰি থাকিব বুলি আমি পৰম আশাবাদী।

**সংস্কৃতিৰ বিচিত্ৰতাত অৰ্থনীতিৰ চিৰন্তন সম্পৰ্ক ঃ**

চিকাৰী জীৱন, জুই আৱিষ্কাৰ আৰু কৃষি জীৱন গ্ৰহণ কৰি আদিম জনগোষ্ঠীসমূহে সভ্যতাৰ ক্ৰমবিকাশ ঘটাই সংস্কৃতি আৰু অৰ্থনীতিৰ এক স্বকীয় ঐক্যৰ ভিত্তিভূমি গঢ়ি তুলিছিল। কৃষি সভ্যতাই সংস্কৃতিৰ মৌলিক চৰিত্ৰ উন্মোচিত কৰাই নহয়, ইয়াৰ বিকাশ আৰু পৰিৱৰ্তনো সম্ভৱ কৰি তুলিছিল। কৃষি শ্ৰমৰ লগত সংস্কৃতিৰ সম্পৰ্ক অতি নিবিড় আৰু গভীৰভাৱে সংপৃক্ত হৈ আছে আৰু সংস্কৃতিৰ লগত শ্ৰমৰ উৎকৰ্ষতা নিহিত হৈ থাকে।

সংস্কৃতি আৰু অৰ্থনীতিৰ অনিবাৰ্য সম্পৰ্ক আৰু ইহঁতৰ দ্বৈত ভূমিকা তথা উৎকৰ্ষতা জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে তেখেতৰ 'ভাবী কালৰ সংস্কৃতি'ত অতি সুন্দৰ আৰু সাৰ্বজনীন বিশ্লেষণ আগবঢ়াই থৈ গৈছে। তেখেতৰ ভাষাৰেই উল্লেখ কৰি ক'ব পাৰি যে - বাস্তৱিক সংস্কৃতি প্ৰকাশৰ বাহনটো অৰ্থনীতি হোৱাত কেৱল মানৱ জীৱনৰ বাস্তৱিক সম্পাদিত প্ৰকাশটো অকলে চালে মানুহটোক এটা অৰ্থনৈতিক জীৱ বুলিও ক'ব পাৰি। .... অন্তৰ সংস্কৃতিৰো আকৌ এক হিচাপে গুৰিতে অৰ্থনীতি। দেহৰ পোষক হ'ল অন্ন, ভাত। সেইবাবে অৰ্থনীতি আধ্যাত্মিক প্ৰকাশ বা উন্নতিৰো গুৰিতেই। সংস্কৃতিৰ প্ৰধান অৱলম্বন হৈছে তেন্তে অৰ্থনীতি। সেই কাৰণে অৰ্থনীতি বিপৰ্যয় হ'লে দেশৰ সংস্কৃতিৰ নানা সৌন্দৰ্যমণ্ডিত বৰঘৰটো ভাগি যাব পাৰে (সাম্প্ৰতিক সময়ত এনে সম্ভাৱনা প্ৰকট হৈ পৰিছে)। সেইদৰে আকৌ সংস্কৃতিৰ অন্তৰভাগৰ কোনো বিভাগত কেৰোণ লাগিলে তাৰ প্ৰতিক্ৰিয়া অৰ্থনীতিত পৰি মানৱ

বিভিন্ন জনগোষ্ঠীৰ আত্মপৰিচয়ৰ প্ৰচেষ্টা বিলাকৰ ভিতৰত টাই আহোম সকলৰ টাই ভাষা উদ্ধাৰ, বড়ো সকলে বড়ো ভাষা-সংস্কৃতিৰ বিকাশ, মিচিং জনগোষ্ঠীয়ে কথিত ভাষাক লিখিত ৰূপ দিয়াৰ প্ৰচেষ্টা, তিৱা সকলে স্বকীয় ভাষাৰ উন্নতি সাধন, মণিপুৰত মণিপুৰী ভাষা পুনৰ উদ্ধাৰৰ চেষ্টা, মেঘালয়ত জয়ন্তীয়াসকলে নিজৰ ভাষাৰ বাবে আন্দোলন আৰু খাচীয়া ভাষা বৰ্জন কৰি জয়ন্তীয়া জিলাত জয়ন্তীয়া ভাষা প্ৰচলন আদি।

সেইদৰে জনগোষ্ঠী সমূহে তেওঁলোকৰ পুৰণি নাম সলনি কৰি নতুন নামেৰে পৰিচিত হ'বলৈ ধৰিছে। যেনে মিৰিৰ সলনি মিচিং, লালুংৰ পৰিৱৰ্তে তিৱা, মিকিৰৰ ঠাইত কাৰ্বি, ডোমৰ পৰিৱৰ্তে কৈৱৰ্ত্ত, ডফলাৰ নাম নিচি, অকাৰ স্থানত হ্ৰুছু, লুচাইৰ পৰিৱৰ্ত্তে মিজো আদি উল্লেখযোগ্য।

উৎসৱ-পাৰ্বন বিলাকো নিয়মীয়াকৈ পালন কৰি স্বকীয় পৰিচয় সুদৃঢ় কৰিব বিচৰা হৈছে। উদাহৰণ স্বৰূপে- আহোম সকলে মে-ডাম-মেফি, মিচিংসকলে আলি-আই-লিগাং, বড়োসকলে বাথৌ পূজা, কোচসকলে চিলাৰায় দিবস, চুটীয়াসকলে সতী সাধনী দিবস, দেউৰীসকলে দেউৰী পূজা আদি বিশেষভাবে লক্ষণীয় উৎসৱ উদ্‌যাপন কৰে।

আকৌ সাহিত্য মঞ্চৰ ক্ষেত্ৰত -বড়ো সাহিত্য সভা, দেউৰী সাহিত্য সভা, কাৰ্বি আৰু মিচিং সাহিত্য সভা উল্লেখযোগ্য।

ইতিমধ্যে ৰাজনৈতিক ভাৱে সুকীয়া বা প্ৰশাসনিক অঞ্চল হিচাপে নগালেণ্ড, মণিপুৰ, মিজোৰাম, অৰুণাচল প্ৰদেশ। সেইদৰে স্ব-শাসিত অঞ্চলৰ ক্ষেত্ৰত বড়ো, কাৰ্বি, মিচিং. ৰাভা, সোনোৱালকছাৰী, মণিপুৰী, নেপালী আদি।

গোষ্ঠীগত বাসভূমি সৃষ্টি কৰি ভাষা-সংস্কৃতি ৰক্ষণাবেক্ষণ তথা উন্নয়নৰ স্বাৰ্থত তথা আৰ্থ-সামাজিক বিকাশৰ সুবিধা বিচাৰি পৃথক ৰাজ্যৰ দাবীত বড়োলেণ্ড, কোচৰ কমতাপুৰ ৰাজ্যৰ নাম ল'ব পাৰি। ইতিমধ্যে জনজাতিকৰণৰ দাবীত অসমৰ আহোম,চুতীয়া, মৰাণ, চাহ জনগোষ্ঠী, কোচ আৰু মটক সকলে আন্দোলন অব্যাহত ৰাখিছে।

এনেবিলাক প্ৰক্ৰিয়া অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক সংহতিত প্ৰত্যাহ্বান সৃষ্টি কৰিছে যদিও সমন্বয়ৰ পথো নিঃশব্দে উন্মোচিত হ'ব ধৰিছে। সংস্কৃতিক আদান-প্ৰদান, অৰ্থনৈতিক সহযোগিতা, বিবাহৰ দ্বাৰা সমন্বয় সাধন, শিক্ষাৰ আদান-প্ৰদান, পৰ্যটনৰ সুযোগ, যাতায়তৰ সুবিধা আদিয়ে নীৰবে সহযোগিতাৰ বাট মুকলি কৰি দিছে। পিছে আত্মপৰিচয়ৰ পুনৰ উদ্ধাৰে পুনৰ উত্থানবাদী মনোভাব সৰ্বোচ্চ হৈ উঠিলে



সম্ভৱ হৈ উঠিব।

দেশৰ বিভিন্ন অঞ্চলৰ পৰা বিভিন্ন সময়ত উত্তৰ-পূৰ্বাঞ্চললৈ নিজৰ নিজৰ উন্নত মানৰ ভাষা-সংস্কৃতি কঢ়িয়াই আনি সম্প্ৰতি অঞ্চলটোত নিগাজিকৈ থাকিবলৈ লোৱা সকলে অঞ্চলটোৰ ভাষা-সংস্কৃতিৰ সমন্বয় সাধনত দীৰ্ঘদিন ধৰি জটিল সমস্যাৰ সন্মুখীন হৈ আহিছে। সমন্বয়ৰ বাবে ধ্বনি সৰ্বস্বতাৰ বিপৰীতে অঞ্চলটোৰ বিভিন্ন জনগোষ্ঠীৰ আৰ্থ-সামাজিক পাৰ্থক্য আঁতৰোৱাৰ বাবে বাস্তৱ কৰ্মপন্থাহে উপযোগী।

উত্তৰ-পূৰ্বাঞ্চলৰ অধিকাংশ বাসিন্দা কৃষিজীৱি যিসকল আৰ্থ-সামাজিকভাৱে আজিও পিছপৰা। সেইদৰে অঞ্চলটোৰ চাহ জনগোষ্ঠী সকলৰো অৱস্থা তথৈবচ। সেয়ে আৰ্থ-সামাজিক দিশত আগবঢ়াই স্বকীয় সংস্কৃতিখিনি উন্নত তথা গতিশীল সময়ৰ লগত খাপ খুৱাই, মাৰ বান্ধি আগবাঢ়িব লাগিব। অঞ্চলটোৰ জনগোষ্ঠীৰ মাজত থকা হীনমন্যতা আঁতৰাই অবৈজ্ঞানিক চিন্তা-চৰ্চাৰ পৰা মুক্ত হৈ এক সমন্বয় সংস্কৃতিৰ বিশ্বমুখী প্ৰৱণতা জগাই তোলা দৰকাৰ।

এই অঞ্চলটোৰ সংস্কৃতিৰ বিষয়বস্তু নিৰ্ধাৰণ কৰিব লাগিব সামগ্ৰিকভাৱে কৃষক ৰাইজৰ বিকশিত চেতনাৰ স্বাৰ্থত। সামন্তীয় সংস্কৃতি আৰু আওপুৰণি ধ্যান-ধাৰণাবোৰৰ পৰা মুক্ত হৈ কৃষক, শ্ৰমিক, মহিলা সকলক অগ্ৰগামী সাংস্কৃতিক চেতনাৰে সমৃদ্ধ কৰি তুলিব লাগিব। সেইদৰে অঞ্চলটোত দলীয় ৰাজনীতিৰ বিপৰীতে এক জন ৰাজনৈতিক দৃষ্টিকোণ গ্ৰহণৰ প্ৰয়োজনীয়তা আছে। যি দৃষ্টিভংগীৰে জনগণৰ স্বাৰ্থক সৰ্বোচ অগ্ৰাধিকাৰ দি আগবঢ়াই নিয়াটোৱে হৈছে জন ৰাজনীতি। সেয়ে বিষ্ণুৰাভাই কৈছিল- এই কুৰি শতিকাত সামাজ্যবাদীৰ যি ধুমুহা বলিছে,ধনতান্ত্ৰিকতাৰ (পুঁজিবাদ) বিজয় বৈজয়ন্ত্ৰী ধৰজা উৰিছে,সেই ধনতান্ত্ৰিকতা আৰু সাম্ৰাজ্যবাদৰ হেঁচাত অসমীয়া গাঁৱলীয়া, দুখীয়া, হজুৱা হালোৱা, বনুৱা বাচি থাকিবনে? যদি অসমীয়াৰ এই দুখীয়া শ্ৰেণী মৰে, তেন্তে অসমীয়া জাতিও মৰিব, লগে লগে লয় পাব অসমীয়া সভ্যতা। এই কৃষ্টি, এই সংস্কৃতি, এই সভ্যতা বচাব লাগিব, এই নিস্পেষিত নিৰ্যাতিত নিপীড়িত দুখীয়া অসমীয়াক বচাব হ'লে, বচাব লাগিব বিপ্লৱৰ মাজেদি। এনেদৰে এক জন ৰাজনীতিৰ চিন্তাৰে ৰাভাদেৱৰ এনেবোৰ বক্তব্য উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক সমন্বয় সৃষ্টিত আজিও প্ৰাসংগিকতা আছে। অঞ্চলটোত সাংস্কৃতিক সংহতি নিৰ্মাণত জন সাংস্কৃতিক আন্দোলনবোৰ প্ৰয়োজন সৰ্বাধিক।

সামাজিক সামগ্ৰিকতাৰ পৰা পৃথক কৰি বৌদ্ধিক সৰ্বস্ব সংস্কৃতি গঢ়ি তুলিলে সংস্কৃতিৰ ভিত্তিভূমি সবল হৈ নুঠে। ঐতিহাসিকবিদ কেত্ৰন পাণিকাৰৰ উদ্ধৃতি দি ক'ব পাৰি যে Culture is aadescription of a particular Way of life, which

expressess certain meaning and values not only in art and learning but also institution and ordinary behaviour. সংস্কৃতিৰ সামাজিক ভিত্তি সম্প্ৰসাৰণত জীৱন সংগ্ৰামৰ বাস্তৱ উপকৰণসমূহ সমাজ অগ্ৰগতিৰ বাস্তৱ অৱস্থা আৰু মানৱ সম্পদৰ বিকাশে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক ভিত্তিভূমি সম্প্ৰসাৰণৰ ক্ষেত্ৰত এনেবোৰ উপাদানে পথ নিৰ্দেশনা দিব পাৰে।

**থাওকতে উত্তৰ পূৰ্বাঞ্চলৰ সমাজ সংহতিৰ নিৰ্মাণত প্ৰয়োজন হোৱা কেইটামান দিশ এনেদৰে বিবেচনা কৰিব পৰা যায় ঃ**

১। জনগোষ্ঠীসমূহৰ আত্মপৰিচয় আৰু আত্মনিয়ন্ত্ৰক সন্মান জনোৱা আৰু ইয়াৰ প্ৰতি ইতিবাচক মনোভাৱ পোষণ কৰাটো জৰুৰী বিষয়।

২। সমাজ সংহতি নিৰ্মাণত ৰাজনৈতিক দৃষ্টিকোণতকৈ সামাজিক আৰু সাংস্কৃতিক দৃষ্টিভংগীৰ প্ৰাবল্য সম্ভৱ কৰি তুলিব লাগিব।

৩। অঞ্চলটোত থকা বিভিন্ন ধৰ্মীয় জনগোষ্ঠীৰ মাজত থকা ধৰ্মীয় সংঘাত দূৰ কৰিবৰ বাবে মানবীয়তাৰ দৃষ্টিভংগীৰে তেনে সংঘাত বিচাৰ বিশ্লেষণ কৰিব লাগে।

৪। সাদৃশীকৰণৰ দ্ৰুত প্ৰক্ৰিয়াই জনগোষ্ঠীসমূহৰ স্বকীয় ভাষা-সংস্কৃতি হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে। সেয়ে একোটা উন্নত জনগোষ্ঠীয়ে যাতে অনুন্নত জনগোষ্ঠীৰ ভাষা-সংস্কৃতি বিলোপ ঘটাব নোৱাৰে তাৰ বাবে প্ৰয়োজন হ'ব জন ৰাজনীতিৰ ঐকীয় প্ৰচেষ্টা।

৫। বৃটিচ শাসনৰ সুবিধালৈ খ্ৰীষ্টান মিছনেৰীসকলে ধৰ্মপ্ৰচাৰ কৰিবলৈ ধৰাত উত্তৰ-পূৰ্বাঞ্চলৰ বহুজনগোষ্ঠী খ্ৰীষ্টান ধৰ্মত দীক্ষিত হোৱাত তেওঁলোকে স্ব-ধৰ্ম, স্ব-সংস্কৃতি, স্ব-পৰম্পৰা বহুখিনি ত্যাগ কৰিবলগা হ'ল। এনে ক্ষেত্ৰত স্বকীয়তাখিনি পুনৰ উদ্ধাৰ কৰি ধৰ্মীয় ভাবে আৱেষ্টনীত থাকিয়ে ইয়াৰ সংৰক্ষণ আৰু উত্তৰণ সম্ভৱ কৰি তুলিব লাগিব।

৬। খ্ৰীষ্টান ধৰ্মৰ ফলত পশ্চিমীয়া সংস্কৃতিৰ সহজ আগমন আৰু তেনে সংস্কৃতি গ্ৰহণে থলুৱা সংস্কৃতিৰ ওপৰত আঘাত সানিলে। সেয়ে পাশ্চত্য আৰু থলুৱা সংস্কৃতিৰ মিলন ঘটাই, থলুৱা সংস্কৃতিৰ ঐতিহ্য সুৰক্ষিত কৰি ৰাখিলে আন জনগোষ্ঠীৰ লগত মিলন প্ৰীতিও সম্ভৱ হৈ উঠিব।

৭। হিন্দুধৰ্মৰ চৈতনপন্থী বংগদেশীয় লোকসকল উত্তৰ -পূৰত বসতি কৰিবলৈ ধৰাত অঞ্চলটোৰ হিন্দুসকলৰ ওপৰতো ইয়াৰ প্ৰভাব পৰিবলৈ ধৰিলে। অঞ্চল ভেদে বঙালী ভাষা-সংস্কৃতিৰ প্ৰাধান্য বাঢ়িল। ত্ৰিপুৰীসকলৰ কক্‌বৰক্ ভাষা আৰু ইয়াৰ সংস্কৃতিত বাংলা সংস্কৃতিয়ে আধিপত্য দিবলৈ ধৰাত ত্ৰিপুৰাৰ আদিম জনগোষ্ঠীৰ অস্তিত্বই বিপন্ন হৈ উঠিছে। এনে সম্প্ৰসাৰণবাদী আগ্ৰাসী সাংস্কৃতিক অগ্ৰগতিক অঞ্চলটোৰ সকলো জনগোষ্ঠীয়ে ভবিষ্যতে হ'ব পৰা সম্ভাৱনাক প্ৰতিহত কৰিবলৈ যাওঁতে সাংস্কৃতিক সমন্বয়ৰ দ্বাৰা ঐক্যবদ্ধ সংগ্ৰাম অনিবাৰ্য হৈ উঠিব লাগিব।

৮। ইতিমধ্যে ধৰ্মীয় আগ্ৰাসনে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্যতা ধ্বংস কৰিবলৈ আগবাঢ়িছে। মণিপুৰত হিন্দু আৰু ইছলামীয় প্ৰভাৱে মণিপুৰৰ সাংস্কৃতিক বৈচিত্ৰ্যতাৰ ৰক্ষণাবেক্ষণত প্ৰত্যাহবান আহি পৰিছে। কট্টৰ হিন্দু অথবা কট্টৰ ইছলামীয় ধৰ্মৰ প্ৰভাৱ প্ৰতিহত কৰি উদাৰ ধৰ্মীয় ব্যৱস্থাপনাৰে সংস্কৃতিৰ উত্তৰণ ঘটোৱাৰ লগতে সমাজ সংহতি নিৰ্মাণো সম্ভৱ হৈ উঠিব।



**উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ আত্মপৰিচয় প্ৰচেষ্টা আৰু স্বকীয় সংস্কৃতিৰ সুৰক্ষা প্ৰদান ঃ**

উত্তৰ-পূৰ্বাঞ্চলৰ বহুসংখ্যক জনগোষ্ঠীয়ে তেওঁলোকৰ ভাষা-সাহিত্য-সংস্কৃতিৰ লগতে স্বকীয় অধিকাৰৰ বাবে আত্মনিয়ন্ত্ৰণ তথা আত্মপৰিচয় সুৰক্ষিত কৰাৰ স্বাৰ্থত যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে। এনে আত্মপৰিচয় লাভৰ প্ৰচেষ্টাক প্ৰতিহত কৰিলে অঞ্চলটোত সংঘাত আৰম্ভ হ'ব আৰু সমন্বয়ৰ পথো ৰুদ্ধ হৈ পৰিব। অৱশ্যে চূড়ান্তভাৱে ৰাজনৈতিক লাভালাভৰ দ্বাৰা পৰিচালিত হৈ এনে আত্মনিয়ন্ত্ৰণ সাব্যস্ত কৰিব বিচাৰিলে সমাজ সংহতিত অনিবাৰ্যভাৱে নেতিবাচক প্ৰভাৱ পৰিব যিটো বিগত সময়ত চৰকাৰবিলাকে "উন্নয়ন পৰিষদ" নাম দি জনগোষ্ঠী সমূহক ৰাজনৈতিকভাৱে প্ৰৰোচিত কৰি আহিছে। এনে পৰিষদবোৰে জনগোষ্ঠীৰ সৰ্বাত্মক উন্নয়নৰ স্বাৰ্থতকৈ ব্যক্তি স্বাৰ্থ আৰু দলীয় ৰাজনীতিৰ স্বাৰ্থকহে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়াত সমাজৰ সংহতি বিনষ্ট হৈছে। চৰকাৰৰ এনে মানসিকতাক প্ৰত্যাহবান জনাই সঁচা অৰ্থত আত্মনিয়ন্ত্ৰণ তথা আত্মপৰিচয় বিকশিত কৰাত মনোনিবেশ কৰিলে সংহতিৰ বাতাবৰণ সৃষ্টি হ'ব। এনে সৃষ্টিত সবাতোকৈ বলিষ্ঠ ভূমিকা পালন কৰিব পাৰে সাংস্কৃতিক আদান-প্ৰদানে। উমৈহতীয়া সংস্কৃতিৰ আলমত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ জনগোষ্ঠীৰ মাজত এক পবিত্ৰ সংহতি নিৰ্মাণ সম্ভৱ কৰি তুলিব পৰা যায়।

ধৰিছে। আমি এনে এখন আধুনিকতা সৰ্বস্ব অৰ্থনীতিত সোমাই পৰিছোঁ য'ত 'double income single child'ৰ পৰিৱৰ্তে 'double income no child' মানসিকতাৰে নিমজ্জিত হৈ পৰিছো। আমাৰ সমাজ ব্যৱস্থাত বিশ্বায়নে প্ৰদান কৰা এনে সংস্কৃতিয়ে সামাজিক মূল্যবোধৰ সংস্কৃতি বিনষ্ট কৰিছে। যুগ্ম জীৱন হৈ পৰিছে কৃত্ৰিমতাৰে ভৰা। যান্ত্ৰিকভাবে যুগ্মজীৱনৰ সংসাৰ কৰা বহু দম্পতীৰ সংসাৰ ভাগি গৈছে। সেইদৰে পুত্ৰৰ প্ৰতি দায়বদ্ধতা মাতৃকেন্দ্ৰিক হোৱাৰ বিপৰীতে পিতৃকেন্দ্ৰিক হৈ পৰিছে। ফলত মাতৃত্বৰ উমাল স্নেহ হৈ পৰিছে যান্ত্ৰিক অথবা কৃত্ৰিম। নিজৰ সন্তানৰ কেৰিয়াৰ গঢ়াৰ প্ৰতি ইমানেই ব্যাকুল হৈ পৰিছোঁ যে আমাৰ পবিত্ৰতম সাংস্কৃতি চৰিত্ৰ গঠনৰ মূল্যবোধ পাহৰি গৈছোঁ। সেয়ে যুৱ সমাজৰ উশৃংখলতাই আমাৰ সমাজ ব্যৱস্থাত ভয়ংকৰ সমস্যা হিচাপে থিয় দিছে।

এক সাংঘাতিক প্ৰজন্মৰ সংঘাত যিদৰে প্ৰত্যক্ষ হৈছে সেইদৰে এচামে প্ৰজন্মৰ সংঘাত হ্ৰাস কৰিবলৈও আগবাঢ়ি আহিছে। সম্প্ৰতি নতুন প্ৰজন্মই পৰম্পৰাগত সংস্কৃতিৰ প্ৰতি প্ৰশ্ন তুলিছে আৰু এনে সংস্কৃতিক সময়ৰ সংস্কৃতি নহয় বুলি ক'বলৈ ধৰিছে। বিশ্বায়নৰ সাংস্কৃতিক বৈচিত্ৰ্যতাৰ সংবাদ লোৱা আমাৰ নতুন প্ৰজন্মই থলুৱা সাংস্কৃতিক বৈচিত্ৰ্যৰ বৈভৱৰ ভূ-নাপায়। পিতৃৰ প্ৰতি থকা দায়বদ্ধতা, পুত্ৰৰ প্ৰতি কৰ্তব্যনিষ্ঠাৰ সংস্কৃতি এতিয়া দুস্কৃতিৰে পৰিৱেশিত। সম্প্ৰতি বিশ্বায়নে পৰিয়ালৰ মাজত থকা সম্পৰ্ক ঠেক কৰি বৃদ্ধ পিতৃ-মাতৃৰ প্ৰতি থকা কৰ্তব্যক উপেক্ষা কৰিবলৈ ধৰিছে। এনে প্ৰেক্ষাপটত চৰকাৰে পিতৃ-মাতৃৰ প্ৰতি থকা কৰ্তব্যক আইন যোগেদি সোঁৱৰাব লগা হৈছে।

বিশ্বায়নৰ পৰম সংস্কৃতি ভোগবাদত বিধ্বস্ত আজিৰ সমাজত আমাৰ পৰম্পৰাগত বিশ্বাস আৰু মূল্যবোধ আদি ভূ-পতিত হৈছে। সাম্প্ৰতিক সময়ত ভোগবাদৰ সংস্কৃতি, নৈতিক নিষ্ঠাহীনতা আৰু অৱনমিত সভ্যতাই বিশ্বায়নৰ ফলশ্ৰুতি বুলি পৰিচিত হৈছে। ভোগবাদী সংস্কৃতি উদ্‌যাপন কৰাই হৈছে বিশ্বায়ন সংস্কৃতিৰ পৰমতম লক্ষ্য। বৃহৎ শ্বপিং মল, আৰ্কৰ্ষণীয় বজাৰ , বহুমুখী আৰু বিবিধ সামগ্ৰীৰ এককযুক্ত বজাৰ অৰ্থনীতিৰ প্ৰাদুৰ্ভাব সৰ্বত্ৰ। মানুহৰ জীৱনশৈলী পৰিৱৰ্তন ঘটাই ভোগবাদী অৰ্থনীতিয়ে লাভ সৰ্বস্ব বজাৰৰ সম্প্ৰসাৰণ ঘটাইছে। বিভিন্ন ব্ৰেণ্ডৰ আৰ্কষণীয় পোষ্টাৰ, চেনেল সমূহত অভূতপূৰ্ব বিজ্ঞাপন আদিবোৰে আমাৰ সাংস্কৃতিক মূল্যবোধ কলুষিত কৰিছে। ভোগৰ লগত জড়িত খাদ্যভাসৰ পৰম্পৰাগত সংস্কৃতি এতিয়া পৰিচিত নহয়। সাম্প্ৰতিক সময়ত মানুহক গঢ়ি তুলিছে বজাৰ সংস্কৃতিয়ে। কি খাব, কি পিন্ধিব, ক'লৈ যাব, কি গাব বা নাচিব, কি শুনিব-সকলোবোৰৰ নিৰ্দেশনা



আলি-বন্ধা (যেনে - ধোদৰ দ্বাৰা আলি বন্ধোৱা - ধোদৰ আলি) পুখুৰী খন্দা, দৌল দেৱালয় নিৰ্মাণ, খাজনা লগোৱা আদিবোৰ অৰ্থনৈতিক কৰ্মৰ লগত সংস্কৃতিয়েও বিকাশ লাভ কৰিছিল। মুদ্ৰা অৰ্থনীতিৰ প্ৰয়োগ সৰ্বাত্মক হৈ উঠা নাছিল বাবেই পণ্য বিনিময় ব্যৱস্থাটোৱে প্ৰাধান্য পাইছিল।

আহোমৰ বিভিন্ন বিষয়বাববোৰৰ লগত সাংস্কৃতিক চৰিত্ৰৰো প্ৰতিফলন ঘটিছিল। যেনে - দোলাকাষৰীয়া, শেনচোৱা, খনিকৰ, চাংমাই, শিলাকুটি, কাকতি, কটকী আদি। অকা, দফলা, মিচিমি, চিংফৌ, নগা, মণিপুৰী, খাচীয়া আদি জনগোষ্ঠীৰ মাজত পণ্য বিনিময়ৰ যোগেদি বাণিজ্য আদান-প্ৰদান হৈছিল।

গাঁও সংগঠনৰ যোগেদি যে গ্ৰাম্য সমাজ আৰু গ্ৰাম্য সংস্কৃতিৰ বিকাশ হৈছিল সেই কথা সৰ্বানন্দ ৰাজকুমাৰৰ বক্তব্যত প্ৰকাশ পাইছিল এনেদৰে - গাঁওবিলাক পাতোতে, প্ৰত্যেক গাঁও যাতে স্বাৱলম্বী হ'ব পাৰে তালৈ লক্ষ্য ৰাখিছিল (অৰ্থাৎ স্বাৱলম্বী অৰ্থনীতিৰ বিকাশ)। সেই কাৰণে সকলো জাতৰ আৰু সকলো কামৰ মানুহৰে একোখন গাঁও পাতিছিল (অৰ্থাৎ কৰ্মৰ বিভাজন আৰু ঐক্যৰ বান্ধোন)। সেয়ে হোৱাত ইজনে সিজনৰ ওপৰত নিৰ্ভৰ কৰিবলৈ শিকিলে আৰু সকলো ধৰণৰ কৃষ্টি-সভ্যতা লগ লাগি এটি জাতীয় কৃষ্টি সভ্যতা গঢ়ি উঠি একতা পাশত আৱদ্ধ এটি অসমীয়া জাতি গঠনত সহায় হ'ল (অৰ্থাৎ বৈচিত্ৰতাৰ সংস্কৃতিৰে ঐক্যবদ্ধ সংস্কৃতিৰ সৃষ্টি)।

আহোম ৰজাৰ দিনত বৰ্হি বাণিজ্যৰ বাবে চকী বা দুৱাৰ স্থাপন কৰি ধন সংগ্ৰহ কৰিছিল। আজিকালি বিভিন্ন ঠাইত গেট বা সীমান্তত চকী নিৰ্মাণৰ দ্বাৰা চৰকাৰে অৰ্থ সংগ্ৰহ কৰি আছে। এই চকী বা দুৱাৰ বিলাক সময়ত সংস্কৃতিৰ বাহক হৈ পৰিচিল। যেনে ছয়দুৱাৰ এক উদাহৰণ মাত্ৰ। সেই সময়ত সোণ-ৰূপৰ দ্বাৰা এক বিনিময় অৰ্থনীতি গঢ়ি উঠিছিল (অৰ্থাৎ সেই সময়ত সোণ-ৰূপ সংগ্ৰহৰ বাবে কৰা বাণিজ্যৰ পদ্ধতি বণিকাবাদৰ প্ৰভাৱ)। ভূমিদান অৰ্থাৎ ভূমি সম্পত্তি মন্দিৰ, সত্ৰ, গীৰ্জা, মছজিদক দান দিয়াৰ উপৰি ভূমি ক্ৰয়-বিক্ৰয়ৰ সময়ত হোৱা ৰাজহুৱা সভাত কাপোৰ, লোণ, তেল, হাঁহ, তামোল-পাণ, ৰূপৰ টকা দিয়াৰ প্ৰথাৰে সংস্কৃতিৰ এক বিশেষ দিশ প্ৰতিফলিত হৈছিল।

ঝুমখেতিৰ লগত থকা অৰ্থনৈতিক কৰ্মই পাৰ্বত্য অঞ্চলৰ জনগোষ্ঠীসমূহৰ সাংস্কৃতিক দিশবোৰ প্ৰভাৱান্বিত কৰিছিল আৰু সংস্কৃতিৰ পৰমতম উৎস হিচাপে বিবেচিত হৈছিল। জুম বান্ধি খেতি কৰোতে জুম বান্ধি কৰা নৃত্যৰ প্ৰচলন সম্ভৱ হৈ উঠিছিল। সেইদৰে ভৈয়ামৰ কৃষি যেনে শালি খেতি, কুঁহিয়াৰ, বাওধানৰ খেতিয়ে

মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ ভেঁটি চহকী কৰিছিল।

উত্তৰ-পূৰ্বাঞ্চলত উপলব্ধ বিভিন্ন উদ্ভিদৰ অৰ্থনৈতিক উপযোগিতাই এক সাংস্কৃতিক ইতিহাসৰ সৃষ্টি কৰিছিল। গছৰ ফল খাদ্য হিচাপে গ্ৰহণ কৰি সিবোৰে খাদ্য সংস্কৃতিৰ পৰিচয় দিছিল। কলগছৰ বিভিন্ন প্ৰজাতিৰ কলৰ খাদ্য বিক্ৰী কৰা কাৰ্যইও সংস্কৃতিৰ পথাৰখন চহাই থৈ গৈছে। অতীতত বনজ সম্পদ বাণিজ্য ভিত্তিক অৰ্থনীতিৰ অন্যতম উৎস হিচাপে যদিও বিবেচিত হোৱা নাছিল তথাপি ইয়াৰ লগত অৰ্থনীতিৰ কৰ্ম জড়িত হৈ আছিল। চোম, সোঁৱালু, মেজাংকৰি গছত মুগা-পাট পলু পোহা আৰু মুগা পাট কাপোৰ তৈয়াৰ কৰাৰ উপৰি ব্যৱসায় কৰা, বিভিন্ন ঔষধি গছৰ পৰা ঔষধ প্ৰস্তুত কৰি ৰজা-প্ৰজা সকলোৰে বাবে ব্যৱহাৰৰ উপযোগী কৰি তোলা (বৰ্তমান হোমিওপেথি চিকিৎসা, ভেষজ বিদ্যা, ৰামদেৱৰ ঔষধ ব্যৱসায়) হৈছিল। কাঠৰ পৰা নিৰ্মিত সামগ্ৰীবোৰ সংস্কৃতিৰ এৰাব নোৱাৰা সম্পদ হৈ পৰিল। ঢোল, খোল, ডবা, পীড়া, বৰপেৰা, সিংহাসন, ঠগা আদি উল্লেখযোগ্য। বন হিচাপে ব্যৱহাৰ হোৱা নৰা, উলু খেৰ, সৰণ খেৰ, মৰণা মাৰি কৰা খেৰ, বিৰিণা, ইকৰা, নল, খাগৰি আদি ব্যৱহাৰযোগ্য বাণিজ্যিক সম্পদ সমূহ সংস্কৃতিৰো অনন্য সম্পদ।

গৰু-গাড়ীৰ ব্যৱহাৰ ব্যৱসায়ৰ প্ৰধানতম বাহন আছিল। উত্তৰ-পূৰ সংস্কৃতিক বাঁহ সংস্কৃতি বুলি কোৱাটো যথাৰ্থতা আছে। উত্তৰ-পূৰ্বাঞ্চলৰ এনে এটা জনগোষ্ঠী নাই যাৰ বাঁহৰ লগত সম্পৰ্ক নাই, যাৰ বাঁহক অৱলম্বন কৰি সংস্কৃতি গঢ়ি উঠা নাই। ঘৰুৱা ব্যৱহাৰৰ উপৰি বাঁহৰ দ্বাৰা নিৰ্মিত সামগ্ৰীৰ বাবে অৰ্থনৈতিক উপযোগিতা অনস্বীকাৰ্য। বাঁহৰ সৈতে নৃত্য, বাদ্য, সংগীত, খাদ্য, আচাৰ-ব্যৱহাৰ, কৃষি সঁজুলি, ঘৰ নিৰ্মাণকে মুখ্য কৰি গ্ৰাম্য সমাজৰ নিত্য ব্যৱহাৰ যোগ্য সম্পদ হিচাপে বাঁহক মান্যতা দি অহা হৈছে।

উত্তৰ-পূৰ্বাঞ্চলত বিশেষকৈ অসমত আলুখেতি ঊনবিংশ শতিকাৰ পৰাহে আৰম্ভ হয়। বিভিন্ন বিধৰ আলুখেতি খাদ্যৰ উপৰি বাণিজ্যিকভাৱে আদান-প্ৰদান হৈছিল। বিবিধ শাকৰ ব্যৱহাৰ, খাদ্য, ঔষধ আৰু ইয়াৰ বাণিজ্যও মন কৰিবলগীয়া। এই অঞ্চলটো হস্তশিল্পত অতি চহকী। বিশেষকৈ ত্ৰিপুৰা, অসম, নগালেণ্ড আদিত হস্তশিল্পৰ সাংস্কৃতিক মৰ্যাদাই বিশ্বব্যাপি বাণিজ্যিক প্ৰসাৰতা লাভ কৰি আহিছে।

এই অঞ্চলটোৰ মাটিত খেতি কৰি উৎপাদন কৰা তৰু, তৃণ, লতাৰ লগত মানুহৰ ভৰণ-পোষণ অৰ্থনীতি আৰু মানুহৰ সংস্কৃতিৰ লগত নিবিড় সম্পৰ্ক জড়িত আছিল। প্ৰকৃতিৰ মুক্ত অৱদান মাটি, গছ-গছনি, পোক-পতংগ, চৰাই-চিৰিকটি, জীৱ-জন্তুৰ জন্ম আৰু বিকাশ নিৰ্ধাৰণৰ উপৰি খাদ্যাভাস, পোছাক-পৰিচ্ছদ, ঘৰ-দুৱাৰৰ



দলিত সকলৰ প্ৰব্ৰজন আৰু এই সকলৰ ওপৰত কৰা অত্যাচাৰ নতুন কথা নহয় যদিও বিশ্বায়ন অৰ্থনীতিয়ে ইয়াৰ সম্প্ৰসাৰণ মাত্ৰাধিক কৰি তুলিছে। চৰকাৰীকৰণৰ বাধ্যবাধকতা নাইকিয়া হৈ যেতিয়া বে-চৰকাৰীকৰণৰ প্ৰাধান্য পাবলৈ ধৰিলে তেতিয়াৰ পৰাই এই দলিত সকল বেছিকৈ পিষ্ট হ'বলৈ ধৰিলে আৰু তেওঁলোকৰ পৰম্পৰাগত সংস্কৃতিৰ চৰিত্ৰও খৰ্ব কৰা হৈছে। অনুসূচীত জাতি-জনজাতি, পাহাৰীয়া জনগোষ্ঠী সকলৰ অধিকাৰ সমূহ কাঢ়ি নিয়া হৈছে। নিযুক্তি, সংৰক্ষণ, মৰ্যাদা, তেওঁলোকৰ সংস্কৃতি সকলোবিলাক ক'ৰ্পৰেট সংস্কৃতিৰ আগ্ৰাসনত বিধ্বস্তপ্ৰায়। এনে প্ৰেক্ষাপটত বিভিন্ন দাবীত আন্দোলন আৰু উগ্ৰবাদৰ সৃষ্টি হ'ব ধৰিছে। সাম্প্ৰদায়িক ভেদাভেদৰ ৰাজনীতিয়ে সাংস্কৃতিক বৈচিত্ৰ্যতাক বিঘ্নিত কৰিছে।

**সামাজিক অনুষ্ঠান সমূহত মৌলিক পদাঘাত**

বিশ্বায়নৰ কু-সংস্কৃতিয়ে সামাজিক অনুষ্ঠান যেনে পৰিয়াল, বিবাহ আৰু লিংগৰ ক্ষেত্ৰতো আঘাত সানিছে। অধিক বয়সত বিবাহ কাৰ্যও বিশ্বায়নৰ কুফল। কম সন্তান জন্ম দিয়া, বহুদিন সন্তান জন্ম দিয়াৰ পৰা বিৰত থকা, বিবাহ কাৰ্য পলমকৈ কৰা, সন্তান আৰু পৰিয়ালক সংগ দিয়াৰ পৰা বিৰত থকা, পিতৃ-মাতৃৰ বৃদ্ধাৱস্থাক অৱহেলা কৰা, খাদ্য- আচাৰ-আচৰণৰ পৰিৱৰ্তন, বহুবিবাহ তথা বিবাহিতৰ বহুজনৰ অবৈধ সম্পৰ্ক স্থাপন, দেশীয় সংস্কৃতি বিৰোধী পাশ্চাত্য সংস্কৃতিৰ প্ৰতি প্ৰবল আকৰ্ষণ , নিগমকেন্দ্ৰিক কৃত্ৰিম মানসিকতা সৃষ্টি, সামাজিক সম্পৰ্কৰহিত আদি কিছুমান সংস্কৃতিৰ অধিকাৰী হৈ উঠাত আমাৰ সমাজৰ মৌলিক মূল্যবোধক বিসৰ্জন দিবলৈ ধৰিছে। চূড়ান্ত যৌনতাৰ আগ্ৰাসনত একাংশ উচ্চবিত্তৰ লোক সোমাই পৰিছে। বিবাহৰ প্ৰকৃত মূল্যবোধ, মৰ্যাদা আদিৰ লগত জড়িত সাংস্কৃতিক বিশ্বায়ন সংস্কৃতিয়ে কলুষিত কৰিছে। সেয়ে সমাজবিজ্ঞানী এচ.এল. শৰ্মাই পৰামৰ্শ আগবঢ়াই কৈছে যে - Now effect need to be made by the spouse to make marriage work and it will worng to observe that in many cases conventional marriage is providing inadequate cope with now developments.

বিশ্বায়নে পৰিয়ালৰ মাজত থকা সম্পৰ্কিত সংস্কৃতিক অপমানিত কৰিছে। আধুনিক অৰ্থ ব্যৱস্থাই যৌথ পৰিয়ালকেন্দ্ৰিক সংস্কৃতিক নস্যাৎ কৰি একক পৰিয়াললৈ পৰ্যবসিত কৰিছে। সাংঘাতিক ব্যক্তিকেন্দ্ৰিক বস্তুবাদী চিন্তাৰ আৱৰ্তত সোমাই পৰিবলৈ বাধ্য কৰিছে। পৰিয়ালত কেৰিয়াৰ সৰ্বস্বতা আৰু ভোগৰ প্ৰাধান্যতাই স্থান লাভ কৰি আমাৰ পৰম্পৰাগত ধ্যান-ধাৰণা আৰু সংস্কৃতিক অতিক্ৰম কৰিব

সামাজিক বৈষম্য বৃদ্ধি পাইছে, মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা বাঢ়ি অলেখ প্ৰত্যাহবানৰ সন্মুখীন হৈছে, প্ৰান্তীয় কৃষিৰ সংখ্যা ক্ৰমশঃ বাঢ়ি আহিছে, সাম্প্ৰদায়িক বিভেদ আৰু নিম্ন শ্ৰেণীৰ ওপৰত অনিষ্টকাৰী উপাদানে ক্ৰিয়া কৰিব ধৰিছে।

ধনী-দুখীয়াৰ মাজত থকা ব্যৱধান বৃদ্ধি পাই অহাত দৰিদ্ৰ কৃষক, শ্ৰমিক, মহিলা, শিশু আদিৰ ক্ষেত্ৰত অপকাৰী প্ৰভাৱে ক্ৰিয়া কৰাত মানবীয় মূল্যবোধৰ লগত সংপৃক্ত থকা সাংস্কৃতিক মূল্যবোধো বিপন্ন হৈছে। অৰ্থাৎ দেশত glittering আৰু littering পৰিৱেশৰ সৃষ্টি হৈছে। ছুপাৰ উপাৰ্জনকাৰী আৰু ছুপাৰ ভোক্তাৰ প্ৰাধান্যই মানুহৰ জীৱন শৈলীত অভূতপূৰ্ব পৰিৱৰ্তন সংঘটিত হৈছে, বৃহৎ ম'ল, পঞ্চতাৰকা হোটেল, বহুযুক্ত বিনোদনগৃহ আৰু নৈশ পাৰ্টিৰে আমাৰ সমাজ-সংস্কৃতিৰ পৰিপন্থী এক সংস্কৃতি (দুস্কৃতি) সৰ্বত্ৰ গঢ়ি উঠিছে। অন্যহাতে লোক সংস্কৃতিৰ ধ্বজাবাহক কৃষক, শ্ৰমিক তথা অসংগঠিত শ্ৰমিকৰ জীৱন নিৰ্বাহ সাংঘাতিকভাৱে অৱনতি ঘটিছে। ৭৫০ মিলিয়ন দৰিদ্ৰ লোকে সম্প্ৰতি জীয়াই থকাৰ দুবেলা দু-সাজৰ বাবে কঠোৰ সংগ্ৰাম অব্যাহত ৰাখিছে।

বিশ্বায়নৰ অৰ্থনীতিৰ সংস্কৃতিয়ে মধ্যবিত্ত শ্ৰেণীটোক নতুন নতুন প্ৰত্যাহবানৰ সন্মুখীন কৰাইছে। কোনো সন্দেহ নাই, আমাৰ দেশত মধ্যবিত্ত শ্ৰেণীৰ সংখ্যা বৃদ্ধি পাইছে আৰু ইয়াৰ সংখ্যা ৩০০ মিলিয়নলৈ বৃদ্ধি পাইছে। এই নব্য মধ্যবিত্ত শ্ৰেণী পৰম্পৰাগত মধ্যবিত্ত শ্ৰেণীৰ মাজত পাৰ্থক্য আছে কিছুমান বিশেষ দিশত - যেনে বয়স্ক শ্ৰেণী, উপাৰ্জনৰ স্তৰ , জীৱন শৈলী আৰু সামাজিক দৃষ্টিভংগী। নতুন মধ্যবিত্ত শ্ৰেণীয়ে বৃহৎ প্ৰতিষ্ঠানৰ বিষয়া, তথ্য প্ৰযুক্তিৰ বিশেষজ্ঞ, বিত্ত আৰু পৰিচালনা বিষয়ক কৰ্ম, প্ৰযুক্তিৰ মাধ্যম আৰু ন-বিত্তবান হিচাপে এক নতুন সংস্কৃতিৰ মাজত সোমাই পৰিছে। পৰম্পৰাগত মধ্যবিত্ত শ্ৰেণীয়ে পৰম্পৰাগত মূল্যবোধত অৱস্থান গ্ৰহণৰ বিপৰীতে নব্য উদাৰবাদী অৰ্থনীতিয়ে সৃষ্টি কৰা নতুন সংস্কৃতিক গ্ৰহণ কৰিবলৈ বাধ্য হৈ পৰিছে। বিশ্বায়নে কৃষি সংস্কৃতিক বজাৰ সংস্কৃতিলৈ পৰিৱৰ্তন ঘটালে। উদাহৰণ স্বৰূপে, কৃষিৰ নিগমকেন্দ্ৰিক অৱস্থা, শস্য বিভাজনকৰণ, একক কৃষি সংস্কৃতি, কৃত্ৰিম শস্য বীজ, আৰু বিশেষ অৰ্থনৈতিক মণ্ডল সৃষ্টি কৰি বিশ্ব বাণিজ্যিক সংস্থাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে। ক্ষুদ্ৰ আৰু প্ৰান্তীয় কৃষকে কৃষি উৎপাদন কাৰ্য ত্যাগ কৰি দৈনিক কৰ্মৰ বাবে নগৰলৈ প্ৰবজন কৰিছে। এনে অৱস্থাত ক্ষুদ্ৰ আৰু বৃহৎ - দুই কৃষকেই প্ৰভাৱান্বিত হৈছে। কৃষিৰ উৎপাদন ব্যয়ে ঋণগ্ৰস্ত কৰি তোলা কৃষকক আত্মহত্যা কৰিবলৈ বাধ্য কৰিছে। সেয়ে ক'ব পাৰি যে- By and large, globalization has led to marginalisation of rural folk (S.L.Sarmah).



বিশিষ্টতাও অৰ্থনীতিৰ লগত সংপৃক্ত সাংস্কৃতিক পৰিচয় উন্মোচিত হয়। উল্লেখ্য যে এনেবোৰৰ পৰা লাভ কৰা অৰ্থনৈতিক লাভালাভে মানুহৰ ৰুচি-অভিৰুচি, সৌন্দৰ্যবোধৰ এক নিজস্ব বিশিষ্ট ৰূপ গঢ় লৈ উঠে।

উৎসৱ-পাৰ্বণৰ লগত অৰ্থনীতিৰ ক্ৰিয়া-কৰ্ম সংপৃক্ত হৈ থাকে। বিহু, পূজা-পাৰ্বণ, শংকৰ-মাধৱৰ জন্ম তথা মৃত্যুৰ উপলক্ষ্যত আয়োজিত উৎসৱ, ৰাস উৎসৱ, বিভিন্ন জনগোষ্ঠীৰ অন্যান্য উৎসৱসমূহত অৰ্থনৈতিক দিশটো এৰাব নোৱাৰা বিষয়। উৎসৱৰ সামগ্ৰী নিৰ্মাণ (মূৰ্ত্তি, মুখা, বিভিন্ন বাদ্য-যন্ত্ৰ, খাদ্যসম্ভাৰ, লোকাচাৰ আদি) যিদৰে সংস্কৃতিৰ অন্তৰ্ভুক্ত সেইদৰে সিবোৰৰ ক্ৰয়-বিক্ৰয় ব্যৱস্থাটোৱে উপাৰ্জন আৰু ভোক্তাৰ সম্পৰ্কও সুদৃঢ় কৰি তোলে। বিবিধ সামগ্ৰী, ফল-মূল, শস্য উৎপাদন, শাক-পাচলি, গছ-গছনি, নদ-নদী, জীৱ-জন্তু আদিৰ নামৰ লগত লোকজীৱন আৰু লোক সংস্কৃতিৰ সংবাদ পোৱাৰ উপৰি জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় অৰ্থ উপাৰ্জনৰ দিশটোও অংগাংগীভাৱে জড়িত হৈ থাকে। অতীতত পণ্য বিনিময়ৰ যোগেদি আৰু আধুনিক কালত মুদ্ৰাৰ যোগেদি বাণিজ্যৰ আদান-প্ৰদান কৰি উপাৰ্জনৰ বা জীৱিকাৰ পথ সুগম কৰি তোলে। উল্লেখ্য যে তন্ত্ৰ-মন্ত্ৰ অতীতত সংস্কৃতিৰ ভিতৰুৱা সম্পদ আছিল আৰু পৰৱৰ্তী সময়ত সি অৰ্থৰ লগত জড়িত হৈ পৰিল।

প্ৰকৃতিক নিৰ্ভৰ কৰি আৰু প্ৰকৃতিক জয় কৰি একোটা একোটা নৃ-গোষ্ঠীয়ে শ্ৰমৰ বিনিময়ত গঢ়ি তোলা তেওঁলোকৰ সভ্যতা-সংস্কৃতিৰ একো একোটা নিজস্ব ৰূপো গঢ়ি তোলা প্ৰত্যক্ষ হৈছিল।

বস্ত্ৰশিল্পৰ বিকাশৰ সৈতে অৰ্থনীতিৰ সু-সম্পৰ্ক বিদ্যমান। সপ্তম শতিকাত ভাস্কৰ বৰ্মনৰ দিনত উৎকৃষ্ট ৰেচম কাপোৰ উৎপাদনৰ কথা জনা যায়। পাট, মুগা আৰু এৰী কাপোৰ উৎপাদন আৰু ব্যৱহাৰ যথেষ্ট আছিল। পাহাৰীয়া জনগোষ্ঠীয়ে কপাহ খেতি কৰি সেই কপাহ আনি ভৈয়ামত কপাহী কাপোৰ বোৱা নিদৰ্শন আছে। ৰুদ্ৰসিংহৰ দিনত আমদানি বাণিজ্যৰ দ্বাৰা মোগলাই কাপোৰ-কানি অনা হৈছিল আৰু পৰৱৰ্তী সময়ত বৃটিছ সকলে এই আমদানি প্ৰক্ৰিয়াটো সবল কৰি তুলিছিল। ৰুদ্ৰসিংহই মোগলৰ পৰা তাঁতী আনি ৰংপুৰত স্থাপন কৰি তাঁত বৈ কাপোৰ বোৱাৰ ব্যৱস্থা কৰিছিল আৰু ইংৰাজসকলে মিলত উৎপাদন হোৱা কাপোৰ অঞ্চলটোলৈ আমদানি কৰাত হস্তশিল্পৰ স্বকীয়তাৰ অৱনতি ঘটিছিল। শংকৰদেৱৰ দিনত সমাজ ব্যৱস্থাত নিৰ্ভৰশীল অৰ্থনীতি গঢ়ি তোলাৰ প্ৰয়াসত তেওঁ নিজেই অংশীদাৰ হৈছিল। শস্য উৎপাদন, বিভিন্ন নৃত্য-গীত-ভাওনা আদিৰ বাবে সামগ্ৰী নিৰ্মাণ, বস্ত্ৰ শিল্প, কুটীৰ শিল্পৰ উৎপাদন, থলুৱাভাৱে ফলমূল, শাক-পাচলি, দুগ্ধ উৎপাদন আদিৰ লগত

সংস্কৃতিৰ প্ৰতিটো দিশেই জড়িত হৈ পৰিছিল।

স্বাধীনতা আন্দোলনৰ সময়ত গান্ধীজীৰ আহ্বানত সূতা কাটি কাপোৰ বোৱা সংস্কৃতি উত্তৰ-পূৰ্বাঞ্চলত ব্যাপক সঁহাৰি লাভ কৰিছিল। গ্ৰাম্য অৰ্থনীতিৰে স্বাৱলম্বীতা অৰ্জন কৰি গ্ৰাম্য সংস্কৃতি, গ্ৰাম্য শিল্পৰ বিকাশৰ প্ৰতিও গান্ধীজীৰ আছিল এক "গ্ল'ৰেল ভিলেজৰ" মহৎ ধাৰণা।

ভাষা হৈছে আটাইতকৈ সংবেদনশীল বিষয়। যিকোনো দেশৰ, যিকোনো অঞ্চলৰ যিকোনো গোষ্ঠীৰ ভাষা আয়ত্ব কৰিব পাৰিলে এফালেদি সামাজিক সংহতি সম্ভৱ হৈ উঠে আনফালে অৰ্থনৈতিকভাৱে সুযোগ-সুবিধা আহি পৰে। দক্ষিণ-পূৰ এচিয়াত বসবাস কৰা মংগোলীয় জনগোষ্ঠীৰ অধিকাংশই টাই ভাষাৰ লোক। এই টাই ভাষাটো আয়ত্ব কৰিব পাৰিলে সমগ্ৰ দক্ষিণ-পূৰ এছিয়াৰ লগত অৰ্থনৈতিক সম্পৰ্কৰে বজাৰ সম্প্ৰসাৰণ ঘটাব পাৰি। এই অঞ্চলটোৰ লগত আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ অনেক সংস্কৃতিৰ মিল আছে। সেই সাদৃশ্যৰ সুযোগ আৰু বাণিজ্যিক আদান-প্ৰদান গ্ৰহণ কৰি উভয় দেশ লাভৱান হ'ব পাৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ মাজত প্ৰকৃত সংযোগী ভাষাৰ অভাৱ যদিও মেঘালয়, অৰুণাচল, নাগালেণ্ডৰ বাসিন্দাই অসমীয়া কয় আৰু বুজি পায়। সেইদৰে ত্ৰিপুৰাৰ বাংলাভাষীয়েও অসমীয়া বুজি পায় যদিও অঞ্চলটোত হিন্দীবলয়ৰ আগ্ৰাসন, ধৰ্মীয় আগ্ৰাসনত ইংৰাজী শিক্ষাৰ প্ৰসাৰ আদিয়ে অঞ্চলটোত অসমীয়াক সংযোগী ভাষা হিচাপে প্ৰতিষ্ঠা কৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰি আহিছে। তথাপি হিন্দী ভাষাৰেই উত্তৰ-পূৰ্বাঞ্চলত সকলো ধৰণৰ আদান-প্ৰদানে অগ্ৰাধিকাৰ পাই আহিছে। যিহেতু উত্তৰ-পূৰ্বাঞ্চলৰ কেন্দ্ৰবিন্দু আৰু Act East নীতিৰো মধ্যমণি গুৱাহাটী বুলি ধৰি ল'লে অঞ্চলটোৰ বাসিন্দাই অসমীয়া ভাষাটো গ্ৰহণ কৰিলে আৰ্থিক, সাংস্কৃতিক, সামাজিক সকলো দিশতে উপকৃত হ'ব বুলি আমাৰ ধাৰণা হয়।

পৰিবহন, যোগাযোগ, শিক্ষা আৰু পৰ্যটন উদ্যোগৰ বিকাশে সংস্কৃতিক বৈচিত্ৰ্যতা সমৃদ্ধিশালী কৰাত প্ৰৱল ভূমিকা গ্ৰহণ কৰিব পাৰে। বিভিন্ন সংস্থাপনৰ নিযুক্তিয়েও অঞ্চলসমূহৰ মাজত আত্মীয়তা বৃদ্ধি কৰিব পাৰে। উত্তৰ-পূৰ্বাঞ্চলত তেল, কয়লা আৰু চাহ শিল্পৰ উদ্ভাৱনৰ লগত চাহ জনগোষ্ঠী, অন্যান্য অঞ্চলৰ ভাষা-সম্প্ৰদায়ৰ আগমন আৰু প্ৰব্ৰজনে সংস্কৃতিক বিকাশত অৰিহণা যোগাইছিল। আনহাতে অঞ্চলটোত দেখা দিয়া জনগাঁথনিৰ পৰিৱৰ্তনে অৰ্থনীতিটো এই পৰিৱৰ্তনৰ প্ৰভাৱ পৰিল। বিংশ শতাব্দীৰ আৰম্ভণিতে বংগ বিভাজন নীতি গ্ৰহণ কৰাত পূৱ বংগৰ কৃষিজীৱি মানুহৰ সোঁত ববলৈ ধৰাৰ উপৰি সেইসকলৰ সংস্কৃতিও অঞ্চলটোৰ সাংস্কৃতিক



বৈচিত্ৰ্যতাৰ অংশীদাৰ হৈ উঠিল।

১৯৩৯ আৰু ১৯৪৫ চনৰ বিশ্বযুদ্ধই উত্তৰ -পূৰ্বাঞ্চলত প্ৰভাৱ পেলাইছিল যাৰ ফলত অঞ্চলটোত মানবীয়তা, নৈতিকতা, আধ্যাত্মিকতা, অৰ্থনৈতিক অৱস্থা আনকি সামাজিক প্ৰমূল্যৰ ওপৰতো প্ৰবল আঘাত হানিছিল। প্ৰব্ৰজন আৰু অনুপ্ৰৱেশ, বস্তুবাদী দৃষ্টিভংগী, বৃত্তিমুখী মানসিকতা আৰু ৰাজনৈতিক বিছিন্নতাকামীৰ প্ৰভাৱে উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক আৰু সংস্কৃতিক ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পৰিলক্ষিত হৈছিল। ১৯৫০ চনৰ পৰা ভাৰত চৰকাৰে গ্ৰহণ কৰা পঞ্চবাৰ্ষিক পৰিকল্পনা নীতিয়ে মানুহৰ খাদ্যভাস, বাসস্থান, সাজ-পাৰ, জীৱন যাত্ৰাৰ প্ৰণালী, বিশ্বাস, সংস্কাৰ আৰু পৰম্পৰাত পৰিৱৰ্তন আহিবলৈ ধৰিলে। বিশ্বায়নৰ উদাৰবাদী আৰু বিত্ত -সম্পত্তিয়ে মানুহৰ সামাজিক মৰ্যাদা প্ৰতিষ্ঠা কৰিলে যদিও মানৱীয় আৰু সামাজিক তথা সংস্কৃতিক মূল্যবোধৰ শক্তি কমাই আনিলে। অৱশ্যে বিজ্ঞান আৰু প্ৰযুক্তিৰ অভাৱনীয় বিকাশে জনগোষ্ঠীসমূহৰ অৰ্থনীতিৰ লগত সংপৃক্ত সাংস্কৃতিক চৰিত্ৰৰো অৱনতি ঘটিবলৈ ধৰিলে।

১৯৯৯ চনত ভাৰতবৰ্ষই নতুন আৰ্থিক সংস্কাৰ নীতি গ্ৰহণ কৰি উদাৰীকৰণ, বে-চৰকাৰীকৰণ আৰু বিশ্বায়নৰ ত্ৰিসূত্ৰায়নে অৰ্থনীতিত নতুন মাত্ৰাৰ সংযোজন ঘটালে। এনে সংযোজনে আৰ্থিক, সাংস্কৃতিক, সমাজ ব্যৱস্থা আনকি ৰাজনীতিৰো পৰিৱৰ্তনৰ অনিবাৰ্যতা সম্ভৱ হৈ উঠিল। বিশ্বায়নৰ ইতিবাচক দৃষ্টিভংগীতকৈ আমাৰ দেশত নেতিবাচকৰ প্ৰাধান্যহে প্ৰতিফলিত হৈ আহিছে।

অৰ্থনীতিৰ লগত সংপৃক্ত হৈ থকা সমাজ -সংস্কৃতিৰ পৰিৱৰ্তনে বিশ্বায়নৰ শুভ-অশুভ দুয়োবিধ কাৰ্যকে গ্ৰহণ কৰিবলৈ ধৰিলে। সামাজিক সম্পৰ্ক প্ৰতিষ্ঠা, পৰিচয় আৰু মূল্যবোধক সাঙুৰি সমাজ ব্যৱস্থা গঢ়ি উঠিছে। সেইদৰে সামাজিক পৰিৱৰ্তন (Social transformation) বুলিলে পদ্ধতিগতভাৱে সামাজিক সম্পৰ্কৰ গাঁথনিগত পৰিৱৰ্তন, প্ৰতিষ্ঠান, পৰিচয় আৰু মূল্যবোধৰ পৰিৱৰ্তনক বুজায়। প্ৰকৃততে অৰ্থনৈতিক পৰিৱৰ্তনে সমাজ ব্যৱস্থাৰ লগত জড়িত সামাজিক গোট, আচাৰ-ব্যৱহাৰ ,সাজ-পাৰ, খাদ্য সম্ভাৰ, শিক্ষা, স্বাস্থ্য আৰু সকলো ধৰণৰ সাংস্কৃতিক চৰিত্ৰৰ মৌলিক পৰিৱৰ্তন সম্ভৱ কৰি তোলে।

বিশ্বায়নী অৰ্থ ব্যৱস্থাত দেশত আৰ্থিক বিকাশ বৃদ্ধি পাইছে, ঘৰুৱা উৎপাদন বাঢ়িছে, বৈদেশিক মুদ্ৰাৰ ভঁৰাল চহকী হৈছে, বাণিজ্যৰ সম্প্ৰসাৰণ ঘটিছে আৰু ঘৰুৱা বাণিজ্যই বিশ্ব বজাৰমুখীতাও অৰ্জন কৰিছে। কিন্তু সামাজিক স্তৰীকৰণৰ (Social Stratification) স্বৰূপত বিৰূপ প্ৰভাৱ পৰিছে। বিশেষকৈ সমৃদ্ধিৰ মাজত

বছৰ ৰাজত্ব কৰি অসমীয়া সংস্কৃতিক আপোন কৰি সমন্বয়ৰ যি আদৰ্শ দেখুৱাই গ'ল উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ইতিহাসত সেয়া এক বিৰল আদৰ্শ। পূব অসমৰ অঞ্চল বিশেষে কেইটিমান বৌদ্ধ ধৰ্মাৱলম্বী জনগোষ্ঠী পোৱা যায়। সেয়া হৈছে খামতি, তাই-ফাকে, নৰা, আইতনীয়া, চিংফৌ আৰু তুৰুং। মংগোলীয় নৃগোষ্ঠীৰে তাই-শান বংশীয় লোকসকল উজনি বৰ্মা দেশৰ পৰা খ্ৰীঃ সপ্তদশ, অষ্টাদশ শতিকাৰ ভিতৰত প্ৰব্ৰজিত হৈছিল আৰু তেওঁলোকে বৌদ্ধধৰ্মৰ হীনযান মাৰ্গ অনুসৰণ কৰি এতিয়ালৈকে উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ অংশীদাৰ হৈ আছে। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ অসমত মুছলমান আক্ৰমণ সংঘটিত হোৱাৰ ফলস্বৰূপে যুদ্ধত অহা মুছলমান সৈন্য সকলৰ কিছুসংখ্যক আধামৰা হৈ যুদ্ধক্ষেত্ৰত পৰি আছিল আৰু আন কিছুমান বন্দী হৈছিল। পিছলৈ বন্দী সৈন্যবোৰে মুক্তি লাভ কৰি আৰু ক্ষত-বিক্ষত হোৱা সৈন্যবোৰে আৰোগ্য লাভ কৰি দেশলৈ ঘূৰি নগৈ অসমতে থাকি ৰ'ল। আহোম ৰজা গদাধৰ সিংহৰ ৰাজত্ব কালত খ্ৰীঃ ১৬৮১-১৬৯৬ ত আজান ফকীৰ ওৰফে ছাহ মিলন অসমলৈ আহিছিল। তেওঁৰ দিনতে আনুষ্ঠানিকভাৱে ইছলাম ধৰ্ম পালিত হৈছিল। সেই সময়ত কিছুমান বিদেশী মুছলমানে অসমত থাকিবলৈ লৈ হিন্দুধৰ্মত দীক্ষিত হৈছিল। অৱশ্যে নিম্নজাতিৰ কিছুমান অসমীয়া মানুহেও নানা কাৰণবশতঃ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। আজানপীৰে মধ্যযুগৰ বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আৰু মুছলিম ধৰ্মৰ আদৰ্শৰ সমন্বয় ঘটাই জিকিৰ আৰু জাৰি গীত ৰচনা কৰিছিল, যাৰ দ্বাৰা অসমীয়া সংস্কৃতিত ধৰ্মীয় সহনশীলতা আৰু সমন্বয়ৰ সৃষ্টি হৈছিল। মধ্যযুগৰ নৱবৈষ্ণৱ ভক্তি ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰণে উত্তৰ-পূব ভাৰতৰ সমগ্ৰ সমাজ জীৱনলৈ সমন্বয়ৰ মন্ত্ৰৰে এক নৱজাগৰণ আনিছিল। অসমীয়া জাতি আৰু জাতীয় জীৱনলৈ মহাপুৰুষ শংকৰদেৱৰ অৱদান ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি আদি বিভিন্ন দিশ সম্বলিত।

ইয়াৰ পাছত ১৮২৬ খ্ৰীঃ ইয়াণ্ডাবু চুক্তি অনুসৰি উত্তৰ-পূৰ্বাঞ্চলো বৃটিছ শাসনৰ অধীনলৈ যোৱাৰ ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ সংস্কৃতিলৈ পাশ্চাত্যৰ প্ৰভাৱ আমদানি হয়। আনহাতে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পূৰ্বৰে পৰা বৰ্ত্তমানলৈকে বাংলাদেশৰ পৰা অনেক হিন্দু আৰু মুছলমান পমুৱাই এই অঞ্চলত প্ৰৱেশ কৰিছেহি। নেপালৰ পৰা প্ৰব্ৰজিত নেপালীসকলেও উত্তৰ-পূৰ্বাঞ্চলত জীৱিকা নিৰ্বাহ কৰা দেখা যায়। ভাৰত ৰাষ্ট্ৰৰে বিভিন্ন প্ৰান্তৰ পৰা জীৱিকাৰ সন্ধানত অহা, চাহ-বাগিচাবোৰত কাম কৰিবলৈ অহা লোকসকল উত্তৰ-পূৰ্বাঞ্চলৰ জনশ্ৰুতিৰ সৈতে মিলি গৈছে। ধৰ্মীয় দিশৰ ফালৰ পৰাও বৰ্তমানে উত্তৰ-পূৰ্বাঞ্চলৰ অধিবাসী সকলক হিন্দু, ইছলাম, খৃষ্টান, বৌদ্ধ, জৈন, শিখ আদিত ভগাব পাৰি।



আহে বজাৰ সংস্কৃতিৰ পৰা। ইয়াৰ সুপৰিবাহী ব্যৱস্থাপনাবোৰ যিকোনো প্ৰচাৰ মাধ্যমেই সম্ভৱ কৰি তোলে।

এইখিনিতে সুন্দৰ দুটি বৈপৰীত্যৰ বাক্য উল্লেখ কৰা হৈছে। পৌৰাণিক বা অতীতত কোৱা হৈছিল - I think, therefore I am আৰু এতিয়া কোৱা হয় - I consume, therefore I am এনে ব্যক্তিকেন্দ্ৰিক সম্প্ৰতি ভোগবাদী সংস্কৃতিৰ উৰ্বৰা ফচল।

পৰম্পৰাগত নৈতিকতাক লৈ আমি গৰ্ববোধ কৰি আহিছিলো য'ত বিশ্বাস ৰাজহুৱা কৰ্মনিষ্ঠতা, সমন্বয়, আনৰ লগত সম্পৰ্ক, বৈবাহিক পৱিত্ৰতাৰ মৰ্যাদা জড়িত হৈ আছিল। এনেবোৰ আমাৰ পৰম্পৰাগত সংস্কৃতিক লৈ আমি বিশ্বাস স্থাপন কৰি আহিছিলো। সাম্প্ৰতিক সময়ত এনে মূল্যবোধৰ সংস্কৃতিৰ ঠাইত 'বিকল্প নৈতিকতা'ই অৱস্থান গ্ৰহণ কৰিবলৈ ধৰিছে। বিশ্বায়নে উৎসাহিত কৰিছে "New era of alternative life style" (অৰ্থাৎ ভোগবাদী সৰ্বস্বতাক), বিকল্প যৌন নৈতিকতা (অৰ্থাৎ শিথিল যৌন ব্যৱস্থা) আৰু বিকল্প নৈতিক সম্পৰ্ক। বজাৰকেন্দ্ৰিক অৰ্থব্যৱস্থাই এনেধৰণৰ বিকল্প নৈতিকতাক "Progressive morality" বুলিহে উৎসাহিত কৰে।

**সাংস্কৃতিক পৰম্পৰা আৰু পৰিচয়ৰ প্ৰতি বিশ্বায়নী সংস্কৃতিৰ ভাবুকি ঃ**

বিশ্বায়ন একমাত্ৰ অৰ্থনৈতিক প্ৰবাহেই নহয়, ই সাংস্কৃতিক প্ৰবাহৰ অন্যতম বাহক। ইয়াৰ ফলত বিশ্বব্যাপি বিশ্বায়নে পৰম্পৰাগত সংস্কৃতি আৰু পৰিচয়ৰ ওপৰত প্ৰভাৱ পেলাই আহিছে, বিশেষকৈ অনা পশ্চিমীয়া ৰাষ্ট্ৰসমূহত। এই প্ৰসংগত ডি. এন. ধানাগাৰেৰ বক্তব্য উল্লেখযোগ্য - The pernicious effects (evil) of globalisation on local community and culture. বহুজাতীয় নিগম আৰু প্ৰচাৰ মাধ্যম বিলাকে গোষ্ঠীয় পৰম্পৰা আৰু শিল্পৰ ওপৰত প্ৰচণ্ডভাৱে কু-প্ৰভাৱ পেলাইছে। স্থানীয় অৰ্থব্যৱস্থা ক্ৰমশঃ শোচনীয় হৈ আহিছে। বিশ্বায়নৰ পুঁজিবাদে পৰম্পৰাগত সংস্কৃতিক উৎখাত কৰি বিশ্ব বজাৰ আৰু ভোক্তাৰ সংস্কৃতি প্ৰতিষ্ঠা কৰিছে। অধ্যাপক যোগীন্দ্ৰ সিঙৰ মতে বিশ্বায়নে সাংস্কৃতিক ব্যক্তিকেন্দ্ৰিকতাৰ দ্ৰুত বিকাশ ঘটাইছে, য'ত পৰম্পৰাগত সাংস্কৃতিক পৰিচয় লাভ কৰাটো জটিল হৈ পৰিছে। দীৰ্ঘদিন ধৰি অব্যাহত ৰখা বজাৰ সম্প্ৰসাৰণ আৰু পুঁজিৰ স্বাৰ্থই থলুৱা আঞ্চলিক সংস্কৃতিক অচিনাকি সংস্কৃতিৰ আৰ্হিলৈ পৰিৱৰ্তন ঘটাই পৰম্পৰাগত সাংস্কৃতিক মূল্যবোধ নিঃশেষ কৰিছে। অৱশ্যে এনে ধৰণৰ আৰ্হিয়ে এক সাংস্কৃতিক পুনৰ নিৰ্মাণ গঢ়ি তুলিছে বুলিও একাংশই ক'ব বিচাৰে। ভোগবাদী সংস্কৃতি, বাণিজ্যিকীকৰণ,

সংস্কৃতিৰ পণ্যকৰণ, পপ্ সংস্কৃতি আৰু কৃত্ৰিম সংস্কৃতি হৈছে সমজাতীয় বিশ্ব উৎপাদন ব্যৱস্থা। এইবিলাকক বিশ্বায়নৰ চিৰন্তন সংস্কৃতি বুলি ক'ব বিচৰা হৈছে। আমাৰ দেশত এই চিৰন্তন বিশ্ব সংস্কৃতিয়ে স্থানীয় সংস্কৃতিৰ ওপৰত নিৰ্দয়ভাৱে প্ৰহাৰ কৰিছে, যিটো নব্য মধ্যবিত্তৰ সংস্কৃতিত পৰিলক্ষিত হয়। বিভিন্ন বৃহৎ বৃহৎ শ্বপিং মল, বহুতাৰকাযুক্ত হোটেল, নৈশ পাৰ্টি, বিত্তৰ প্ৰাচুৰ্যতাই ভোগবাদৰ সংস্কৃতিলৈ পৰিপূৰ্ণতা আনি দিয়ে। সেইদৰে সংস্কৃতিৰ উগ্ৰ বাণিজ্যিকীকৰণে সংস্কৃতিৰ কৰ্ম-কাণ্ডক পণ্য সংস্কৃতিলৈ পৰ্যবসিত কৰিছে আৰু নৃ-গোষ্ঠীৰ পৰম্পৰাগত সংস্কৃতিক দুস্কৃতিৰ পৰম নিবাসলৈ পৰ্যবসিত কৰিছে।

পপ্ সংস্কৃতি হৈছে চিৰন্তন বিশ্ব সংস্কৃতিৰ অন্যতম বাহক। মূলতঃ আমেৰিকান সংস্কৃতিৰ যদিও সমগ্ৰ বিশ্বই এই সংগীতক আন্তৰ্জাতিক মান্যতা দি ভাৰতবৰ্ষৰ নিচিনা অনুন্নত ৰাষ্ট্ৰৰ ঐতিহ্য বহনকাৰী সংস্কৃতিৰ ওপৰত আধিপত্য স্থাপন কৰিছে। থলুৱা লোক সংগীত, বিভিন্ন শাস্ত্ৰীয় সংগীত, ৰাগ-তাল আদি ক্ৰমশঃ উপেক্ষিত হৈ পৰিছে।

মেক্‌ডনাল্ড সংস্কৃতি, কোকাক'লা সংস্কৃতি, ভেলেণ্টাইন সংস্কৃতি, জামাইকা সংস্কৃতি আদি হৈছে কিছুমান বিখ্যাত বজাৰ সংস্কৃতি য'ত গ্ৰাহকৰ অভাৱ নাই। বিশেষকৈ নতুন প্ৰজন্মৰ অধিকাংশই হৈছে এনে সংস্কৃতিৰ উপভোক্তা। কৃত্ৰিম সংস্কৃতিৰ প্ৰধানতম বাহক হৈছে সকলো ধৰণৰ বৈদ্যুতিন মাধ্যম, য'ত অন্তৰ্ভুক্ত হৈছে চিনেমা, টেলিভিচনৰ কাৰ্যসূচী আৰু ইণ্টাৰনেট যোগাযোগ। বিশ্বায়নে বৃহৎ মাত্ৰাত বৈষয়িক উৎপাদনৰ যুগ অব্যাহত ৰাখিছে যিয়ে নেকি কৃত্ৰিম সংস্কৃতিক উৎসাহিত কৰি তুলিছে।

বিশ্বায়নৰ চিৰন্তন সংস্কৃতিয়ে থলুৱা সংস্কৃতিৰ বিশেষ দিশত আঘাত সানিছে। ভোগবাদী সংস্কৃতিৰ আগ্ৰাসনে পৰম্পৰাগত জীৱন শৈলী আৰু পচন্দৰ ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাইছে। সংস্কৃতিৰ পণ্যকৰণে থলুৱা সংস্কৃতিকো পণ্যৰ বজাৰলৈ পৰ্যবসিত কৰাইছে আৰু সেয়ে তেনে সংস্কৃতি বজাৰ সংস্কৃতিৰ অন্যতম প্ৰতীক হিচাপে পৰিচিত কৰোৱা হৈছে। সাম্প্ৰতিক সময়ত থলুৱা সংগীতৰ সৈতে মিশ্ৰণ ঘটাই থলুৱা পপ্ সংগীতৰ ৰূপ দিয়া হৈছে যিটোৱে থলুৱা সংগীতৰ স্বকীয় উত্তৰণ আৰু পৰিচিতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। বিশ্বায়নে আগবঢ়াই নিয়া বহুজাতীয় নিগমসমূহে থলুৱা সংস্কৃতিৰ পৰম্পৰা আৰু মূল্যবোধৰ নিঃশেষ কৰাত আগভাগ লৈছে, যিটো জনগোষ্ঠীসমূহৰ অলক্ষিতেই সংঘটিত হৈ আছে। বিশ্বায়ন সংস্কৃতিয়ে ধৰ্মীয় মৌলবাদী সংস্কৃতিক উৎসাহিত কৰি আহিছে। গোষ্ঠীয় জাতীয়তাবাদ আৰু ইয়াৰ মৌলবাদৰ সৃষ্টি আৰু বিকাশৰ মূলতে আছে বিশ্বায়নৰ তথাকথিত চিৰন্তন সংস্কৃতি।



অষ্ট্ৰিকৰ প্ৰভাৱ আৰু দান কোনেও নুই কৰিব নোৱাৰে। আকৌ খাচী ভাষাতো মংগোলীয় জনগোষ্ঠীৰ ভাষাৰ উপাদান পোৱা যায়। খাচী সকলৰ বাহিৰে জয়ন্তীয়া (চানটেগ) সকলে অষ্ট্ৰিক ভাষাগোষ্ঠীৰ অন্তৰ্গত মনখমেৰ ভাষা ব্যৱহাৰ কৰে।

অতি প্ৰাচীন কালৰে পৰা অসমত বাস কৰি অহা মৎস্যজীৱি সকল দ্ৰাবিড় নৃগোষ্ঠী সম্ভূত বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে। সেইফালৰ পৰা কৈৱৰ্তসকল দ্ৰাবিড়ীয় নৃগোষ্ঠী সম্ভূত। পিছলৈ কৈৱৰ্তৰ পৰা কেওট পদটোৰ উদ্ভৱ হয়। ককেচীয় আৰু মংগোলীয় দৈহিক বৈশিষ্ট্য ৰক্ষিত হৈছে কেওট সকলত। অসমৰ চাহ বাগিচাবোৰত বনুৱা ৰূপে কাম কৰি থকা লোকসকলৰ মাজতো দ্ৰাবিড় নৃগোষ্ঠীয় লোক পোৱা যায়। প্ৰাক্ ঐতিহাসিক যুগত পশ্চিমৰ পথেৰে ভাৰতবৰ্ষত প্ৰৱেশ কৰা নৃগোষ্ঠী সমূহৰ ভিতৰত আৰ্য ভাষা-ভাষী নৰ্ডিক সকলেই আছিল শেষ জনগোষ্ঠী। খ্ৰীষ্ট জন্মৰ বহু শতিকাৰ পূৰ্বৰ পৰাই নৰ্ডিক সকলৰ পুব ভাৰতলৈ প্ৰব্ৰজন ঘটিছিল। নৰ্ডিক সকলৰ এই দলটোক কোনোৱে বৈদিক আৰ্য গোষ্ঠীও বুলি কয়। এওঁলোকৰো পূৰ্বেই পূৰ্ব-বৈদিক ককেচীয় জনগোষ্ঠী এটাও পূৰ্বাঞ্চললৈ প্ৰব্ৰজিত হোৱা বুলি ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী, কালিৰাম মেধি, কনকলাল বৰুৱাই মত প্ৰকাশ কৰে। এওঁলোকৰ মতে বিশেষতঃ অসমৰ কলিতা সকল মূলতঃ পূৰ্ব-বৈদিক বা বৈদিক ভিন্ন ককেচীয় গোষ্ঠীসম্ভূত।

নৰ্ডিকসকলে নিজকে আৰ্য শ্ৰেষ্ঠ স্বৰূপে চিনাকি দি উত্তৰ-পূৰ্বাঞ্চলৰ ভৈয়াম অঞ্চলত বিস্তৃতি লাভ কৰিছিল। ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আদি লোক আৰ্য জনগোষ্ঠীৰ অন্তৰ্গত। অতীজৰে পৰা পূৰ্বাঞ্চলত বসবাস কৰি অহা অনেক জনজাতি সময়ৰ গতিত আৰ্য হিন্দু সমাজ আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ অহাত এওঁলোকৰ কিছুমান হিন্দু বৰ্ণ প্ৰথাৰ পৰিসীমাতো সোমাই পৰে। এইদৰে সংস্কৃতকৰণ বা সংস্কৃতীয়া কৰণ (Samkritizatism) প্ৰক্ৰিয়াৰে সোমাই পৰা জনজাতীয় লোকসকলে জাতি আৰু জনজাতি উভয় বৈশিষ্ট্য (Caste Tribe Continuum) ৰক্ষা কৰি আহিছে। বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰে এইদৰেই উত্তৰ-পূৰ্বাঞ্চলৰ বৃহৎ অসমীয়া সমাজ আৰু সংস্কৃতিৰ সৃষ্টি হৈ আহিছে। উত্তৰ-পূৰ্বাঞ্চলৰ সুবিস্তৃত অঞ্চলৰ মানুহক সামৰি গঢ়ি উঠা একমাত্ৰ সংযোগী ভাষা অসমীয়া সংস্কৃতমূলীয় হ'লেও সান্নিধ্যবশতঃ আৰু সংযোগ সংহতিৰ খাতিৰত অনেক জনজাতীয় ভাষাৰ শব্দৰেও সমৃদ্ধ আৰু বিকশিত।

খ্ৰীঃ ত্ৰয়োদশ শতিকাত উত্তৰ-পূৰ্বাঞ্চললৈ আহোম সকলৰ প্ৰব্ৰজন ঘটে। এই সাহসী জাতিটোৱে থলুৱা বিভিন্ন নৃগোষ্ঠীৰ লগত মিলিজুলি মধ্যযুগৰ অসমত ছশ

জীৱন সংগ্ৰামৰ মাজত পৰম্পৰাগত লোক সংস্কৃতি ৰক্ষাৰ সংপ্ৰত্যয় (Challenges) বৃহত্তৰ অসমীয়া জাতিৰ সন্মুখত উপস্থিত। সেয়েহে আমাৰ আলোচনাত উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক ইতিহাসৰ পটভূমিত বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়া, সামাজিক গাঁথনি, পৰম্পৰাগত লোক জীৱন আৰু সময়ৰ বুকুত অহা পৰিৱৰ্তন, পাৰ্শ্ব-প্ৰভাৱ আদিৰ পৰ্যবেক্ষণৰে সামাজিক সংহতি নিৰ্মাণৰ দায়িত্ব সম্পৰ্কে আলোকপাত কৰিবলৈ চেষ্টা কৰা হ'ল।

ভাৰতৰ মানুহ অৰ্থাৎ অধিবাসী যিদৰে প্ৰধান চাৰিটা নৃগোষ্ঠীৰ সতি-সন্ততি ঠিক সেইদৰে উত্তৰ-পূৰ্বাঞ্চলৰ অধিবাসী সকলো সেই চাৰিটা প্ৰধান নৃগোষ্ঠীৰে বংশধৰ। মংগোলীয়, অষ্ট্ৰলয়ড্, ভূমধ্য সাগৰীয় (দ্ৰাবিড়ীয়) আৰু নৰ্ডিক (আৰ্য্য) সকল। পণ্ডিত সকলৰ মতে ভাৰতৰ আদিতম অধিবাসী নেগ্ৰিটো সকলৰ পাছতে প্ৰত্ন-অষ্ট্ৰলয়ড্ অৰ্থাৎ অষ্ট্ৰিকভাষী লোকসকল উত্তৰ চীনৰ পৰা ভাৰতৰ লগতে উত্তৰ-পূৰ্বাঞ্চললৈকো প্ৰব্ৰজিত হৈছিল। কোনো কোনো নৃতত্ত্ববিদে কিন্তু প্ৰত্ন-অষ্ট্ৰলয়ড্ সকল বাৰ্মাদেশৰ পৰা অহাৰ মত পোষণ কৰে। অষ্ট্ৰলয়ড্ নৃগোষ্ঠীৰ অন্যতম বংশধৰ হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ বৰ্তমান মেঘালয় ৰাজ্যৰ বাসিন্দা খাচী সকল। এওঁলোকক উত্তৰ-পূৰ্বাঞ্চলৰ আদিম অধিবাসী বুলি কিছু পণ্ডিতে মত পোষণ কৰে। অষ্ট্ৰিক সকলৰ পাছতে মংগোলীয় নৃগোষ্ঠী চীন দেশৰ দক্ষিণ অংশৰ পৰা ব্ৰহ্মপুত্ৰ, চালুইন, মেকং আদি নদ-নদীৰে অসম, বঙ্গদেশ, ইন্দো-চীন আদিলৈ প্ৰব্ৰজিত হৈছিল। সংস্কৃত সাহিত্যত মংগোলীয় সকলক কিৰাত বুলিছিল। অতি প্ৰাচীন কালৰে পৰা কিৰাতসকলে যে প্ৰাগজ্যোতিষ কামৰূপত বাস কৰি আহিছে তাৰ আভাস কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থত পোৱা যায়। মংগোলীয় জনগোষ্ঠীৰ বংশধৰ বড়ো-কছাৰী, মেচ, ৰাভা, তিৱা বা লালুং, মিকিৰ বা কাৰবি, হাজং, ডিমাছা, খামতি, তাইফাকে, চুতীয়া মিৰি-মিচিং, গাৰো, সোণোৱাল, ঠেঙ্গাল, দেউৰী, তুৰুঙ, নৰা, আইতনীয়া, ময়েং (খাময়েং), আদি, নিচি, অকা, মিচিমি, আও, আঙ্গামী, চেমা, কন্যাক, লোহতা, চেং, জেমি, কেছা আদি বিভিন্ন নগাগোষ্ঠী। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত সৰু-বৰ বিভিন্ন উপজাতিৰ লোকে আজিলৈকে বসবাস কৰি আহিছে।

বৈদিক সাহিত্যত অষ্ট্ৰিক সকলক নিষাদ আখ্যা দিয়া হৈছে। অষ্ট্ৰিক আৰু মংগোলীয় জনগোষ্ঠীৰ মাজত অতি প্ৰাচীন কালতেই সাংস্কৃতিক বিনিময় হৈছিল, তাৰ প্ৰমাণ দুই সাংস্কৃতিৰ অন্যতম উপাদান ভাষাৰ ক্ষেত্ৰত দেখা যায়। উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ জনসংযোগী ভাষা অসমীয়া ভাষাৰ বিকাশত অষ্ট্ৰিক ভাষা পৰিয়ালৰ বুজন সংখ্যক শব্দৰ প্ৰয়োগ লক্ষ্য কৰা যায়। আনকি সংস্কৃত ভাষাতো



এনেদৰেই বিশ্বায়নৰ অগ্ৰগতিয়ে অকল অৰ্থনীতিকেই নহয় সামাজিক-সাংস্কৃতিক তথা ভাষিক ক্ষেত্ৰটো বিকৃত প্ৰভাৱ পেলাই জনগোষ্ঠীয় সংস্কৃতিক দুস্কৃতিৰ গৰাহলৈ ঠেলি দি বিশ্বায়নী সংস্কৃতিয়ে অজগৰ সাপৰ দৰে গিলি পেলাইছে। বহু সময়ত পৰম্পৰাগত সংস্কৃতিৰ দোহাই দি বিশ্বায়নী সংস্কৃতিৰ বাহকবোৰে মুনাফা আহৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখে। আমাৰ জনগোষ্ঠীসমূহক আভুৱা ভৰাই সেইসকলৰ সংস্কৃতিক বিশ্ব সংস্কৃতিলৈ লৈ যোৱাৰ পশ্চাদপটত কিন্তু সদায়ে কপটতা কিম্বা মিথ্যাচাৰ তথা প্ৰলোভনৰ মানসিকতা জড়িত হৈ থাকে।

সেয়ে সময় আহি পৰিছে এই বিশ্বায়নৰ চিৰন্তন সংস্কৃতিৰ আগ্ৰাসনক প্ৰতিহত কৰাৰ। নিজস্ব সংস্কৃতিৰ মৌলিকতাক বিসৰ্জন দিয়া মানে সেই জনগোষ্ঠীৰ মৃত্যু ঘটা। সেয়ে আত্মঘাতী প্ৰৱণতাক প্ৰতিহত কৰি আমাৰ সংস্কৃতিক বৈচিত্ৰ্যতাক সুৰক্ষিত কৰিবলৈ নতুন প্ৰজন্মই শক্তি আৰু সামৰ্থ আহৰণ কৰিব পাৰিব লাগিব। দুস্কৃতি চিনি পাবলৈ, দুস্কৃতিৰ ছলনা বুজি উঠিবলৈ নিশ্চিতভাৱে চেতনাজনিত সংস্কৃতিৰ অভিজ্ঞান অত্যন্ত প্ৰয়োজনীয় হ'ব।

**প্ৰাসঙ্গিক উৎসসমূহ ঃ**


১। শইকীয়া, নগেন - অসমীয়া মানুহৰ ইতিহাস

২। গগৈ, লীলা - অসমৰ সংস্কৃতি

৩। শইকীয়া, উৎপল আৰু শইকীয়া, মৃদুল - ভাৰতীয় সমাজৰ উন্নয়ন আৰু পৰিৱৰ্তন

৪। নাথ, জীৱমণি (সম্পাদনা) - অসমীয়া সাহিত্য-সমাজ আৰু সংস্কৃতিত এভুমুকি

৫। হালদাৰ, গোপাল - সংস্কৃতিৰ বিশ্বৰূপ

৬। ডেকা, ব্ৰজেন নাথ (সম্পাদনা) - বাৰ্তাপখিলী, অক্টোবৰ - ২০১৬

৭। দত্ত, ড° বীৰেন্দ্ৰনাথ - সত্ৰীয়া সংস্কৃতিত শিষ্ট সংস্কৃতি আৰু লোক সংস্কৃতিৰ সংযোগ ঃ গৰীয়সী, ৩য় বছৰ, ১ম সংখ্যা, অক্টোবৰ - ১৯৯৫

৮। ভট্টাচাৰ্য, নলিনীধৰ - সংস্কৃতিৰ আঁৰিয়া গছ/আজিৰ অসম (মাহেকীয়া আলোচনী), ১৯৮৯, ফেব্ৰুৱাৰী

৯। দত্ত, অম্লান - প্ৰবন্ধ সংগ্ৰহ

১০। বৰুৱা, সুৰজিত - ৰচনা সংগ্ৰহ (প্ৰথম খণ্ড)

১১। সম্পাদনা সমিতি - অনিল কুমাৰ বৰুৱাৰ নিৰ্বাচিত প্ৰবন্ধ সংকলন

১২। স্নাতকোত্তৰ পাঠ্যক্ৰম, অসমীয়া, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ গ্ৰন্থ - অসমীয়া সংস্কৃতি
১৩। হাকাচাম, ড° উপেন ৰাভা - জনজাতিৰ লোকসংস্কৃতি (সাতসৰীত প্ৰকাশিত প্ৰবন্ধ)
১৪। Mehta, Jagdish Chander - Globalization Economy and Society.
১৫। ড° হীৰেন গোঁহাই (সম্পাদনা) ঃ জ্যোতিপ্ৰসাদৰ ৰচনাৱলী



# উত্তৰ-পূব ভাৰতৰ লোক সাংস্কৃতিক বৈচিত্ৰ্যত সামাজিক সংহতি আৰু সংপ্ৰত্যয়

● ড° বিজয়া বৰুৱা ৰাজখোৱা

ভাৰত ৰাষ্ট্ৰৰ পূব-প্ৰান্তত অৱস্থিত উত্তৰ-পূব ভাৰত বা পূৰ্বাঞ্চল ৰূপে পৰিচিত বিস্তৃত ভূখণ্ডৰ ভৌগোলিক, প্ৰাকৃতিক অৱস্থিতি আৰু জনবসতিৰ গাঁথনি তথা বৈচিত্ৰ্যই সমাজ-বিজ্ঞানৰ গৱেষকক বিভিন্ন দৃষ্টিকোণৰ পৰা সদায় আকৰ্ষণ কৰি আহিছে। লোক সংস্কৃতিতত্ত্ব (Folkloristics)ৰ পৰ্য্যবেক্ষণৰে উত্তৰ-পূব ভাৰতক ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ (Mini India) বুলিবও পাৰি। ভৌগোলিক অৱস্থিতিত ভাৰত ৰাষ্ট্ৰৰ পৰা এটি ঠেক কৰিডৰেৰে সংলগ্ন এই ভূখণ্ডৰ প্ৰায় চাৰিওফালে আন্তঃৰাষ্ট্ৰীয় সীমা মুৰলৈকে আজিলৈকে চলি অহা জনপ্ৰব্ৰজন তথা বহিৰাগত পাৰ্শ্ব প্ৰভাৱে গোটেই অঞ্চলটোকে সমমাত্ৰতা প্ৰদান কৰি Howogenousত পৰিণত কৰিছে। ফলস্বৰূপে সময়ৰ বলুকাত জীণ যোৱা ভিন্ ভিন্ মূলৰ জনগোষ্ঠীয়ে তেওঁলোকৰ পূৰ্বকালীন ভাষা-সংস্কৃতিৰ ভালেখিনি হেৰুৱাই ভালেখিনি আহৰণৰে অৰ্থাৎ গ্ৰহণ-বৰ্জন ৰীতিৰে এক সমন্বয়ৰ উমৈহতীয়া সংস্কৃতি গঢ়ি তুলিছে। আৰ্যাবৰ্ত্যৰ মাজেদি প্ৰসাৰিত আৰ্য-দ্ৰাবিড় আৰু থলুৱা অষ্ট্ৰ-মঙ্গলয়ড্ সংস্কৃতিৰ মুক্ত সংমিশ্ৰণত সৃষ্টি হোৱা উত্তৰ-পূব ভাৰতৰ সাংস্কৃতিক ইতিহাস সেয়েহে অনন্য (unique) বৈশিষ্ট্যমণ্ডিত।

সূৰ্য্যকুমাৰ ভূঞাৰ 'বৰ অসম' আৰু বিষ্ণুৰাভাৰ অভিধা 'সাতভনীৰ ৰাজ্য'ৰ সাংস্কৃতিক ইতিহাসেই বৰ্তমানৰ বৃহত্তৰ অসমীয়া সংস্কৃতিৰ পূৰ্বকালীন উত্তৰ-পূৰ্বাঞ্চলৰ লোক সংস্কৃতি, পৰম্পৰাগত জীৱন চৰ্যা। পৰৱৰ্তী যুগত ৰাজনৈতিক কূটনীতিয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক সীমাক সাতখন ৰাজ্যত ভাগ কৰি সমাজ জীৱনলৈ ভাবুকি আনিলেও সাংস্কৃতিক সমন্বয়ৰ আদৰ্শক ম্লান কৰিব পৰা নাই। বৰ্তমানেও আধুনিক তথা প্ৰযুক্তিৰ বিস্ফোৰণ, গোলকীকৰণৰ ফলস্বৰূপে আধুনিক শিক্ষা তথা

● জ্যেষ্ঠ অধ্যাপিকা তথা লোক সংস্কৃতিবিদ, ডিমৰীয়া মহাবিদ্যালয়, ক্ষেত্ৰী

ৰূপৰ মাজত অন্তনিৰ্হিত হৈ থকা বৈশিষ্ট্য সমূহৰ সৰহ সংখ্যকতে ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য নিহিত হৈ আছে। উত্তৰ-পূৰ্বাঞ্চলৰ লোক সংস্কৃতিৰ ছবিখনে ‘বৈচিত্ৰ্যৰ মাজত ঐক্য’ কথাষাৰ প্ৰমাণিত কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় সকলোবোৰ জনগোষ্ঠীৰে মূল জীৱিকা কৃষি। প্ৰতিটো জনগোষ্ঠীৰ মাজত প্ৰচলিত ভাষা, উৎসৱ-অনুষ্ঠান, সাজ-পোছাক, খাদ্য অভ্যাস, আচাৰ-নীতি, লোক বিশ্বাস, খেল-ধেমালি, লোকঔষধ, লোক শিল্প, লোকধৰ্ম, লোককলা, স্থাপত্য বিদ্যা, লোকগীত, লোকবাদ্য, লোকনৃত্য, আদি সকলো দিশতে নিজস্ব বৈশিষ্ট্য থকা দেখা যায়। কিন্তু তাৰ মাজতো প্ৰতিটো জনগোষ্ঠীৰ মাজত কিছুমান উমৈহতীয়া বৈশিষ্ট্য পৰিলক্ষিত হয়। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীৰ মাজত যিবোৰ উমৈহতীয়া সাংস্কৃতিক বৈশিষ্ট্য দেখা যায় সেইবোৰক এনেধৰণে নিৰ্দেশ কৰিব পাৰি -

১। প্ৰায় প্ৰতিটো জনগোষ্ঠীতেই পিতৃ তান্ত্ৰিক-সমাজ ব্যৱস্থা প্ৰচলিত আছে।
২। গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰে প্ৰায় সকলোবোৰ জনগোষ্ঠী পৰিচালিত হয়।
৩। কৃষি কাৰ্য্যত পাহাৰীয়া জনগোষ্ঠীৰ প্ৰায় সকলোৰেই ঝুম পদ্ধতি ব্যৱহাৰ কৰে।
৪। উৎসৱ-অনুষ্ঠানত গীত-নৃত্যৰ পয়োভৰ।
৫। চাউলৰ পৰা প্ৰস্তুত কৰা পানীয়ৰ মুকলি ব্যৱহাৰ প্ৰায় সকলো জনগোষ্ঠীত দেখা যায়।
৬। ডেকা চাং আৰু গাভৰু চাঙৰ ব্যৱস্থা সকলো জনগোষ্ঠীৰে বৈশিষ্ট্য।
৭। ঘৰ সজা আৰু অন্যান্য সা-সজুঁলি নিৰ্মাণত বাঁহ-বেত-খেৰ আদিৰ ব্যৱহাৰ।
৮। প্ৰায় সকলোবোৰ জনগোষ্ঠীয়েই চিকাৰপ্ৰিয় আৰু মাছ-মাংস ব্যৱহাৰত অভ্যস্ত।
৯। সাজ-পোছাক প্ৰায় প্ৰতিটো জনগোষ্ঠীয়ে নিজে শালত তৈয়াৰ কৰি লয়।
১০। গাহৰি আৰু কুকুৰা পালন কৰাৰ লগতে খাদ্য হিচাপে ব্যৱহাৰ কৰে।
১১। প্ৰায় সকলো কামতে তিৰোতাসকলে আগভাগ লয়। বিশেষকৈ বয়ন শিল্প আৰু ঘৰুৱা কাম-কাজত সকলো জনগোষ্ঠীৰ তিৰোতাসকল পাৰদৰ্শী হোৱা দেখা যায়।
১২। কন্যাৰ বাবে বিবাহৰ সময়ত গা-ধন লোৱাৰ প্ৰচলন আছে দুই এটা জনগোষ্ঠীক বাদ দি।
১৩। সকলো জনগোষ্ঠীৰ মাজতে প্ৰকৃতি পূজাৰ প্ৰচলন আছে আৰু দেৱতাৰ



বিভিন্ন জাতি, উপজাতি, ধৰ্ম, বৰ্ণ-নিৰ্বিশেষে গঠিত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অধিবাসীসকলৰ সামাজিক আৰু সাংস্কৃতিক আচৰণত লোক সমাজ আৰু লোক সংস্কৃতিৰ বৈশিষ্ট্যহে দেখা যায়। অধিবাসীসকলৰ ক্ষেত্ৰত জাতি-জনজাতিৰ মাজৰ পাৰ্থক্য যিহেতু স্পষ্টকৈ দেখুৱাই দিব নোৱাৰি গতিকে অধিবাসী সমাজক প্ৰজাতিগত বা ধৰ্মীয়ভাৱে ভাগ নকৰি "Folk" আখ্যাহে দিয়া উচিত। লগতে এই অঞ্চলৰ সংস্কৃতিক লোক সংস্কৃতি বুলিলেহে খাপ খাব। উত্তৰ-পূৰ্বাঞ্চলৰ সৰহভাগ অধিবাসীয়েই কৃষিজীৱি আৰু গ্ৰাম্য পৰিৱেশত পৰম্পৰাগতভাৱেই জীৱন আৰু সামাজিক ব্যৱস্থা চলাই আহিছে। গতিকে নিশ্চয় এওঁলোক লোক জীৱনৰ অধিকাৰী। তদুপৰি মধ্যযুগীয় উত্তৰ-পূৰ্বাঞ্চলৰ সংমিশ্ৰিত বৃহৎ লোক সমাজখনৰ অৰ্থনৈতিক অৱস্থা প্ৰায় একে হোৱাৰ বাবে তেওঁলোকৰ মাজত অৰ্থনৈতিক সমতাই মানুহবোৰৰ মন আৰু ভাবতো সমতাই বিৰাজ কৰিছিল। সেয়ে সৰল মনৰ কৃষিজীৱি লোক সমাজৰ জীৱন নিৰ্বাহত উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক-সাংস্কৃতিক সংশ্লেষণে নৃগোষ্ঠী সমূহৰ নিজস্ব আচাৰ-নীতি, জীৱন চৰ্যাৰ লোক সংস্কৃতিক উপাদানবোৰ সামৰি লৈ এক উমৈহতীয়া সংস্কৃতি গঢ়ি তুলিছিল, যিটো পিছলৈ বৃহত্তৰ অসমীয়া সংস্কৃতিৰ পৰিচয় বহন কৰে। সেয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ বিষয়ে আলোচনা কৰিবলৈ গ’লে আজিও আমি বাৰে ৰহণীয়া অসমীয়া লোক সংস্কৃতিকহে প্ৰাধান্য দিব লাগিব।

লোক সংস্কৃতি বা জনসংস্কৃতি বা লোকবিদ্যা এক সামাজিক ব্যাপাৰ য’ত জনসাধাৰণৰ কৃতি বা আচৰণ আদি পৰম্পৰাগতভাৱে চলি আহে। আধুনিক যুগত লোক সংস্কৃতিক সমাজ বিজ্ঞানৰ এটি গুৰুত্বপূৰ্ণ ভাগ হিচাপে স্বীকৃতি দি লোকবিদ্যা তত্ত্ব (Folkloristics) বা শৃংখলাবদ্ধ অধ্যয়নৰ বিষয় (dircipline) হিচাপে উচ্চ শিক্ষাৰ গৱেষণা অধ্যয়নতো স্থান দিয়া হৈছে। সমাজৰ সংহতি নিৰ্মাণত লোকবিদ্যাৰ অধ্যয়ন গৱেষণাই বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। লোকবিদ্যা অধ্যয়নৰ পৰিসৰে বৰ্তমান এখন সমাজৰ অতীত, বৰ্তমানৰ জীৱনক সামৰি পৰম্পৰা আশ্ৰয়ী সমাজখনলৈ সময়ৰ লগত অহা পৰিৱৰ্তনকো সামৰি লৈছে। পণ্ডিতসকলে এখন সমাজৰ লোক জীৱন আৰু পৰম্পৰাগত লোক জীৱনৰ বিভিন্ন দিশ সামৰি সৃষ্টি হোৱা লোকবিদ্যা তত্ত্ব বিষয়টোৰ অধ্যয়নৰ সুবিধাৰ বাবে চাৰিটা প্ৰধান ভাগত ভগাই লৈছে। সেয়া হৈছে- মৌখিক লোকবিদ্যা বা বাচিক কলা, সামাজিক লোকপ্ৰথা বা লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোকপৰিৱেশ্য কলা। এইবোৰক আকৌ বিভিন্ন উপ-ভাগত ভগাই সমাজৰ আৰু লোক জীৱনৰ ক্ষুদ্ৰ এটি দিশো সাৰি যাব নোৱাৰাকৈ লোকবিদ্যা তত্ত্বৰ ক্ষেত্ৰ অধ্যয়নে সামৰি লয়।

উত্তৰ-পূৰ্বাঞ্চলৰ অধিবাসীসকলে দূৰ অতীতৰ পৰাই নিজস্ব লোক সংস্কৃতিক সংৰক্ষণ কৰি পৰম্পৰাগত ভাৱেই জীৱন আৰু সামাজিক ব্যৱস্থা চলাই আহিছে। সেয়েহে সংমিশ্ৰণেৰে ঋদ্ধ বিভিন্ন জাতি-জনজাতিৰ লোকসংস্কৃতিক উপাদানেই অসমীয়া সাংস্কৃতিক বিস্তৃত আৰু বৈচিত্ৰপূৰ্ণ ৰূপ প্ৰদান কৰিছে। বৰ্তমান ৰাজনৈতিক ভাৱে সাতখন ৰাজ্যৰ অধিবাসী হ'লেও কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ লোক সাংস্কৃতিক কাঠামো বৰ্তমানেও সুৰক্ষিত। অসম, অৰুণাচল, মেঘালয়, নগালেণ্ড, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰা ৰাজনৈতিক পৰিসীমাত ভাগ ভাগ হ'লেও আমি যদি প্ৰত্যেক ৰাজ্যৰে লোক সংস্কৃতি অধ্যয়ন কৰিবলৈ যাওঁ তেন্তে আমি পূৰ্বৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোক সংস্কৃতিকে সামৰিব লাগিব। সংস্কৃতি, লোক সংস্কৃতি বা জনজাতীয় সংস্কৃতি যিয়েই নহওক ইয়াৰ পটভূমি সমাজ আৰু নিৰ্মাতা মানুহ। কোনো এক অঞ্চলৰ কোনো এক জনগোষ্ঠীৰ কৃত আচৰণেই যিহেতু সেই অঞ্চলৰ সেই জনগোষ্ঠীৰ লোক সংস্কৃতি, সেইবাবে উত্তৰ-পূৰ ভাৰতৰ জনজাতীয় আৰু জাতীয় সংস্কৃতিৰ সাংস্কৃতিক সংশ্লেষণে পাৰ্থক্য বিচাৰি পোৱাটো কঠিন কৰি তুলিছে।

অসমীয়া ভাষাত প্ৰচলিত মৌখিক গীত-পদৰ উপৰিও উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতীয় লোক সকলৰ নিজস্ব ভাষাত প্ৰচলিত গীত-নৃত্যই অসমীয়া সংস্কৃতিক সমৃদ্ধিশালী কৰি তুলিছে। উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-জনজাতিৰ দ্বাৰা পালিত ধৰ্মীয় নৃত্য, উৎসৱ-অনুষ্ঠানৰ অনুসংগত সৃষ্ট আৰু পৰিবেশিত গীত-পদ নৃত্যৰ লেখ দি শেষ কৰিব নোৱাৰি। সেইদৰে প্ৰবচন, যোজনা, পটন্তৰ, দিস্তান, জনশ্ৰুতি, সাধুকথা, মালিতা আদিৰে উত্তৰ-পূৰ্বাঞ্চলৰ জনসংস্কৃতি ভৰপূৰ হৈ আছে। সমাজ আৰু পৰিয়ালৰ মাজত উদ্‌যাপিত কৃষি, জন্ম, বিবাহ, মৃত্যু সম্পৰ্কীয় কৃত্যৰ উপৰিও ধৰ্মীয় প্ৰছন্ন শক্তি নিহিত ঐন্দ্ৰজালিক ক্ৰিয়া-কাণ্ডৰ বিশ্বাসত সৃষ্টি হোৱা উৎসৱ-অনুষ্ঠান, খেলা-ধূলা, অবসৰ বিনোদন, লোকধৰ্ম, লোক ঔষধ-পাতি, ৰন্ধন-প্ৰকৰণ আদি পৰম্পৰাগত জীৱনৰ পৰিসীমাত লোক সংস্কৃতিৰ বিশিষ্ট উপাদানেৰে উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি বিচিত্ৰ ৰূপত পোৱা যায়।

ভৌতিক সংস্কৃতিৰ জৰিয়তে জীৱনৰ প্ৰয়োজনীয় আৰু অৰ্থনৈতিক দিশৰ লগত জড়িত লোককলা, পুথি-চিত্ৰ, লোক ভাস্কৰ্য, পোছাক-পৰিচ্ছদ, অয়-অলঙ্কাৰ, অসমীয়া আৰু জনজাতীয় নাৰীৰ চমৎকাৰ বয়নশিল্প কলা, বাঁহ-বেত আৰু কাঠৰ বিভিন্ন অভিকল্পই বৰ্তমানো উত্তৰ-পূৰ্বাঞ্চলৰ লোক সংস্কৃতিক অন্য প্ৰান্তৰ মানুহৰ বাবে আকৰ্ষণীয় কৰি ৰাখিছে। লোক স্থাপতিৰ ক্ষেত্ৰতো উত্তৰ-পূৰ্বাঞ্চলৰ জাতি-



ৰাজনৈতিক, সাংস্কৃতিক আৰু ভাষিক দিশতো এই অঞ্চলটোৰ এক বিশেষ গুৰুত্ব আছে। লোকসকলৰ জীৱন ধাৰণ প্ৰণালী আৰু নানাৰঙী সংস্কৃতিয়ে উত্তৰ-পূৱ ভাৰতৰ এই অঞ্চলটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। উত্তৰ-পূৰ্বাঞ্চলত বাস কৰা প্ৰত্যেকটো জনগোষ্ঠীৰে একোটা স্পষ্ট ভাষিক পৰিচয়ৰ লগতে প্ৰত্যেক জনগোষ্ঠীয়েই নিজা এক সাংস্কৃতিক পৰিচয় বহন কৰি আহিছে। এই জনগোষ্ঠী সমূহৰ মাজত ভাষিক আৰু সাংস্কৃতিক বিচিত্ৰতা বিদ্যমান যদিও জাতি বা ভাষাক লৈ এওঁলোকৰ মাজত কোনো সংঘাতৰ কেতিয়াও সৃষ্টি হোৱা নাই। বৰঞ্চ এই জনগোষ্ঠী সমূহৰ ভাষিক আৰু সাংস্কৃতিক উপাদানসমূহে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্যক বৰ্ণাঢ্য আৰু বৈচিত্ৰ্যপূৰ্ণ কৰি তুলিছে। সমগ্ৰ উত্তৰ-পূৱ ভাৰতত দুশতকৈও অধিক জনগোষ্ঠীৰ লোকে বাস কৰে। প্ৰত্যেকটো জনগোষ্ঠীৰ আকৌ কিছুমান ফৈদ আছে। তলত ৰাজ্য অনুসৰি কিছু জনগোষ্ঠীৰ উল্লেখ কৰিবলৈ চেষ্টা কৰা হ'ল -

**অৰুণাচল ঃ** আদি, নিচি, গালং, আপাতানি, অঁকা, মনকা, তাগিন, ছেৰদুকপেন, খামতি, দেউৰী, চিংফৌ, ইদু, মিচিমি, ৰ্যাংচু, টাংচা, নক্টে, মিচিং, হ্নিমিৰি, চাক্‌মা, লিচু, চুলুং, বানগ্ৰু, তুতৃণ, মেম্বা, য়বিন, খাম্বা, ইত্যাদি।

**মেঘালয় ঃ** গাৰো, খাচীয়া, জয়ন্তীয়া, কাৰ্বি, লালুং, মাৰ ইত্যাদি।

**মিজোৰাম ঃ** কুকি, ৰাংখল, মিজো, লুচাই, চাকমা, পাইটে, মাৰ, পাউই ইত্যাদি।

**অসম ঃ** বড়ো, ৰাভা, কাৰ্বি, মিচিং, গাৰো, তিৱা, লালুং, সোণোৱাল, কছাৰী, শৰণীয়া কছাৰী। মেচ, হাজং, ডিমাছা, দেউৰী, মৰাণ, চিংফৌ, মটক, চুতীয়া, আহোম, টাই ফাকে, খামতি, টুৰুং, খাময়াং, আইতন, মাৰ, চাহ জনগোষ্ঠী ইত্যাদি।

**নগালেণ্ড ঃ** আও, আংগামী, চেমা, লোথা, কন্যাক, ৰেংমা, চাংতাম, জেলিয়াং, চাখেচাং, য়িমচুনগাৰ, ফোম, কুকি, চিৰ, তিখিৰ, চুমি, ডিমাছা-কছাৰী ইত্যাদি।

**মণিপুৰ ঃ** মণিপুৰী, মিজো, টাংখুল, মাৰ, মাও, আঙ্গামী, আইমল, আনাল, ছিৰো, কাবুই, লামকাং মাইং, ডাইমেল, চুমে, থাদৌ, চেমা, পাইটে, ময়ন, খাৰাম, কম, কুৰেং, মুনাগ, ইত্যাদি।

**ত্ৰিপুৰা ঃ** চাক্‌মা, ত্ৰিপুৰী, হালাম, গাৰো, কুকি, লুচাই, মুণ্ডা, ওৰাং, চাওতাল, ৰাংখল, লেপৰা, খাচীয়া, ভূটীয়া ইত্যাদি।

**৩.১ ঃ উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ লোক সংস্কৃতি ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ সকলো জনগোষ্ঠীৰ জীৱন চৰ্যালৈ যদি চোৱা হয় সকলোৰে কৃষি পদ্ধতি, ধৰ্মীয় বিশ্বাস, লোক বিশ্বাস, ৰীতি-নীতি, উৎসৱ-পাৰ্বন, গীত-নৃত্য-বাদ্য আদিত স্বতন্ত্ৰ ৰূপ পৰিলক্ষিত হয়। তথাপি সামগ্ৰিকভাৱে বিচাৰ কৰি চালে দেখা যায় যে এই সকলো

on a range of variance the members consider proper and acceptable."

**২. লোক সংস্কৃতি ঃ**

১৮৪৬ চনত ইংৰাজ পণ্ডিত William Thomsএ লোকজ্ঞান আৰু লোক অভিজ্ঞতাক সুচিত কৰিবলৈ Folklore শব্দটো ব্যৱহাৰ কৰে আৰু অতি কম সময়ৰ ভিতৰতে ই আন্তর্জাতিক সমাদৰ লাভ কৰে। বর্তমান লোক সংস্কৃতি শব্দটোৰ সমাৰ্থক শব্দ হিচাপে সকলোৱে Folklore শব্দটোকে গ্ৰহণ কৰিছে। ১৮৮৭ চনত লোক সংস্কৃতিৰ প্ৰতিশব্দটো Folklore বুলি Folklore Socity এ গ্ৰহণ কৰে। লোক সংস্কৃতিবিদ পণ্ডিত সকলে লোক সংস্কৃতিক 'The Science of Fairy tales', Folklore as a Historical Science হিচাপে গ্ৰহণ কৰিছে। সাধাৰণভাৱে লোক সংস্কৃতি শব্দটোৱে সামগ্ৰিকভাৱে জাতি এটাৰ আচাৰ-ব্যৱহাৰ, পূজা-পাৰ্বন, সামাজিক ৰীতি-নীতি, পৰম্পৰাগত বিশ্বাস আৰু ধৰ্মবিশ্বাস, সাধুকথা, প্ৰবাদ-প্ৰবচন, লোকগীত, লোকগাঁথা, লোকবিশ্বাস, লোকনৃত্য, লোককলা, লোকবাদ্য, লোক-উৎসৱ আদি আটাইবোৰকে সামৰি লয়।

ওঠৰ শতিকাৰ শেষ ভাগত লোক সংস্কৃতিৰ ৪টা গৱেষণাই পাতনি মেলে। ১৭৬৫ চনত 'Relics of Ancient English Poetry" নামৰ গ্ৰন্থখন প্ৰকাশ পোৱাৰ পিছত লোকগীতৰ সংগ্ৰহ, চৰ্চা, গৱেষণা আৰম্ভ হ'বলৈ ধৰে। সাম্প্ৰতিক সময়ত পৃথিৱীৰ বিভিন্ন জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, লোকাচাৰ, উৎসৱ, পূজা-পাৰ্বন, লোক বিশ্বাস, লোক সাহিত্য, আদিৰ বিষয়ে পুংখানুপুঙ্খ গৱেষণাধৰ্মী আলোচনা বিশ্বৰ বিভিন্ন প্ৰান্তত আৰম্ভ হৈছে। লোক সংস্কৃতিৰ পৃথিৱীখন যথেষ্ট বিশাল আৰু বিস্তৃত হোৱাৰ উপৰিও বৈচিত্ৰ্যময়ো।

**৩. ভাৰত বৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল আৰু জনগোষ্ঠী ঃ**

'Chicken neck' বুলি জনাজাত ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল হ'ল অৰুণাচল প্ৰদেশ, মেঘালয়, অসম, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু মিজোৰাম - এই সাতখন ৰাজ্যৰ সমষ্টি। এই অঞ্চলটো ভাষা আৰু নৃতত্ত্বৰ এক বিশাল যাদুঘৰ বুলি প্ৰখ্যাত। প্ৰাক্-ঐতিহাসিক যুগৰ পৰাই বিভিন্ন জনজাতীয় লোকসকলকে ধৰি আন আন জনগোষ্ঠীৰ লোক সকলেও বৃহত্তৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ আৰু সংস্কৃতিৰ পৰিকাঠামো নিৰ্মাণত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। ভৌগোলিক,



জনজাতি উভয়ৰ মাজত সাদৃশ্য, ঐক্য আৰু সমত্ব স্পষ্ট। লোকসংস্কৃতিৰ চতুৰ্থ ভাগ লোক পৰিৱেশ্য কলা পৰিৱেশনতো জাতি-জনজাতি উভয়েই বিভিন্ন প্ৰসংগত বাদ্যযন্ত্ৰ সহ গীত পদ গায় আৰু নৃত্য অভিনয় প্ৰদৰ্শন কৰি আহিছে। এইবোৰ স্বতন্ত্ৰ ৰূপত উদ্ধাৰ কৰিবলৈ উত্তৰ-পূৰ্বাঞ্চলৰ বিস্তৃত ভূখণ্ডৰ ক্ষেত্ৰ অধ্যয়ণৰ যোগেদিহে সম্ভৱ হব। তথাপিও শেষত আমি এটা কথাই স্পষ্টকৈ কব পাৰো যে উত্তৰ পূৰ্বাঞ্চলৰ এটি স্বকীয় বিশেষত্ব আৰু সাতোখন ৰাজ্যৰ মাজত এক সামগ্ৰিক সাদৃশ্য বিৰাজমান, যিটোৱে উত্তৰ পূৱ ভাৰতৰ সমাজ জীৱনৰ সংহতি নিৰ্মাণতো ভূমিকা গ্ৰহণ কৰি আহিছে আৰু কৰিও থাকিব।

এতিয়া কথা হ'ল লোক সংস্কৃতিক যিহেতু এখন বোঁৱতী নদীৰ লগত তুলনা কৰা যায়, সেয়ে পৃথিৱীৰ অন্যান্য দেশ আৰু জাতিৰ দৰেই এই অঞ্চলৰ লোকসংস্কৃতি সময়ৰ গতিত ৰৈ নাথাকে, বৈ থাকিব। আধুনিক যুগৰ শিক্ষা, পাশ্চাত্য সমাজৰ বস্তুবাদী সমাজৰ মূল্যবোধ উত্তৰ পূৰ্বাঞ্চলৰ সমাজ আৰু লোকসংস্কৃতিক স্পৰ্শ কৰাটো অস্বাভাৱিক নহয়। তদুপৰি পূৰ্বতে বৈ অহা প্ৰায় চাৰিওফালে আন্তঃৰাষ্ট্ৰীয় সীমাই সৃষ্টি কৰা ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক অস্থিৰতাই উত্তৰ পূৰ্বাঞ্চলৰ সমাজ আৰু লোকসংস্কৃতিলৈ আন কিছুমান পাৰ্শ্বপ্ৰভাৱ আনিছে বা অহাৰো সন্দেহতীত হ'ব নোৱাৰি। সেইবাবে উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ আৰু সংস্কৃতিৰ আদৰ্শ ৰক্ষাৰ বাবে সংপ্ৰত্যয় আছে। উত্তৰ-পূৰ্বাঞ্চলৰ সামাজিক সংহতি আৰু ঐতিহ্যৰ প্ৰতি আমি বৰ্তমানৰ যুৱ সমাজক জানিবলৈ দি আকৰ্ষিত কৰিব লাগিব। নাজানিলে কেতিয়াও কোনো বস্তুৰ প্ৰতি আকৰ্ষণ বা সচেতনতা গঢ়ি নুঠে। এই ক্ষেত্ৰত বৰ্তমান সমাজত লোকসংস্কৃতি চৰ্চা আৰু অধ্যয়ণ হৈ পৰিছে প্ৰয়োজনীয়। মাটিত খোপিত হৈ থকা শিপাই যেনেকৈ বৃহৎ বৰগছ, আহত গছ এজোপাকো ধৰি ৰাখিব পাৰে, আমাৰ জাতীয় পৰিচয় বহণ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ সাতামপুৰুষীয়া ঐক্য সংহতিৰ সমাজখনৰ অংশীদাৰ হিচাপে বিশ্বৰ দৰবাৰত আমাৰ জাতীয় পৰিচয় দিব পৰা উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতিয়েহে আমাক সক্ষম কৰিব। বৃহৎ অসমীয়া জাতি আৰু সংস্কৃতিৰ পৰিচয় বহণ কৰি অহা উত্তৰ-পূৱ ভাৰতৰ লোকসংস্কৃতিক ক্ষেত্ৰখন সমন্বয়ৰ সেতু নিৰ্মাণৰ বাবে সংশ্লেষণ আৰু প্ৰভাৱ গ্ৰহণৰ আদৰ্শ থাকিলেও বৰ্তমান সমাজৰ পৰিপ্ৰেক্ষিতত মাজে সময়ে অহা অপসংস্কৃতিক ৰোধ কৰি প্ৰমূল্যবোধেৰে যুগৰ পৰিৱৰ্তনক আৰোহণ কৰিবলৈ সক্ষম হ'ব লাগিব।

সহায়ক গ্ৰন্থসমূহ -

১। Dr. P.C. Choudhury : The History of Civilization of the people of Assam.

২। K.L. Barua : Early History of Kamrupa.

৩। Birendranath Datta & others (ed) : A Hand book of Folklore Material of North-East India. Anandaram Barooh Institute of Language, Art & culture, Assam.

৪। ড° নবীন চন্দ্ৰ শৰ্মা (সম্পা) ঃ অসমৰ সাংস্কৃতিক ইতিহাস (দ্বিতীয় খণ্ড), অসম সাহিত্য সভা

৫। ড° নবীন চন্দ্ৰ শৰ্মা ঃ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসংস্কৃতি

৬। ড° ভুবন মোহন দাস (সম্পা) ঃ অসমৰ মানুহ, অসম সাহিত্য সভা, যোৰহাট



# উত্তৰ-পূৰ্বাঞ্চলৰ লোক সংস্কৃতি আৰু সাংস্কৃতিক সমন্বয়

● ড° বিনীতা বৰা দেৰচৌধুৰী

**১. সংস্কৃতি কি ঃ**

সংস্কৃতি শব্দৰ অৰ্থ অতি ব্যাপক। ইংৰাজী Culture শব্দৰ প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰা সংস্কৃতি শব্দটোৰ প্ৰসঙ্গত বিভিন্ন সমাজবিজ্ঞানী তথা নৃতত্ত্ববিদসকলে সময়ে সময়ে বিভিন্ন ব্যাখ্যা আগবঢ়োৱা দেখা যায়, Methew Arnold-এ মাধুৰ্য্য আৰু আলোককে সংস্কৃতি বুলি কৈছে। কোনোৱে আকৌ সাংস্কৃতিক সামাজিক সৌন্দৰ্য্য আৰু বৌদ্ধিক উৎকৰ্ষৰ চৰম প্ৰকাশ বুলি কৈছে - 'Intellectul excellence". মেক্‌লেভাৰৰ মতে আকৌ মানুহৰ নৈতিক, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশেই সংস্কৃতি। বৃটিছ নৃতত্ত্ববিদ এডৱাৰ্ড বাৰ্ণেট টাইলাৰে পোনপ্ৰথমে Culture শব্দটোৰ অৰ্থ ব্যাখ্যা কৰি তাৰ প্ৰয়োগৰ বিস্তৃত পৰিধি দিয়ে ১৮৭১ চনত (Primitive Culture, Vol I, New, yask, 1874, p-1)। তেওঁৰ মতে, "........ that complex whole which includes knowledge, belief, art, morals, law, custom, and any other capabilities and habits acquired by man as a member of society"- "সমাজৰ অংশীভূত সদস্যৰূপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, আইন-কানুন, নৈতিকতা, অভ্যাস আৰু অন্যান্য সামাজিক সামৰ্থ্যৰ সামগ্ৰিক যৌগিক ৰূপেই সংস্কৃতি।" টাইলাৰৰ মতে সংস্কৃতি সামাজিক উত্তৰাধিকাৰ - ব্যক্তিৰ প্ৰতি সমাজৰ দান। মালিনৱস্কিৰ মতে সামগ্ৰিক জীৱন পদ্ধতিয়েই সংস্কৃতি। William A. Haviland এ "Cultural Anthropology'ত সংস্কৃতিৰ এটা সৰ্বজনগ্ৰাহ্য সংজ্ঞা দাঙি ধৰিছে। "Culture is a set of rules or standards which, when acted upon by the members of a society produce behaviors that falls with

● সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, বজালী কলেজ

হৈছে। মহিষাসুৰ বা মহীৰংগ (মাইৰং) দানৱ, হটকাসুৰ, শম্বৰাসুৰ, ঘটকাসুৰ আদিক বস্তু-কেন্দ্রিক বা দেহাত্মবাদী চৰিত্রৰ বোলা হৈছে আৰু তেওঁলোক বেদপথ বিৰোধী। পিছলৈ নৰকাসুৰে ঘটক কিৰাতক বধ কৰে। কামৰূপত দানৱ বংশই ৰাজত্ব কৰাৰ সময়ত পূবে শোণিতপুৰত বান নামৰ অসুৰ ৰজাই ৰাজত্ব কৰিছিল।[১৬] তেওঁ হৰ বা শিৱৰ পূজা কৰিছিল। আনহাতে দানৱ বংশীয় ৰজা সকল আছিল মাতৃতান্ত্রিক বা উর্বৰতা কৃষ্টিৰ ধাৰক-বাহক। আনহাতে পিতৃতান্ত্রিক অসুৰ প্রধান লোকসকল আছিল চিকাৰজীৱী আৰু পশুপালক। সু-প্রাচীন কালতে এইবোৰ জনগোষ্ঠীয়ে জীৱন-নির্বাহৰ বাবে নৰমাংসও সম্ভৱতঃ ভক্ষণ কৰিছিল, সেয়ে ৰাক্ষস তথা অসুৰ চিহ্নিত অধিবাসী বিলাকৰ জীৱন-আধাৰিত নানা পৌৰাণিক উপকথা আজিকোপতি চলি আছে। মহাভাৰতৰ সভাপর্বত কিৰাত সকলৰ সৈতে চন্দন, অগৰু, জন্তুৰ ছাল, ৰত্ন আৰু সোণ সংযুক্ত কৰা হৈছে।[১৭] অর্থনৈতিক আদান-প্রদান, সংযোগ আদিৰ ক্ষেত্রত কিৰাত সকল যথেষ্ট আগৰণুৱা আছিল। নৰবলি প্রথা, ভেল্কিবাজী আৰু যাদুবিদ্যাৰ লগতো কিৰাতসকলৰ সম্পর্ক আছিল। যোগিনীতন্ত্রত বর্ণনা কৰা মতে যোগিনী পীঠত কিৰাতসকলৰ পৰা শৈৱ ধর্ম উৎপত্তি হৈছিল।[১৮] ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে অসমলৈ তিব্বত-বর্মীসকলে খৃঃ পূঃ ১০০০ বছৰ আগতে প্রৱেশ কৰিছিল। ড০ ভুবন মোহন দাসৰ মতে তেওঁ কামৰূপৰ জাতিগোটৰ আবয়বিক লক্ষণ অধ্যয়ন কৰোতে বেছিভাগ জাতিগোটৰ মাজত মংগোলীয় লক্ষণ দেখা পাইছিল। গতিকে অসমীয়া জাতিৰ আবয়বিক বৈশিষ্ট্য গঠনত মংগোলীয় লোকৰেই বেছি অৰিহণা আছে।[১৯]

**৩ ঃ আলপাইন আর্য**

বৈদিক আর্যসকলৰ আগতেই ভাৰতত সোমোৱা আলপাইন আর্যসকলৰ বিস্তৃতি সৰু সৰু জনগোষ্ঠী বা দল হিচাপে ভাৰতৰ হিমালয়ৰ পাদদেশৰ পৰা দক্ষিণ-পূব এছিয়ালৈকে বিয়পি পৰিছিল। বিভিন্ন নৃতত্ত্ববিদ সকলৰ মতে অসমৰ কিছুমান জনগোষ্ঠী বিশেষভাৱে কলিতাসকলক আলপাইন আর্যসকলৰ বংশজ বুলি কোৱা হয়।[২০] আলপাইনসকল উত্তৰ পূর্বাঞ্চলৰ কোনো কোনো জনজাতি তথা পার্বত্য জাতিৰ মাজতো সোমাই এক নতুন কৃষ্টিৰ সূচনা কৰিছিল। আলপাইন সকল দীর্ঘ-মস্তকী ভূমধ্য সাগৰীয়ৰ লগত মিলি গৈ পিছত সাংস্কৃতিক আৰু প্রজাতীয় ইতিহাসৰ বিশেষ পৰিৱর্তন হয়। ভাষাগত, সাংস্কৃতিক, ঐতিহাসিক আৰু নৃতাত্বিক দৃষ্টিকোণৰ পৰা পর্যবেক্ষণ কৰি কনকলাল বৰুৱা আৰু প্রতাপ চন্দ্র চৌধুৰীয়ে মতপোষণ কৰিছে যে বৈদিক আর্যসকলৰ আগমনৰ পূর্বেই আলপাইনসকলে পূব ভাৰতৰ মাটিত থিতাপি



সন্তুষ্টিৰ হকে বলি-বিধান দিয়া প্রথাৰো প্রচলন আছে।

মানুহৰ দ্বাৰা সৃষ্টি হোৱা সভ্যতাৰ সকলোবোৰ অংগই লোক সংস্কৃতিৰ ভিতৰুৱা। মানৱ সৃষ্ট বৌদ্ধিক সম্পদ সমূহৰ উপৰিও খাদ্যাভ্যাস, সাজপাৰ, বাসগৃহ, ঘৰুৱা সা-সঁজুলি, লোকাচাৰ, লোকধর্ম, লোকবিশ্বাস, সংগীত আদি উপাদান সমূহকো 'লোক সংস্কৃতি'য়ে সামৰি লয়। সহজ ভাষাত ক'বলৈ গ'লে - "মানুহে আচৰণ কৰা জীৱন-চর্য্যাৰ সামগ্রিক ৰূপটোৱেই হৈছে লোক সংস্কৃতি।"

ইতিহাসে ঢুকি পোৱা কালৰ আগৰে পৰা উত্তৰ-পূর্বাঞ্চললৈ প্রব্রজন কৰা সকলো জনগোষ্ঠীৰ মাজত দৈনন্দিন জীৱনত পৰম্পৰাগতভাৱে বিভিন্ন সামাজিক লোকাচাৰ, খাদ্য, সাজ-পাৰ, আ-অলঙ্কাৰ, লোকধর্ম, লোকবিশ্বাস আদিৰ প্রচলন আছিল। জনগোষ্ঠী সমূহৰ দৈনন্দিন জীৱনত প্রচলিত এই উপাদান সমূহৰ মাজত ভিন্নতা থাকিলেও কিন্তু উমৈহতীয়া বৈশিষ্ট্যও নথকা নহয়, ভিন্ন ৰূপৰ সংস্কৃতিয়ে উত্তৰ-পূর্বাঞ্চলৰ জনগোষ্ঠীয় জীৱন বৈচিত্র্যময় কৰি তোলাৰ লগতে ক'ব নোৱাৰাকৈয়ে একেডাল ডোলেৰে বান্ধি ৰাখিছে। যিয়ে এক সামাজিক সমন্বয়ৰ কাম কৰিছে আৰু কৰাৰ বহুত সুবিধা আছে।

**৪. সাংস্কৃতিক সমন্বয় ঃ**

উত্তৰ-পূর্বাঞ্চলত অসংখ্য জনগোষ্ঠীৰ বসবাস আৰু সকলো জনগোষ্ঠীৰ সুকীয়া সুকীয়া বৈশিষ্ট্য থাকিলেও প্রায় সকলো ক্ষেত্রতে কিছু উমৈহতীয়া বৈশিষ্ট্য দেখিবলৈ পোৱা যায়, আৰু এটা কথা সত্য যে প্রকৃতি সমন্বয়ৰ মাধ্যম, সংস্কৃতিৰ কোনো নির্দিষ্ট ভাষা নাই, কাল নাই, পৰিধি নাই। সাংস্কৃতিক আৰু সামাজিক সমন্বয় সাধনৰ বাবে সংস্কৃতি এটা উপযুক্ত মাধ্যম। উত্তৰ-পূর্বাঞ্চলত বসবাস কৰি থকা প্রত্যেক জনগোষ্ঠীৰে নিজা নিজা সমাজ ব্যৱস্থা আছে যদিও উমৈহতীয়া বৈশিষ্ট্য সমূহে একেটি ডোলেৰে বান্ধি ৰাখিছে। বর্ত্তমান বিশ্বায়নৰ যুগত বিশেষকৈ উন্নয়নশীল দেশবোৰৰ সমাজ ব্যৱস্থাত যথেষ্ট বিশৃঙ্খলতাৰ সৃষ্টি হৈছে। বিশেষকৈ সমাজৰ নৱ প্রজন্মৰ মাজত পৰম্পৰাৰ প্রতি শ্রদ্ধা, সমাজৰ প্রতি দায়বদ্ধতা আদি কমি যোৱা অনুভৱ হৈছে। এনে অৱস্থাত সৰু সৰু জাতিসত্ত্বাবোৰৰ অস্তিত্বৰ প্রতিও ভাবুকি আহি পৰিছে। মানুহৰ মাজত বিচ্ছিন্নতাবোধ, হিংসা, সন্ত্রাস, আদিয়ে এনে ধৰণৰ ব্যৱধান আনি দিছে যে, গোটেই সমাজখনেই এক বিশৃঙ্খল ৰূপ লৈছে। বৃটিছ শাসনকাল আৰু স্বৰাজোত্তৰ কালৰ অসমৰ যিখন মানচিত্র আছিল সেইখন পিছলৈ ভাঙি-ছিঙি টুকুৰা টুকুৰ হ'ল। সমাজ বিৰুদ্ধ কামবোৰ কৰিবলৈ কোনেও সংকোচ

নকৰা হ'ল। এনে এক পৰিপ্ৰেক্ষিতত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক সমন্বয় আৰু সুচাৰু, সুস্থ নৱপ্ৰজন্ম গঢ়ি তুলিবলৈ সাংস্কৃতিক উপাদানসমূহ ব্যৱহাৰ কৰাৰ প্ৰাসংগিকতা আহি পৰিছে।

জনগোষ্ঠীয় সমাজবোৰৰ যি বিচাৰ পদ্ধতি সেই বিচাৰ পদ্ধতিয়ে একোখন সমাজক সুস্থিৰ কৰি ৰখাত যথেষ্ট অৰিহণা যোগায়, গাঁও সভাবোৰে সমাজৰ যিকোনো সমাজ বিৰুদ্ধ কাম যেনে একে কুলত বিবাহ হোৱা, একে কুলৰ ভাই-ভনীৰ লগত অবৈধ সম্পৰ্ক ঘটিলে, চুৰি কৰি ধৰা পৰিলে, বয়োজ্যেষ্ঠ লোকক অপমান কৰিলে, কাজিয়া-পেছাল লগা আদি দায়-দোষত বিচাৰ কৰি দোষীক দণ্ড বিহে। আধুনিক শিক্ষাৰ প্ৰসাৰৰ ফলত আজিকালি মানুহে আইন-আদালতৰ সহায় বেছি লৈছে যদিও আইন-আদালতে সমাজত ন্যায় প্ৰতিষ্ঠা কৰিব পৰা নাই - যি ন্যায় লোক সমাজত এনে গাঁও সভাবোৰে কৰিব পাৰিছিল। এতিয়াও যদি সমাজ একোখনত এনে ধৰণৰ বিচাৰ ব্যৱস্থা প্ৰচলন কৰা হয় নিশ্চিতভাৱে সামাজিক অপৰাধৰ সংখ্যা বহু হ্ৰাস পাব আৰু সংহতিৰ বান্ধোনো দৃঢ় হ'ব।

উত্তৰ-পূৰ্বাঞ্চলৰ লোক সমাজত প্ৰাকৃতিকভাৱে উৎপাদিত সামগ্ৰীৰ ব্যৱহাৰ বেছি। তেওঁলোকে গছ-গছনি, বাঁহ-বেতেৰে বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰি লয়। ঘৰ-দুৱাৰ সজা, দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন সা-সজুঁলি নিৰ্মাণ কৰোতে প্ৰাকৃতিক ভাৱে উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰাটো পৰিৱেশৰ বাবেও বন্ধুত্ব সুলভ। বাঁহ অসমীয়া সংস্কৃতিৰ এক প্ৰতীকো। এই বাঁহ-বেতৰ দৰে প্ৰাকৃতিক সম্পদ সমূহৰ বহুল ব্যৱহাৰে অসমীয়া সমাজৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সমাজখনক এক সূত্ৰত বান্ধি সমন্বয় সাধন কৰাৰ লগতে অৰ্থনৈতিক ভাৱেও সবল কৰি তোলাত সহায় কৰিব পাৰে। বৰ্তমান এডাল বাঁহৰ পৰা এক লাখ টকালৈকে উপাৰ্জন কৰিব পৰাৰ সুযোগ ওলাইছে। "বেম্ব' কুইন" (Bamboo Queen) আখ্যা পোৱা নীৰা শৰ্মাই দেখুৱাইছে কেনেকৈ এডাল বাঁহৰ পৰাই বিভিন্ন কাৰুকাৰ্য্য খচিত অলঙ্কাৰ, সুন্দৰ সজোৱা সামগ্ৰী আদি নিৰ্মাণ কৰিব পাৰি। এনেদৰে বাঁহৰ পৰা নিৰ্মিত সামগ্ৰীয়ে ইতিমধ্যে সমগ্ৰ পৃথিৱীতে এখন বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠী যদি একগোট হৈ প্ৰত্যেকৰে নিজস্ব বৈশিষ্ট্য সমূহৰ বিনিময় কৰি নতুন নতুন ৰূপত ন-ন সামগ্ৰী প্ৰস্তুত কৰি উলিয়াব পাৰে, তেন্তে নিশ্চয়কৈ এখন সমন্বয়ৰ মঞ্চ তৈয়াৰ হোৱাৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল অৰ্থনৈতিক ভাৱেও স্বচ্ছল হ'ব আৰু বিশ্বৰ দৰবাৰতো পৰিচিত হ'ব।

একে ধৰণৰ সমন্বয় সম্ভৱ পোছাক আৰু অলঙ্কাৰৰ ক্ষেত্ৰতো। উত্তৰ-পূৰ্বাঞ্চলৰ



ভিতৰত অষ্ট্ৰিক ভাষীসকলেই প্ৰাচীনতম।[৭] প্ৰাচীন অসমৰ খাচীসকলক ভাষিকভাৱে অষ্ট্ৰিক বা নিষাদ বুলি কোৱা হয়।[৮] পৃথিৱীৰ এই ভূ-খণ্ডত এই অষ্ট্ৰিক বা নিষাদসকলে আদিবাসী হিচাপে কেইবাহাজাৰ বছৰ আগৰে পৰাই বসবাস কৰি আছিল।[৯] তেওঁলোকে পৰ্বত আৰু অৰণ্যৰ উপৰি নৈৰ কাষৰীয়া অঞ্চলত বাস কৰিছিল।[১০] গ্ৰাম্য কৃষিৰ ক্ষেত্ৰত অষ্ট্ৰিকসকলৰ যথেষ্ট অৱদান আছে। তেওঁলোকেই পাহাৰ আৰু অৰণ্যত ঝুম খেতিৰ প্ৰচলন কৰিছিল। কল, তামোল, বেঙেনা, জহা (ধান), নাৰিকল, হালধি, আদি শব্দবোৰ অষ্ট্ৰিক শব্দৰ অৱদান বুলি ধৰা হয়।[৯] মূৰৰ গঠন আৰু তেজৰ হিম'গ্লবিনৰ ওপৰত অধ্যয়ন কৰি বিশিষ্ট নৃতত্ত্ববিদে উত্তৰ বংগ, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু নেপালত এসময়ত অষ্ট্ৰিকসকল বিয়পি পৰিছিল বুলি ঠাৱৰ কৰিছে।[১০] অসমীয়া সংস্কৃতিলৈ আটাইতকৈ তাৎপৰ্যপূৰ্ণ অষ্ট্ৰিক অৱদান হ'ল মাতৃতান্ত্ৰিকতাৰ পৰা উদ্ভৱ হোৱা উৰ্বৰতা কৃষ্টি-মাতৃদেৱীৰ প্ৰতীক প্ৰজনন অংগৰ পূজা। অষ্ট্ৰিকসকলৰ এই পূজাই পিছলৈ বহুব্যাপি কামাখ্যা দেৱীৰ পূজালৈ পৰিণত হ'ল। অসমীয়া ভাষাত থকা নৈ, পৰ্বতবাচক শব্দৰ ক্ষেত্ৰত অষ্ট্ৰিক ভাষাৰ প্ৰাচুৰ্য বুজিব পাৰি।[১১] খাচী সকলৰ উপৰিও অৰুণাচলৰ ৱাংচু, অসমৰ কাৰ্বি, ৰাভা আৰু গাৰোৰ লগত অষ্ট্ৰিক সকলৰ নিবিড় সংমিশ্ৰণ আছে বুলি অনুমান কৰা হয়।

**২ঃ মংগোলীয়- কিৰাত বা তিব্বত বৰ্মীসকল**

গ্ৰীয়েৰছন আৰু সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ বিশ্লেষণৰ[১২] পৰা পোৱা তথ্যমতে চীন, তিব্বতী, শ্যাম (আহোম তাই) তথা বৰ্মীয় ভাষা আৰু উপভাষা কোৱা সকলো জনগোষ্ঠী মংগোলীয় সকলৰ ভিতৰত পৰে আৰু এই সকলোকে একেলগে "কিৰাত" বুলি কোৱা হয়।

বিভিন্ন বেদ, মহাকাব্য তথা পুৰাণ সমূহত কিৰাত সকলক প্ৰাচীন অসমৰ অধিবাসী বুলি কোৱা হৈছে।[১৩] অথৰ্ববেদৰ দশম মণ্ডলৰ এটা শ্লোকে কিৰাত সকলক পাৰ্বত্য অঞ্চলত থকা আৰু তেওঁলোকৰ ঔষধি গছৰ বিষয়ে জ্ঞান থকাৰ ইংগিত দিয়ে।[১৪] মহাভাৰতত প্ৰাগ্জ্যোতিষৰ ৰজা ভগদত্তৰ সৈন্য বাহিনীত "কিৰাত" আৰু "চীনা" সৈন্য থকাৰ উল্লেখ আছে।[১৫] "কিৰাতত জনকৃতি"ত উল্লেখিত কিৰাত সকলৰ মূল তালিকাত অসমৰ ক্ৰমে আঁকা, আবৰ, মিচিং, ডফলা, বড়োসকলৰ বিভিন্ন ভাগ যেনেঃ কছাৰী, মেচ, গাৰো, ৰাভা, তিৱা ইত্যাদি; নগা, কুকিচীন, খামটি, তাই-আহোম আদি সকলোকে সামৰি লৈছে।[১৪] প্ৰাচীন অসমৰ ৰাজতন্ত্ৰৰ উত্থানত এই কিৰাত সকলৰেই অৱদান আছিল। তেওঁলোক আদিত পাটবস্ত্ৰ ব্যৱসায়ৰ লগত জড়িত আছিল বোলা হৈছে।[১৫] এই কিৰাত সকলকে ক্ৰমে দানৱ, অসুৰ বা দাস বুলি চিনাক্ত কৰা

কেতিয়াবা একেলগে আৰু কেতিয়াবা স্বাধীনভাৱে “কামৰূপ” নামটো ব্যৱহাৰ হোৱা দেখা যায়। ত্ৰয়োদশ শতিকাত কামৰূপৰ পূৱফালে আহোম সকলৰ ৰাজত্বৰ সময়ৰ পৰা লাহে লাহে “অ-সম” নামটো প্ৰচলিত হৈছিল যদিও কামৰূপৰ পশ্চিম অঞ্চলত কমতা ৰাজ্য সৃষ্টি হোৱাৰ পিছত আকৌ এই ৰাজ্যখনক “কামৰূপ-কমতা” হিচাপেও জনা গৈছিল।

খৃঃ ৯ম/১০ম শতিকাত ৰচিত তন্ত্ৰশাস্ত্ৰ কালিকাপুৰাণৰ[৫] ৩৮ সংখ্যক অধ্যায়ত থকা মতে কামৰূপৰ পূবে কিৰাত আৰু পশ্চিমে যৱনসকলৰ ৰাজ্য, অৰ্থ্যাৎ পূবে মংগোলীয় আৰু পশ্চিমে মুছলমান সকলৰ ৰাজ্য আছিল। খৃঃ ১২শ শতিকালৈকে উত্তৰ-পূব আৰু উত্তৰ পাৰ্বত্য অঞ্চলৰ সকলো জনগোষ্ঠীয়েই কামৰূপ ৰাজ্যৰ অধীন আছিল। বিভিন্ন ঐতিহাসিক আৰু সাহিত্যিক সমলত উল্লেখ থকা মতে মহাবাহু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহে সাৱৰা কৰা এই বিশাল ভূ-খণ্ড আৰু পৰ্বতৰ অটব্য বননি বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমিত পৰিণত হৈছিল। প্ৰাচীন অসমৰ নেতৃত্বশীল জনগোষ্ঠী আৰু সংস্কৃতিৰ গঢ় দিওঁতাসকল ইতিহাসে ঢুকি নোপোৱা যুগৰে পৰা এই প্ৰাচীন ভূ-খণ্ডৰ বাসিন্দা আছিল। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা এই ভূ-খণ্ডলৈ কালৰ বিভিন্ন সোঁতত বিভিন্ন জনগোষ্ঠীৰ প্ৰব্ৰজনো ঘটিছিল আৰু এই প্ৰব্ৰজনে প্ৰাচীন অসমৰ আদিম সমাজ আৰু সংস্কৃতিৰ প্ৰবাহত যথেষ্ট বৰঙণি যোগাইছিল।

প্ৰাচীন অসমৰ নৃগোষ্ঠীয় সমষ্টিক সাধাৰণতে জনগোষ্ঠী বোলা হয়। জনগোষ্ঠীৰ নৃতাত্ত্বিক বিশ্লেষণৰ বাবে আৱশ্যক হোৱা বিজ্ঞানসন্মত পদ্ধতিৰে সংগৃহীত আবয়বিক আৰু আনুবংশিক তথ্যৰ সম্পূৰ্ণ অধ্যয়ন অসমত হোৱা নাই। জনগোষ্ঠী সমূহৰ সাংস্কৃতিক আৰু সামাজিক অৱস্থাৰ বিৱৰণেও নৃগোষ্ঠীয় বিশ্লেষণত সহায় কৰে। এই সমল সমূহ প্ৰাক্ঐতিহাসিক আৰু ঐতিহাসিক পৰিপ্ৰেক্ষিতত বিশ্লেষণ কৰাটো যুক্তিসংগত।

অসমৰ জনগোষ্ঠী সমূহৰ বিষয়ে বিভিন্ন প্ৰসিদ্ধ নৃতাত্ত্বিকে[৬] নানা ব্যাখ্যা আগবঢ়াইছে। তেওঁলোকৰ ভিতৰত ৰিজলে, হেডেন, গুহ আৰু হাট্টনৰ নাম উল্লেখযোগ্য।

অসমীয়া সংস্কৃতিৰ স্ব-ৰূপ গঢ় দিয়া মূল গোষ্ঠীগত উপাদান সমূহ থুলমূলকৈ তলত উল্লেখ কৰা হ’ল —

**১ঃ অষ্ট্ৰিক বা নিষাদ সকল**

প্ৰাচীন অসমলৈ দলে দলে নানা ফৈদৰ জনজাতি আহিছিল আৰু তেওঁলোকৰ



লোকসকলে উদ্ভিদজাত জীৱনৰ পৰা বিভিন্ন দ্ৰব্যৰ পৰম্পৰাগতভাৱে নানান আ-অলঙ্কাৰ আৰু সাজ-পাৰ তৈয়াৰ কৰি লয়। প্ৰাচীন কালৰে পৰা এই অঞ্চলত হাতে বোৱা কাপোৰৰ জনপ্ৰিয়তা আৰু প্ৰচলন আছে। নিজ হাতে সূতা কাটি প্ৰস্তুত কৰা বস্ত্ৰসম্ভাৰ সুন্দৰ আৰু অতি ৰংচঙীয়া। প্ৰতিটো জনগোষ্ঠীৰ সাজ-পাৰৰ নিজস্ব বৈশিষ্ট্য আছে। চানেকিও বিভিন্ন ধৰণৰ। বৰ্ত্তমান ‘ফেশ্বন’ জগতত জনগোষ্ঠীয় সাজপাৰে যথেষ্ট সমাদৰ লাভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ সাজপাৰৰ আৰ্হিৰ যদি সংমিশ্ৰণ ঘটাব পাৰি তেন্তে ই সমন্বয় সাধনৰ লগতে ‘ফেশ্বন’ জগতত যে তোলপাৰ লগাব পাৰিব, সি ধ্ৰুৰূপ। বড়ো দখনাৰ আৰ্হিৰে যদি পাট-মুগাৰ মেখেলা চাদৰ তৈয়াৰ কৰা হয়, ‘আৰণাই’খন যদি ৰিহাৰ দৰে ব্যৱহাৰ কৰিব পৰাকৈ প্ৰস্তুত কৰা হয়, ‘গালেং’খন যদি মেখেলাৰ দৰে পিন্ধিব পাৰি, অথবা কাৰ্বি পিনি, পেকক আদিত যদি মিচিং ‘ৰিবি গাচেং’ৰ ফুলৰ আৰ্হি দিয়া হয় নিশ্চয় জাকত জিলিকা বস্ত্ৰসম্ভাৰ প্ৰস্তুত কৰিব পৰা যাব আৰু নিশ্চিতভাৱে সি মাতৃভূমিৰ সমন্বয়ৰ বাৰ্তাও বহন কৰিব। একেকথা অলংকাৰৰ ক্ষেত্ৰতো প্ৰযোজ্য। কেঁচা সোণৰ পৰম্পৰাগত আৰ্হিৰ বিপৰীতে তাত যদি জনগোষ্ঠীয় আৰ্হি ব্যৱহাৰ কৰা হয়, এই নতুন আৰ্হিৰ অলঙ্কাৰে নিশ্চয় অধিক সমাদৰ লাভ কৰিব।

খাদ্যসম্ভাৰৰ সমন্বয় সাধনেৰেও উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠী সমূহ একতাৰ ডোলেৰে বান্ধ খাব পাৰে। চাউল বা ফলৰ ৰসৰ পৰা জনগোষ্ঠীসমূহে বহু পানীয় তৈয়াৰ কৰে। মিচিঙৰ ‘আপং’, দেউৰীৰ ‘চুজে’, টাই-আহোমসকলৰ ‘সাজপানী’, হাজং সকলৰ ‘কাচা’, টাংবা আৰু নক্টে সকলৰ ‘জু’, আদি পানীয়ৰ সংমিশ্ৰণ আৰু বিজ্ঞানসন্মত প্ৰস্তুত প্ৰণালীয়ে বিশ্ব দৰবাৰত ‘চেম্পেইন’ৰ দৰে উৎকৃষ্ট পানীয়ৰ স্থান অধিকাৰ কৰিব পাৰিব। বৰ্তমান জনজাতীয় খাদ্য সম্ভাৰে বিপুল জনপ্ৰিয়তা লাভ কৰা দেখা যায়। গুৱাহাটী মহানগৰ বাদেই, সৰু সৰু চহৰবিলাকতো মিচিং কিট্চেন, নাগামিজ, নাগা কিটচেন, বাঁজে আহি হোটেল-ৰেষ্টুৰেণ্টৰ পয়োভৰলৈ চাই ইতিমধ্যেই খাদ্যৰ ক্ষেত্ৰত হোৱা সমন্বয় যে জনপ্ৰিয় হৈ পৰিছে সেইটো অনুমান কৰিব পাৰি।

উৎসৱ-অনুষ্ঠানকো সাংস্কৃতিক সমন্বয়ৰ বাহক কৰি ল’ব পাৰি। বিশেষকৈ অসমৰ বহাগ বিহুৰ সময়ত যদি সকলো জনগোষ্ঠীৰ সাংস্কৃতিক সমলসমূহ প্ৰদৰ্শন কৰা হয়, তেন্তে ব’হাগ বিহু প্ৰকৃত অৰ্থত জাতীয় উৎসৱলৈ পৰিণত হ’ব। সেইদৰে জোনবিল মেলা, হৰ্ণবিল মেলা, নংক্ৰেম আদি উৎসৱত যদি সকলোৱে সমানে অংশগ্ৰহণ কৰে তেন্তে সাংস্কৃতিক সমন্বয়ৰ জৰীডাল অধিক নিকপ্কপীয়া হ’ব

আৰু বিশ্বৰ দৰবাৰত উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি উজ্বলি উঠিব। অসমীয়া গীতত ইতিমধ্যে বিভিন্ন জনজাতীয় সুৰ বা বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হৈছে আৰু সি সমাদৰো লাভ কৰিছে। সেইদৰে বিভিন্ন জনপ্ৰিয় অসমীয়া গীত জনগোষ্ঠীয় ভাষাত পৰিৱেশন কৰা কাৰ্য্যই ও সাংস্কৃতিক সমন্বয়ৰ বাৰ্তা বহন কৰে।

**৫. সাংস্কৃতিক সমন্বয় ঃ** সংস্কৃতি জাতিৰ জীৱন। সংস্কৃতিৰ গতি বোঁৱতী সুঁতিৰ দৰে। সংস্কৃতিয়ে ভাঙিবও পাৰে, গঢ়িবও পাৰে। ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল সংস্কৃতিৰ এক খনি স্বৰূপ। বিভিন্ন কাৰণত বেলেগ বেলেগ গোটত বিভক্ত হৈ পৰিলেও উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ সুৰ একেটাই। সেয়ে ড° ভূপেন হাজৰিকাই গাইছে -

"কৃষ্ণ গৰখীয়াই বায় বাঁহী
খাচী গৰখীয়াই বায় শ্ব'ৰাতি
দুয়োটি বাঁহী বাঁহৰে বাঁহী ........।।"



# প্ৰাচীন অসমৰ নৃগোষ্ঠীগত অধ্যয়ন এটি ঐতিহাসিক বিশ্লেষণ

● লক্ষীমা হাজৰিকা

**পাতনি ঃ**

প্ৰাচীন কালৰে পৰাই ভৌগোলিকভাৱে দুৰ্গম ৰাজ্য হিচাপে ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ এক সুকীয়া পৰিচয় আছিল। মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ঢুকি নোপোৱা দিনৰ পৰাই সংস্কৃতিৰ ধাৰা প্ৰবাহিত হৈ আহিছে। অতি প্ৰাচীন কালতেই ব্ৰহ্মপুত্ৰৰ পাৰত সভ্যতাই গঢ় লৈ উঠাৰ উমান পোৱা যায়। খৃঃ ১ম/২য় শতিকাৰ অজ্ঞাত নামা গ্ৰীক লিখকৰ বিৱৰণী[১], টোলেমিৰ "ভৌগোলিক বৰ্ণনা" আৰু মহাভাৰতৰ[২] মতে বিশাল প্ৰাগ্‌জ্যোতিষ ৰাজ্যই[৩] দক্ষিণে-পশ্চিম সাগৰলৈ; উত্তৰে নেপাল, ভূটান আৰু চীনৰ বিশেষলৈ বিস্তৃতি লাভ কৰি ভাৰতৰ মানচিত্ৰত এক বিশিষ্ট আসন লাভ কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন গ্ৰীক পৰিব্ৰাজকৰ টোকা সমূহত উল্লেখ কৰা প্ৰাচ্য ৰাজ্যই আছিল প্ৰাগ্‌জ্যোতিষপুৰ ৰাজ্য বা ইয়াৰ অংশ বিশেষ।

বৰ্ত্তমানৰ অসম ৰাজ্যৰ প্ৰাচীন কালত ভৌগোলিক অৱস্থিতিয়ে হিমালয়ৰ পাদদেশৰ একাংশক লৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল আৰু অবিভক্ত বংগৰ একাংশ অঞ্চলক সামৰি লৈছিল। প্ৰাচীন সাহিত্য, ফলি, লিপি, পুৰাণ, মহাকাব্যত অসমৰ প্ৰাচীন নামটো প্ৰাগ্‌জ্যোতিষপুৰ বুলি পোৱা গৈছে। ৰামায়ণৰ কিস্কিন্ধ্যা কাণ্ডত এই ৰাজ্যৰ নাম প্ৰাগ্‌জ্যোতিষপুৰ আৰু ইয়াৰ অৱস্থিতি সাগৰৰ তীৰৰ বৰাহ পৰ্বতৰ ওপৰত বুলি কোৱা হৈছে। উক্ত বৰাহ পৰ্বত আছিল অসমৰ পাৰ্বত্য অঞ্চল, য'ত প্ৰাগ্‌জ্যোতিষপুৰৰ অসুৰ বংশীয় ৰজা ভৌম-নৰকে প্ৰাচীন ৰাজতন্ত্ৰ প্ৰতিষ্ঠা কৰিছিল। ৰামায়ণত উল্লিখিত সাগৰ হৈছে গংগা আৰু ব্ৰহ্মপুত্ৰৰ সংগমত সৃষ্টি হোৱা লৌহিত্য, যাৰ তলত তেতিয়া বৰ্ত্তমান বাংলাদেশৰ দক্ষিণ ময়মনসিং, পশ্চিম শ্ৰীহট্ট, কুমিল্লা আৰু নোৱাখালি জিলা অন্তৰ্ভুক্ত হৈ আছিল। খৃঃ চতুৰ্থ শতিকা মানৰ পৰা প্ৰাগ্‌জ্যোতিষপুৰ নামৰ লগত

● সহকাৰী অধ্যাপক, ইতিহাস বিভাগ, বিলাসীপাৰা মহাবিদ্যালয়

# উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃগোষ্ঠীগত অৱদান

● ভূপা পাটগিৰি

## ১.০০ অৱতৰণিকা

সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোৱতী সুঁতি। নৈৰ গতিয়েই সংস্কৃতিৰ গতি। নৈয়ে যেনেকৈ নিৰৱচ্ছিন্ন গতিৰে চিৰদিন বৈ থাকে, সংস্কৃতিও তেনেকৈ ধাৰাবাহিক গতিৰে চলি থাকে। নৈয়ে গৰা খহায়, বলুকা পাতে। সেইদৰে সময়ৰ সোঁতত লাগি সংস্কৃতিৰ সম্পদ এৰা পৰে ; নতুনৰ যোগ হয়। কেতিয়াবা কিবা কাৰণত নতুন আৰু পুৰণি সংস্কৃতিৰ দোমোজাত পৰে। তেতিয়া যদি নতুন সোঁত কোবাল হয়, পুৰণি সোঁতো তৰাং পৰিবলৈ আৰম্ভ কৰে। কিন্তু সংস্কৃতিৰ গতি বৈ থাকে নিৰৱচ্ছিন্ন ভাৱে।

সংস্কৃতিৰ এটা বৈশিষ্ট্যই হৈছে ই সমন্বয়ৰ প্ৰৱণতা প্ৰকাশ কৰে। জগতত যিদৰে অবিমিশ্ৰ সমাজ পাবলৈ নাই তদ্ৰূপ অবিমিশ্ৰ সংস্কৃতিও নাই। দুটা স্ৰোত ধাৰাই নিজ নিজ গতিৰে প্ৰধাৱিত হৈ এঠাইত সংমিশ্ৰিত হৈ অনন্ত মহাসাগৰৰ বিশাল জলৰাশিৰ মাজত বিলীন হৈ যায়, তদ্ৰূপ বিভিন্ন সাংস্কৃতিক গুণ বা লক্ষণ সম্পন্ন সংস্কৃতিৰ মাজত সান্নিধ্যবশতঃ সংহতি বা মিলন সম্ভৱ হ'ব পাৰে। এই প্ৰক্ৰিয়াৰ নামেই সাংস্কৃতিক সমন্বয়। তেনেদৰে যি প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন নৃগোষ্ঠীৰ সাংস্কৃতিক সমলৰ সংযোগত পৰিপূৰ্ণ সংস্কৃতি গঢ়ি উঠে তাক সমাহৰণ প্ৰক্ৰিয়া বুলিব পাৰি।

প্ৰাগ্‌জ্যোতিষ-কামৰূপ-অসম ৰূপে চিৰপৰিচিত ভূখণ্ডই বৰ্তমানৰ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাতখন ৰাজ্যৰ অন্যতম ৰাজ্য এখনক বুজায়।সৌ তাহানিৰে অসম ৰাজ্যৰ ভৌগোলিক পৰিসৰে বৰ্তমানৰ অৰুণাচল, মেঘালয়, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু মিজোৰাম এই ছয়োখন ৰাজ্যকেই সামৰিছিল। অতীতৰ অসম ৰাজ্য সংকুচিত হৈ বৰ্তমান ইয়াৰ আয়তন মাত্ৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাতেই সীমিত থাকিবলগীয়া

● গৱেষিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়



লাগি এই অঞ্চলৰ সংস্কৃতি আৰু সভ্যতালৈ প্ৰভূত বৰঙণি আগবঢ়াইছে। তেওঁলোকৰ মতে অসমীয়া হিন্দু সমাজত প্ৰচলিত মৃতকৰ সৎকাৰৰ লগত জড়িত ৰীতি-নীতিবোৰ আৰু নাৰীৰ ৰজঃস্বলাৰ সময়ত অপৰিছন্নতা আদি ধাৰণা সমূহত আলপাইন সকলৰ অৱদান আছে।[২১]

### ৪ ঃ আৰ্য

ঐতৰেয় ব্ৰাহ্মণ, শতপথ ব্ৰাহ্মণ, ৰামায়ণ, মহাভাৰত, বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ আদিৰ পৰা পূব ভাৰতলৈ আৰ্যসকলৰ প্ৰব্ৰজন সম্পৰ্কে জানিব পাৰি।[২২] নৰকৰ দিনৰ পৰাই প্ৰাগ্‌জ্যোতিষ তথা বৰ্তমান কামৰূপত কোনো এটা আৰ্য বা আৰ্যীকৃত ভূমিজ গোটৰ উপনিৱেশ পৰ্বৰ সূচনা হৈছিল। বিষ্ণুৰ দ্বাৰা নৰকক প্ৰাগ্‌জ্যোতিষত প্ৰতিষ্ঠা কৰাৰ পৰা নৃগোষ্ঠীগত উৎস যিয়েই নহওঁক, নৰক যে আৰ্যধৰ্ম গ্ৰহণকাৰী বিষ্ণুৰ সেৱক আছিল সেইটো প্ৰমাণিত হয়।[২৩] কালিকা পুৰাণত নৰক আৰু ভগদত্তই প্ৰাগ্‌জ্যোতিষত আৰ্যলোকৰ বসবাসৰ ব্যৱস্থা কৰিছিল বুলি উল্লেখ পোৱা যায়। খৃঃ ষষ্ঠ শতিকামানৰ পৰা জাৰি কৰা কামৰূপৰ শৈলশাসন সমূহে[২৪] প্ৰাচীন কামৰূপৰ ৰজাসকলে "অগ্ৰহাৰ" প্ৰদানৰ জৰিয়তে ব্ৰাহ্মণ আৰু উচ্চবৰ্ণৰ লোকসকলক উত্তৰ-পূব ভাৰতত থাপিত কৰিছিল বুলি প্ৰমাণ দিয়ে। বৈদিক সংস্কৃতি, বৰ্ণাশ্ৰম ধৰ্মৰ শ্ৰেণী বিভাজন ইত্যাদি আৰ্য সংস্কৃতিৰ অৱদান। খৃঃ চতুৰ্থ শতিকাৰ পৰাই আৰ্যীকৃত সংস্কৃতিয়ে অসমীয়া সমাজত জনজাতীয় সংস্কৃতিৰ সলনি ঠাই ল'ব ধৰিলে। আৰ্য সকলৰ ইণ্ডো-ইৰাণীয় গোটৰ ভাষাৰ মূল ৰূপ দুটা ঃ (১) প্ৰাচীন ছন্দম, বা বৈদিক সাহিত্যৰ ভাষা আৰু (২) সংস্কৃত মূলীয় মানুহৰ কথিত সৰল ভাষা।[২৬] ইণ্ডো আৰ্যসকল এক স্বতন্ত্ৰ প্ৰজাতি গোট। তেওঁলোক ওখ, চৰ্ম বৰ্ণ আৰু নেত্ৰবৰ্ণ পাতল। তেওঁলোক দীৰ্ঘমস্তকী। দৈহিক গঠন দৃঢ় আৰু সবল। ড০ ভুবন মোহন দাসৰ মতে অসমৰ জাতিগোটৰ মানুহৰ মাজত ইৰানো-চীথীয় উপাদানৰ প্ৰাবল্য বেছি যেন অনুমান হয়।[২৫] বেদৰ উৎপত্তিয়েই আছিল আৰ্য সংস্কৃতিৰ মূল। প্ৰকৃতিৰ উপাদান পূজাক কেন্দ্ৰ কৰি বৈদিক নিয়ম ৰচনা হৈছিল আৰু পিছলৈ প্ৰকৃতিৰ এই উপাদানবোৰক দেৱ-দেৱীৰূপে ব্যক্তিকৰণ কৰি পূজা কৰাৰ প্ৰথা আৰম্ভ কৰিছিল। কামৰূপত আৰ্যধৰ্মই প্ৰাধান্য লাভ কৰাৰ ফলত অনাৰ্য দেৱ-দেৱীবোৰে আৰ্য নাম ধাৰণ কৰি ব্ৰাহ্মণ্য বা আৰ্য ধৰ্মৰ দেৱ-দেৱীৰূপে পৰিচিত হৈছিল।

### ৫ ঃ দ্ৰাবিড়

দ্ৰাবিড় বা ভূমধ্য সাগৰীয়-চুমেৰীয় লোকসকল কামৰূপলৈ অহাৰ সঠিক সময় নিৰূপণ হোৱা নাই। শোণিতপুৰ বা তেজপুৰত থকা বাণাসুৰ প্ৰমুখ্যে অসুৰকেন্দ্ৰিক

সভ্যতাৰ অন্তৰালত দ্ৰাবিড় সকলৰ হাত থাকিব পাৰে বুলি ঠাৰৰ কৰা হৈছে। "তেজ" আৰু "পুৰ" দুয়োটাই দ্ৰাবিড় শব্দ।[২৫] দ্ৰাবিড়সকলৰ অসমীয়া সংস্কৃতিলৈ থকা অৱদানসমূহ ধৰ্ম, ভাষা তথা সংস্কৃতিত ব্যাপ্ত। "পূজা" শব্দটো দ্ৰাবিড় ভাষাৰ পৰা অহা বুলি পণ্ডিতসকলে কয়।[২৬]

দ্ৰাবিড় = মানে ফুল

চেয় = চেয় মানে কৰা বা কাম। অৰ্থাৎ

পূচেয় = পূজেয় মানে পুষ্প কৰ্ম। দ্ৰাবিড় সকলেই তেজপুৰ, গহপুৰ, পানপুৰ আদি স্থানক কেন্দ্ৰ কৰি শিৱ-পূজাৰ সংস্কৃতি গঢ়ি তুলিছিল।[২৭]

নৃগোষ্ঠীকভাৱে চুমেৰীয় সকল আৰু "এচিৰিয়সকল" অসুৰ সংস্কৃতিৰ আছিল। আনহাতে 'শিৱম' শব্দটো দ্ৰাবিড় হোৱা বাবে স্বাভাৱিকতে প্ৰাচীন কালত শিৱ পূজক নৃগোষ্ঠী বা দ্ৰাবিড়সকল কামৰূপত প্ৰৱেশ কৰিছিল আৰু পিছত মংগোলীয় সকলৰ লগত মিলি গৈছিল।

বহু পণ্ডিতে কামৰূপী অসমীয়া কিছুমান শব্দৰ আদি উৎস দ্ৰাবিড় বুলি মন্তব্য কৰিছে যিবোৰ শব্দ বৈদিক সাহিত্যতো বহু পৰিমাণে ব্যৱহৃত। যেনেঃ-অনু, কাল, কুমাৰ, পুষ্কৰ, গণ, ফল, বীজ, ৰাত্ৰি, মহিলা, পণ্ডিত, নীৰ, পণ ইত্যাদি।[২৮] সিন্ধু সভ্যতাৰ স্ৰষ্টা দ্ৰাবিড় সকলক আৰ্যসকলে বিতাড়িত কৰাৰ পিছত দাক্ষিণাত্যলৈ প্ৰব্ৰজন কৰাৰ সময়ত তেওঁলোক উত্তৰ-পূৰ্বাঞ্চললৈকো প্ৰব্ৰজিত হৈছিল আৰু সম্পৰ্কও ওচৰা-ওচৰি। ঋকবেদত অসুৰ শব্দটো মান্যাৰ্থত ব্যৱহাৰ হৈছিল, পিছলৈহে অসুৰ শব্দটো ঘৃণ্য বা গৰ্হিত বুলি "দানৱ", "ৰাক্ষস", "দাস" আদিৰ পৰ্য্যায়লৈ লৈ যোৱা হ'ল।[২৮] এই অসুৰ সকল হিমালয়ৰ উত্তৰেদি ছিক্কিম-ভূটানৰ গিৰিপথ অতিক্ৰম কৰি অৰুণাচল হৈ তেজপুৰলৈ বিস্তৃত হোৱা জনস্ৰোতৰ এটা অংশ হ'ব পাৰে।[২৯]

**৬ ঃ কৃষ্ণবৰ্ণ**

ড০ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে আফ্ৰিকান বংশোদ্ভৱ কেঁকোৰা চুলিৰ চাপৰ মানুহ অসমৰ পাহাৰীয়া অঞ্চলত আৰু নগাসকলৰ মাজত দেখা যায়। হাট্টনেও এইটো স্বীকাৰ কৰি লৈছে।[৩০]

নৃতত্ত্ববিদ সকলে আও, লোথা নগাসকলক অষ্ট্ৰিক সকলৰ লগত নিগ্ৰোসকলৰ সংমিশ্ৰণৰ ফলত হোৱা বুলি স্বীকাৰ কৰিছে। নেগ্ৰিটো সকলে পালন কৰা কঠোৰ উৰ্বৰ প্ৰথা, মৃতকৰ আত্মাৰ পূজা আদি অষ্ট্ৰিক সকলেও পালন কৰিছিল।[৩১]

**৭ ঃ কৈৱৰ্ত**

ঋকবেদৰ সপ্তম মণ্ডলৰ ১৮ সূক্তৰ ষষ্ঠ শ্লোকত আছে যে আৰ্যসকলে




৮। অসমৰ সাংস্কৃতিক ইতিহাস ঃ যতীন্দ্ৰ কুমাৰ বৰগোহাঞি, ১৯৮৯

৯। যোগিনীতন্ত্ৰ ঃ কালিমোহন ভট্টাচাৰ্য্য

১০। কালিকা পুৰাণ ঃ বি. এন শাস্ত্ৰী; বাৰাণসী-১৯৭২

**ইংৰাজী ঃ**

1. A History of Assam ঃ Gait, Ed., 1984
2. Indian Society ঃ S.C. Dube, 1990
3. The Back Ground of Assamese Culture ঃ Raj Mohan Nath, 1959.
4. Early History of Kamrupa ঃ K.L. Baruah, Ghy-1966
5. Sacred Books of the Hindus ঃ B.D. Bask, Vol XIV, 1933.
6. Kamrupa Sananavali ঃ P.N. Bhattacharjya, 1931
7. Eastern India ঃ M. Martin , Vol III- 1838
8. Journal of Assam Research Society, Ghy.
9. Journal of Asiatic Society of Bengal, Calcutta.
10. Indian Historical Quarterly.

১৫। সাংস্কৃতিক ইতিহাস, পৃঃ-৩২
১৬। অসম বুৰঞ্জী, গেইট
১৭। সাংস্কৃতিক ইতিহাস, পৃঃ-১৩
১৮। যোগিনী তন্ত্ৰ, অসম বুৰঞ্জী, গেইট
১৯। জনগোষ্ঠীত প্ৰজাতীয় উপাদান
২০। স্নাতক মহলাৰ অসম ইতিহাস, পৃঃ-৩৪
২১। প্ৰাগুক্ত গ্ৰন্থ
২২। অসমীয়া জাতিৰ ইতিবৃত্ত
২৩। বিষ্ণু পুৰাণ
২৪। অসমৰ ইতিহাস, পৃঃ-২৫
২৫। সাংস্কৃতিক ইতিহাস
২৬। সাংস্কৃতিক ইতিহাস, প্ৰাচীন নৃগোষ্ঠীয় উপাদানসমূহ
২৭। প্ৰাগুক্ত গ্ৰন্থ
২৮। প্ৰাগুক্ত গ্ৰন্থ
২৯। প্ৰাগুক্ত গ্ৰন্থ
৩০। জনগোষ্ঠীয় প্ৰজাতীয় উপাদান
৩১। স্নাতকৰ ইতিহাস, পৃঃ-৩৪
৩২। প্ৰাগুক্ত গ্ৰন্থ
৩৩। সাংস্কৃতিক ইতিহাস
৩৪। প্ৰাগুক্ত গ্ৰন্থ

## প্ৰসংগ পুথি

**অসমীয়া ঃ**

১। অসমৰ ভিন্ন গোষ্ঠীৰ সংস্কৃতি ঃ সদানন্দ বৰ্মন; গুৱাহাটী- ২০০৩
২। স্নাতক মহলাৰ অসমীয়া ইতিহাস ঃ নিৰোদ বৰুৱা আৰু সুৰজিত বৰুৱা; কে.এম. পাব্লিছিং, গুৱাহাটী- ২০০৪
৩। অসমৰ ইতিহাস ঃ ৰমণী বৰ্মন; অশোক বুক ষ্টল, গুৱাহাটী- ২০১২
৪। অসমীয়া জাতিৰ ইতিবৃত্ত ঃ অসম সাহিত্য সভা, বনলতা, ১৯৭৪
৫। বিষ্ণু পুৰাণ ঃ গীতা প্ৰেছ, গোৰখপুৰ
৬। অসমীয়া লিপি ঃ উপেন্দ্ৰ নাথ গোস্বামী, ১৯৮৭
৭। পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি ঃ মহেশ্বৰ নেওগ, ১৯৭১



মৎস সকলৰ লগত যুদ্ধ কৰি পৰাস্ত কৰিলে।[৩২] উক্ত মৎস সকলক শুক্ল যৰ্জুবেদৰ বাজসনেয়ী সংহিতাত ধীৱৰ আৰু কৈৱৰ্ত — এই দুটা ভাগত ভাগ কৰা হৈছে। কৈৱৰ্তসকল প্ৰাচীন অসমৰ আদিম বাসিন্দা সকলৰ অন্যতম। প্ৰাচীন কামৰূপৰ ৰজা হৰ্জৰ বৰ্মণৰ তেজপুৰ পাষাণ লিপিত কৈৱৰ্তসকলৰ বিষয়ে উল্লেখ আছে।[৩২] উক্ত ফলিত কৈৱৰ্তসকলক নদীৰ কৰ সংগ্ৰাহক আৰু মাছমৰীয়া বোলা হৈছে। দ্বাদশ শতিকা পৰ্যন্ত কামৰূপ-কমতাৰ পশ্চিমে উত্তৰ-বংগত কৈবৰ্ত ৰাজ্য আছিল আৰু তাৰ ৰজা ভীমৰ নিধন হৈছিল বংগৰ পাল বংশৰ ৰজা ৰামপালৰ হাতত।[৩৩] এই কৈবৰ্তসকলৰ মাজত ক্ৰমে মৎস, দাস, ধীবৰ, তিয়ৰ, পাৰাৰ, তীৰৰ, নাদেয়, নাৱিক, মাল্লা, কৈবৰ্ত, নদীয়াল, কেওট, মাঝি, মালিক, জালীয়া, পানী কলিতা, পানী কেওট, জাল কেওট, জালৈ, জালোৱা, মাৰ্গাৰ, আৰাৰ, মাহিষ্য, গাগৰ, পেশ্য, নুলীয়া, নদীপুত্ৰ, গংগাপুত্ৰ, নাগ ইত্যাদি মিশ্ৰিত নিম্ন বা শূদ্ৰ বৰ্ণৰ জাতি আছিল। ব্ৰহ্মবৈৱৰ্ত পুৰাণ, পৰশুৰাম সংহিতা আদিৰ মতে কৈবৰ্তসকল ক্ষত্ৰিয় ঔৰষত বৈশ্য স্ত্ৰীৰ গৰ্ভজাত সন্তান, অৰ্থ্যাৎ সম্পূৰ্ণ আৰ্য গণ্ডীৰ ভিতৰত আৱদ্ধ।[৩৪]

**প্ৰাচীন অসমৰ সংস্কৃতি**

প্ৰাচীন অসমৰ সংস্কৃতি আছিল আৰ্যসকলৰ পূৰ্বতে ইয়াত প্ৰাগ্ঐতিহাসিক যুগৰে পৰা বসবাস কৰি থকা অন্যান্য নৃগোষ্ঠী সমূহৰ অৱদান, যাক মূলতে ''অনাৰ্য'' বা ''কৈৰাতিক'' বুলি কোৱা হয়। মংগোলীয় জনগোষ্ঠীৰ প্ৰধান কিৰাত সকলৰ শিৱ উপাসনা আছিল প্ৰাচীন লোকাচাৰ। প্ৰাচীন অসমৰ বিভিন্ন নৃগোষ্ঠী সমূহৰ মাজত বিভিন্ন নামেৰে প্ৰজনন বা উৰ্বৰতাৰ পুৰুষ আৰু নাৰীৰ জননাংগৰ প্ৰতীক, সিজু গছ, নাগ বা সাপৰ পূজাৰ প্ৰচলন হৈছিল। নেগ্ৰিটো সকলৰ উৰ্বৰ প্ৰথা, মৃতকৰ আত্মাৰ পূজা আদি অষ্ট্ৰিক সমাজতো বহুল প্ৰচলন আছিল। প্ৰকৃতি উপাসনা বা নাৰী শক্তিক সৃষ্টিৰ প্ৰতীক হিচাপে কল্পনা কৰি মাতৃ পূজাৰ প্ৰচলন অষ্ট্ৰিক আৰু মংগোলীয় সকলৰ মাজত হৈছিল। এই প্ৰথাই মাতৃতান্ত্ৰিক সমাজৰো সূচনা কৰিছিল। পিছলৈ অনাৰ্যীকৃত নাৰীৰ যোনীমণ্ডলৰ পূজা আদিম বিশ্বাসজনিত উদ্ভিদ বা শস্যৰ অধিষ্ঠাত্ৰী দেৱী শাকম্ভৰীৰ পূজাত পৰিণত হ'ল। পৰৱৰ্তী কালত আৰ্যকৰণ প্ৰক্ৰিয়াত আকৃতি বা যোনী পূজাই শক্তিৰূপী কামাখ্যা আৰু লিংগ পূজাই শিৱৰ পূজাত পৰিণত হৈ শৈৱ আৰু শাক্তপন্থৰ উদ্ভৱ হ'ল। পিছলৈ কামৰূপত পাল বংশৰ ৰাজত্বৰ সময়ত মাতৃতন্ত্ৰ আৰু পিতৃতন্ত্ৰৰ লগতে খাদ্য উৎপাদন, সমৃদ্ধি, বিস্তাৰ, উন্নতি, প্ৰাচীন সমাজৰ জীৱন-সংগ্ৰামৰ অংগ, উৎপাদন কৌশল আদিৰ আলমত গঢ়ি উঠা জনবিশ্বাস আৰু ধৰ্মানুষ্ঠান কিছুমান প্ৰচলিত হ'ল। আৰ্যসকলে বিভিন্ন লোকাচাৰ সমূহ আৰ্যীকৃত পৰি সুকীয়া

সুকীয়া পন্থত পৰিণত কৰিলে। বৰ্ণাশ্ৰম আৰু ব্ৰাহ্মণ্য ৰীতি-নীতিৰ প্ৰচলন আৰম্ভ হ'ল। বিষ্ণুৰ বিভিন্ন অৱতাৰ সমূহৰ পূজা প্ৰচলন হ'ল। সমান্তৰালভাৱে গণেশ, সূৰ্য, নৱগ্ৰহ, কুবেৰ, অগ্নি, ইন্দ্ৰ আদিৰ পূজা, সৰ্পদেৱী মনসাৰ পূজা, শীতলা, আইপূজা, অপেচৰী সবাহো প্ৰচলিত হ'ল।

আৰ্যসকলে কামৰূপলৈ অহাৰ পিচত অনাৰ্যসকলৰ বিভিন্ন ধাৰ্মিক লোকাচাৰ সমূহক স্বীকৃতি প্ৰদান কৰিছিল। এইবোৰৰ ভিতৰত যাদুবিদ্যা, লোকসন্মোহনী, অভিচাৰ ক্ৰিয়া, মদ্য-মাংস, মৈথুন আদি পঞ্চ ''ম'' কাৰৰ ব্যৱহাৰ কৰা পূজা পদ্ধতি, বলিৰ পশু-পক্ষীৰ শিৰচ্ছেদ, ৰুধিৰ প্ৰদান, নৰবলি প্ৰথা, তন্ত্ৰ-মন্ত্ৰ, ভূত-প্ৰেত, ডাকিনী-যোগীণি আদিৰ উপাসনা আদি। পিছলৈ তান্ত্ৰিকবাদৰ প্ৰসাৰ ব্যাপি গৈ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকে যাদুবিদ্যা আৰু ইন্দ্ৰজাল বিদ্যাৰ স্থান বুলি কোৱা হৈছিল আৰু উক্ত তান্ত্ৰিকবাদ শ্ৰীমন্ত শংকৰদেৱৰ একশৰণ বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আগমূহুৰ্ত্তলৈকে প্ৰচলিত আছিল।

বৰ্তমানেও অসমৰ সমাজৰ জাতীয় জীৱনত বিভিন্ন অনাৰ্য বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আদিৰ অসীম প্ৰভাৱ। অষ্ট্ৰিক, আলপাইন, তিব্বতবৰ্মী উপাদানৰ সহায়ত অসমত বিভিন্ন প্ৰথাৰ বিকাশৰ বাট স্থাপন হৈছিল। এতিয়াও ভূত-প্ৰেত, যখ-যখিনী, পিশাচ, বুঢ়া ডাঙৰীয়া, প্ৰেতাত্মা আদিৰ বিশ্বাস জনমানসত আছে আৰু গছ, পাহাৰ-পৰ্বত, নদ-নদীৰ পূজাও বহু সম্প্ৰদায়ৰ মাজত প্ৰচলিত আছে।

**ফলাফল ঃ**

উপৰোক্ত বিশ্লেষণৰ মূল ফলাফল এয়ে যে—

১) প্ৰাচীন অসমৰ বিভিন্ন নৃগোষ্ঠীসকলৰ ভিতৰত অষ্ট্ৰিক, মংগোলীয়, তিব্বতো-বৰ্মী, আলপাইন আৰ্য, আৰ্য, দ্ৰাবিড়, কৃষ্ণবৰ্ণ আৰু কৈবৰ্ত সকলেই প্ৰধান আছিল।

২) কালৰ বিভিন্ন সময়ত প্ৰব্ৰজিত হোৱা উক্ত নৃগোষ্ঠী সমূহৰ মাজত সংমিশ্ৰণ হোৱাৰ বাবে মূল আবয়বিক চিনাক্তকৰণৰ ক্ষেত্ৰত নৃতত্ত্ববিদ সকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগা হয়।

৩) মূল অষ্ট্ৰিক, আলপাইন, তিব্বতবৰ্মী উপাদানৰ সহায়ত অসমত বিভিন্ন প্ৰথাৰ বিকাশৰ বাবে ভেঁটি স্থাপন হৈছিল।

৪) কামৰূপৰ সংস্কৃতি মূলতঃ অনাৰ্যৰ সংস্কৃতি।

৫) বৰ্তমানেও অসমৰ জাতীয় জীৱনৰ ধৰ্মীয় ক্ষেত্ৰখনত অনাৰ্য বিশ্বাস, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ প্ৰভাৱ অসীম।



৬) আৰ্যসকলে কামৰূপত শৃংখলিত সমাজ ব্যৱস্থাৰ প্ৰৱৰ্ত্তন ঘটালেও বিভিন্ন অনাৰ্য সংস্কৃতিৰ প্ৰভাৱ আৰু উপাদান ইয়াত থাকি গ'ল।

**সামৰণিঃ**

প্ৰাগজ্যোতিষ, কামৰূপ, অসম ও উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি ভিন্ন জনগোষ্ঠীৰ সংশ্লেষিত সংস্কৃতি। আধুনিক যুগৰ লগে লগেই পুৰণি সংস্কৃতি সমূহৰ ৰূপ ইমান সলনি হৈছে যে, এইবোৰৰ উৎস প্ৰকৃততে কোন কোন জনগোষ্ঠীৰ আছিল তাক খাটাংকৈ কোৱাটোও টান হৈ পৰিছে। সম্প্ৰতি জনগোষ্ঠীসমূহৰ সচেতনতা ক্ষিপ্ৰ গতিত বাঢ়ি অহা বাবে অসমৰ সংস্কৃতিৰ বেছি ভাগ সম্পদকে সকলোৱে নিজৰ বুলি দাবী কৰে। নিৰপেক্ষ আৰু বিশদ শ্ৰমনিষ্ঠ গৱেষণাৰ দ্বাৰাইহে কোনো নিৰ্দ্দিষ্ট সিদ্ধান্তত উপনীত হ'ব পৰা যাব। সি যি কি নহওঁক অসমৰ সভ্যতা আৰু সংস্কৃতি আৰ্য-অনাৰ্যৰ মাজত গঢ়ি উঠা নিতান্তই এক সুকীয়া সংস্কৃতি, যি অনন্তকাললৈ কৃষ্টিৰ পথাৰত নিৰৱচ্ছিন্ন ধাৰা হৈ প্ৰৱাহিত হৈ থাকিব।

**পাদটীকা ঃ**

১। ''পেৰিপ্লাচ অৱ দি ইৰিথ্ৰিয়ান চি''
২। ''সভাপৰ্ব'', মহাভাৰত
৩। ৰামায়ণৰ ''আদিকাণ্ড''ত উল্লেখ থকামতে অমূৰ্ত্তৰাজে প্ৰতিষ্ঠা কৰিছিল
৪। কিষ্কিন্ধ্যা কাণ্ড, ৰামায়ণ, Eastern Book of the East.
৫। কালিকা পুৰাণ, সৰ্গ- ৩৬-৪০
৬। জনগোষ্ঠীত প্ৰজাতীয় উপাদান, ডঃ ভুবন মোহন দাস, অসমীয়া জাতিৰ ইতিবৃত্ত, পৃঃ-৮
৭। অসমৰ সাংস্কৃতিক ইতিহাস, পৃঃ-২৯
৮। উক্ত গ্ৰন্থ
৯। জনগোষ্ঠীত প্ৰজাতীয় অৱদান
১০। যৰ্জুবেদ, ৩০/১৬
১১। সাংস্কৃতিক ইতিহাস, পৃঃ-৩০
১২। জনগোষ্ঠীত প্ৰজাতীয় অৱদান
১৩। অথৰ্ববেদ, মহাভাৰত
১৪। অথৰ্ববেদ, দশম মণ্ডল

সংস্কৃতিৰ সংযুতিটো গঠিত হৈছে।

**২.০০ উপসংহাৰ**

'বৰ অসম' তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি সম্পৰ্কে উক্ত আলোচনাৰ জৰিয়তে এটা কথাই স্পষ্ট ভাৱে ক'বৰ হাবিয়াস জন্মে যে, বৰ অসমৰ সংস্কৃতি পূৰ্ব উল্লিখিত নৃ-গোষ্ঠীসমূহৰ সাংস্কৃতিক সমলৰ সমন্বয়ত গঢ়ি উঠা এক সমন্বয়ৰ সংস্কৃতি। উত্তৰ-পূৰ্বাঞ্চলৰ সুদূৰ অতীতৰে পৰা বসবাস কৰি অহা বিভিন্ন সংমিশ্ৰিত অসমীয়া সংস্কৃতিৰ মূল প্ৰবাহত নিমজ্জিত হৈছে। যাৰ ফলত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে সংস্কৃতি গ্ৰহণ, সংহতি আৰু সমাহৰণ প্ৰক্ৰিয়াৰ সংযোগত একীভূত হৈ এক বিৰল আৰু অনুপম সংস্কৃতিৰ সৌধ নিৰ্মাণ হৈছে। সেই কাৰণেই আজি বৰ অসমত জাতি আৰু জনজাতিৰ মাজত পাৰ্থক্য বিচাৰি পোৱা নাযায়। জাতিৰ মাজতো জনজাতিৰ বৈশিষ্ট্য আৰু জনজাতিৰ মাজতো জাতিৰ বৈশিষ্ট্য অবিচ্ছিন্নভাৱে ৰক্ষিত হৈ থকাৰ অন্যতম কাৰণ পাৰস্পৰিক প্ৰভাৱ। গতিকে বৰ অসমৰ সংস্কৃতিৰ সংযুতিত জাতি আৰু জনজাতিৰ মাজত অন্যোন্যক্ৰিয়াৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ স্পষ্ট।

বৰ অসমৰ পৰ্বত-ভৈয়ামতে উভয়তে সাংস্কৃতিক জীৱনৰ দীঘে-বাণিয়ে নৃ-গোষ্ঠীগত সাংস্কৃতিক উপাদান উপচি আছে। এই ক্ষেত্ৰত ঘাইকৈ মংগোলীয় সংস্কৃতিৰ প্ৰভাৱ অধিক। অষ্ট্ৰ-মংগোলীয় সংস্কৃতিৰ উৰ্বৰতাই পাছৰ যুগত কোবাল আৰ্য্য সংস্কৃতিৰ সিৰে সিৰে সোমাই সমন্বয়ৰ সৌধ গঢ়ি তুলিছে। তাতে আকৌ অষ্ট্ৰিকসকলে সিঁচি থৈ যোৱা সংস্কৃতিৰ কঠীয়াতলীত পিছৰ যুগত আৰ্য্য, দ্ৰাবিড়, মংগোলীয়সকলে সমন্বয়ৰ শস্য ফুটাইছে। সেয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক ক্ষেত্ৰখনত নৃগোষ্ঠীগত অৱদানৰ কথা কৈ ওৰ পেলাব নোৱাৰি। মাথো ক'ব পাৰি, বিভিন্ন নৈ-উপনৈৰ জলৰাশিৰে বৰলুইত সৃষ্টি হোৱাৰ নিচিনাকৈ বিভিন্ন নৃগোষ্ঠীৰ সাংস্কৃতিক সমলৰ সমন্বয়ত বৰলুইত স্বৰূপ 'বৰ অসম'ৰ সংস্কৃতিৰ জন্ম।



হৈছে। ভৌগোলিক দৃষ্টিভঙ্গীৰ ফালৰ পৰা বৰ্তমান অসম ৰাজ্য অতীত অসমৰ সংকুচিত ৰূপ হ'লেও এই ৰাজ্যৰ সামাজিক, সাংস্কৃতিক ইতিহাসৰ লগত বাকী ছয়খন ৰাজ্যও জড়িত হৈ আছে।

উত্তৰ-পূৰ্বাঞ্চল তথা 'বৰ অসম' নৃতত্ত্বৰ ভূস্বৰ্গ। উত্তৰ-পূৰ্বাঞ্চলৰ জাতিসত্বা সমন্বয়ৰ ভেঁটিত গঢ় লৈ উঠা। ইতিহাসৰ বিভিন্ন স্তৰত এই ৰম্যভূমিলৈ সুৰম্য প্ৰকৃতিৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন ঠাইৰ মানুহ আহিছে আৰু ইয়াৰ শোভা সৌন্দৰ্য্য আৰু মানুহৰ স্নেহপৰায়ণতাত আকৃষ্ট হৈ এই ভূমি ভাগকে নিজ মাতৃভূমি হিচাপে গ্ৰহণ কৰি নিগাজিকৈ বসতি স্থাপন কৰি বৰ অসমৰ জাতিসত্বাক সমৃদ্ধ কৰি তুলিছে। ইতিহাসৰ বিভিন্ন স্তৰত এই ভূমিভাগলৈ প্ৰব্ৰজন কৰা জনগোষ্ঠীসমূহৰ ভিতৰত অষ্ট্ৰিকসকলেই প্ৰাচীনতম বাসিন্দা বুলি নৃতাত্বিক পণ্ডিতসকলে মত পোষণ কৰিছে। তেওঁলোকৰ পাছতে ক্ৰমান্বয়ে মংগোলীয়, দ্ৰাবিড়, আৰ্য্য আদি নৃগোষ্ঠীৰ আগমন ঘটে। ঐতিহাসিক দৃষ্টিৰে চালে অষ্ট্ৰিক আৰু মংগোলীয় নৃগোষ্ঠীৰ অন্তৰ্গত কাৰ্বি, বড়ো, ৰাভা, দেউৰী, মিচিং, সোণোৱাল কছাৰী, হাজং আদি জনজাতিসমূহেই হ'ল উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাচীনতম বাসিন্দা। এই জনজাতিসমূহে তেওঁলোকৰ বিবিধ সাংস্কৃতিক সম্পদ, ভাষিক আৰু আৰ্থ-সামাজিক বৈশিষ্ট্যই অসমীয়া সংস্কৃতিৰ সৈতে বিলীন হৈ থলুৱা সংস্কৃতি গ্ৰহণ, বৰ্জন আৰু বিনিময়ৰ যোগেদি পৰিপূৰ্ণ অসমীয়া সংস্কৃতিৰ বৰভেঁটি এটা নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সেইবাবে কোন জাতি-জনগোষ্ঠীৰ মাধ্যমেদি কোনবিধ উপাদান আহি 'বৰ অসম'ৰ সাংস্কৃতিক ভেঁটি সুদৃঢ় কৰিলে, সেই কথা খাটাংকৈ ক'ব নোৱাৰি। তথাপিতো আলোচ্য বিষয়টো কিছু পৰিমাণে জুকিয়াই চোৱাৰ প্ৰয়াস কৰা হ'ল।

**১.০১ উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃগোষ্ঠীগত অৱদান**

অধিবাসীৰ ক্ষেত্ৰত 'বৰ অসম'ক ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলিব পাৰি। বৰ্তমান ভাৰতত বসবাস কৰি থকা অধিবাসীসকল পৃথিৱী বিখ্যাত যিকেইটা নৃগোষ্ঠীৰ বংশধৰ, সেই কেইটা নৃগোষ্ঠীৰ বংশধৰসকলেই অসমৰো অধিবাসী। নৃতাত্বিক দৃষ্টিৰে ভাৰতীয় জনসমষ্টিক অষ্ট্ৰেলীয়, ককেচীয়, মংগোলীয় আৰু নিগ্ৰো এই চাৰিটা শ্ৰেণীত ভগাব পাৰি। ভাষিক দৃষ্টিৰে অষ্ট্ৰিক, আৰ্য্য, দ্ৰাবিড়, মংগোলীয় আদি ভাগত ভাগ কৰি সংস্কৃতিসমূহৰো নামাকৰণ কৰিব পাৰি। উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা জনসমষ্টিৰ মূল অষ্ট্ৰেলীয়, মংগোলীয় আৰু ককেচীয় তেজৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। সেইদৰে অষ্ট্ৰিক, মংগোলীয় আৰু আৰ্য্য সংস্কৃতিৰ সন্মিলিত উপাদানেৰে অসমীয়া সংস্কৃতিৰো বৰভেঁটি বান্ধিছে আৰু সেই হিচাপে বৰ অসমৰ সংস্কৃতি আৰু সভ্যতা ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ ক্ষুদ্ৰ সংস্কৰণ। কিন্তু জনসমষ্টি কিম্বা সংস্কৃতি কোনোটোৱেই

আজি উক্ত জনগোষ্ঠীয় নামৰ ভিতৰতে সীমা বান্ধি নির্দিষ্টকৈ দেখুৱাব নোৱাৰি। ভৌগোলিক অৱস্থান আৰু প্ৰয়োজনীয়তাই এনেকৈ সমন্বয়ৰ বৰভেঁটি বান্ধিছে যে আজি তাৰ মূল উপাদানবোৰ বিশ্লেষণ কৰি উলিওৱা সহজসাধ্য হৈ থকা নাই। ইটোৰ পিছত সিটো সংস্কৃতিৰ উপাদানৰ কঠীয়া গজিছে, ইটোৰ কঠীয়া অন্য এটাৰ ধানমুঠিয়ে আন এটাৰ পুষ্টি সাধন কৰিবলৈ চাউল হৈ সিজি সুস্বাদু ব্যঞ্জনৰ লগত মিহলি হৈ পেটত সোমাইছে। উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিত বিশেষকৈ অষ্ট্রিক আৰু মংগোলীয় সংস্কৃতিয়ে পলস পেলাই, সাৰুৱা কৰি থৈ যোৱা বহল পথাৰখনতহে আলপাইন আৰু আৰ্য্য সংস্কৃতিয়ে গা কৰি উঠিছে।

'বৰ অসম'ৰ সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ এটি অবিচ্ছেদ্য অংগ। নেগ্রিটো, অষ্ট্রিক, দ্ৰাবিড় আৰু মংগোলীয় ভাষাভাষী মানুহৰ সংস্কৃতিৰ বাছকবনীয়া সাংস্কৃতিক উপাদান বৰ্তমানৰ ভাৰতীয় সংস্কৃতিত নিহিত হৈ থাকিলেও উপৰুৱা দৃষ্টিত আজিৰ ভাৰতীয় সংস্কৃতি আৰ্য্যমুখী। ঘাইকৈ ধৰ্ম আৰু ভাষা আৰ্য্যমূলীয়। ধৰ্ম আৰু ভাষাক কেন্দ্ৰ কৰি যিবোৰ সাংস্কৃতিক সমল সৃষ্টি হয়, এই সকলোতে আৰ্য্যগন্ধিতা ধৰা পৰে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিটো তাৰেই প্ৰতিবিম্ব বৰ্তমান। প্ৰাচীন অসমত বসবাস কৰা অষ্ট্রিক, মংগোলীয়- এই দুই জনসমষ্টিৰ সাংস্কৃতিক উপাদান কোঁহে কোঁহে সোমাই থাকিলেও আজিৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ বহিৰঙ্গ আৰ্যমুখী।

উত্তৰ-পূৰ্বাঞ্চলৰ ধৰ্মৰ যি ইতিহাস, সিও সমন্বয়ৰে বাৰ্তাবাহক; য'ত দেখা যায় জনগোষ্ঠীয় মূলৰ বহুতো সাংস্কৃতিক উপাদান। উদাহৰণস্বৰূপে, উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক জীৱনত (ধৰ্মীয় দিশত) বিভিন্ন ৰূপত শিৱৰ প্ৰভাৱ অতুলনীয়। আহোম, চুতীয়া, তিৱা, বড়ো আদি কৰি সকলোৱে শিৱ-মহাদেৱ-বুঢ়াগোসাঁই আদি কৰি ভিন্ন নামেৰে বলি-বাহন দি শিৱক পূজা কৰে। ক'ৰবাত শালত বলি কাটে, ক'ৰবাত ডিঙি মুচৰি বলি মাৰি সংজ্ঞাহীন কৰে। পিছলৈ এইজন মহাদেৱ বুঢ়াগোসাঁয়েই বেদৰ ৰুদ্ৰলৈ পৰিৱৰ্তিত হয় আৰু বুঢ়াগোসাঁনীও দুৰ্গা নামে অভিহিত হৈ দশ মহাবিদ্যাৰ অন্তৰ্গত হয়। পূৰ্বতে থলুৱা পদ্ধতিৰে পূজা-সেৱা চলা পীঠবোৰৰ পূজা পদ্ধতি সংস্কাৰ কৰোতে পৰ্বতীয়া গোসাঁইয়ে শিৱসিংহৰ দিনত সংস্কৃত শাস্ত্ৰসন্মত পূজা পদ্ধতিৰ প্ৰচলন কৰে। আহোম ৰজাসকলে এনেকুৱা প্ৰাচীন পীঠত নতুনকৈ দ'ল-দেৱালয় সজাই সম্পূৰ্ণ আৰ্য্য পদ্ধতিৰ পূজা-সেৱা চলায়। বিশেষকৈ শিৱ-মহাদেৱ-বুঢ়াগোসাঁইৰ ধ্যান-ধাৰণাত জনজাতীয় সমল সুদূৰ প্ৰসাৰী। পণ্ডিতসকলৰ মতে, শিৱ মূলতঃ দ্ৰাবিড়ীয় দেৱতা আৰু ৰুদ্ৰ বৈদিক দেৱতা। শিৱ-ৰুদ্ৰৰ সংযোজন আৰু সমাহৰণৰ পৰিণতিত পৌৰাণিক শিৱৰ উদ্ভৱ হৈছে। 'বৰ অসম'ৰ শৈৱ ধৰ্ম দৰাচলতে প্ৰাগাৰ্য্য, আৰ্য্য, জনজাতীয়



দিঠকলৈ ৰূপান্তৰিত হয়। এৰী, মুগা- এই দুয়োবিধ পলু পুহি তাৰ সূতা কাটি কাপোৰ বোৱাত আহোম, কছাৰী আৰু চুতীয়া মানুহ অভ্যস্ত।

পৰ্বতীয়া মংগোলীয় মানুহে গঁড়, পহু বা ম'হৰ ছালেৰে ঢাল তৈয়াৰ কৰিছিল। ভৈয়ামতো এনে ঢাল ব্যৱহৃত হৈছিল। তদুপৰি আহোম সৈন্যই 'বাৰা' আৰু 'গাতি' আত্মৰক্ষাৰ বাবে প্ৰয়োগ কৰিছিল। কোনো কোনো ক্ষেত্ৰত কাঠৰ পাটো ব্যৱহাৰ কৰিছিল। তেনে ঢাল নগা পৰ্বত, অৰুণাচল আৰু খামতিসকলৰ মাজত সংৰক্ষিত অৱস্থাত এতিয়াও দেখা যায়।

পিন্ধনৰ ক্ষেত্ৰতো দেখা যায় বৰ অসমৰ তিৰোতাই মংগোলীয় তিৰোতাৰ দৰে মেখেলা, ৰিহা আৰু মূৰৰ ওৰণি বা চেলেং কাপোৰ তিনিখনকৈ পিন্ধে। জনজাতীয় তিৰোতাই কঁকালত মেখেলা পিন্ধে, বুকুত মেথনি মাৰে আৰু মূৰত এখন গামোচা জাতীয় কাপোৰ বান্ধে। ৰিগু, ৰিখাওছা, ৰিজা, ফাই, কাম্বং, খদাবাং, ৰিংফানং, ৰিবি গাচেং, এগে' আৰু চেকৰেক ক্ৰমে ডিমাছা, গাৰো আৰু মিচিং মানুহৰ তিনিখনীয়া কাপোৰ।

মংগোলীয় সমাজত বিয়া কেৱল সামাজিক অনুষ্ঠানেই নহয়, ইয়াৰ লগত ধৰ্মীয় ধাৰণাও জড়িত। বিয়া পৱিত্ৰ, সৃষ্টিধৰ্ম ৰক্ষাৰ প্ৰয়োজনীয় অনুষ্ঠান। মংগোলীয় সমাজত নাৰীৰ মূল্য অধিক, যিহেতু নাৰী সৃষ্টিধৰ্মীতাৰ প্ৰতীক। নাৰী কেৱল সন্তানদাত্ৰী মাতৃয়েই নহয়, পথাৰৰ কৃষিকৰ্মৰ সহকাৰিণী।সেয়ে গা-ধনৰ ব্যৱস্থা। বিবাহৰ ক্ষেত্ৰত ভৈয়ামৰ জনজাতি আৰু অন্যান্য মংগোলীয়সকলে কেতবোৰ হিন্দু ৰীতি-নীতি গ্ৰহণ কৰিলেও তাৰ মাজতে লোকবিশ্বাসসন্মত কিছুমান আচাৰ-নীতি ৰৈ গৈছে। যেনে- সুৱাগুৰি, গাঁঠিয়ন, পানী তোলা, খোৱা-খুৱী, মূৰত তেল দিয়া, চাউল দিয়া, চকলং, বেই, কলপুলি আদি থলুৱা লোকবিশ্বাসৰ অনুষ্ঠান। বিয়াৰ দিনাই কন্যাক দৰাঘৰলৈ স্থায়ীভাৱে লৈ অহা নিয়মটোও মংগোলীয়।

উত্তৰ-পূৰ্বাঞ্চলৰ বাসিন্দাৰ জীৱিকাৰ এটা প্ৰধান উপায় হ'ল কৃষি। পৰ্বত, ভৈয়াম উভয়তে কৃষিক আশ্ৰয় কৰিয়েই বেছিখিনি মানুহে জীৱন নিৰ্বাহ কৰে। কৃষিৰ ক্ষেত্ৰত দেখা যায়, অসমত পানী খেতিৰ যি প্ৰচলন, সি অষ্ট্ৰিক সকলৰ অৱদান। পথাৰ পাতি আলি দি, পানী নিয়ন্ত্ৰণ কৰি শালি খেতি কৰাত টাই মানুহৰ খ্যাতি আছিল। আনহাতে মংগোলীয় জনসমষ্টিৰ সকলো পাৰ্বত্য জনজাতিয়েই ঝুম খেতি কৰিছিল। ঝুম খেতিৰ পৰিণতি স্বৰূপে ঠাই সলাই মানুহে সঘনাই প্ৰব্ৰজন কৰিছিল।

শেষত একে আষাৰে এটা কথাকে ক'ব পাৰি যে, সংস্কৃতি গ্ৰহণ, সমাহৰণ আৰু সংশ্লেষণ প্ৰক্ৰিয়াৰ সংযোগত বিভিন্ন নৃগোষ্ঠীৰ উপাদানৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলৰ

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক জীৱনত মংগোলীয় সংস্কৃতিৰ অৱদান বাঁহৰ ব্যৱহাৰ সৰ্বজন বিদিত আৰু প্ৰসংগক্ৰমে আলোচ্য বিষয়টিত তাক উল্লেখ কৰা হৈছে। বৰ অসমৰ বাসিন্দাৰ জীৱনৰ এনে এটা দিশ নাই য'ত বাঁহৰ প্ৰয়োজন নাই। ঘৰ-দুৱাৰ নিৰ্মাণ, খাট-চাং-চিলিঙি আদি সজা, বিভিন্ন প্ৰকাৰ বহা আসন, বস্তু থোৱা চুঙা, মূৰ ফণিওৱা ফণি, মহিলাৰ কাণত পিন্ধা আৰু চুলিত মৰা অলংকাৰ, শৰাই-ঠগী, মাছ ধৰা বিভিন্ন সঁজুলি, বাদ্যযন্ত্ৰ, অস্ত্ৰ-শস্ত্ৰ, হেঙাৰ, বেৰা, ডলা-চালনি, বিচনী-খৰাহী, খখুৰী-পাচি, খৰি আদি নানান কামত বাঁহৰ ব্যৱহাৰ লক্ষণীয়। মংগোলীয় সংস্কৃতিৰ উপাদানে বৰ অসমৰ বাসিন্দাৰ দৈনন্দিন জীৱন-যাত্ৰাৰ লগত কিদৰে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে, তাৰ আভাস বাঁহৰ ব্যৱহাৰৰ জৰিয়তেই পাব পাৰি। বাঁহগাজ আৰু খৰিচা সকলো পৰ্বতীয়া কিম্বা ভৈয়ামীয়াৰ বাবেই অতি উপাদেয় খাদ্য।

এক সমূহীয়া দৃষ্টিৰে বিচাৰ কৰিলে দেখা যায় বৰ অসমৰ সাংস্কৃতিক জীৱনশৈলীত যি সমাজব্যৱস্থা, সি এক সমূহীয়া আদৰ্শৰ দ্বাৰা গঠিত। ঘৰ-দুৱাৰ সজা, বিয়া-সবাহ পতা, খেতি চপোৱা, খেৰ কটা, মাটি চহোৱা আদি কাম সমূহীয়া ভাবে কৰা হয়। মংগোলীয় জীৱন পদ্ধতিত সামূহিক পৰিচালনাৰ যি বৈশিষ্ট্য সি এই ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰা বুলি ক'ব পাৰি। এইখিনিতে উল্লেখযোগ্য যে, অৰুণাচল, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু মেঘালয়ৰ জনজাতীয় লোকসকলৰ মূল সংস্কৃতি আৰু জীৱন-যাপনৰ পদ্ধতি প্ৰাচীন উমৈহতীয়া অষ্ট্ৰো-মংগোলইড বা নিষাদ-কিৰাত সংস্কৃতিৰ ভেঁটিত গঢ় লৈ উঠিছে।

বৰ অসমৰ মূল জাতিসত্ত্বাৰ এক অবিচ্ছেদ্য অংগ হ'ল অসমীয়া মুছলমানসকল। তেওঁলোকৰ চেহেৰা আৰু অন্তৰ্নিহিত স্বভাৱত মংগোলীয় লক্ষণ বিদ্যমান। উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক উপাদান ভাষা, সাহিত্য, স্থাপত্য-ভাস্কৰ্য্য, চিত্ৰকলা সকলোতে মংগোলীয় সংস্কৃতিৰ অৱদান উপচি আছে। আহোমসকলৰ এক বিশিষ্ট অৱদান বুৰঞ্জী সাহিত্য ভাৰতৰ ভিতৰতে বিৰল। অসমৰ তাঁতশাল, অসমৰ বাদ্য, ৰিহা-মেখেলা, বেজালি, খেতি-খোলা সকলোলৈকে মংগোলীয় অৱদানৰ অন্ত নাই। উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ ভাৰতীয়মুখী ৰূপটোৰ ছত্ৰে ছত্ৰে মংগোলীয় উপাদান প্ৰত্যক্ষ আৰু প্ৰচ্ছন্ন ৰূপত নিহিত হৈ আছে।

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক জীৱনত তাঁতশালৰ বিশেষ মৰ্য্যদা আছে। এই তাঁতশাল মংগোলীয়ৰে অৱদান। গছৰ আঁহৰ পৰা তৈয়াৰী সূতাৰ উপৰিও কপাহী, পাট, মুগা আৰু এৰী সূতাৰ কাপোৰ বোৱাত মংগোলীয় শিপিনী অতি পাকৈত। মিচিং, কাৰ্বি, বড়ো, খামতি, ফাকিয়াল তিৰোতাৰ হাতৰ পৰশত সঁচাকৈয়ে সপোন



আৰু লোকায়ত সমলৰ সংমিশ্ৰিত ৰূপ মাথোন। মাতৃদেৱীৰ ধ্যান-ধাৰণাত দ্ৰাবিড়সকলৰ অৱদান অনস্বীকাৰ্য্য। কামাখ্যা দেৱী, পাৰ্বতী দেৱী, দুৰ্গা দেৱী আদিৰ উদ্ভৱ আৰু বিকাশত প্ৰাগাৰ্য্য, আৰ্য্য আৰু জনজাতীয় সংস্কৃতিৰ সংমিশ্ৰিত প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতা লক্ষ্য কৰিব পাৰি। সৰ্পদেৱী মনসা-বিষহৰি দ্ৰাবিড়ীয়, আৰ্য্য আৰু অনা-আৰ্য্য সংস্কৃতিৰ সংশ্লেষণৰ পৰিণতি মাথোন। গ্ৰাম্য দেৱ-দেৱী, ভূত-প্ৰেত, অপদেৱতা আদিৰ ধ্যান-ধাৰণা আৰু উপাসনা পদ্ধতিত জনজাতীয় সাংস্কৃতিক সমলৰ স্থিতি লক্ষ্য কৰা যায়।

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰধান ভাষা অসমীয়া মূলতঃ আৰ্য্য ভাষা সম্ভূত হ'লেও ইয়াৰ ধ্বনিতত্ব, ৰূপতত্ব, শব্দতত্ব আৰু অৰ্থতত্বত অনা আৰ্য্য ভাষাৰ প্ৰতুল সমল লক্ষ্য কৰিব পাৰি। 'অসম' শব্দটোৱে সমাহৰণৰ নিদৰ্শন। কোনো কোনো পণ্ডিতৰ মতে 'অসম' শব্দটো 'টাই আহোম' ভাষাৰ পৰা আহিছে। কোনো কোনো পণ্ডিতৰ মতে বড়ো 'হা-চান' ৰূপৰ পৰা আহিছে। আনকি 'কামৰূপ' শব্দটোও অষ্ট্ৰিক ভাষাৰ পৰা অহা বুলি ঠাৱৰ কৰা দেখা যায়। তেনেদৰে 'প্ৰাগ্‌জ্যোতিষ' শব্দটোও অষ্ট্ৰিক ভাষাৰ পৰা অহা বুলি কোৱা হয়। 'বৰ অসম'ৰ শতকৰা নৱৈজন প্ৰাচীন বাসিন্দা অনাৰ্য্য জনগোষ্ঠীৰ মংগোলীয় মূলৰ। তেওঁলোকৰ নিজা নিজা ভাষা, উপভাষা বা দোৱান আছে। এই ভাষাসমূহৰ মূল তিব্বত-বৰ্মী আৰু শ্যাম-চীন ভাষাৰ গঠন ৰীতি ইউৰোপীয় ভাষাতকৈ সম্পূৰ্ণ পৃথক; য'ত এক বিৰাট পৰিমাণৰ ভিন্ন ভাষা-গোষ্ঠীৰ উপাদানৰ সংমিশ্ৰণ ঘটিছে। সংস্কৃত ভাষাৰ মাধ্যমত বা কোনো বিশিষ্ট ভাষাবিদৰ প্ৰভাৱত অধ্যয়ন নকৰি মুকলি অথচ অনুসন্ধিৎসু মন লৈ বিচাৰ কৰিলে বৰ অসমৰ ভাষাৰ গঠন আৰু বিৱৰ্তনত অনাৰ্য্য মূলীয় উপাদান সোমাই আৰ্য্যমূলীয় উপাদানেৰে সৈতে সমন্বয় সাধন কৰাৰ অসংখ্য উদাহৰণ ধৰা পৰিব; য'ত টাই, বড়ো, অষ্ট্ৰিক, কোল-মুণ্ডা, খাচী আৰু অন্যান্য কিৰাত বংশোদ্ভৱ উপভাষাৰ পৰা উচ্চাৰণ পদ্ধতি আৰু গঠন বিকাশৰ অৰ্থে উপাদান গ্ৰহণ কৰিছে।

ভাষাত সমাহৰণ প্ৰক্ৰিয়াৰ পৰিচয় পোৱাৰ নিচিনাকৈ লোক সাহিত্য আৰু লিখিত সাহিত্যৰ বিকাশতো সমাহৰণ বা সমন্বয়ৰ পৰিচয় পোৱা যায়। অসমীয়া লোকগীতৰ অন্যতম শ্ৰেণী বিহুগীত আৰু হুঁচৰি গীত নিশ্চিতভাৱে অনা-আৰ্য্যসকলৰ অৱদান। সোণোৱালসকলৰ হাইদাং গীত অসমীয়া পুৰাণগত মালিতাৰ অপূৰ্ব নিদৰ্শন। পাতি-ৰাভাসকলৰ মাৰেগানৰ লগত জড়িত বিষহৰি গীত, বহুৱঙী গীত আদিৰেও বৰ অসমৰ লোক সাহিত্য বৈশিষ্ট্যপূৰ্ণ হৈ উঠিছে। জীৱ-জন্তু বিষয়ক সাধুকথাৰ সৃষ্টিত বড়ো-কছাৰীসকলৰ সাংস্কৃতিক অৱদান আছে। টেটোন জাতীয় সাধুকথাৰ পৰম্পৰা

অসমীয়া লোক সাহিত্যলৈ আহিছে মংগোলীয় সংস্কৃতিৰ পৰা। লিখিত সাহিত্যৰ সৃষ্টিত অনা-আৰ্য্য সংস্কৃতিৰ দান স্বীকাৰ কৰিবলগীয়া। প্ৰথম অসমীয়া লিখিত সাহিত্য মাধৱ কন্দলীৰ 'ৰামায়ণ' গ্ৰন্থৰ ৰচনাৰ অন্তৰালত আছিল বৰাহী ৰজা মহামাণিক্যৰ পৃষ্ঠপোষকতা। তেনেদৰে নৃপতি নৰনাৰায়ণ আৰু তেওঁৰ পৰৱৰ্ত্তী কোচ নৃপতিসকলৰ সাংস্কৃতিক অৱদানেৰে অসমীয়া সাহিত্য চিৰভাস্বৰ হৈ আছে। অসমীয়া লিখিত পৰম্পৰাৰ নোহোৱা-নোপোজা সম্পত্তি বুৰঞ্জী সাহিত্য আহোম সকলৰ প্ৰকৃষ্ট অৱদান। মুছলমানৰ অসম আক্ৰমণৰ পৰিণতিত অসমলৈ ইছলাম সংস্কৃতি সংক্ৰমিত হ'বলৈ সুবিধা লাভ কৰে। ইয়াৰ ফলস্বৰূপে চুফীবাদ মুছলমান কাব্যৰ বিষয়বস্তু অসমলৈ আমদানি হয় আৰু এই বিষয়বস্তুবোৰৰ ওপৰত নিৰ্ভৰ কৰি মৃগাৱতী চৰিত, মধুমালতী কাব্য, চন্দ্ৰাৱলী কাব্য আদি ৰচিত হয়।

সামাজিক লোকপ্ৰথা বা লোকাচাৰৰ প্ৰসংগতো বিভিন্ন নৃগোষ্ঠীৰ সাংস্কৃতিক সমলৰ লগত উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ সংশ্লেষণ বা সমাহৰণ দেখিবলৈ পোৱা যায়। 'বৰ অসম'ৰ পৰম্পৰাগত জীৱনশৈলীত প্ৰচলিত পৰিৱেশ্য কলাবোৰতো বিভিন্ন নৃ-গোষ্ঠীয় উপাদানৰ সমাহৰণ দেখা যায়। অষ্ট্ৰিক সকলৰ উৰ্বৰা বিশ্বাসজনিত কৃষিধৰ্মী উৎসৱ বিহু বিভিন্ন সংস্কৃতিৰ সংস্পৰ্শলৈ আহি সমৃদ্ধ ৰূপত বাৰেবৰণীয়া হৈ উঠিছে। আৰ্য্য-অনাৰ্য্য, অষ্ট্ৰিক, মংগোলীয়, আলপাইন, দ্ৰাবিড় সকলো সংস্কৃতিৰ উপাদানেৰে বিহু গঠিত। গৰু বিহু বৈদিক ধাৰণাসম্ভূত। সেই গৰুক মাহ-হালধি, বেঙেনা-কেৰেলা, থেকেৰা-জাতিলাও দি গা ধুওৱা পদ্ধতিটো কিন্তু অনাৰ্য্যমূলীয়। গৰুক চৰুৰ ছাইৰে ফোঁটা দি পিঠা খুৱায়। সেইবোৰ পৰম্পৰা যদি মূলতঃ বৈদিক বা আৰ্য্য ধাৰণা হ'লহেতেন, তেনেহ'লে ভাৰতৰ আৰ্য অধ্যুষিত অঞ্চলতো থাকিলহেঁতেন। বিহুৰ নৃত্য, গীত, বাদ্য আৰু অন্যান্য লোকাচাৰত অষ্ট্ৰিক, মংগোলীয়, দ্ৰাবিড় ৰীতিৰ সংমিশ্ৰণ ঘটিছে। মাঘ বিহুত সচৰাচৰ ব্যৱহৃত 'মেজি' শব্দটো আহিছে সংস্কৃত 'মেধ্য' শব্দৰ পৰা। মাঘ বিহুত চুঙা পিঠা খোৱা পৰম্পৰা আহিছে মংগোলীয় সংস্কৃতিৰ পৰা। বাঁহকেন্দ্ৰিক উৎসৱ যেনে-ভঠেলি, পাউৰাতোলা, দহৰ ফুৰৱা, সুঁৱেৰি, সুৱী, দেউল আদিত বাঁহৰ প্ৰাধান্য লক্ষ্য কৰা যায়। উল্লেখযোগ্য যে, এই বাঁহ মংগোলীয়সকলৰ অৱদান। 'মহো-হো' উৎসৱ বড়ো-কছাৰীৰ 'মাচা-হানা' অৰ্থাৎ বাঘ চিকাৰ অনুষ্ঠানৰ ভিত্তিত উদ্ভৱ হোৱাৰ অনুকূলে মত পোষণ কৰিব পাৰি। মিচিংসকলৰ ঐনিতমৰ বিষয়বস্তু, সুৰ আৰু গায়ন পদ্ধতিত বিহুগীতৰ প্ৰভাৱ স্পষ্ট। বড়ো-কছাৰীৰ বৈশাগু গীতৰ লগতো বিহুগীতৰ মিল আছে। মুছলমান সকলৰ 'ফকীৰ আলি গীত'ত হিন্দু আই-বাইৰ নামৰ সুৰ আৰু বিয়াহ গোৱা ওজাপালি গীতৰ ঠাঁচ লক্ষণীয়। জিকিৰ



অনুষ্ঠানৰ নাচ-গানৰ ৰীতিৰ কিছু অংশ আগতে অহা 'গৰীয়া' বিলাকে গৌড় অথবা উত্তৰ ভাৰতৰ অন্য ঠাইৰ পৰা আনি অসমত প্ৰৱৰ্ত্তন কৰিছিল আৰু বাকী অংশ অসমীয়া যিসকল মুছলমান হৈছিল তেওঁলোকৰ ওজাপালি, হুঁচৰি, বিহুনাচ আদিৰ পৰা সোমাই পৰিছিল। মনসা-বিষহৰি পূজাৰ লগত জড়িত দেওধনী নৃত্য, দেৱদাসী আৰু বড়ো-কছাৰীৰ খেৰাই নৃত্যৰ সমাহৰণ প্ৰক্ৰিয়াৰ পৰিণতিত জন্ম। পাতি ৰাভা সকলৰ মাজত প্ৰচলিত 'মাৰে গান' আৰু তুকুৰীয়া ওজাপালিৰ উদ্ভৱ আৰু বিকাশত সুকনান্নী ওজাপালিৰ প্ৰভাৱ দেখা যায়।

মাদল, ঢোল, চেপা বা চুঙা ঢোল, বৰঢোল, বিহু ঢোল আদি বিভিন্ন ঢোলৰ লগত জড়িত নৃত্য, গীত আৰু চং আদিত জনজাতীয় প্ৰভাৱ স্পষ্ট। 'ভাৰী গান' পাতি ৰাভা সকলৰ অৱদান। অসমৰ উৎসৱ-পাৰ্বণ সমূহতো মংগোলীয় সংস্কৃতিৰ উপাদান লক্ষ্য কৰা যায়। ম'হ-ছাগলী বলি দিয়া, হাঁহ-পাৰ বলি দিয়া, দেওধনী উঠি বলি লোৱা আদি লোকাচাৰ আজিও চলি আছে। সেইদৰে জন্মাষ্টমীৰ সময়ত মৰাণ সকলৰ মাজত অনুষ্ঠিত গোটাচেৰেক লোকাচাৰে মংগোলীয় বৈশিষ্ট্যৰে সূচনা কৰে। হিন্দু আদৰ্শত মৃতকৰ শ্ৰাদ্ধ ব্ৰাহ্মণ-পুৰোহিতৰ হতুৱাই কৰোৱা হয়, কিন্তু মংগোলীয় আদৰ্শত মৃতকলৈ উচৰ্গা কৰি ভকতক বা ৰাইজক খুওৱা হয়। অসমীয়া সমাজত সেই ৰীতি আজিও বিদ্যমান।

দৈনন্দিন জীৱনবৃত্তৰ লগত সংযুক্ত কৃত্যাদিত নৃগোষ্ঠীয় সাংস্কৃতিক সমলৰ স্থিতি লক্ষ্য কৰা যায়। উত্তৰ-পূৰ্বাঞ্চলৰ অজনজাতীয় লোকসকলৰ মাজত প্ৰচলিত পৰম্পৰাগত খেল-ধেমালি বিলাকো বিভিন্ন সাংস্কৃতিক সমলৰ সংশ্লেষণৰ পৰিণতি মাথোন। আনকি পৰম্পৰাগত যিবোৰ খাদ্য-দ্ৰব্য আৰু ৰন্ধন প্ৰণালী সিও নৃগোষ্ঠীগত সাংস্কৃতিক সমলৰ মাজত নিয়মিতভাৱে চলি থকা সংশ্লেষণ প্ৰক্ৰিয়াৰ নিদৰ্শন দাঙি ধৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে, ভাৰতৰ আন ৰাজ্যৰ ব্ৰাহ্মণ-গোস্বামীয়ে মাছ-মাংস নাখায়। কিন্তু জনগোষ্ঠীয় সান্নিধ্য হেতু বৰ অসমৰ ব্ৰাহ্মণ-গোস্বামী কূলৰ মানুহেও মাছ-মঙহ খায় বুলি শুনা যায়। মাছ পুৰি, জাল দি, পাতত দি, খাৰ দি খোৱা নানাবিধ বনৰীয়া শাক-পাচলি খোৱা, পঁইতা ভাত খোৱা আদি ভোজন সামগ্ৰী আৰু এইবোৰৰ প্ৰস্তুত প্ৰণালীও জনজাতীয় প্ৰভাৱপুষ্ট। অসমীয়া সমাজৰ সাংস্কৃতিক জীৱনত কেঁচা তামোল আৰু পানৰ ভূমিকা গুৰুত্বপূৰ্ণ। হাজাৰ টকাৰ লেঠা এযোৰ তামোল-পানেৰেই মাৰিব পাৰি। অতিথি, আলহী, অভ্যাগতক পোনতে সম্ভাষিব লাগে এখন তামোলেৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ বাহিৰে ভাৰতৰ আন ৰাজ্যত মানুহে কেঁচা তামোল নাখায়, শুকান তামোলহে খায়। এই তামোল অষ্ট্ৰিক সকলৰ অৱদান।

জমকতাৰে উদ্‌যাপন কৰে। আমথিছুবা (অম্বুবাচী), কাতিগাছা (কাতি বিহু), দোমাছি (দোমাহী), ফুছ্‌লি হাবা (পুতলী বিয়া), বৈছাগু (ব'হাগ বিহু) আদিৰো বৰো সমাজত প্ৰচলন আছে। খাম-চিফুং, জথা-ছেৰজা এই চাৰিবিধ লোকবাদ্য উৎসৱত অপৰিহাৰ্য। পহিলা ব'হাগত মানুহ বিহুৰ দিনাখন নিচেই পুৱাতে বজোৱা চিফুং বাঁহীৰ ছত্ৰাওলি ৰাগে বিষাক্ত সাপৰো কণী ঘোলা কৰিব পাৰে বুলি বিশ্বাস আছে। বাগুৰুম্বা, বৈশাগু বসন্তকালীন মন উৰুঙা কৰা নৃত্য-গীতৰ লগতে জাৱাফাগ্লা, থেন্থামালি, ছাৱানি ছলাছিপ, খফ্রি মৌছানায় (জাপি নৃত্য), ৰৌনচণ্ডী আদি ধৰ্মীয় প্ৰকাৰ্যৰ নৃত্য-গীত আৰু দাওহ (যুদ্ধ), না হুমনায় (মাছমৰা) আদি বিভিন্ন শ্ৰম বিষয়ক নৃত্য-গীত বৰো সমাজত বিদ্যমান। নানা প্ৰকাৰৰ লোকগীত, হাবা মেথায় (বিয়াগীত), 'গথবুৰ্খানায়' (নিচুকনি গীত), দেহবিচাৰৰ গীত আদিৰে বৰো লোকসাহিত্য অতি চহকী। ৰাওনা-ৰাওনী, চন্দ্ৰমালি- খৌথিয়া, থেন্থন, আছাগি-বৈছাগি, জাৱা ফাগ্লা আদি সাধুকথা, বাছ্‌ৰাম জৌহৈলাও, জাওলিয়াছৌন দেওৱান আদি কাহিনী গীত আৰু বিভিন্ন মন্ত্ৰ-স্তোত্ৰ, ফকৰা-যোজনা, প্ৰবচন ইত্যাদিৰে এওঁলোকৰ লোক সাহিত্য উভৈনদী। অসমীয়াৰ দৰে বৰো ভাষাও সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত হৈছে। সেইদৰে অসমৰ কেইবাখনো বিশ্ববিদ্যালয়ত বৰ্তমানে বৰো ভাষা-সাহিত্যৰ গৱেষণা আৰু পঠন-পাঠন হৈ আছে। এই ভাষাৰ সহিত্যই সাহিত্য অকাডেমিৰ বঁটা লাভ কৰি আন এক গৌৰৱোজ্জ্বল পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। তাৰোপৰি বৰ্তমান বৰোভাষাত তথ্যচিত্ৰ, কথাছবি আদি সৃষ্টিৰ দ্বাৰা ই স্বমহিমামণ্ডিত হৈ উঠিছে। এই জয় যাত্ৰাৰে বৰো ভাষা-সাহিত্য-সংস্কৃতিয়ে উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰততে নহয় বিশ্বৰ দুৱাৰদলিতো আগশাৰীৰ স্থান পোৱাৰ যোগ্যতা ক্ৰমে ক্ৰমে লাভ কৰিছে।

**সামৰণি ঃ**

সংস্কৃতি মানৱৰ সমাজৰ অন্যতম আলোচ্য বিষয়। সমাজ থাকিলেহে সংস্কৃতি থাকে। সংস্কৃতি হ'ল এক সামাজিক আচৰণ। সমাজৰ লগে লগে সংস্কৃতিৰ অৱয়বৰো পৰিৱৰ্তন ঘটে। সংস্কৃতি মানৱ সমাজৰ দান। প্ৰাক-ঐতিহাসিক কালত মানৱ সমাজ পাতি বাস কৰিছিল। গতিকে তেওঁলোকৰ বিবিধ-বিশ্বাস, আচাৰ-অনুষ্ঠান, উৎসৱ-অনুষ্ঠান প্ৰচলন আছিল। তাহানিৰ কালৰপৰা বৰ্তমানৰ যি ৰূপ সংস্কৃতিয়ে গ্ৰহণ কৰিলে তাৈলৈ লক্ষ্য কৰিলে আমি সংস্কৃতিৰ পৰিৱৰ্তনশীলতাৰ বিষয়ে অৱগত হ'ব পাৰো। বিভিন্ন যুগত বিভিন্ন ঠাইৰ নৃ-গোষ্ঠী



# উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃ-গোষ্ঠীগত অৱদান

***(সোণোৱাল কছাৰী আৰু বৰো জনজাতিৰ বিষয়ে আলোকপাত)***

**● কিশোৰ কুমাৰ ৰাজবংশী**

**● অমৰজ্যোতি বৰ্মন**

**প্ৰস্তাৱনা ঃ**

সংস্কৃতি মানৱৰ প্ৰতি মানৱ সমাজৰ দান। সামাজিক জীৱ মানুহে সামাজিক পৰিস্থিতিত সৃষ্টি কৰা বিবিধ আচৰণ বা (কৃতিৰ) সমষ্টিৰ আধাৰত সংস্কৃতিৰ উদ্ভৱ হয়।

প্ৰাক ঐতিহাসিক মানৱে সমাজ পাতি বাস কৰিছিল। গতিকে তেওঁলোকৰ মাজত বিবিধ বিশ্বাস, আচাৰ-অনুষ্ঠান, উৎসৱ-অনুষ্ঠানৰ প্ৰচলন আছিল। ভৌতিক সংস্কৃতিও তেওঁলোকৰ সমাজত উদ্ভৱ নোহোৱাকৈ থকা নাছিল। সেইদৰে বৃষ্টি কামনা, অপশক্তি বিদূৰণ, বেমাৰ-ব্যাধি নিৰাময় আদিৰ বাবে বিবিধ ধৰ্মীয় কৃত্য অনুষ্ঠিত হৈছিল আৰু তেনে অনুষ্ঠানত তেওঁলোকে গীত-পদ, নাচ-নাচোন পৰিৱেশন কৰিছিল। এইদৰে তেওঁলোকৰ মাজত সংস্কৃতিৰ বিভিন্ন সমলৰাজি স্থিতি-লক্ষ্য কৰিব পাৰি।

তাম্ৰ আৰু লৌহ যুগৰ পৰাই প্ৰাক ঐতিহাসিক মানৱ সমাজত বিভিন্ন পৰিৱৰ্তনবোৰ দেখা গৈছিল। খেতি-বাতিৰ উন্নতি হৈছিল। অৰ্থনৈতিক বিকাশো ঘটিছিল— লাহে লাহে ধনী-দুখীয়া, দুটা অৰ্থনৈতিক গোটৰ সৃষ্টি হ'বলৈ ধৰিছিল।

সংস্কাৰৰ জৰিয়তে সংস্কৃতিৰ সৃষ্টি হয়। সংস্কৃতিৰ দ্যোতনা অতিকে বিশাল। বিভিন্ন পণ্ডিতে বিভিন্নভাৱে সংস্কৃতিৰ ব্যাখ্যা দি আহিছে। সংস্কৃতিৰ

● সহকাৰী অধ্যাপক, খৈৰাবাৰী মহাবিদ্যালয়

● সহকাৰী অধ্যাপক, বি. এন. ডি. মহাবিদ্যালয়

মানসিক আৰু শাৰীৰিক — এই হিচাপে দুভাগত বিভক্ত হ'ব পাৰে। জীৱনৰ বিভিন্ন প্ৰয়োজনীয়তাৰ সৈতে সংস্কৃতি বিজড়িত। এই প্ৰয়োজনীয়তাবোৰ হৈছে— জীৱ দেহৰ ৰাসায়নিক ৰূপান্তৰ, প্ৰজনন, দৈহিক সুখ-স্বাচ্ছদ্য আৰু নিৰাপত্তা, গতি, বৃদ্ধি, স্বাস্থ্য আদি।

সংস্কৃতি বিভিন্ন উপাদানৰ সমষ্টি, যেনে— ভৌতিক সংস্কৃতি, সামাজিক আচাৰ-অনুষ্ঠান আদি, মানুহ আৰু বিশ্বজগত, নান্দনিকতা, লোকসংস্কৃতি বা লোকবিদ্যা, সংগীত-নাটক-নৃত্য আৰু ভাষা।

ভাৰতবৰ্ষৰ অন্যান প্ৰদেশৰ তুলনাত অসমৰ জাতি গঠন প্ৰক্ৰিয়া অত্যন্ত জটিল। ইতিহাসৰ বিভিন্ন স্তৰত এই ৰম্যভূমিলৈ সুৰম্য প্ৰকৃতিৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন যুগত বিভিন্ন ঠাইৰ মানুহৰ অসমলৈ আহিছে আৰু ইয়াৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য, মানুহৰ আদৰ-স্নেহ আৰু অতিথি পৰায়ণতাত সন্তুষ্ট হৈ ভৱিষ্যতৰ বাবে অসমকে নিজৰ মাতৃভূমি হিচাপে গ্ৰহণ কৰি নিগাজিকৈ বসতি স্থাপন কৰিছে। ইতিহাসৰ বিভিন্ন স্তৰত এই দেশলৈ প্ৰব্ৰজন কৰা জনগোষ্ঠীসমূহৰ ভিতৰত অষ্ট্ৰিক জনগোষ্ঠীয়েই ইয়াৰ প্ৰাচীনতম অভিবাসী বুলি নৃতাত্ত্বিক পণ্ডিতসকলে মতপোষণ কৰিছে। তেওঁলোকৰ পাছতে ক্ৰমান্বয়ে মংগোলীয়, দ্ৰাবিড়, আৰ্য্য আদি নৃ-গোষ্ঠীৰ আগমন ঘটে। ঐতিহাসিক দৃষ্টিৰে চালে অষ্ট্ৰিক আৰু মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত কাৰ্বি, বড়ো, ৰাভা, দেউৰী, মিচিং, সোণোৱাল-কছাৰী, হাজং আদি জনজাতিসমূহেই হ'ল অসমৰ প্ৰাচীনতম বাসিন্দা। এই বিভিন্ন জনজাতিসমূহে তেওঁলোকৰ বিবিধ সাংস্কৃতিক সম্পদ, ভাষিক আৰু আৰ্থ-সামাজিক বৈশিষ্ট্যই অসমীয়া সংস্কৃতিৰ সৈতে বিলীন হৈ থলুৱা সংস্কৃতি গ্ৰহণ, বৰ্জন আৰু বিনিময়ৰ যোগেদি পৰিপূৰ্ণ অসমীয়া সাংস্কৃতিক ভেঁটি নিৰ্মাণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

**সোণোৱাল কছাৰী ঃ**

জন প্ৰব্ৰজনৰ ফলত ভিন ভিন সময়ত ভিন ভিন জনগোষ্ঠীয়ে অসমত নিগাজিকৈ থিতাপি লৈছে। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰধানত তিব্বত বৰ্মী ভাষা-ভাষী, বড়ো, ৰাভা, মিচিং, তিৱা (লালুং), দেউৰী, কোচ, হাজং, সোণোৱাল কছাৰী, শৰণীয়া কছাৰী আদি জনজাতি-উপজাতি লোকৰ বসতি আছে। এই জনগোষ্ঠীসমূহৰ ভিতৰত কিৰাতমূলীয় মংগোলীয় জনগোষ্ঠীৰ সোণোৱাল কছাৰী অন্যতম জনগোষ্ঠী।



পুৰুষৰ মৃত্যু হ'লে শ্মশানত মূৰৰ ফালে কলগছ এজোপা আৰু অন্যান্যৰ ক্ষেত্ৰত হ'লে ঠানি এডাল ৰুই দিয়া হয়। এনে কৰিলে পৰজন্মত যথাক্ৰমে বিবাহ আৰু চুলি ঘন হয় বুলি লোকবিশ্বাস আছে। মৃতকৰ পৰজন্মত যাতে ওঁঠ ৰঙা হয় তাৰ বাবে শৱযাত্ৰীসকলে আঁহতৰ পাতেৰে পানী খুৱাই দি একোচা ৰঙা সূতা ওঁঠত পাৰি দিয়ে।

অসমৰ সমাজ ব্যৱস্থাত তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱ নুই কৰিব নোৱাৰি। বৰোসকলৰ মাজতো তন্ত্ৰ-মন্ত্ৰ, ভেল্কীবাজি, ডাকিনী-যোগিনী (ডায়না), বীৰা ভূত-প্ৰেতৰ বিশ্বাস অতি প্ৰবল। আনকি মন্ত্ৰৰ দ্বাৰা ভালুকৰ সৈতে সখি পতা, বীৰা পোহা আৰু মেলি দিয়া, বেঁত জৰা, বাতি চলোৱা আদি কাৰ্যও কৰিব পাৰে বুলি বিশ্বাস আছে। বৰোসকলৰ মাজত প্ৰচলিত ছুথি দাননায় (নজৰ কটা), খুগা দাননায় (মুখ ভঙা), সমায় (শপত খোৱা), শপত মোচন, বধ-শপত দিয়া, বৰ লোৱা প্ৰথাত কিছু স্বকীয়তা থাকিলেও অন্যান্য সমাজৰ সৈতে প্ৰায় একেই।

বৰোসকল প্ৰধানতঃ কৃষিজীৱী। শালি, আহু আৰু বাও এই তিনিবিধ ধানখেতিৰ লগতে মাহ-সৰিয়হ, তিল, আদা, কচু, লাই-লফা আদি শাক-পাচলিৰ খেতিও কৰে। বৰোসকলে দোং খান্দি পথাৰত আলি বান্ধি কৰা শালি খেতিৰ প্ৰৱৰ্তক বুলি কোৱা হয়। কৃষিৰ লগত জড়িত নানান ধৰণৰ লোকাচাৰ যেনে— ন-গছা দিয়া, মায়নাও লায়নায় (লখিমীৰ আগ অনা), ন-ভাত খোৱা, কাতি গাছা ছাওনায় (কঙালী বিহুত ঔ খোলেৰে পথাৰত বন্তি জ্বলোৱা), শইচ চপোৱা আৰু মাঘ বিহুত বেলাগুৰ (মেজিৰ ভোজ) খোৱা, ব'হাগ বিহুত গৰুক গা ধুওৱা আদিৰ উদ্ভাৱক এওঁলোকেই বুলি পণ্ডিতসকলৰ ধাৰণা। বৰোসকল ৰন্ধন কলাত অতি নিপুণ। অতি কম খৰচত বাৰীত হোৱা শাক-পাচলিৰ উপৰিও ঠাইতে পোৱা বনৰীয়া শাক-পাতেৰে অতি উপাদেয় ব্যঞ্জন প্ৰস্তুত কৰি জুতি-বুধিৰে তেওঁলোকে খায়। পচলা, ঢেঁকীয়া, কচুথোৰ, পালেং, লফা, বাঁহগাজ, খৰিচা আদি ব্যঞ্জন মংগোলীয় সংস্কৃতিৰ দান। শুকান মাছ (নাফাম), শুকান মাংস, শোকোতা আদি তেওঁলোকৰ উদ্ভাৱন।

বৰোসকলে বছৰেকত সমজুৱাকৈ অতিকমেও এবাৰ গাৰজা, এবাৰ খেৰাই (বাথৌ) আৰু সময়-সুবিধা অনুযায়ী ব্যক্তিগতভাৱে মায়নাওব্ৰী (লক্ষ্মী), বুৰ্লিব্ৰী (কামাখ্যা), মাৰাই (মনসা) আৰু আনুসঙ্গিক দেৱতা হিচাপে লাওখাৰ গছাই (শ্ৰীকৃষ্ণ), নবাব বাদচা বা পীৰ চাহাবৰ (মুছলমানৰ দেৱতা) উদ্দেশ্যে বিশেষ ৰীতি-নীতিৰে আৰু বলি-বাহনেৰে পূজা দিয়ে। খেৰাই উৎসৱ অতি জাক-

কুঠৰি তিনিটা— ইছিং, ওখং আৰু খফ্ৰা। বৰঘৰৰ উপৰিও আলহী অতিথি থকা-মেলাৰ সুবিধাৰ্থে বা অবিবাহিত ডেকা ল'ৰাৰ বাবে 'চৌৰানো' একোটাও থাকে। পূবে পুখুৰী, পশ্চিমে ঔৰাবাৰী (বাঁহ), উত্তৰে গয়বাৰী (গুৱা) আৰু দক্ষিণে ধুৱা (মুকলি) ৰাখি বাৰীত ঢাপ তুলি (চেখৰ দুমনায়) উত্তৰলৈ নঙলামুখ ৰাখি বাৰী পাতে আৰু নিচেই কাষতে হাঁহ-কুকুৰাৰ গঁৰাল, ভঁৰাল, গোহালিৰ আৰু কিছু আঁতৰত গাহৰিৰ গঁৰাল, কুঁৰা আদি থাকে। বাঁহৰ ব্যৱহাৰ বৰোসকলৰ এক অন্যতম বৈশিষ্ট্য। প্ৰয়োজনীয় বহু সামগ্ৰী তেওঁলোকৰ বাঁহেৰে নিৰ্মিত। খেতি পথাৰৰ কাষতে বৰোসকলে সৰু সৰু চুবুৰী পাতি বাস কৰে আৰু খেতি-খোলাত পুৰুষৰ লগতে তিৰোতাই সমানে সমানে ভাগ লয়। বৰো তিৰোতাসকল প্ৰত্যেকে একোগৰাকী পাকৈত দাৱনী, ৰোৱনী, মাছুৱৈ আৰু ৰান্ধনি।

বৰোসকলৰ জন্ম, বিবাহ আৰু মৃত্যুৰ লগত জড়িত বিভিন্ন আচাৰ-অনুষ্ঠান আছে। তাৰ ভিতৰত সন্তানৰ নাড়ী এঁৰা সুতাৰে বান্ধি বাঁহৰ চেঁচুৰে কটা, নাড়ী কটাৰ পিছত শান্তি পানী চটিয়াই প্ৰায়শ্চিত্ত কৰা (জাতত তোলা), এবছৰৰ ভিতৰত ধাইক মান ধৰা, পাঁচ বছৰত মোমায়েকৰ দ্বাৰা চূড়াকৰণ কৰা পৰ্ব আছে। অন্নপ্ৰাসন্ন জাতীয় সন্তানৰ মুখত ভাত দিয়া অনুষ্ঠানৰ অতীজত প্ৰচলন নাছিল। আদিমধৰ্মী বৰোসকলে 'হাথাছুনি' প্ৰথাৰে আৰু ব্ৰহ্মধৰ্মীয় বৰোসকলে হিন্দুৰ বৈদিক প্ৰথাৰে (বৰো ভাষাৰ মন্ত্ৰেৰে) বিয়া-বাৰু কৰে। বৰোৰ হাথাছুনি প্ৰথাটো ৰাইজে স্বামী-স্ত্ৰী হিচাপে স্বীকৃতি দিয়া পৰ্ব বিশেষহে। সকলো প্ৰকাৰৰ বিয়াতে ভোজন পৰ্বৰ সময়ত এই নিয়ম পালন কৰিবলগীয়া হয়। শুচি-শুদ্ধাচাৰ বয়সস্থা এগৰাকী তিৰোতাৰ (আয়থা) তত্ত্বাৱধনাত ন-কইনাই নিজ হাতে ৰান্ধি-বাঢ়ি বাথৌ— শালী বা বৰঘৰৰ ইছিঙত ইষ্টদেৱতাৰ উদ্দেশ্যে আগ কৰি, দৰা সমন্বিতে সমজুৱা ৰাইজৰ ভোজনৰ পাত্ৰত প্ৰথমবাৰৰ বাবে অলপ অলপ পৰিমাণৰ হ'লেও কাঠৰ পাত্ৰৰ পৰা (হাথা) ভাত বিতৰণ কৰা অনুষ্ঠানৰ নামেই হাথাছুনি। বৰোসকলৰ মাজত মৃত্যুৰ লগত জড়িত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস আছে। মৃতকক গা-ধুৱাই, মিঠাতেল সানি মূৰ ফণিয়াই, ভোজনাহাৰ কৰাই (ভাওজুৰি), পাৰি নথকা বগা কাপোৰেৰে ঢাকি বাঁহৰ চাঙত কঢ়িয়াই আগে আগে গোবৰ পানী চটিয়াই আৰু এঁৰা সূতা টানি নি গীথৌবাৰীত (মৰিশালী) সৎকাৰ কৰে। মৰাশ সৎকাৰ কৰাৰ পিছত শৱযাত্ৰীক গোবৰ পানীৰে শুচি কৰে আৰু শোকোতা চোবাই মৃতকৰ সৈতে সকলো পাৰ্থিৱ সম্বন্ধ ছেদ কৰাৰ বিধান আছে। মৃত্যুৰ দহ দিনৰ দিনা 'দাহা গাৰনায়' (দহা পেলোৱা) পৰ্ব আৰু বাৰ দিনত শ্ৰাদ্ধ পাতে। অবিবাহিত



সোণোৱাল কছাৰীসকলে সমাজ পাতি বাস কৰে। প্ৰধানতঃ তেওঁলোকৰ সমাজ ব্যৱস্থা যৌথ পৰিয়ালকেন্দ্ৰিক। অতি পূৰ্বৰে পৰা সোণোৱাল কছাৰীসকল ধৰ্মভীৰু লোক। কৈৱাত ধৰ্ম অনুসৰি সোণোৱাল কছাৰীসকল শাক্ত, শৈৱ ধৰ্মী। তেওঁলোকৰ প্ৰধান উপাস্য দেৱতা— 'বায়থ' বা খিৰিং ৰজা (শিৱ)। ইয়াৰ বাহিৰেও তেওঁলোকে কেঁচাইখাতী, বুঢ়া-বুঢ়ী, তাম্ৰেশ্বৰী আদি দেৱীক পূজা কৰে। সোণোৱাল কছাৰীসকলৰ বিশ্বাস যে শিৱ-পাৰ্বতীয়ে পূজাৰ ভাগ পোৱাৰ উদ্দেশ্যে বুঢ়া-বুঢ়ীৰ ৰূপ ধাৰণ কৰি সোণোৱাল কছাৰীসকলৰ মাজলৈ আহি কিৰাত আচাৰ-ব্যৱহাৰ শিকাই গৰু-গাই পুহি, খেতিপথাৰ কৰি অৱসৰৰ সময়ত নানা আনন্দ বিনোদন কৰি সকলোকে মিলা-প্ৰীতি শিকায়।

সোণোৱাল কছাৰীসকলৰ মাজত জন্ম-মৃত্যু সম্বন্ধীয় বিভিন্ন ৰীতি-নীতি আৰু পৰ্ব আছে। সন্তান জন্মিলে তেওঁলোকে 'অশৌচ' মানে। ল'ৰা সন্তান হ'লে সাধাৰণতে ২০ দিনত আৰু ছোৱালী হ'লে এমাহত 'শুচি' যোৱাটো নিয়ম। শুচি নোহোৱাকৈ ঘৰখন আৰু পৰিয়ালটোৱে আন কোনো ৰাজহুৱা মাংগলিক কাৰ্যত সহযোগিতা কৰিব নোৱাৰে। এওঁলোকৰ বয়সীয়া মানুহৰ মৃত্যু হ'লে শ দাহ কৰে আৰু কম বয়সীয়া হ'লে মাটিত পুতি থয়। শ' চাঙীত তুলি শ্মশানলৈ লৈ যায়। পুত্ৰই মুখাগ্নি কৰে। মৃতকৰ সৎকাৰৰ পিছত তিনিদিনত তিলনি, দহ দিনত দহা আৰু সুবিধা অনুযায়ী এঘাৰ/বিশ দিন বা এমাহত শ্ৰাদ্ধ কৰে। বৈবাহিক সম্বন্ধৰ ক্ষেত্ৰতো সোণোৱাল কছাৰীসকলৰ সামাজিক নিয়ম বৰ কটকটীয়া। তেওঁলোকৰ একে বংশ বা পৰিয়ালৰ ল'ৰা-ছোৱালীৰ মাজত বিয়া পাতিব নোৱাৰে। তেওঁলোকৰ মাজত ছয় প্ৰকাৰ বিবাহ ব্যৱস্থা আছে। পলুৱাই অনা বিবাহৰ প্ৰতি নমনীয়তা বেছি। তেওঁলোকৰ মাজত প্ৰচলিত ছয় প্ৰকাৰৰ বিবাহ হ'ল— (১) নোৱাই-ধোৱাই দিয়া বিবাহ অৰ্থাৎ বৰবিয়া, (২) হোম পুৰি কৰা বিবাহ, (৩) গন্ধৰ্ব প্ৰথামতে কৰা বিবাহ, (৪) পলুৱাই নিয়া বিবাহ, (৫) আসুৰিক বিয়া আৰু (৬) অনুষ্টুপীয়া বিয়া।

লোক সংস্কৃতিৰ পথাৰ উজ্জ্বলাই ৰখা সোণোৱাল কছাৰীসকলৰ বিভিন্ন উৎসৱত গীত আৰু নৃত্য আৱশ্যম্ভাৱী। বায়থ' পূজা তেওঁলোকৰ অন্যতম উৎসৱ। এই পূজাৰ দেৱতা শিৱ। তিনিদিন ধৰি এই পূজা হয়। বলি-বিধান, পূজা-পাৰ্বনৰ উপৰিও ইয়াত হাইদাং গীত পৰিৱেশন কৰা হয়। এই গীত তেওঁলোকৰ প্ৰথম আৰু প্ৰাচীন গীত। অতি তাৎপৰ্যপূৰ্ণ কথা এই যে গীতবোৰ ধৰ্মবিশ্বাস আৰু জনজীৱনক লৈ সৃষ্টি হোৱা। সৃষ্টিতত্ত্ব আৰু দেহতত্ত্ব সম্বন্ধে বৰ্ণিত এই গীতত

বিশ্ব ব্ৰহ্মাণ্ডৰ চাৰি মুঠি জীৱই মুখ্যতঃ স্থান পাইছে।

সোণোৱাল কছাৰীসকলৰ ধৰ্মীয় ক্ৰিয়া-কাণ্ডৰ ভিতৰত বাথৌ পূজা অন্যতম। উৎসাহ-উদ্দীপনাৰে এই পূজা উদযাপিত হয়। সোণোৱাল কছাৰীসকল প্ৰধানতঃ কৃষিজীৱী। সেয়ে সোণোৱাল কছাৰীসকলৰ এটি উল্লেখযোগ্য পূজা হ'ল 'লখিমী পূজা'। ই কৃষিকৰ্মৰ লগত জড়িত পূজা আৰু ইয়াৰ গুৰিতে আছে ধৰ্মীয় বিশ্বাস।

সোণোৱাল কছাৰীসকলে বিহুত হাইদাং গীত, হুঁচৰি গীত গায়। এই গীতৰ অন্তৰ্নিৰ্হিত উদ্দেশ্য হৈছে মুকলি আকাশৰ মেঘমল্লাৰক আমন্ত্ৰণ কৰা, যাতে ই পৃথিৱীক বৰষুণ দি মাটিক উৰ্বৰা কৰিবলৈ এই গীতে আকুতি জনায়। এই গীতৰ পৰিপূৰক ৰূপে যি নৃত্য কৰা হয় সেই নৃত্যই হাইদাং নৃত্য। এওঁলোকৰ মাজত ফুলকোঁৱৰ, মণিকোঁৱৰৰ গীত, জনাদৈ গাভৰুৰ গীত, নিচুকনি গীত, আইনাম, গোঁসাই নাম, লখিমী সবাহৰ গীত আদি উল্লেখযোগ্য।

সোণোৱাল কছাৰী সমাজত বেজ-বেজালি আৰু বিভিন্ন লোকবিশ্বাস আছে। গ্ৰাম্য জীৱনত তেওঁলোকে বহু ৰোগ-ব্যাধি জৰা-ফুকা, মন্ত্ৰ, বেজ-বেজালি আৰু বনৌষধিৰে নিৰাময় কৰে।

সোণোৱাল কছাৰীসকলৰ মাজত জনজীৱনৰ লগত জড়িত বিভিন্ন ফকৰা-যোজনা, প্ৰবচন, সাধুকথা আৰু গীত-মাতে লোক সাহিত্যৰ দিশটোক পুষ্ট কৰি ৰাখিছে।

*পূবে ভঁৰাল, পশ্চিমে গঁৰাল।*
*উত্তৰে চৰু, দক্ষিণে গৰু।।*

সাধাৰণতে এনে ধৰণৰ নিয়ম মানি সোণোৱাল কছাৰীসকলে গৃহ নিৰ্মাণ কৰে। তেওঁলোকে বাঁহ, ইকৰা, খেৰ, কাঠ আদিৰে ঘৰ-দুৱাৰ সাজে যদিও আজিকালি এইবোৰ দুৰ্লভ হোৱাত পকীঘৰ সাজিবলৈ লৈছে। ধান খেতিৰ ওপৰত নিৰ্ভৰ কৰা হেতুকে তেওঁলোকৰ প্ৰধান আহাৰ ভাত। বিভিন্ন শাক-পাচলি, যেনে— লাউ, লফা, কবি, পালেং, ধনীয়া, আলু, কচু, মিঠা আলু, আদি খাদ্য হিচাপে ব্যৱহাৰ কৰে।

সোণোৱাল কছাৰীসকলৰ মাজতো জাতি-জনজাতিৰ অবিচ্ছিন্ন ধাৰা ৰক্ষিত হৈ আহিছে। অসমীয়া জাতিৰ মাজতো শাক্তধৰ্মী, শৈৱধৰ্মী লোক আছে। অসমীয়া জাতিৰ মাজতো জন্ম, মৃত্যু হ'লে অশৌচ মনা দেখা যায়। সেইকেইদিন অৰ্থাৎ অশৌচ নোযোৱালৈকে সেই পৰিয়ালটোৱে কোনো ৰাজহুৱা মাংগলিক কামত সহযোগিতা আগবঢ়ায়। তেওঁলোকৰ দৰে আমাৰ সমাজতো বয়সীয়া



মানুহৰ মৃত্যু হ'লে শ' দাহ কৰে। পুত্ৰই মুখাগ্নি কৰে আৰু শ' শ্মশানলৈ চাঙীত তুলি নিয়ে। দহ দিনত দহা পাতে। তেওঁলোকৰ নিয়মমতে অসমীয়া সমাজতো গৃহ নিৰ্মাণ কৰে। আমাৰ দৰে তেওঁলোকৰো প্ৰধান খাদ্য ভাত। শাক-পাচলি— লাউ, লফা, ধনীয়া, কচু, আলু, পালেং আদি অসমীয়া সমাজতো খাদ্য হিচাপে ব্যৱহাৰ কৰে।

জাতি-জনজাতি (সোণোৱাল কছাৰী)ৰ মাজত বিশ্লেষণ কৰি চালে দেখা যায় দুয়োটাৰ মাজত ইমানে সম্বন্ধ আছে যে তাক বাচি উলিয়াব নোৱাৰি। দুয়োটাৰ মাজত অধিকাংশই মিল থকা দেখা যায়। তেওঁলোকৰ মাজত প্ৰভেদ বিশেষ নাই বুলি ক'ব পাৰি। সেয়ে সোণোৱাল কছাৰীসকলে নিজকে বৃহত্তৰ অসমীয়া জাতিৰ অংশীদাৰ হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। সোণোৱাল কছাৰীসকলে নিজকে অসমৰ ভূমিপুত্ৰ বুলি পৰিচয় দিয়ে।

অসমৰ বৃহত্তৰ জাতি গঠন প্ৰক্ৰিয়াৰ ইতিহাসত তেওঁলোকৰ ধৰ্ম, সাহিত্য, সংস্কৃতিক বেলেগকৈ চাব নোৱাৰি, যিদৰে নোৱাৰি মহাবাহু ব্ৰহ্মপুত্ৰক এৰি অসমক কল্পনা কৰিব। গতিকে দেখা যায় যে সোণোৱাল কছাৰীসকলৰ সংস্কৃতি অসমীয়া সংস্কৃতিৰ লগত এক অবিচ্ছিন্ন ধাৰাৰে বান্ধ খাই আছে।

**বৰো ঃ**

বৰোসকল মংগোলীয় নৃ-গোষ্ঠীৰ তিব্বত-বৰ্মীয় ভাষা-ভাষী লোক। বৰোসকল ঘাইকৈ শৈৱ পন্থাৰ লগত জড়িত বাথৌপন্থী লোক। অৱশ্যে তেওঁলোকৰ মাজত কিছুসংখ্যক সনাতন বৈষ্ণৱ আদি হিন্দুধৰ্মৰ ধাৰাৰ আৰু খৃষ্টধৰ্মীয় লোকো নথকা নহয়। বৰোসকলৰ এচামে পুৰণি সমাজ, ৰীতি-নীতি, সাজ-পাৰ, ভাষা-কৃষ্টি খামোচ মাৰি ধৰি ৰাখিবলৈ সমৰ্থ হৈছে আৰু আন এচামে ভিন্ ভিন্ পন্থাৰ প্ৰতি অনুৰক্ত হৈ নিজৰ সাতামপুৰুষীয়া আচাৰ-নীতি বিসৰ্জন দিবলৈ আৰম্ভ কৰিছে। পুৰণি আচাৰ-নীতি বিসৰ্জন দি সম্পূৰ্ণ আৰ্যীভূত হোৱা খেলৰ ভিতৰত সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, শৰণীয়া, মদাহী, মেচ আদি অন্যতম।

বৰোসকলে প্ৰধানতে ভৈয়ামত বাস কৰে বাবে মংগোলীয় সংস্কৃতিৰ অন্যতম উপাদান স্বৰূপ চাংঘৰ, ঝুমখেতি আদিৰ প্ৰচলন নাই। তেওঁলোকৰ ঘৰ-বাৰী মুকলিমূৰীয়াকৈ সোঁমাজত এখন চোতাল ৰাখি চাৰিওফালে সজোৱা। চোতালখনৰ উত্তৰ-পূব চুকত সিজু গছ এজুপি ৰুই তাত বাঁহৰ টাটী-চকোৱাৰে ঘেৰি 'বাথৌশালী' প্ৰতিষ্ঠা কৰা থাকে। অৱশ্যে আদৰ্শ বৰো বৰঘৰৰ (নোমানো)

বাঁহ, বেত, কাঠ, মাটি আদিৰে নিৰ্মিত লোকশিল্পত এই অঞ্চল চহকী। বাঁহেৰে নিৰ্মিত জপা, খৰাহি, শৰাই, দেৱতা বা দেৱীৰ মূৰ্ত্তি বাচ্‌কেট, বিভিন্ন বিধৰ ঢাৰি, পেটাৰি, চালনী, ডলা, পাচি মাছ ধৰা বিভিন্ন সঁজুলি, মুখা, হালবোৱা, শলমাৰি, মৈ, নাঙলৰ ডিলা, এচাৰি আদি ৰীতিবদ্ধ শিল্পৰ নিদৰ্শন। বাঁহ শিল্পত ত্ৰিপুৰীসকলে স্বকীয় শৈলীৰ নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। নগাসকলও এইক্ষেত্ৰত ব্যতিক্ৰম নহয় বাঁহ আৰু কাঠেৰে বাদ্যযন্ত্ৰ নিৰ্মাণ কৰাৰ পৰম্পৰা। এই অঞ্চলত অতীতৰে পৰা প্ৰচলিত কাঠৰ মূৰ্ত্তি, ধপাত খোৱা চেলেউ, পানী খোৱা সঁজুলি, দাৰমুঠি, যাঠি আদি নিৰ্মাণত নগাসকল সুদক্ষ। কাঠৰ দ্বাৰা নিৰ্মিত বিভিন্ন আচবাব, নাও, ঢোল, নাগাৰা, খোল আদিৰ গাড়ী নিৰ্মাণত অসমীয়া বাঢ়ৈসকল পাৰ্গত। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল বাঁহ নিৰ্মিত হস্তশিল্পৰ বাবে প্ৰখ্যাত। প্লাষ্টিক বা আইনা অথবা লোহাৰে নিৰ্মিত পাত্ৰবোৰৰ উৎপাদন নোহোৱালৈকে এই অঞ্চলৰ জনসাধাৰণে বাঁহৰ চুঙাৰে এইবোৰ কাম সম্পাদন কৰিছিল। আনকি তিৱা, মিজো, নগা আদিৰ মাজত বাঁহ নৃত্যৰ প্ৰচলন লক্ষ্য কৰা যায়। টিৱাপৰ নক্টেসকলৰ সমাজত প্ৰচলিত বাঁহ খেলবোৰ দৰাচলতে নৃত্যহে। এনেবিধৰ নৃত্যৰ ভিতৰত 'কোং কোং খেপ, ' ছুন-ছুন-তুবোক', 'দক-তুৰং-তুৰক ' আদি উল্লেখযোগ্য। দণ্ড নৃত্যৰ দণ্ডৰ ক্ষেত্ৰতো বাঁহে প্ৰাধান্য লাভ কৰে।[১২]

খাদ্য আৰু ৰন্ধন বিদ্যাতো ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলৰ মাজত সমন্বয়ৰ প্ৰতিচ্ছবি উজলি উঠিছে। ৰন্ধন বিদ্যাত এই অঞ্চলৰ পুৰুষ আৰু নাৰী উভয়ে দক্ষ। পৰম্পৰা মতে ৰান্ধনী ঘৰত নাৰীৰহে বিশেষ অধিকাৰ। পোৰা, সোহওৱা, বিন্ধি দিয়া বা কাঠিত দিয়া, খাৰ আদি ব্যঞ্জন এই অঞ্চলৰ লোকৰ অতিকে প্ৰিয়। বাঁহগাজৰ পৰা বিবিধ সুমষ্টি আৰু জুতিলগা ব্যঞ্জন প্ৰস্তুত কৰাত এই অঞ্চলৰ আইসকল পাৰ্গত। জাতি বা জনজাতি বিশেষে সকলো জন্তুৰ মাংস আৰু মাছ খোৱাৰ উপৰিও কিছুমান কীট-পতঙ্গও মুকলিকৈ ভক্ষণ কৰিছিল। জিলি, আমৰলি পৰুৱাৰ টোপ, কোদো বৰলৰ টোপ, নিংকৰি, উইচিৰিঙা (ডাঙৰ বিধ), কুচিয়া, কেঁকোৰা, মুগাৰ লেটা, গুই, কেঁটেলাপহু, গাহৰি, বনৰৌ, কেমটাই পহু আদি সকলো খায়, কিন্তু ভাৰতৰ অন্যান্য অঞ্চলৰ আৰ্য হিন্দুৱে মাছ-মাংস নাখাইছিল, কিন্তু অসমলৈ আহি তেওঁবিলাকৰ অখাদ্যক ইয়াত খাদ্যৰূপে গ্ৰহণ কৰিছিল। ঘৰচীয়া কুকুৰা কিছুদিনলৈ অভক্ষ্য হৈ থাকিলেও হাঁহ, পাৰ, বনৰীয়া কুকুৰা, বৰা গাহৰি ভক্ষণীয় হৈ পৰিছিল। কাহানিও বাঁহগছ নেদেখা পূৰ্বপুৰুষৰ বংশধৰ সকলে পকা খৰিচা, শুকান খৰিচা খাই আজিও জিভা টকালি পাৰে। সেইদৰে কচু, ঢেঁকীয়া, মানিমুনি, মাটিকাদুৰিও লেখৰ শাকৰ



অসমলৈ আহিছে আৰু ইয়াত নিগাজিকৈ বসবাস কৰিবলৈ লৈছে। তেওঁলোকে লগত লৈ অহা সংস্কৃতি আমাৰ অসমত বিয়পাই দিছে আৰু তেওঁলোকেও আমাৰ পূৰ্বৰ ৰীতি-নীতিক আদৰি লৈছে। এই নৃ-গোষ্ঠীসমূহৰ জনজাতিসমূহে তেওঁলোকৰ বিবিধ সাংস্কৃতিক সম্পদ, ভাষিক আৰু আৰ্থ-সামাজিক বৈশিষ্ট্যই অসমীয়া সংস্কৃতিৰ সৈতে বিলীন হৈ থলুৱা সংস্কৃতি গ্ৰহণ, বৰ্জন আৰু বিনিময়ৰ যোগেদি পৰিপূৰ্ণ অসমীয়া সংস্কৃতিৰ ভেটি নিৰ্মাণ কৰিছে।

**গ্ৰন্থপঞ্জী ঃ**

১। অসমৰ জনজাতি (সম্পাদক) ঃ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য
২। অসমীয়া লোক সংস্কৃতিৰ আভাস ঃ ড° নবীন চন্দ্ৰ শৰ্মা
৩। অসমৰ সংস্কৃতিৰ সমীক্ষা (মুখ্য সম্পা.) ঃ ড° নবীন চন্দ্ৰ শৰ্মা
৪। অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা ঃ ড° লীলা গগৈ

# উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু ইয়াৰ বিশেষত্ব

● ড° অমৰজ্যোতি কোঁৱৰ

**আৰম্ভণি ঃ**

উত্তৰ-পূৰ্বাঞ্চল বুলি ক'লে ভাৰতৰ উত্তৰ-পূৱফালে অৱস্থিত বৰ্তমানৰ অসম, মেঘালয়, অৰুণাচল, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰা এই সাতখন ৰাজ্যৰ সমষ্টি এক ভৌগোলিক অঞ্চলক সূচায়। ঐতিহাসিক আৰু ভৌগোলিক দিশত যিদৰে এই সাতখন ৰাজ্যৰ মাজত মিল বা সাদৃশ্য আছে, তদ্ৰূপ সাংস্কৃতিক দিশতো এই সাতোখন ৰাজ্যৰ সাদৃশ্য অস্বীকাৰ কৰিব নোৱাৰি।

প্ৰাগ্ঐতিহাসিক আৰু ঐতিহাসিক যুগত এই অঞ্চল প্ৰাগ্জ্যোতিষ বা কামৰূপ নামেৰে পৰিচিত আছিল। 'ৰামায়ণ' 'মহাভাৰত', ' কালিকা পুৰাণ', 'যোগিনীতন্ত্ৰ', 'হৰগৌৰী সম্বাদ' আদি গ্ৰন্থতো প্ৰাগ্জ্যোতিষক ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলৰ দেশ বোলা হৈছে। প্ৰাগজ্যোতিষ বা প্ৰাগজ্যোতিষপুৰ এখন ৰাজ্যৰ নাম যি ৰাজ্যৰ পৰিসীমাই বৰ্তমানৰ সাতোখন ৰাজ্যক সামৰিছিল। 'কালিকা পুৰাণ'ত প্ৰাগজ্যোতিষ বা কামৰূপৰ ভৌগোলিক পৰিসীমাৰ আভাস এনেদৰে পোৱা যায়।

"বহুৰোকা নাম নদী কৰতোয়া প্ৰদক্ষিণে।
উক্তৰ স্বাৰণী চাস্তে তৎপূৰ্বং কামৰূপকম্।।"[১]

অৰ্থাৎ- বহুৰোকা নামে উত্তৰ স্বাৰিণীয়ে স্থানত প্ৰদক্ষিণ কৰি আছে সেই ভূখণ্ডৰ নামেই কামৰূপ ।

ইয়াৰ পৰাই জানিব পাৰি যে, কৰতোৱা নদীৰ দক্ষিণে বিস্তৃত ভূ-অঞ্চলৰ নামেই কামৰূপ ।গতিকে কামৰূপ অঞ্চলৰ ভৌগোলিক সীমাৰেখাই যে, বৰ্তমানৰ সাতোখন ৰাজ্য সামৰিছিল তাত সন্দেহ নাই ।' যোগিনী তন্ত্ৰ'ত প্ৰাচীন কামৰূপৰ

● সহকাৰী অধ্যাপক, বৰপেটা বঙাইগাঁও মহাবিদ্যালয়, লাংলা



ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ উৎসৱ-পাৰ্বণৰ ক্ষেত্ৰতও সমন্বয়ৰ প্ৰতিচ্ছবি উজ্বলি উঠা দেখা পোৱা যায়। এই অঞ্চলৰ অধিবাসীসকলে বছৰটোৰ বিভিন্ন ঋতুত বিভিন্ন উৎসৱ পালন কৰে কৃষিৰ প্ৰাচুৰ্য্য পৃথিৱীৰ প্ৰজনন শক্তি বৃদ্ধি, নতুন বছৰৰ আদৰণি আৰু পুৰণি বছৰৰ বিদায় আদি উদ্দেশ্য আগত ৰাখি। অসমৰ বিহু, দেউল,ভঠেলি, পাউৱাতোলা, পচতি, মথনি, বৰোৰ দোমাসী, বৈসাগু, ৰাভাৰ বাইখু, মিচিঙৰ আলি-আই-লৃগাং, পঃৰাগ, বহাগ বিহু, কাৰ্বিৰ দোমাহী, হাচো-কেকান, চ'জুনড'ক কাম মে, চ'মাংকান, ৰংকেৰ,ডিমাছাৰ বিযু উৎসৱ, তিৱাৰ ছগ্ৰামিছাৱা, আদি। তেনেদৰে নক্টেসকলৰ উল্লেখযোগ্য উৎসৱ হ'ল লুকু। লগতে তেওঁলোকে কোপখুট আৰু ছল্লিৱান উৎসৱ দুটি পালন কৰে। চিংফৌৰ চপ্তো, পাহাৰী মিৰিৰ বুৰিবুত, হিলো, নিচিসকলৰ ন্যোকুম, মনপাসকলৰ তোৰগ্যা, আদিসকলৰ 'আৰাণ' বা পোম্বি, গালংসকলৰ 'মপিন' আদি কৃষি উৎসৱ।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বয়ন শিল্পও সমন্বয়ৰ সংস্কৃতিৰে গঢ়লৈ উঠা দেখা পাওঁ। এই অঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ কলাসুলভ মন আৰু চেতনাৰ পৰিচয় পাব পাৰি বয়ন শিল্পত। অৰুণাচলৰ বয়ন শিল্প কলাৰ বিষয়ে এলউইন ভেৰিয়াৰে সমীচীন মন্তব্য প্ৰকাশ কৰিছে। "The people of Indias frontier points their pictures and write poems in their looms"[১০]

বয়ন কাৰিকৰীত অসমীয়া নাৰীৰ দৰে মণিপুৰী নাৰী সকলো সুদক্ষা। তেওঁলোকে বোৱা বিবিধ কাপোৰ সূক্ষ্ম কাৰিকৰী, ৰীতিৰদ্ধতা আৰু কলাত্মক প্ৰকাশৰ অপূৰ্ব নিদৰ্শন। মণিপুৰী পুৰুষসকলে অসমীয়া পুৰুষ সকলৰ দৰেই ধুতী-পাঞ্জাৱী চোলা পিন্ধে, তেওঁলোকে পাগুৰিও মাৰে। তেওঁলোকৰ ধুতী আৰু পাঞ্জাৱীবোৰ কপাহ বা পাটৰ সূতাৰে তৈয়াৰী। মণিপুৰী মহিলাসকলৰ পোছাক অসমীয়া মহিলাসকলৰ দৰে প্ৰায় একে, পাৰ্থক্য খুব কমেইহে দেখা য়ায়। তেওঁলোকে অসমীয়া মেখেলাৰ নিচিনা এখন কাপোৰ বুকুৰ ওপৰত মেঠনি মাৰি পিন্ধে। তলফালে কাপোৰখনৰ মূৰ দুটা দুই তিনি ইঞ্চিমান ওপৰলৈকে লগ-লগাই চিলাই কৰা। এই কাপোৰখন ভৰিৰ সৰু গাঁথনিৰ ওপৰত পিন্ধে। কাপোৰখনৰ ওপৰৰ আৰু তলৰ পাৰিটো বহল। পাৰি দুটি ৰঙীন সূতাৰে নানা কাৰুকাৰ্যৰে 'ডিজাইন' কৰা ফুলেৰে বছা। এই কাপোৰখন কপাহ বা পাটৰ সূতাৰে বৈ লয়। এই কাপোৰখনক তেওঁলোকে 'ফানেক' বোলে।[১১]

লোকশিল্পৰ প্ৰসংগতো উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষত্ব অস্বীকাৰ কৰিব নোৱাৰি।

মাজত প্ৰচলিত বৈসাগু খুগা মেথায়, ৰাভা সংস্কৃতিত প্ৰচলিত খোখ্চী বা দাদুৰি উৎসৱৰ লগত সম্পৃক্ত গীত, মিচিং সকলৰ আলি-আই- লৃগাঙৰ লগত জড়িত ঐঃনিতম, কাৰ্বিৰ দোমাহী আলুন, ডিমাছাৰ বুসুগীত, দেউৰী- চুতীয়াসকলৰ বিসু গীত, তিৱা সকলৰ দ্বাৰা উদ্‌যাপিত ছগ্ৰামিছাৰা উৎসৱৰ লগত বিহুগীতৰ সাদৃশ্য স্পষ্ট। মেইতেই সকলৰ চানো-লমোক, লইৰোই নিৰ্মিত, খাচীসকলৰ ফৱাৰ (phawar) আৰু কানোহলহো (kynnah laho) গীত মিজোসকলৰ মৌখিক পৰম্পৰাত স্থান লাভ কৰি অহা বিভিন্ন উৎসৱৰ প্ৰসংগত আবৃত্ত গীতসমূহৰ ভিতৰত ছইল্লা (chaila) গীত উল্লেখযোগ্য। কুকি সকলৰ জংগচালাম উৎসৱৰ প্ৰসংগত পৰিৱেশিত নৃত্য বিশেষৰ নাম ‘জংচালাম’। তেনেদৰে ঝুমখেতিৰ অন্তত ‘মালাকাংলাম নৃত্য’ পৰিৱেশন কৰে। মাৰসকলৰ ‘চলুলাম’ হ’ল চিকাৰ নৃত্য। গাৰোসকলৰ দ্বাৰা উদযাপিত ওৱাংগালা বা গুৰেৰতা উৎসৱৰ প্ৰসংগতো গীত-নৃত্য অনুষ্ঠিত হয়। নগালেণ্ডৰ বিভিন্ন জনগোষ্ঠীয়ে বছৰটোৰ বিভিন্ন ঋতুত উদযাপন কৰা উৎসৱ-অনুষ্ঠানৰ সৈতে বিবিধ গীত আৰু নৃত্য জড়িত।

উত্তৰ-পূৰ্বাঞ্চলৰ ধৰ্মৰ ইতিহাসো সমন্বয়ৰ ইতিহাস। শিৱ অনাৰ্য দেৱতা। উত্তৰ-পূৱ ভাৰতত শিৱৰ প্ৰভাৱ অতুলনীয়। কাৰণ উত্তৰ-পূৰ্বাঞ্চলত অষ্ট্ৰিকতকৈ মংগোলীয় সংস্কৃতিৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। সমাজৰ পৰা অকল্যাণ বিদূৰণ আৰু কল্যাণ কামনাৰ উদ্দেশ্য আগত ৰাখি সৰ্বদেশৰ সৰ্বসংস্কৃতিৰ লোকে বিভিন্ন আচাৰ-অনুষ্ঠান বা ক্ৰিয়া কাণ্ড সম্পাদন কৰে আৰু এই আচৰণবোৰেই হ’ল লোকধৰ্মৰ বুনিয়াদ। উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্য্য আৰু আৰ্য্যভিন্ন লোকসকলৰ সংমিশ্ৰণ বা সমাহৰণৰ পৰিণতিত যি ধৰ্মৰ অভ্যুদয় হৈছে সেই ধৰ্মকেই যোগিনীতন্ত্ৰ’ত কৈৰাতজ ধৰ্ম আখ্যা দিয়া হৈছে। আহোম, চুতীয়া, তিৱা, বড়ো সকলোৱে কিবা এটা নামত বুঢ়াগোসাঁইক বলি-বাহন দি পূজা কৰে। ক’ৰবাত শালত বলি কাটে, ক’ৰবাত ডিঙি মুচৰি বলি মাৰি সংজ্ঞায়ন কৰে। বলি মৰা নামৰ এটা খেলেই আছিল। পিছলৈ এইজন মহাদেৱ বুঢ়াগোসাঁয়েই বেদৰ ৰুদ্ৰলৈ পৰিৱৰ্তিত হয় আৰু বুঢ়াগোসাঁনীও দুৰ্গা নামে অভিহিত হৈ দশমহাবিদ্যাৰ অন্তৰ্গত হয়। পূৰ্বতে থলুৱা পদ্ধতিৰে পূজা সেৱা চলা পীঠবোৰৰ পূজা পদ্ধতি সংস্কাৰ কৰোঁতে পৰ্বতীয়া গোসাঁয়ে শিৱসিংহৰ দিনত সংস্কৃত শাস্ত্ৰসন্মত পূজা- পদ্ধতিৰ প্ৰচলন কৰে। আহোম ৰজাসকলে এনেকুৱা প্ৰাচীন পীঠত নতুনকৈ দল দেৱালয় সজাই সম্পূৰ্ণ আৰ্য্য পদ্ধতিৰ পূজা সেৱা চলায়। এই সময়তে অনেক লৌকিক ৰূপৰ দেৱী পুৰাণোক্ত দেৱ-দেৱীলৈ উন্নীত হয়।[১]



ভৌগোলিক চাৰিসীমাৰ আভাস স্পষ্টকৈ পোৱা যায় । যেনেঃ-

“কামৰূপে মহাপূজা সৰ্ববসিদ্ধিফলপ্ৰদা।
নেপালস্য কাঞ্চনদ্ৰিং ব্ৰহ্মপুত্ৰস্য সঙ্গমং।।
কৰতোয়াং সমশ্ৰিত্য যাৱদ্দিক্কৰ বাসিনীং।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়া তুপশ্চিমে।।
তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্ববস্যাং গিৰিকন্যকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়া ঃ সঙ্গমাৱধি।।
কামৰূপ ইতিখ্যাত ঃ সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ।।[২]

১/১১/১৬-১৮ দিক্কৰ-মন্দিৰ আৰু দক্ষিণে অৰ্থাৎ কামৰূপত মহাপূজা কৰিলে সৰ্বসিদ্ধি আৰু সৰ্বফল লাভ কৰিব পাৰি। নেপালৰ কাঞ্চনগিৰিৰ পৰা ব্ৰহ্মপুত্ৰৰ সঙ্গম স্থানলৈ আৰু কৰতোৱা নদীৰপৰা দিক্কৰবাসিনী নদীলৈকে এই ভূ-ভাগেই কামৰূপ। হে গিৰিকন্যা অৰ্থাৎ পাৰ্বতী উত্তৰে কাঞ্চনজঙ্ঘাগিৰি পশ্চিমে কৰতোৱা নদী, পূৱে তীৰ্থশ্ৰেষ্ঠা দিক্ষু নদী বা ব্ৰহ্মপুত্ৰৰ লাক্ষা নদীৰ সঙ্গমস্থান- এই ভূমিখণ্ডকেই কামৰূপ আখ্যা দিয়া হয়। কৰতোৱা নদীৰ পূৱফালে অৱস্থিত বিস্তীৰ্ণ ভূমিভাগেই প্ৰাগ্‌জ্যোতিষ কামৰূপ। মুঠতে প্ৰাগজ্যোতিষ কামৰূপ ৰাজ্যৰ ভৌগোলিক চাৰিসীমাই বৰ্তমানৰ সাতোখন ৰাজ্য সামৰি লোৱাৰ উপৰিও উত্তৰ বংগ আৰু বিহাৰৰ বিস্তৃত অঞ্চল সামৰিছিল।[৩] ‘কালিকা পুৰাণ’, ‘যোগিনী তন্ত্ৰ’ আৰু ‘হৰ-গৌৰী সম্বাদ’ গ্ৰন্থ তিনিখনত প্ৰাগজ্যোতিষ কামৰূপৰ পশ্চিম সীমা কৰতোৱা নদী। সন্দেহ নাই যে, কৰতোৱা নদী প্ৰাগজ্যোতিষ কামৰূপৰ চিৰকলীয়া পশ্চিম সীমা, অৱশ্যে নানা ঐতিহাসিক কাৰণৱশতঃ ইয়াৰ ইফাল সিফাল নোহোৱাকৈ থকা নাই। গুপ্ত সাম্ৰাজ্যৰ শিলালিপিত প্ৰাগজ্যোতিষ- কামৰূপক ‘প্ৰত্যন্ত ভূমি’ আখ্যা দিছে।[৪] ‘প্ৰত্যন্ত ভূমি’ৰ অৰ্থ প্ৰান্তৰৱৰ্তী বা সমীপৱৰ্তী , প্ৰাগজ্যোতিষ- কামৰূপ যে গুপ্ত সাম্ৰাজ্যৰ প্ৰান্তৰৱৰ্তী বা সমীপৱৰ্তী ৰাজ্য আছিল তাৰ আভাস পাব পাৰি। ৰামৰাজ্যৰ পৰা আৰম্ভ কৰি মোগল সাম্ৰাজ্যলৈকে কোনো ভাৰতীয় ৰাজ্য সাম্ৰাজ্যৰ অংগৰাজ্য হৈ প্ৰাগজ্যোতিষ- কামৰূপে নিজৰ স্বকীয় বৈশিষ্ট্য হেৰোৱা নাছিল, যদিও ভাৰতীয় মহাকাব্য পুৰাণ, উপপুৰাণ, তন্ত্ৰ আগম, ৰসকাব্য, আদি বিভিন্ন অভিব্যঞ্জিত সাহিত্যত প্ৰাগজ্যোতিষ কামৰূপৰ নাম উৎসাহৰ সৈতে উল্লেখ কৰা হৈছে। আনকি প্ৰাগজ্যোতিষ কামৰূপ অতি পুৰণি কালৰে পৰা ইমান প্ৰসিদ্ধ ঠাই আছিল যে, সৰ্বভাৰতীয় যিকোনো আন্দোলনৰ মাহাত্ম্য বঢ়াবলৈ ইয়াৰ উল্লেখ প্ৰয়োজনীয় বুলি বিবেচিত হৈছিল।[৫]

নৰকাসুৰ, ভগদত্ত আদি নৃপতিসকলৰ ৰাজত্ব কালৰে পৰা সৰ্বভাৰতীয় ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰসংগত প্ৰাগজ্যোতিষ কামৰূপৰ সম্পৰ্ক ৰক্ষিত হৈ আহিছে। আহোম ৰজা ৰুদ্ৰসিংহ আৰু কোচ ৰজা নৰনাৰায়ণৰ ভূমিকা এই প্ৰসংগত উল্লেখযোগ্য। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ৰাজত্ব কালত বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন স্থানীয় ৰজাসকলৰ মাজত ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক আৰু সম্বন্ধ স্থাপিত হৈছিল।

খৃঃ ১৮২৬ চনত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসম দেশ ইংৰাজৰ হাতলৈ গ'ল। ইংৰাজ ৰাজত্বকালীন অসমো আছিল বৰ অসম। অৰুণাচল (তেতিয়াৰ নেফা), মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আদি ৰাজ্য অসমৰ ভৌগোলিক সীমাৰেখাৰ অন্তৰ্গত আছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পৰৱৰ্তী কালত ৰাজনৈতিক, অৰ্থনৈতিক আদি নানা কাৰণবশতঃ বিশেষকৈ নৃগোষ্ঠীয় পৰিচয় সমস্যাৰ পৰিণতিত তাহানিৰ বৰ অসম খণ্ড-বিখণ্ড হৈ সাতখন ৰাজ্যত পৰিণত হ'ল। ৰাজনৈতিক কাৰণৱশতঃ বৰ অসম সাতোটা খণ্ডত বিভক্ত হ'লেও এই সাত ৰাজ্যৰ পৰম্পৰাগত সমাজ আৰু সংস্কৃতিয়ে পৰস্পৰক মৰম চেনেহৰ এনাজৰীৰে বান্ধি ৰাখিছে।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে উত্তৰ-পূৰ্বাঞ্চলৰ মানুহ অৰ্থাৎ অধিবাসীসমূহৰ মূল জনগোষ্ঠী সমূহৰ বিষয়ে আলোচনা কৰিব লাগিব। ভাৰতীয় অধিবাসীসকল প্ৰধান চাৰিটা নৃগোষ্ঠীৰ বংশধৰ, তদ্ৰূপ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰ অধিবাসীসকলো এই নৃগোষ্ঠী চাৰিটাৰেই সতি-সন্ততি। গতিকে অধিবাসীৰ দৃষ্টিভংগীৰ ফালৰপৰা উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলিব পাৰি।[৬] ভাৰতৰ অধিবাসীসকল তলত দিয়া নৃগোষ্ঠীকেইটাৰ বংশধৰ ঃ

১। নেগ্ৰিটো ২। প্ৰটো অষ্ট্ৰলয়ড ৩। মংগোলীয় ঃ

ক) প্ৰত্ন মংগোলীয় ঃ দীৰ্ঘমস্তকী, প্ৰশস্ত মস্তকী,

খ) তিব্বতো মংগোলীয়।

৪। ভূমধ্য সাগৰীয় ঃ

ক) প্ৰত্ন ভূমধ্য সাগৰীয় খ) ভূমধ্য সাগৰীয় আৰু গ) প্ৰাচ্য।

৫। পশ্চিমীয়া প্ৰশস্ত মস্তকী ঃ

ক) আলপাইন খ) আৰ্মেনীয়া আৰু গ) ডিনাৰিক।

৬। নৰ্ডিক ।[৭]

কোনো কোনো পণ্ডিতৰ মতে ভাৰতীয় লোকসকল তলত উল্লেখ কৰা



নৃগোষ্ঠীকেইটাৰ বংশধৰ যেনে- ১। অষ্ট্ৰলয়ড ২। ইণ্ডো-আৰ্য্য ৩। ইৰাণো- স্কাইথীয় ৪। মুণ্ডাৰী ৫। মালয়-পলিনেছিয়া আৰু ৬। মংগোলীয়। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠী বা অধিবাসীসকল তলত দিয়া নৃগোষ্ঠী কেইটাৰ বংশধৰ। যেনে- ১। মংগোলীয় ২। অষ্ট্ৰলয়ড ৩। ভূমধ্য সাগৰীয় (দ্ৰাবিড়ীয়) আৰু নৰ্ডিক (আৰ্য্যসকল)

এই লোকসকল বিভিন্ন সময়ত বিভিন্ন দিশৰ পৰা আহি এই অঞ্চলত বসবাস কৰিছিল। এই সকলো লগলাগিয়েই উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক অন্যমাত্ৰা প্ৰদান কৰিছে। অনৈক্যৰ মাজত ঐক্যতাই বিৰাজ কৰিছে। কাৰোবাৰ লগত ধৰ্মৰ অমিল, লোকাচাৰ, সাজপাৰ, খাদ্য সম্ভাৰ, লোক উৎসৱ আদি সকলোতে অমিল থাকিলেও সাংস্কৃতিক ক্ষেত্ৰত একেডাল জৰীয়ে আমাক বান্ধি ৰাখিছে। কাৰণ ধৰ্মীয় দিশৰ ফালৰ পৰা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অধিবাসী সকলক হিন্দু, ইছলাম, খৃষ্টান, বৌদ্ধ, শিখ আদি ভাগত বিভক্ত। তেনেদৰে এই অঞ্চলৰ অধিবাসী সকলক জনজাতীয় আৰু অজনজাতীয় এই দুটা বহল ভাগত বিভক্ত কৰিব পাৰি। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত জাতি আৰু জনজাতিৰ মাজত পাৰ্থক্য নাই।[৮]

উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি, ইকোনো নিৰ্দিষ্ট জনগোষ্ঠীৰ সংস্কৃতি নহয়। আৰ্য্য, কিৰাত, নিষাদ, দ্ৰাবিড় সকলো সংস্কৃতিৰে উপাদান সংমিশ্ৰিত হৈ বহুযুগৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি গঢ়লৈ উঠিছে। অৰ্থাৎ জন সমষ্টি কিম্বা সংস্কৃতি কোনোটোৱেই আজি উক্ত ছটা নামৰ ভিতৰত সীমা বান্ধি নিৰ্দিষ্টকৈ দেখুৱাব নোৱাৰি। অৰ্থাৎ পৃথিৱীৰ কোনোটো জাতিৰ গাতে এতিয়া Pure Blood পাবলৈ নাই। ভৌগোলিক অৱস্থান আৰু প্ৰয়োজনীয়তাই এনেকৈ সমন্বয়ৰ বৰভেটি বান্ধিছে যে আজি তাৰ মূল উপাদানবোৰ বিশ্লেষণ কৰি উলিওৱা সহজসাধ্য হৈ থকা নাই। ইটোৰ বুকুত সিটো সংস্কৃতিৰ উপাদানৰ কঠীয় গজিয়ে ইটোৰ কঠীয়া অন্য এটাৰ পথাৰত সোণগুটি ধান হৈ তিৰ্বিৰাইছে। আনপিনে আকৌ এটাৰ ধানমুঠিয়ে আন এটাৰ পুষ্টিসাধন কৰিবলৈ চাউল হৈ সিজি সুস্বাদ ব্যঞ্জনৰ লগত মিহলি হৈ পেটত সোমাইছে। এইদৰে উত্তৰ-পূব ভাৰতত অষ্ট্ৰিক, মঙ্গোলীয়, আৰ্য্য আলপাইন সংস্কৃতিৰ সমন্বয় সাধিত হৈছে।

মৌখিক সাহিত্য বা বাচিক কলাৰ ক্ষেত্ৰত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-উপজাতি নিশ্চিতভাৱে ঋদ্ধ। উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত ভাষাসমূহত মৌখিক সাহিত্যৰ ভিতৰত উৎসৱ-অনুষ্ঠানৰ লগত জড়িত গীত-পদবোৰে বিশেষ স্থান অধিকাৰ কৰি আছে। যেনে- বিহুগীত, হুঁচৰি গীত, পচতিৰ গীত, দেউলৰ গীত, বড়োসকলৰ

কইনাক বাটত হেঙাৰ দি টকা-পইচা বা তামোল-পাণৰ শৰাই লৈ আশীৰ্বাদ দিয়াৰ প্ৰথা এইবোৰ আৰ্য্যভিন্ন জনজাতীয় সমাজৰ পৰা অহা।

জনজাতীয় সমাজত গাম বা গাঁওবুঢ়াৰ ভূমিকা, ডেকা চাং আৰু গাভৰু চাং, সমূহীয়াভাবে চাঙত থকা ডেকা-গাভৰু সকলে ৰাইজৰ কাম কৰা নিয়ম - এইবোৰে বৈষ্ণৱ যুগৰ অসমীয়া সমাজত যথেষ্ট প্ৰভাৱ পেলাইছিল। এতিয়াও অসমীয়া গাঁও সমূহৰ গাঁথনিত জনজাতীয় সমাজ পদ্ধতিৰ প্ৰভাৱ উল্লেখযোগ্য বুলিব পাৰি। অৰুণাচলৰ আদি আৰু মিচিং সকলৰ কৌবাং, বানৌকৌবাং, বাংগ কৌবাং আদি বিচাৰ সভাৰ আৰ্হিৰ পৰা সমল আহৰণ কৰি আধুনিক পঞ্চায়ত পদ্ধতি গঢ়ি দিয়াৰ কথা ড° ভেৰিয়াৰ এলুইনে উল্লেখ কৰিছে।

**সাজ-পোছাক ঃ**

অসমীয়া সাজপাৰতো জনজাতীয় লোক সংস্কৃতিৰ উৎস বিচাৰি পোৱা যায়। এড়ি-মুগাৰ ব্যৱহাৰ তিব্বত বৰ্মীয় বড়ো সকলৰ দান। প্ৰাচীন বড়ো গোষ্ঠীৰ লোকে এড়ি-মুগাৰ বেপাৰ কৰিবলৈ তিব্বত পাৰ হৈ অসমত প্ৰৱেশ কৰা বুলি কথিত আছে। 'মিৰিজিম' কাপোৰ মিচিং সকলৰ দান। সাজ-পোছাকৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য কথা যে সৰ্বভাৰতীয় নাৰীৰ পৰিধান 'শাৰী' একেখন কাপোৰৰ; কিন্তু অসমৰ সকলো নাৰীয়ে দুখন কাপোৰ অৰ্থাৎ মেখেলা, ৰিহা নাইবা চাদৰ ব্যৱহাৰ কৰে। ৰিহা-মেখেলা, কঁকালত টঙালি বন্ধাৰ মূলতে জনজাতীয় পৰিধানৰ আৰ্হিৰ পৰা অহা বুলি ক'ব পাৰি। বড়ো তিৰোতাৰ দখনা এই প্ৰসঙ্গত উল্লেখযোগ্য। ইয়াৰ লগতে অসমীয়া তিৰোতাই পিন্ধা কেৰু, থুৰীয়া, জাংফাই, গামখাৰু ইত্যাদি অংগ সজ্জাত বিবিধ জনজাতীয় সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে।

গামোচা, ৰিহা, মেখেলাত বচা বিবিধ চানেকি যেনে - ফুল, চৰাই, তৰা, জীৱ-জন্তু আৰু এইবোৰ চিত্ৰক কোণীয়া, ত্ৰিভুজীয়া, চৰ্তুকোণীয়া, সৰলৰৈখিক কৰাৰ যি আৰ্হি সিও মূলতে জনজাতীয় বয়ন শিল্পৰ মটিফৰ পৰা গৃহীত বুলিব পাৰি। বিশেষভাৱে উল্লেখযোগ্য যে বিকলাঙ্গ সকলৰ বাবে কাপোৰ ব'ব নজনা তিৰোতা জনজাতীয় সমাজত বিৰল। কাপোৰ বোৱাটো জনজাতীয় তিৰোতাৰ সংস্কৃতিৰ প্ৰধান অংশ। ইয়াৰ ফলতে অজনজাতীয় তিৰোতাইও অসমত কাপোৰ ব'বলৈ শিকিলে। আনফালে ভাৰতৰ বিভিন্ন ঠাইত কাপোৰ বোৱা কাম তাঁতী বা পুৰুষ সকলেহে কৰে। তিৰোতা শিপিনী ভাৰতৰ আন ঠাইত পাবলৈ নাই।

বৰ্তমানে অসমীয়া সংস্কৃতিৰ প্ৰতীক হিচাপে গ্ৰহণ কৰা 'জাপি' মূলতঃ



ভিতৰলৈ সোমায়। বহুতে কাঠফুলাও খায়। পৰৱৰ্তী যুগত ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত উৎপাদিত নোহোৱা মাহৰ দাইল, মা-মচলা আৰু অন্যান্য কৃষিজাত পণ্য দ্ৰব্যও অসমীয়া মানুহৰ আহাৰৰ তালিকাত সোমায়।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ লোকৰ মাজত বিভিন্ন বিধৰ লাওপানীৰ প্ৰচলন দেখা যায়। লাওপানী চাউলৰ পৰা প্ৰস্তুত কৰা হয়। লাওপানীৰ নাম হাড়িয়া, হাৰলং, মদ, মধু ইত্যাদি। পূজা-উপাসনা, মৃতকৰ শ্ৰাদ্ধ আদি জনজাতীয় সমাজৰ জন্ম পৰা মৃত্যুলৈ লাওপানীৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। জা-জলপান এই অঞ্চলৰ জনজীৱনত অতিকে প্ৰিয়।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অজনজাতি আৰু জনজাতি উভয়েই বিভিন্ন প্ৰসংগত বাদ্যযন্ত্ৰসহ গীত-পদ গায় সামূহিকভাৱে। গীত-পদৰ লগতো নৃত্য অভিনয়ৰো থাকে একোটা প্ৰসংগ। প্ৰসংগৰ নাম অনুসৰি গীত-পদ আৰু নৃত্যৰো নাম ৰখা হয়। উদাহৰণস্বৰূপে বিহুগীত আৰু বিহুনৃত্যৰ প্ৰসংগ হৈছে বিহু উৎসৱ। বিহু উৎসৱৰ লগত জড়িত গীত-পদ আৰু নৃত্যৰো নামো সেই কাৰণে ৰখা হৈছে বিহুগীত বা বিহু নাম আৰু বিহুনৃত্য। লোক নৃত্যবোৰ প্ৰায়ে বৃত্ত নৃত্য আৰু এই নৃত্যত পুৰুষ-স্ত্ৰী উভয়ে ভাগ লয়। এই অঞ্চলত প্ৰচলিত নৃত্য সমূহৰ ভিতৰত বিহু নৃত্য, হুঁচৰি, দেওধনী নাচ, খেৰাই নাচ, মহোহো বা মইহ খেদা নাচ, কালী-চণ্ডী নাচ, বাঁশ-পূজাৰ লগত জড়িত নাচ, কাতি পূজাৰ নাচ, হুদুম পূজাৰ নাচ, থিয়নামৰ সৈতে সম্পৃক্ত নৃত্য, জাৰি নাচ, বাগৰুম্বা, বৈসাগু নাচ, দোমাসী নাচ, ফাৰকান্তি, চাথাৰ, বহুৰঙী বা বগেঝাৰি, হানাঘোৰা, ভালুক নাচ, মিবু নাচ, আলি-আই-লৃগাং নাচ, পঃৰাগ বিহুৰ লগত জড়িত নাচ, হাইদাং নাচ, জেং বিহু, চাগ্ৰামিছাৱা নাচ, বৰত পূজাৰ নাচ, গিৰাগিৰিচি পূজাৰ লগত সম্পৃক্ত নাচ, কাপা-এৰ-কেকান, দোমাহী কেকান, আৰা-কুৰা নাচ, ৰংকেৰ কেকান, হাচ্চা-কেকান, বসু নাচ, বাই ডিমা নাচ, ৰাস নৃত্য, মাইবা- মাইবী নাচ, থাবাল চোংবা, খুবকু-ইচ্ছেই (মেইতেই মণিপুৰ) বাঁশ নৃত্য মিজোৰাম), নংক্ৰেম নৃত্য (খাচী), ওৱাংগালা (গাৰো) আজি লম্বু (মনপা), পুনু বা পোনাং (আদি), হুৰখনি (আপাতানি), ইগু (ইদু-মিছিমি), ছলো (নক্টে), ৰোপ্পি (মিচি), বিচুচানি নাচ (ত্ৰিপুৰী), দৰ লামস চাবোন লাম(মাৰ) হেৰপিবেলিমা, জোহুম্‌পোচলিম, কংগুইবেলিম, কিন-ইনকপ -ইননাম (জেমি নগা) জংগচালাম, মালকাংলাম ( কুকি), ভৈলাম নাচ বা বিলাম নাচ (ৰাংখল), বৰ লাম পাৰতন লাম (বেইতে) চাবজাং (জয়ন্তীয়া) আদি উল্লেখযোগ্য।[১৩]

সামৰণিত ক'ব পাৰি যে ভাৰতীয় সংস্কৃতি যেনেকৈ যৌগিক সংস্কৃতি তেনেকৈ উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিও সমন্বয়ৰ সংস্কৃতি। প্ৰত্যেকটো জাতি-জনগোষ্ঠীয়ে নিজস্ব সংস্কৃতিৰে বিশ্ব দৰবাৰত চিনাকি হৈও উত্তৰ-পূৰ্বাঞ্চলৰ লোক বুলি বিশ্বক চিনাকি দি আত্মগৌৰৱ অনুভৱ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰত্যেকটো জাতি-জনগোষ্ঠীৰে নিজস্ব সংস্কৃতিয়ে হাড়ে-হিমজুৰে সনা-পোতোকা হৈ থাকিলেও উমৈহতীয়া সংস্কৃতিৰ ক্ষেত্ৰত তেওঁলোকে প্ৰত্যেকটো জাতি- জনগোষ্ঠীৰেই হৃদয়াপিণ্ডত আবেগৰ উন্মাদনা বয়। যিটো হয়তো ভাৰতবৰ্ষৰ বাকী দিশকেইটাৰ পৰিপূৰ্ণ ৰাজ্য সমূহত দেখা পোৱা নাযায়। এইটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বিশেষত্ব। উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিত কোনো জাতি বা জনগোষ্ঠীৰ সাংস্কৃতিক আদৰ্শত সৃষ্টি হোৱা নাই, বুৰঞ্জীয়ে ঢুকি নোপোৱা কালৰেপৰা বাস কৰি অহা নিষাদ-কিৰাত সকলৰ সংমিশ্ৰণত আৰ্য, দ্ৰাৱিড় সকলোৰে সংযোগত গঢ়লৈ উঠিছে। এতিয়া কোনোটোকে ভাগ ভাগ কৰি চাব পৰা নাযায়। যেনেকৈ ভাৰতীয় বুলি ক'লে বিভিন্ন জাতি- জনগোষ্ঠীৰ সংস্কৃতি মিলি আমি সকলোৱে ভাৰতীয়, তেনেদৰে উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিয়েও মই হৈ আমি হ'ব পাৰিছোঁ। কাৰণ, আমি যদি চাওঁ নগা, মিচিং, কলিতা, মণিপুৰী, ত্ৰিপুৰী আৰু অৰুণাচলী হাজং, ৰেংমা, আদি লোক সকল মিলিয়েই উত্তৰ-পূৰ্বাঞ্চল। কাৰণ আমি উত্তৰ-পূৰ্বাঞ্চলৰ হৈয়ো ভাৰতীয়। ড° ভূপেন হাজৰিকাদেৱে কোৱাৰ দৰে নিজৰ মা'ক ভাল পাওঁ বুলি ক'লে আনৰ মা'ক ঘৃণা কৰা নুবুজায়। এয়া আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ গৌৰৱ, হয়তো ভাৰতবৰ্ষৰ বাকী ৰাজ্যবোৰতকৈ আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি অতি চহকী। উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিৰ তাৎপৰ্যপূৰ্ণ কাহিনীয়ে ভাৰতীয় সংস্কৃতিত সংমিশ্ৰিত হৈ ভাৰতীয় সংস্কৃতিক বিশালতা প্ৰদান কৰিছে।

শেষত এটা কথাই ক'ব পাৰি মহাভাৰতৰ এটা শ্লোকত যেনেদৰে কৈছে মহাভাৰতত ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ বিষয়ে যিখিনি আছে পৃথিৱীৰ সকলোতে সেইখিনিয়েই আছে। কিন্তু ইয়াত যিখিনি নাই পৃথিৱীৰ কতোৱেই নাই। তেনেদৰে আমি ক'ব পাৰো উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিত যিখিনি আছে পৃথিৱীৰ সকলোতে এইখিনিয়েই আছে। কিন্তু উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিত যিখিনি নাই পৃথিৱীৰ কতোৱেই নাই।

**সহায়ক গ্ৰন্থপঞ্জী-**

কাকতি, বাণীকান্ত ঃ পুৰণি কামৰূপৰ ধৰ্ম্মৰ ধাৰা, গুৱাহাটী, ১৯৫৫



বুলি আমি ক'ব পাৰো। তলত অসমীয়া সংস্কৃতিত থকা জনজাতীয় সাংস্কৃতিক উপাদান চমুকৈ উল্লেখ কৰাৰ প্ৰয়াস কৰিছোঁ।

**উৎসৱ ঃ**

অসমৰ বিহু উৎসৱ বিভিন্ন জনজাতিৰ সংস্কৃতিৰ সংমিশ্ৰণৰ ফল বুলিব পাৰি। কোনো কোনোৱে 'বিষুৱ' শব্দৰ পৰা 'বিহু' উৎপত্তি হোৱা বুলি ক'ব খুজিলেও প্ৰকৃততে সিও আৰ্যীকৰণ কৰাৰ অপচেষ্টাহে। বিহুত গো সেৱা বা গৰু গা ধোওৱা কাৰ্য্য মূলতে বৈদিক সংস্কৃতিৰ প্ৰভাৱ যেন লাগিলেও প্ৰকৃততে সেয়া কৃষিজীৱি লোকৰ আচাৰহে। অসমৰ জনজাতীয়সকল প্ৰকৃততে কৃষিজীৱি আৰু তেওঁলোকৰ কৃষি উৎপাদন আৰু প্ৰজনন শক্তিৰ লগত জড়িত বহুতো উৎসৱ আছে। অসমৰ বড়ো, মিচিং, দেউৰী, চুতীয়া, কছাৰী, মটক, মৰাণ ইত্যাদি জনজাতি আৰু সম্প্ৰদায়ে আজিও তেওঁলোকৰ নিজা বৈশিষ্ট্যৰে বিহু পালন কৰে। বিহুৰ বিহুৱান, ভোজন-পান, ঘৰুৱা মদ, তামোল-পাণৰ ব্যৱহাৰ তিব্বত বৰ্মীয় সংস্কৃতিৰ দান। তিব্বত-বৰ্মীয় বা মঙ্গোলীয় সংস্কৃতিক বাঁহ সংস্কৃতি বুলি আখ্যা দিয়া হয় কাৰণ তেওঁলোকৰ মাজত বাঁহ, বেত, কাঠ আদিৰ প্ৰচুৰ পৰিমাণৰ ব্যৱহাৰ আছে আৰু তেওঁলোকে ব্যৱহাৰ কৰা টকা, পেঁপা, গগণা, বাঁহী, ঢোল-ইত্যাদিয়েই বিহুত সংযোজিত হৈছে। অসমৰ জনজাতি সকলৰ বাদে ভাৰতবৰ্ষত অন্যান্য হিন্দু নাইবা আৰ্য্য সমাজত এইবোৰ বাদ্যযন্ত্ৰৰ ব্যৱহাৰ নাই। বিহুৰ লগত জড়িত বিহুগীত, হুঁচৰি গীত আদিৰ সমপৰ্য্যায়ৰ গীত-মাতো বিভিন্ন জনজাতিৰ নিজস্ব ভাষাত জনজাতীয় সমাজত বিদ্যমান। সেয়েহে বিহুক জনজাতীয় অৱদান বুলিব পাৰি।

**সমাজ ঃ**

অসমীয়া সমাজত প্ৰচলিত বহু প্ৰথা জনজাতীয় সংস্কৃতিৰ পৰা অহা। জনজাতীয় সমাজত প্ৰচলিত বৰলা বা বিধৱা বিবাহৰ প্ৰচলন প্ৰাচীন হিন্দু সমাজত নাছিল। মাতৃপ্ৰধান জাতি খাচী, গাৰো আৰু বড়োৰ ঢোকা ৰখা বা ঘৰ জোঁৱাই পদ্ধতিৰ পৰা উচ্চ হিন্দু সমাজতো ঢোকা আৰু ধেমনী প্ৰথা সোমাই পৰিছে। বিবাহযোগ্য কন্যাক পলুৱাই নি বিবাহ কৰোৱাটো জনজাতীয় সমাজৰ এটা স্বীকৃত নিয়ম। হিন্দু সমাজত ইয়াক গন্ধৰ্ব, অসুৰ, ৰাক্ষস নাইবা পিশাচ শ্ৰেণীৰ বুলি স্বীকৃতি দিছে। বিয়াৰ সময়ত দৰাই কন্যাৰ ঘৰলৈ তামোল-পানৰ ভাৰ নিয়া, ছোৱালীয়ে গা যাচি দৰাক বিবাহ কৰা প্ৰথা, ঢোকা প্ৰথা, বলপূৰ্বকভাৱে টানি লৈ গৈ বিবাহ কৰোৱা প্ৰথা, দৰা-

ইটো প্ৰজাতিৰ লোকে সিটো প্ৰজাতিৰ লোকৰ মিলন, মিশ্ৰণ ঘটি পিছলৈ কোনোবা এটা প্ৰজাতিত বিলীন হৈছে। এইক্ষেত্ৰত অষ্ট্ৰেলীয় আৰু নেগ্ৰিটো প্ৰজাতিৰ লোকে মঙ্গোলীয়ত আৰু পিছলৈ মঙ্গোলীয় লোকেও ককেচীয় জাতিগোটৰ আৰ্য্য শাখাৰ মিশ্ৰণ ঘটিল। খ্ৰীষ্টীয় প্ৰথম শতিকাৰ কিছু অগা-পিছাকৈ অহা আৰ্য্যসকলে তেওঁলোকৰ স্বকীয় ভাষা, ধৰ্ম কামৰূপত বিস্তাৰ কৰিবলৈ সক্ষম হয় আৰু এই বিস্তাৰ খ্ৰীষ্টীয় সপ্তম শতিকাৰ পৰা অসমত প্ৰবলতৰ হয়।

অষ্ট্ৰিক, মঙ্গোলীয় সকলতকৈ ককেচীয় আৰ্য্যসকলৰ সভ্যতা, সংস্কৃতি বিশেষকৈ ভাষা আৰু ধৰ্মীয় চিন্তাধাৰাত উন্নত আছিল বুলি ধাৰণা কৰিব পাৰে। তাৰ ফলস্বৰূপে অষ্ট্ৰিক মঙ্গোলীয় জনজাতিসকলে স্বধৰ্ম পৰিত্যাগ কৰি হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ লগতে আৰ্য্য ভাষাকো মাতৃভাষা হিচাপে গ্ৰহণ কৰে। বড়ো শাখাৰ কোঁচ, ত্ৰিপুৰী, চুতীয়া, সোণোৱাল কছাৰী, মনখমেৰ শাখাৰ মেইতেই বা মণিপুৰীসকল, টাই শাখাৰ আহোমসকল হিন্দু ধৰ্মত দীক্ষিত হোৱাৰ লগতে আৰ্য্য ভাষা অসমীয়াকে মাতৃভাষা হিচাপে গ্ৰহণ কৰিলে।

**অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান ঃ**

অসমৰ লোক-সংস্কৃতিৰ ঘাই ভেঁটিটো হৈছে ইয়াৰ থলুৱা জনগোষ্ঠীৰ লোক সংস্কৃতি। এই থলুৱা জনগোষ্ঠীৰ সৰহ ভাগকে বৰ্তমান জনজাতি হিচাপে আখ্যা দিয়া হৈছে। সেয়েহে চমুকৈ অসমৰ লোক সংস্কৃতিৰ ভেঁটি জনজাতীয় লোক সংস্কৃতি বুলিব পাৰি। জনজাতীয় হিচাপে আখ্যা পোৱা এই লোক সকলৰ প্ৰাচীন মানৱগোষ্ঠী অসমত বহু শতাব্দীৰ পূৰ্বেই প্ৰৱেশ কৰি তেওঁলোকৰ ধৰ্ম-অনুষ্ঠান, পূজা-পাতল, লোকবিশ্বাস, আচাৰ-ৰীতি, লোককথা, কিংবদন্তী আদি সৰ্বত্ৰতে সিঁচৰতি কৰে। তাৰ বহুকালৰ পিছতে খ্ৰীষ্টীয় প্ৰথম শতিকা মানৰ পৰা দক্ষিণ-পশ্চিম কোণেদি আৰ্য্য সংস্কৃতিৰ প্ৰৱাহ অসমলৈ বৈ আহে। পিছলৈ আৰ্য্য ভাষা আৰু সংস্কৃতিয়ে প্ৰাচীন জনজাতীয় লোক সংস্কৃতিক ভিত্তি কৰি সিবিলাকৰ ওপৰত প্ৰলেপ সানি আৰ্যীকৰণ কৰিবলৈ আৰম্ভ কৰে। অসমৰ সংস্কৃতিক প্ৰথম দৃষ্টিত আৰ্য্য সংস্কৃতি বুলি ভাবিবলৈ বাধ্য হ'লেও সম্প্ৰতি অসমৰ সংস্কৃতিৰ বিষয়ে যিমানে চৰ্চা হৈছে সিমানেই ইয়াৰ অন্তঃকৰণত জনজাতীয় উপাদান উদ্‌ঘাটন হ'ব ধৰিছে। তাৰ উপৰিও যিহেতু প্ৰাচীন কালৰে পৰা অসমত বিভিন্ন জাতি, জনজাতিয়ে একেলগে বসবাস কৰি আহিছে তাৰ ফলস্বৰূপে অসমীয়া সংস্কৃতি, ভাষাত জনজাতীয় সংস্কৃতি আৰু ভাষাৰ প্ৰভাৱ পৰিছে আৰু জনজাতীয় সংস্কৃতি আৰু ভাষাত অসমীয়া সংস্কৃতি আৰু ভাষাই প্ৰভাৱ পেলাইছে




গগৈ, লীলা ঃ অসমৰ সংস্কৃতি, বনলতা, ডিব্ৰুগড় -১, ২০১২

ৰাভা, হাকাচাম, উপেন (সম্পাদনা) আৰু চহৰীয়া কনক চন্দ্ৰ ঃ অসমৰ বাঁহ সংস্কৃতি, পাণ বজাৰ, গুৱাহাটী - ১, ২০১১

ভট্টাচাৰ্য্য, প্ৰমোদচন্দ্ৰ ( সম্পাদনা) ঃ অসমৰ জনজাতি, অসম সাহিত্য সভা, ধেমাজি, কিৰণ প্ৰকাশন, ২০০৮

শৰ্মা, মৃগেন ঃ উত্তৰ পূৰ্বাঞ্চলৰ জনজাতি, চন্দ্ৰ প্ৰকাশ, পাণ বজাৰ, গুৱাহাটী- ১, ২০১৪

শৰ্মা, নবীন চন্দ্ৰ ঃ ভাৰতৰ উত্তৰ পূব্বাঞ্চলৰ লোক সংস্কৃতি, বাণী প্ৰকাশ, গুৱাহাটী, ২০০৩

তৰ্কৰত্ন, পঞ্চনন (সম্পা) ঃ কালিকা পুৰাণ, কলিকতা, ১৩৮৪ সাল

ভট্টাচাৰ্য্য, চক্ৰেশ্বৰ (অনু) ঃ যোগিনীতন্ত্ৰ, গুৱাহাটী, ১৯৭২

Chatterji, S.K : Kirata- Jana Krti, Calcutta, 1974

Law, B.C : Geographical Essays, (Quoted from B.Kakatis work)

# অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান

● কল্পনা বসুমতাৰী
● ড° বনলতা কলিতা

**অৱতৰণিকা ঃ**

অসমৰ জনজাতি বুলিলে বৰ্তমান সময়ৰ অসমৰ ৰাজনৈতিক আৰু ভৌগোলিক সীমাৰেখাৰ ভিতৰতে আৱদ্ধ থকা জনজাতি সকলৰ বাদেও অৰুণাচল, মেঘালয়, নাগালেণ্ড, মিজোৰাম এই আটাইবিলাক প্ৰদেশৰ জনজাতি সকলকো অন্তৰ্ভূক্ত কৰিব লাগিব। কাৰণ প্ৰাচীন কালৰে পৰা অসমৰ সভ্যতা আৰু সংস্কৃতিৰ লগত এই চুবুৰীয়া প্ৰদেশবোৰৰ জনজাতি সকলৰ ওতঃপ্ৰোত সম্বন্ধ আছে। বিংশ শতিকাৰ মাজডোখৰলৈকে এই প্ৰদেশবোৰ অসমৰ ভৌগোলিক সীমাৰ ভিতৰত আছিল। অসমত ৰাজত্ব কৰা ৰজাসকলে ইয়াৰ চৌকাষে থকা জনজাতি সকলৰ প্ৰতি বিশেষ এক ৰাজনৈতিক দৃষ্টিভংগী গ্ৰহণ কৰি তেওঁলোকৰ লগত মিলাপ্ৰীতিৰে সহাৱস্থান কৰিবলৈ বিচাৰিছিল। আনহাতে বৰ্তমান অসমৰ ভৌগোলিক সীমাৰ ভিতৰত থকা বেছিভাগ জনজাতিৰেই চুবুৰীয়া প্ৰদেশবোৰৰ জনজাতি সকলৰ লগত জাতিগত বা বংশগত মিল আছে। সেয়েহে অসমৰ জনজাতি বুলিলে ইয়াৰ চুবুৰীয়া প্ৰদেশবোৰত থকা জনজাতি সকলৰ কথাও উল্লেখ কৰিব লাগিব।

ভাষাৰ ভিত্তিত অসমৰ জনজাতিক দুটা ভাগত ভাগ কৰা হয়। প্ৰথমটো হ'ল অষ্ট্ৰিক আৰু আনটো হ'ল চীন-তিব্বতীয়। মেঘালয়ত থকা খাচী, জয়ন্তীয়া, চিনটেং আদি লোকসকল অষ্ট্ৰিক ভাষী কিন্তু নৃতাত্ত্বিক জাতি বিচাৰত তেওঁলোকক তিব্বত-বৰ্মীয় বুলি ঠাৱৰ কৰা হৈছে। চীন-তীব্বতীয় ভাষা-ভাষী সকলক প্ৰধানকৈ দুটা শ্ৰেণীত ভাগ কৰা হৈছে। তিব্বত বৰ্মীয় আৰু চীন শ্যামীয়। চীন শ্যামীয় শাখাৰ টাই বা শ্যাম ভাষী হ'ল - আহোম, খামটি, ফাকিয়াল, নকা, আইতনীয়া, তুৰুং, শ্যাম

● সহকাৰী অধ্যাপিকা, পাতি দৰং মহাবিদ্যালয়, মুক্তাপুৰ
● সহকাৰী অধ্যাপিকা, পাতি দৰং মহাবিদ্যালয়, মুক্তাপুৰ



ইত্যাদি। ইয়াৰ ভিতৰত আহোমসকলে ত্ৰয়োদশ শতিকাতে অসমলৈ আহি প্ৰায় ছশ বছৰ ৰাজত্ব কৰে। পিছলৈ টাই বা আহোম ভাষা পৰিত্যাগ কৰি অসমৰ অধিবাসীৰ লগত বৈবাহিক সম্পৰ্ক ঘটাই অসমীয়া জাতি হিচাপে লীন গ'ল। তিব্বত-বৰ্মীয় ভাষা-ভাষীক চাৰিটা শাখাত ভাগ কৰা হয়। তিব্বতীয়, হিমালয়ী, উত্তৰ অসম আৰু অসমবৰ্মী। তিব্বতীয় আৰু হিমালয়ী শাখাৰ লোকৰ সংখ্যা অসমত তাকৰ। উত্তম অসম শাখাৰ ভিতৰত অঁকা, ডফলা, আবৰ, মিৰি, মিচিমি ইত্যাদিয়েই প্ৰধান। আনহাতে অসমবৰ্মীৰ দুটা শাখা আছে — বড়ো-নগা আৰু কুকি-চীন। ইয়াৰে বড়ো-নগা শাখাৰ বড়োৰ ভিতৰত আছে বড়ো, লালুং বা তিৱা, ডিমাছা, ৰাভা, মেচ, কোঁচ, তিপৰা, চুতীয়া, মৰাণ ইত্যাদি। নগাৰ ভিতৰত — আও, আঙ্গামী, লোথা, ছেমা, নক্তে, ৰাচুং ইত্যাদি ভিন ভিন উপজাতিৰ নগাসকল আছে। আনহাতে কাৰ্বি বা মিকিৰসকল বড়ো-নগাৰ মাজতে। কুকি-চীন শাখাৰ ভিতৰত মেইতেই (মণিপুৰী), লুলুং-কোচিন বা চিংফৌ ইত্যাদি।

নৃতাত্ত্বিক জাতি-গোষ্ঠীৰ বিচাৰত অসমৰ জনজাতীয় সকলক মঙ্গোলীয় গোষ্ঠীত ধৰা হয়। মঙ্গোলীয় গোষ্ঠীৰ লোকসকলে বহু শতাব্দীৰ আগৰে পৰা অসমৰ উত্তৰ-পশ্চিম, উত্তৰ আৰু পূব দিশৰ পৰা অসমলৈ প্ৰব্ৰজন কৰে। অসমৰ জনজাতি সকলক মুখ্যতঃ মঙ্গোলীয় গোষ্ঠীত ধৰা হয় যদিও সাম্প্ৰতিক নৃতাত্ত্বিক গৱেষণাই প্ৰমাণ কৰিছে যে তেওঁলোকৰ শাৰীৰিক গঠনত অমঙ্গোলীয় প্ৰভাৱো আছে। বহুতো নৃতাত্ত্বিকে অনুমান কৰে যে মঙ্গোলীয় জনগোষ্ঠীৰ বহু আগতেই ভেদ্দীদ বা প্ৰাচীন ককেচীয় গোষ্ঠীৰ লোক অসমলৈ আহিছিল। তাৰ পিছত অহা পৰাক্ৰমী মঙ্গোলীয় গোষ্ঠীৰ লোক সকলৰ লগত টিকিব নোৱাৰি ভেদ্দীদ গোষ্ঠীৰ লোক মঙ্গোলীয় গোষ্ঠীৰ লগত সংমিশ্ৰিত হৈ যায়। বড়ো গোষ্ঠীৰ লোকৰ মাজত এনে অ-মঙ্গোলীয় বা ভেদ্দীদ গোষ্ঠীৰ শাৰীৰিক লক্ষণ পৰিলক্ষিত হয়।

**অসম — আৰ্য্য-অনাৰ্য্যৰ সহাৱস্থান ঃ**

ভাৰতবৰ্ষ যিদৰে আৰ্য্য-অনাৰ্য্যৰ মিলনৰ তীৰ্থভূমি, অনৈক্যৰ মাজত ঐক্যৰ আধাৰস্থল, অসমো সেইদৰে আৰ্য্য-অনাৰ্য্যৰ মিলনভূমি আৰু অনৈক্যৰ মাজত ঐক্যৰ আৱাসস্থল। বৰ্তমানৰ জনজাতি হিচাপে খ্যাত বড়ো, ৰাভা, ডিমাছা, লালুং বা তিৱা, তিপৰা, সোণোৱাল, কছাৰী, মিকিৰ বা কাৰ্বি, মিৰি বা মিচিং, দেউৰী, চুতীয়া জনগোষ্ঠীৰ পূৰ্বপুৰুষসকল অৰ্থাৎ অষ্ট্ৰেলীয়, নেগ্ৰিটো, মঙ্গোলীয় আদি প্ৰজাতিৰ লোকসকলে বহু শতাব্দীৰ পূৰ্বৰেপৰা প্ৰাচীন অসমত বসবাস কৰি আহিছে। তেওঁলোকৰ বহুতে

নৃত্য কৰে। লিংগ ভেদে নৃত্যৰ ভঙ্গীমাত অৱশ্যে কিছু পাৰ্থক্য বিদ্যমান। সাধাৰণতে ডেকা-গাভৰুৱে অসমৰ পৰম্পৰাগত সাজ-পাৰ যেনে ধূতী-চোলা, চুৰিয়া, চাদৰ-মেখেলা,ৰিহা পৰিধান কৰি এই নৃত্য পৰিৱেশন কৰে। কৃষিকৰ্ম তথা উৰ্বৰা বিশ্বাসৰ সৈতে জড়িত অতীতৰ গছ তলৰ বিহু আজি চহৰৰ মঞ্চত প্ৰৱেশ কৰিছে যাৰ ফলত এই নৃত্যত কিছু পৰিৱৰ্তন আহিছে।

**বাগৰুম্বা নৃত্য ঃ** বাগৰুম্বা (বাগুৰুম্বা) বড়ো সকলৰ পৰম্পৰাগত নৃত্যধাৰা। বড়ো সংগীত আৰু গৱেষক সকলৰ মতে বড়ো সকলৰ পঞ্চদেৱতাক শিব্ৰাইৰূপে কল্পনা কৰি পঞ্চদেৱতাৰ সন্তুষ্টিৰ বাবে পৰিৱেশন কৰা নৃত্যই বাগৰুম্বা নৃত্য। আন এক মত অনুসৰি কুণ্ডিল জীয়ৰী ৰুক্মিণী আৰু দ্বাৰকাপতি শ্ৰীকৃষ্ণ বিয়াৰ পিছত কুণ্ডিললৈ আঠমঙলালৈ অহাৰ সময়ত কিৰাট জীয়ৰীসকলে ৰুক্মিণী আৰু কৃষ্ণক জোকাই গোৱা নৃত্য গীতৰপৰা এই নৃত্যৰ উৎপত্তি। বাগৰুম্বা নৃত্য-গীতৰ সময়ত সংগত কৰা বড়ো পৰম্পৰাগত বাদ্যসমূহ হ'ল খাম (মাদল), চিফুং (বাঁহী), চেৰজা (চেৰেন্দা),জথা (তাল)। নৃত্য পৰিবেশনত কেৱল ছোৱালীয়ে অংশ গ্ৰহণ কৰে যদিও বাদ্য আৰু গীতাংশত পুৰুষ আৰু মহিলা উভয়ে অংশগ্ৰহণ কৰে। নাচনীসকলে ৰঙীন দখনা, ফালি, আৰোনাই আদি পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰে। ধীৰ লয়ত আৰম্ভ হোৱা এই নৃত্য দ্ৰুতলয়ত সমাপ্ত হয়।

**গুমৰাগ(চঃমান) নৃত্য ঃ** গুমৰাগ নৃত্য মিচিং জনজাতিৰ জাতীয় পৰিচয় জ্ঞাপক নৃত্য। কৃষিজীৱী মিচিং সমাজত গুমৰাগ নৃত্য কৃষিৰ সৈতে সম্পৰ্কযুক্ত। এই নৃত্য মূলতঃ আলি-আই-লৃগাং উৎসৱত পৰিৱেশন কৰে। প্ৰতিবছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰে অনুষ্ঠিত কৰা শস্য সিচাঁ উৎসৱ আলি-আই-লৃগাঙৰ খোৱা-বোৱা আৰু অতিথি সৎকাৰ সমাপ্ত হোৱাৰ পিছত গুমৰাগ নৃত্য আৰম্ভ হয়। মিচিং সমাজে বিশ্বাস কৰে যে ডেকা গাভৰুৰ গুমৰাগ নৃত্যৰ মূৰ্চ্ছনাই বসুমতীক উৰ্বৰা কৰি শস্যৰ শ্ৰীবৃদ্ধিত বৰঙণি যোগায়। এই নৃত্যত সকলো ৰাইজে অংশগ্ৰহণ কৰে। লৃগাং নৃত্যৰ চেৰে চেৰে গুমৰাগ নৃত্য পৰিৱেশিত হয়। এই নৃত্যৰ বিভিন্ন অংগী- ভংগীত প্ৰকাশ পায় মাটি চহ কৰা, কঠিয়া তোলা, ভুঁই ৰোৱা, তাঁত বোৱা, ধান দোৱা, শস্য হালি-জালি থকা ইত্যাদি কাৰ্য্য। ঢোলৰ লগতে এই নৃত্যত পেঁপা আৰু বৰকাহোঁ ব্যৱহাৰ কৰে। গাঁৱৰ সকলো লোকেই তেওঁলোকৰ জাতীয় পোছাক পৰিধান কৰি গুমৰাগ নৃত্যত অংশগ্ৰহণ কৰে। প্ৰতিঘৰ গৃহস্থৰ চোতালত পৰিৱেশন কৰা এই নৃত্যই যেন সহায়-সহযোগিতাৰ বাৰ্তা বহন কৰি আনে। বিভিন্ন দেৱ-দেৱতাক আকৰ্ষণ কৰাও এই নৃত্যৰ অন্যতম লক্ষ্য। মিচিংসকলে পঃৰাগ উৎসৱতো গুমৰাগ নৃত্য পৰিৱেশন কৰে।



মংগোলীয় জনজাতিৰ পৰা অহা। চীন, মংগোলীয়, তিব্বত, থাইলেণ্ড, কম্বোডিয়া, লাওচ ইত্যাদি মঙ্গোলীয় জনগোষ্ঠী প্ৰধান অঞ্চলসমূহত জাপিৰ ব্যৱহাৰ দেখা যায়। অসমৰ মংগোলীয় জনজাতিৰ মাজত বিবিধ প্ৰকাৰৰ জাপিৰ ব্যৱহাৰ আছে।

**খাদ্য ঃ**

অসমীয়া সমাজত খাদ্য আৰু আহাৰৰ ক্ষেত্ৰতো জনজাতীয় সকলৰ প্ৰভাৱ কম নহয়। অসমীয়া সমাজত প্ৰচলিত চুঙা চাউল, খাৰলি, খৰিচা, মাটিমাহৰ খাৰ, কলাখাৰ ইত্যাদি জনজাতীয় লোকৰ খাদ্যৰ প্ৰধান অংগ। খৰিচা, শুকতি মাছ বা মাংস, মদ, বাঁহৰ গাজ, পচলা, টেঁপোলা ভাত মংগোলীয় জনজাতিৰ উল্লেখযোগ্য খাদ্য। অন্যান্য জনজাতীয় লোকেও এতিয়া এইবোৰ খাদ্য গ্ৰহণ কৰা দেখা গৈছে। অসমৰ উচ্চ বৰ্ণৰ ব্ৰাহ্মণ, গোসাঁইসকল আমিষভোজী। তেওঁলোকে মাছ, ছাগলী, পাৰৰ মাংস খায়। কিন্তু ভাৰতবৰ্ষৰ আন ঠাইৰ ব্ৰাহ্মণ নিৰামিষভোজী। প্ৰাচীন কালৰ পৰা অসম আৰু বঙ্গদেশ মংগোলীয় জনজাতি অধ্যুষিত অঞ্চল হোৱাৰ হেতুকে পৰিৱেশ আৰু জনজাতীয় সংস্কৃতিৰ প্ৰভাৱত এই দুটা অঞ্চলৰ উচ্চ বৰ্ণৰ হিন্দু আমিষভোজী হ'ল। অসমীয়া সমাজত তামোল-পানৰ ব্যৱহাৰ অপৰিহাৰ্য্য। তামোল-পানৰ ব্যৱহাৰ ভাৰতবৰ্ষত প্ৰথমে দ্ৰাবিড়ি আৰু অষ্ট্ৰিক জনগোষ্ঠীয়ে কৰিছিল বুলি কোৱা হয়। অষ্ট্ৰিকভাষী খাচীসকলৰ বাবে তামোল অতি আৱশ্যকীয় বস্তু। মংগোলীয় বড়ো, নগা, মিচিং, কাৰ্বি আদি সকলো জনজাতিয়ে সকলো অনুষ্ঠানতে তামোল-পান ব্যৱহাৰ কৰে। তামোল শব্দটো বৈদিক সাহিত্যত পোৱা নাযায়। সেই কাৰণে তামোল শব্দৰ উৎপত্তি দ্ৰাবিড় নাইবা অষ্ট্ৰিক ভাষাৰ পৰা হোৱা বুলি বহুতে মত পোষণ কৰে। তামোল-পানৰ লগত জড়িত নানান লোক বিশ্বাস, আচাৰ-ৰীতি অসমত বহুকালৰ পৰাই প্ৰচলিত হৈ আহিছে। সেইবিলাকৰ উৎসও জনজাতীয় লোক সংস্কৃতি বুলি ভাবিবৰ থল আছে। ইয়াৰ বাহিৰেও উৎসৱ-পাৰ্বণ উপলক্ষে সমূহীয়াকৈ মাছ ধৰা, পহু চিকাৰ কৰা ইত্যাদি মূলতে তিব্বত-বৰ্মীয় লোকৰ সংস্কৃতিৰ দান।

**ধৰ্ম আৰু বিশ্বাস ঃ**

অসমৰ ধৰ্ম আৰু লোক বিশ্বাসত জনজাতীয় উপাদান যথেষ্ট পোৱা যায়। অসমত আৰ্য্য হিন্দু ধৰ্মৰ বাদেও জনজাতীয় আদিম ধৰ্মবিশ্বাস, বৌদ্ধ, ইছলাম আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰচলন আছে। লগতে সেই ধৰ্মৰ লগত জড়িত মন্দিৰ, থান, বিহাৰ, মছজিদ, গীৰ্জা আদিও আছে। আৰ্য হিন্দুধৰ্মত শৈৱ, শাক্ত আৰু বৈষ্ণৱ ইত্যাদি ভাগ

আছে। এই ভাগবোৰত প্ৰাচীন কালৰে পৰা জনজাতীয় সমাজত প্ৰচলিত নানান লোকবিশ্বাস আৰু আচাৰ সোমাই পৰিছে। জনজাতীয় সমাজত (যেনে - মিচিং, নক্তে) প্ৰচলিত বৈষ্ণৱ ধৰ্মত মাছ-মঙহ আৰু আপং বা মদৰ ব্যৱহাৰ আছে, এইবোৰ প্ৰাচীন লৌকিকতা। বড়ো, মিকিৰ, নগা, খাচী, গাৰো, মিজোৰ মাজত খ্ৰীষ্টান ধৰ্ম প্ৰচলিত আছে। বাহ্যিক আচাৰ-বিচাৰত খ্ৰীষ্টান ধৰ্মৰ নীতি-বিৰুদ্ধ কিছুমান ক্ৰিয়াকাণ্ড তেওঁলোকে পালন কৰে। পূৰ্ববঙ্গ, বাংলাদেশ অঞ্চলত থকা মঙ্গোলীয় বড়ো গোষ্ঠীৰ বহুলোকে মুছলমান ধৰ্মত দীক্ষিত হৈছে। তেওঁলোকৰ মাজতো ইছলাম ধৰ্ম বিৰুদ্ধ কিছুমান আচাৰ-ৰীতি থকাৰ উমান পোৱা যায়। এইবিলাক জনজাতীয় সকলৰ প্ৰাচীন লোকবিশ্বাসৰ ফল।

কামাখ্যা প্ৰথমে অষ্ট্ৰিক সকলৰ মৰিশালি আছিল, তাৰ পিছত মৰিশালিৰ দেৱী, তাৰ পিছত বড়োসকলৰ উপাস্য দেৱী, তাৰে পিছত হিন্দুৰ পীঠস্থান। কামাখ্যাত আৰ্য্য হিন্দু ধৰ্মৰ বহিৰ্ভূত কিছুমান আচাৰ-বিচাৰ এতিয়াও চলি আছে। এয়াও জনজাতীয় ধৰ্মীয় উপাদানৰ প্ৰভাৱৰ ফল। শিৱ দ্ৰাবিড় সংস্কৃতিৰ প্ৰধান দেৱতা। নীলাচলৰ কামাখ্যা, শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ এতিয়া হিন্দু মঠ-মন্দিৰ হিচাপে খ্যাত যদিও মূলতে এইবোৰ আৰ্যতৰ সংস্কৃতিৰ। বড়োসকলে শিক্ষক বাথৌব্ৰাই বা বুঢ়া মহাৰজা, আই গোসাঁনী বা কেঁচাইখাতীৰ ৰূপত কামাখ্যা, ভৰলী বুঢ়ী, লক্ষ্মী (মাইনাওবুঢ়ী) আৰু দেউৰী-চুতীয়া সকলে বলিয়া বাবা (গিৰাছিগিৰি) আৰু তাম্ৰেশ্বৰী মাতৃক 'পিশ্বাচি ডেমা' ৰূপত কল্পনা কৰি আৰাধনা কৰে। এইবিলাক থানত হাঁহ, পাৰ, কুকুৰা, ছাগলী, ম'হ, ঘোঁৰা ইত্যাদি বলি দিয়া হয়। আগতে তাম্ৰেশ্বৰী মন্দিৰত মানুহ বলি দিয়া হৈছিল। এইবোৰ বিধান ইণ্ডো-তিব্বতীয় বা কিৰাত সকলৰ পৰা অহা।

অসমত বিবিধ পূজা-পাতল আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত বহুতো তন্ত্ৰ-মন্ত্ৰ আছে। অসমৰ সকলো জনজাতিৰ মাজত নানা প্ৰকাৰৰ তন্ত্ৰ-মন্ত্ৰ আছে। এই তন্ত্ৰ-মন্ত্ৰত উল্লিখিত শিৱৰ নামোচ্চাৰণ সঘনাই হোৱাৰ পৰা এই কথা ধাৰণা কৰিব পাৰি যে এইবোৰ সৰহভাগেই জনজাতীয় সমাজৰ পৰা অহা। আহুদি, বশীকৰণ, নিদ্ৰাবান, এইবোৰ এতিয়াও জনজাতীয় সমাজত প্ৰচলিত আছে। মাতৃপ্ৰধান জনজাতি খাচী তিৰোতাই পুৰুষক আহুদি কৰি নিজৰ বৰণযোগ্য কৰি লোৱাৰ কথা আজিও বিদ্যমান। সেইদৰে অশৌচ পালন, প্ৰসূতি আৰু জন্ম-মৃত্যুৰ লগত জড়িত বহুতো আচাৰ-ৰীতি জনজাতি সমাজৰ পৰাই অসমৰ বিভিন্ন জনগোষ্ঠীলৈ সোমাই পৰিছে। জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰ, যাদুবিদ্যা ইত্যাদি অবৈদিক নীতি-নিয়ম মূলতে জনজাতীয় সকলৰ পৰা অহা। বড়ো, মিচিং, কাৰ্বি, দেউৰীৰ মাজত নানান ৰূপত দেও-ভূত, বুঢ়া-ডাঙৰীয়া,



প্ৰচুৰ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়। সমাজৰ উচ্চ-নীচ আদি সকলো শ্ৰেণীৰ ব্যক্তিৰ অন্তৰত নৃত্যই সমভাৱৰ উদয় কৰে। সেয়েহে নৃত্যই সকলো স্তৰৰ তথা বিভিন্ন ভাষা-ভাষী বা বিভিন্ন লোকক এক মানৱীয় ঐক্যৰে বান্ধি সামাজিক শিক্ষা দান কৰিবলৈ সক্ষম হয়। তাৰ বাবে নৃত্যকলাক সমাজৰ উন্নত সভ্যতাৰ স্বৰূপ বুলি কোৱা হয়। ব্যায়ামৰ অংগ ৰূপে নৃত্যকলাই ন-শিকাৰুৰ শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধন কৰে। মানৱ শৰীৰৰ অঙ্গ- প্ৰত্যঙ্গ আৰু উপাঙ্গৰ জঠৰতা নৃত্যৰ মাধ্যমেৰেই নাইকিয়া কৰা হয়। এইবিধ কলাই শৰীৰৰ গঠন সুঠাম কৰাৰ উপৰিও মানুহক দীৰ্ঘায়ু কৰে। বিজ্ঞানী আৰু চিন্তাবিদসকলেও নৃত্য ব্যায়ামক সকলো ব্যায়ামৰ উৰ্দ্ধত স্থান দিছে।[২]

নৃত্যকলাই প্ৰথমে লোক সমাজত স্বতঃস্ফুৰ্তভাৱে গঢ় লৈ উঠি বিভিন্ন অঞ্চলৰ লোকভাষা, পোছাক পৰিচ্ছদ, পৰম্পৰা, ৰীতি-নীতি আৰু জীৱন যাত্ৰাৰ প্ৰণালীৰ লগত সম্বন্ধ স্থাপন কৰে। অঞ্চল ভেদে বিকশিত হোৱা প্ৰতিটো লোকনৃত্য সেই অঞ্চলৰ আঞ্চলিক বৈশিষ্ট্যৰে সমৃদ্ধ। লোক সমাজৰ ৰীতি-নীতিৰে গঢ় লোৱাৰ কাৰণে এইবিধ কলা লোকনৃত্য হিচাপে সমাজত প্ৰচলিত হৈছে।

**উত্তৰ-পূৰ্বাঞ্চলৰ লোকনৃত্যৰ পৰিচয় ঃ**

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ চমু পৰিচয় দি সেই ৰাজ্যসমূহতপ্ৰচলিত বিশেষ কেতবোৰ লোকনৃত্যৰ বিষয়ে চমুকৈ তলত আলোচনা কৰা হ'ল -

**অসম** - ভাৰতৰ পূব দিশত অৱস্থিত সু-প্ৰাচীন,সু-সমৃদ্ধ তথা চিৰসেউজ ৰাজ্যখনেই হ'ল পূৰ্বৰ প্ৰাগ্‌জ্যোতিষ, কামৰূপ আৰু বৰ্তমানৰ অসম। প্ৰাকৃতিক সৌন্দৰ্যত অসমৰ সমতুল্য কোনো নাই বাবে 'অ-সম' ৰ পৰা অসম নাম লোৱা এই ৰাজ্য সাংস্কৃতিক দিশেৰে অতুলনীয়। নৃত্য-গীতত অতীজৰে পৰা যে অসম চহকী সেই কথা শাস্ত্ৰতো আছে। অসমত বসবাস কৰা অসংখ্য জাতি-জনজাতিৰ মাজত তেওঁলোকৰ পৰম্পৰাগত বৰ্ণিল নৃত্য প্ৰচলিত হৈ আহিছে। তলত অসমত প্ৰচলিত তেনে কেতবোৰ বিশেষ লোকনৃত্যৰ আভাস দিবলৈ প্ৰয়াস কৰা হ'ল-

**বিহু নৃত্য ঃ** বিহু অসমৰ আটাইতকৈ জনপ্ৰিয় লোকনৃত্য। অসমৰ জাতীয় উৎসৱ তথা অসমীয়াৰ বাপতি সাহোন স্বৰূপ বিহু উৎসৱ বিশেষকৈ ৰঙালী বিহুৰ লগত এই নৃত্য জড়িত। পুৰুষ- মহিলা উভয়ে দলবদ্ধ ভাৱে অসমৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ যেনে-ঢোল, পেঁপা, তাল, টকা, গগণাৰ সাংগীতিক মূৰ্চ্ছনা আৰু বিহুগীতৰ তালে তালে বিহু নৃত্য প্ৰদৰ্শন কৰে। প্ৰকৃতিৰ বিভিন্ন উপাদানৰ পৰাই বিহু নৃত্যৰ ৰূপাংগ ৰচিত হৈছে। বিহুৱা- বিহুৱতীয়ে ঢোল, পেঁপাৰ চেৰে চেৰে শাৰী পাতি নাইবা গোলাকৃতিত এই

নৃত্যত ব্যৱহৃত গীত-মাত, বাদ্যযন্ত্ৰ, পৰম্পৰাগত সাজ-পাৰ, পুৰুষ বা মহিলাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত থকা সীমাবদ্ধতা আদিৰ দিশত যিদৰে এই বিবিধ নৃত্যৰাজিৰ মাজত বিচিত্ৰতা বিৰাজমান, ঠিক সেইদৰে কিছুমান দিশ যেনে- উৎসৱ পাৰ্ৱণৰ অংশ হিচাপে পৰিৱেশিত হোৱা, দেৱ-দেৱীৰ তুষ্টিৰ কাৰণে বা কৃষি কাৰ্যৰ লগত জড়িত হিচাপে প্ৰদৰ্শিত হোৱা আদি ক্ষেত্ৰত নৃত্যসমূহৰ মাজত সমন্বয়ো আছে।

**নৃত্যকলা আৰু লোকনৃত্যৰ ধাৰণা ঃ-**

মানুহৰ জীৱনৰ সামাজিক দিশৰ লগত কলা-সংস্কৃতিৰ সম্বন্ধ অতি গভীৰ আৰু ব্যাপক। কলাৰ বিভিন্ন ৰূপক মানুহে নিজৰ ৰুচিবোধৰ লগত ৰজিতা খোৱাকৈ সৃষ্টি কৰে আৰু মানুহৰ জীৱনবোধক সৌন্দৰ্য্যশালী কৰাৰ প্ৰয়াস কৰে। সাহিত্য, সংগীত, চিত্ৰ, ভাস্কৰ্য্য আদি কলাসমূহৰ দৰে নৃত্যকলাৰ স্থানো মানুহৰ জীৱনত অতি গুৰুত্বপূৰ্ণ। মানুহৰ মনৰ মাজত সৃষ্টি হোৱা ৰস ভাব আৰু হৃদয়ৰ বাণীক অঙ্গ-প্ৰত্যঙ্গৰ প্ৰণালীবদ্ধ ভংগীৰে প্ৰকাশ কৰাকেই নৃত্য বোলে।[১] মানুহৰ প্ৰাত্যাহিক জীৱনৰ প্ৰয়োজন পূৰণাৰ্থে অৰ্থাৎ ভাৱ বিনিময়ৰ পৰিপ্ৰেক্ষিতত কৰা ভিন ভিন অঙ্গ সঞ্চালনৰ যোগেৰে আত্মপ্ৰকাশ লাভ কৰা এইবিধ মাধ্যম যেতিয়া প্ৰণালীবদ্ধভাবে এটা বিশেষ সৃষ্টিশীল সৌন্দৰ্য্যৰ বাহক হয়, তেতিয়াই নৃত্যই কলা ৰূপে বিকাশ লাভ কৰে। কলাৰ ৰূপত বিকাশ লাভ কৰা নৃত্যৰ বুৰঞ্জী মানৱ সভ্যতাৰ সমানেই পুৰণি। মানৱ সভ্যতাৰ প্ৰাথমিক স্তৰত মনৰ ভাব প্ৰকাশ কৰিবলৈ মানুহে আশ্ৰয় লোৱা ভাৱ-মুদ্ৰাৰ লগত পৰৱৰ্তী কালত মুখৰ শব্দ আৰু হস্তমুদ্ৰাৰ সংযোগ ঘটি ইঙ্গিতৰ সৃষ্টি হয় আৰু তাৰ আধাৰতেই সৃষ্টি হয় নৃত্য ভংগী। ভাষাৰ সৃষ্টিৰ পূৰ্বেই মানুহৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ হস্তমুদ্ৰাৰ প্ৰয়োগ ঘটিছিল।

কলা-সংস্কৃতি মানুহৰ জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। ইয়াৰ ভিতৰত নৃত্যকলাই মানৱৰ অন্তৰৰ নিভৃত কোণত অৱস্থান গ্ৰহণ কৰে, যাৰ ফলত আধ্যাত্মিক, শাৰীৰিক, মানসিক আৰু সামাজিক অভীপ্সা সাধন হয়। সেয়েহে মানুহৰ সুকুমাৰ মনৰ ছন্দময় অভিব্যক্তি উদ্ভূত কলাৰ ভিতৰত নৃত্যকলা সামগ্ৰিকভাৱে নান্দনিক গুণবিশিষ্ট।

ধৰ্মৰ সৈতেও নৃত্যকলাৰ সম্পৰ্ক অতি গভীৰ। প্ৰাচীন কালত মানুহে দেৱ-দেৱী, ইষ্ট দেৱতাক শৰীৰৰ অঙ্গ সঞ্চালনৰ দ্বাৰা অৰ্থাৎ নৃত্য ভঙ্গীৰে তুষ্ট কৰিছিল। উদাহৰণ স্বৰূপে- অসমৰ শিৱ মন্দিৰত প্ৰচলিত দেৱদাসীৰ নৃত্য আৰু মনসা পূজাৰ মাধ্যম দেওধনী নৃত্যৰ কথা ক'ব পাৰি। নৃত্যই সামাজিক আৰু নৈতিকভাৱেও সমাজত



জলদেৱতা, জলকুঁৱৰী, বীৰা, পিশাচ, যখ ইত্যাদি অশৰীৰী দেৱ-দেৱীৰ কল্পিত ৰূপ আছে। বৰ্তমানে অসমীয়া সমাজত থকা এইবিলাক দেৱ-দেৱী জনজাতীয় উপাদানৰ পৰাই অহা বুলিব পাৰি। মাছ, কাছ, কুকুৰা, মেথোন, সাপৰ লগত জড়িত কিংবদন্তী আৰু বিশ্বাস, লোকবিশ্বাসৰ সৰহ ভাগেই জনজাতি সকলৰ পৰা অহা।

**লোকসংগীত ঃ**

লোকসংগীতৰ ক্ষেত্ৰতো তিব্বত-বৰ্মীয় জনগোষ্ঠীৰ অৱদানৰ আভাস পোৱা যায়। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে এঠাইত উল্লেখ কৰিছে যে চীনা পৰিব্ৰাজক হিউৱেন চাঙক আপ্যায়িত কৰিবৰ কাৰণে কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজসভাত 'মহাচীনৰ কোঁৱৰৰ ৰণজয়' নামৰ এটি চীনা গীত পৰিৱেশন কৰোৱা হৈছিল। চট্টোপাধ্যায়ে উল্লেখ কৰিছে যে এই চীনা গীতৰ সুৰটোহে ইয়াত জনপ্ৰিয় হৈছিল, কথাংশ খুব সম্ভৱ বড়ো ভাষালৈ ৰূপান্তৰিত হৈছিল। সম্ভৱতঃ প্ৰাচীন কালৰে পৰা চীন-তিব্বত আদি ঠাইৰ পৰা মংগোলীয় জনগোষ্ঠীৰ লোকে ক্ৰমান্বয়ে পৰিব্ৰাজন কৰি থকাৰ ফলস্বৰূপে চীনত প্ৰচলিত গীত-মাতো অসমত প্ৰৱেশ কৰিছিল আৰু এনে গীত-মাতৰ সুৰে অসমত থলুৱা সুৰতো প্ৰভাৱ বিস্তাৰ কৰিছিল। অসমীয়া লোকগীতৰ বিভিন্ন সুৰৰ লগতে চৰ্য্যাপদ, ওজাপালি, বৰগীত আদিতো জনজাতীয় লোকগীতৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা একেবাৰে নুই কৰিব নোৱাৰি।

**সামৰণি ঃ**

আৰ্য্য গোষ্ঠীভুক্ত অসমীয়া জাতি সম্প্ৰতি বৰ অসমীয়া বা বৃহত্তৰ অসমীয়া জাতিসত্বাত পৰিণত হৈছে। এই অসমীয়া জাতিসত্বাৰ বৰভেঁটি গঢ়ি উঠিছে প্ৰাচীন-অপ্ৰাচীন সৰু বৰ সকলো জনগোষ্ঠীৰ সংমিশ্ৰণ তথা সমাহৰণেৰে। সেইদৰে বৰ অসমৰ সাংস্কৃতিক পথাৰখনত অসমৰ পাহাৰ-ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীৰ বৰ্ণাঢ্য সংস্কৃতিৰ পলস পৰি বৰ অসমীয়া সংস্কৃতি জীপাল হৈ আছে। এই বৰ অসমীয়া লোক সংস্কৃতিৰ ঘাই ভেঁটিটো হৈছে ইয়াৰ থলুৱা লোকগোষ্ঠীৰ লোক সংস্কৃতি। এই থলুৱা লোকগোষ্ঠীৰ সৰহ ভাগকে বৰ্তমানে জনজাতি আখ্যা দিয়া হৈছে। সেয়েহে চমুকৈ অসমৰ লোক সংস্কৃতিৰ ভেঁটি জনজাতীয় লোক সংস্কৃতি বুলিব পাৰি। আজি কিছু বছৰ আগলৈকে অসমীয়া ভাষা-সংস্কৃতিৰ বিষয়ে আলোচনা কৰোঁতে অসমৰ বহু লেখক-সমালোচকে সৰ্বত্ৰ বিষয়তে কেৱল আৰ্য্য সংস্কৃতিৰ উপাদানকেই দেখা পাইছিল। আৰ্য্যেতৰ বহু সাংস্কৃতিক উপাদানক আৰ্য্য সংস্কৃতিৰ আৰ্হিত ৰিজনি দি

আলোচনা কৰিছিল। কিন্তু ড° বাণীকান্ত কাকতি আৰু ড° বিৰিঞ্চি কুমাৰ বৰুৱাই অসমৰ ভাষা আৰু সংস্কৃতি চৰ্চাৰ ক্ষেত্ৰত এটা নতুন পথৰ সন্ধান দি থৈ গ'ল। তেওঁলোকৰ আলোচনাৰ পথ অনুসৰণ কৰিহে বৰ্তমানে অসমৰ লোক সংস্কৃতিৰ চৰ্চাৰ ক্ষেত্ৰত কিছুদূৰ অগ্ৰসৰ হৈছে আৰু নতুন নতুন সত্যৰ পুনৰুদঘাটন হৈছে, অৰ্থাৎ অসমীয়া লোক সংস্কৃতিৰ অন্তঃকৰণত থকা জনজাতীয় বা আৰ্য্যেতৰ সংস্কৃতিৰ উপাদান উদ্‌ঘাটন হ'ব ধৰিছে।

**প্ৰসঙ্গ পুথি ঃ**


১। নাহেন্দ্ৰ পাদুন ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি

২। ড°নবীন চন্দ্ৰ শৰ্মা ঃ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলা

৩। ড° নিৰ্মলপ্ৰভা বৰদলৈ ঃ অসমৰ লোক সংস্কৃতি

৪। ড° বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমীয়া ভাষা আৰু সংস্কৃতি

৫। Binoy Kr. Brahma : Assamni Somaj arw Harimu.

৬। Indramalati Narzaree and Birlang Narzaree : Laisini Bikhayao Indramalati

৭। B.N. Bordaloi : Tribes of Assam (Vol-I).

৮। Bhaben Narzy : Boro Kocharir Samaj Aru Sanskriti.




# উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত লোকনৃত্য ঃ বৈচিত্ৰ্যতা আৰু সমন্বয়

● ড° নিতু চহৰীয়া

**প্ৰস্তাৱনা ঃ**

মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য তথা বৈচিত্ৰ্যৰে মহীয়ান হিমালয়ৰ পাদদেশত অৱস্থিত উত্তৰ- পূৰ্বাঞ্চল পাহাৰ-পৰ্বত, নদ-নদী আৰু অৰণ্যৰ সেউজীয়া আৱৰণেৰে আবৃত এক অতুলনীয় ঠাই। উত্তৰ-পূব ভাৰত ভূমিক সাধাৰণতে সাতভনীৰ দেশ বুলি জনা যায়। অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মেঘালয়, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাৰ লগতে ছিকিম ৰাজ্যক সামৰি গঠিত হৈছে উত্তৰ- পূৰ্বাঞ্চল। সাংস্কৃতিক বৈচিত্ৰ্যত এই প্ৰতিখন ৰাজ্য অতি চহকী। সংগীত, নৃত্য, সাহিত্য,ভাস্কৰ্য আদি কলাত উত্তৰ-পূৰ্বাঞ্চলৰ এক সুকীয়া পৰিচয় আছে। সাংস্কৃতিক বৈচিত্ৰ্যত চহকী এই উত্তৰ- পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত প্ৰচলিত পৰম্পৰাগত লোকনৃত্য সমূহ সচাঁকৈয়ে অভিনৱ আৰু চিত্তাকৰ্ষক। মনৰ মাজত দোলা দি থকা ৰস ভাৱক মানৱ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ আৰু উপাঙ্গৰ এটা নিৰ্দিষ্ট নিয়মবদ্ধ ৰূপৰ মাধ্যমেৰে প্ৰকাশ কৰাকেই নৃত্যকলা ৰূপে অভিহিত কৰা হয়। কলাৰ ৰূপত এই নৃত্যৰ বিকাশ মানৱ সভ্যতাৰ সমানেই পুৰণি। অৱশ্যে অঞ্চল ভেদে বিকশিত হোৱা প্ৰতিটো লোকনৃত্য সেই অঞ্চলৰ আঞ্চলিক বৈশিষ্ট্যৰে সমৃদ্ধ হোৱা দেখা যায়। উত্তৰ- পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যতে বিবিধ পৰম্পৰাগত লোকনৃত্যৰ প্ৰচলন অতীজৰে পৰা হৈ আহিছে, যেনে- অসমৰ বিহু, বাগৰুম্বা, গুমৰাগ; অৰুণাচল প্ৰদেশৰ বড়ো চাম, ৱানচো নৃত্য; নাগালেণ্ডৰ চাংলো, জেলিয়াং নৃত্য; মেঘালয়ৰ নংক্ৰেম, লাহো; মিজোৰামৰ খোৱালাম নৃত্য, চেৰৌ; মণিপুৰৰ লাইহাৰাওৱা, থাংটা, ৰাস নৃত্য; ত্ৰিপুৰাৰ গাৰিয়া নৃত্য, হোজাগিৰি নৃত্য; ছিকিমৰ চু-ফাট নৃত্য, চিংহি শ্বাম, মাৰুণী নৃত্য ইত্যাদি। পৰম্পৰাগত এই নৃত্য সমূহে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈশিষ্ট্য আৰু বৈচিত্ৰ্যক তুলি ধৰে। এই নৃত্যসমূহ চালিজাৰি চালে দেখা যায় প্ৰতিটো

● সহকাৰী অধ্যাপিকা, নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

দুৰ্গাপূজাৰ পিছৰ প্ৰথমটো পূৰ্ণিমাৰ ৰাতি এই পূজা আয়োজিত হয়। দৰাচলতে শস্য ভাল হ'বলৈ দেৱী লক্ষ্মীক সন্তুষ্টিৰ বাবে আয়োজিত হোৱা এই উৎসৱৰ এক অংশ বিশেষ হ'ল এই হোজাগিৰি নৃত্য। ত্ৰিপুৰাৰ ৰিয়াং (Reang) সম্প্ৰদায়ৰ বিশেষ লোকনৃত্য হোজাগিৰি পৰিৱেশনৰ সময়ত নৃত্যকুশলী সকলে কেতবোৰ অসাধাৰণ বা দুৰূহ কাম কৰা দেখা যায়। যেনে- মাটিৰ কলহৰ ওপৰত নিজৰ শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰা অথবা বটলৰ ওপৰত জ্বলি থকা বন্তি থৈ মূৰৰ ওপৰত তাক তুলি লৈ নৃত্য কৰা ইত্যাদি। এইবোৰৰ দ্বাৰা তেওঁলোকে নৃত্যটি আৰু অধিক আকৰ্ষণীয় কৰে। উল্লেখ্য যে এই নৃত্যত শৰীৰৰ মাথো তলৰ অংশহে সংগীতৰ চেৱে চেৱে সঞ্চালন কৰা হয়।

**বিজো নৃত্য** (Bizu Dance) ঃ ত্ৰিপুৰাৰ চাকমা সম্প্ৰদায়ৰ এটি বিশেষ নৃত্য বিজো নৃত্য। চাকমাসকলে পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰাৰ সময়ছোৱাত এই নৃত্য পৰিৱেশিত হয়। এই নৃত্য অতি সুন্দৰকৈ বাদ্য যন্ত্ৰৰ দ্বাৰা সুললিত ৰূপত প্ৰদৰ্শিত হয়। চাকমা মহিলাসকলে বিভিন্ন ফুল চুলিত গুজি; ধাতুৰ অলংকাৰ পিন্ধি এই নৃত্যত অংশগ্ৰহণ কৰে।

ইয়াৰোপৰি হেলেম সম্প্ৰদায়ৰ হাই হাক নৃত্য, লুচাই সকলৰ আদৰণি নৃত্য, দাৰলং সম্প্ৰদায়ৰ চি'ৰ নৃত্য আদি ত্ৰিপুৰাৰ অন্যান্য উল্লেখনীয় নৃত্য।

**মিজোৰাম** - ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত আঠ ভনীৰ অন্তৰ্গত এখন অন্যতম মনোমোহা ৰাজ্য মিজোৰাম। বাঁহফুলৰ ৰাজ্য হিচাপে জগতত পৰিচিত মিজোৰামৰ গৌৰৱময় ইতিহাসৰ জীৱন্ত স্বাক্ষৰ হ'ল - ইয়াত প্ৰচলিত গোষ্ঠী নিৰপেক্ষ পৰম্পৰাগত নৃত্যসমূহ। খোৱালাম নৃত্য, চেৰৌ নৃত্য (বাঁহ নৃত্য), চাইলাম নৃত্য আদি নৃত্যৰ সমাহাৰ মিজো সংস্কৃতিৰ ঐক্য আৰু শান্তিৰ বাৰ্তাবাহক।

**খোৱালাম নৃত্য** (Khuallam Dance) ঃ ত্ৰিপুৰাৰ খোৱালাম নৃত্যক 'অতিথি নৃত্য' বুলিও জনা যায় আৰু ই খোৱাংচাৰি (Khuangchawi) নামৰ ধৰ্মীয় অনুষ্ঠানত প্ৰদৰ্শিত হয়। এই নৃত্যত পুৰুষৰ এটা দলে ঢোল আৰু বৰকাঁহ বজাই ছন্দৰ মুৰ্চ্ছনা তোলে। খোৱাংচাৰি উৎসৱলৈ অন্য গাঁৱৰ মানুহক নিমন্ত্ৰণ কৰা হয় আৰু তেওঁলোক আহি খোৱালাম আয়োজন কৰা মুকলি ঠাইত সমবেত হয়। এই নৃত্য পৰিৱেশনৰ সময়ত নৃত্যকুশলী সকলে মিজোসকলৰ হাতেৰে বনোৱা পৰম্পৰাগত কাপোৰ 'পোৱানদাম' বাহুত মেৰিয়াই কাপোৰখন লৰাই লৰাই নৃত্য ভংগী দেখুৱায়।

**চেৰৌ নৃত্য (চেৰ' নৃত্য)** (Cheraw Dance) ঃ চেৰৌ নৃত্যক মিজোৰামৰ আটাইতকৈ পুৰণি নৃত্যভংগী বুলি ধৰা হয়। এই নৃত্যত পুৰুষ অংশগ্ৰহণকাৰীয়ে



**বগেজাৰী বা বহুৰাঙী নৃত্য** ঃ পাতি, হানা, দাহৰি আদি আৰ্যীভূত ৰাভা সমাজত, বিশেষকৈ তিৰোতাসকলৰ মাজত একশ্ৰেণীৰ ৰং-ৰহইচধৰ্মী গীত আৰু নাচৰ প্ৰচলন আছে। বকো অঞ্চলৰ বগে ৰাজ্যৰ ৰাণী 'বাগেজাৰী' ৰ নামেৰে আৰু খোকচি বা বায়খো উপাদিকা খোপৰাঙী, বহুৰাঙী নামৰ বায়েক-ভনীয়েকৰ নামেৰে এই নৃত্য -গীতৰ উদ্ভাৱন সৰ্ম্পৰ্কে দুটি কাহিনী মুখে মুখে প্ৰচলিত হৈ আহিছে। পৰিশ্ৰান্ত মহিলাসকলে দুখ- ভাগৰ দূৰ কৰিবলৈ, অথবা বহাগ বিহুত হোৱা অনুষ্ঠানত ভাগ ল'বলৈ যাওঁতে এই জাতীয় নৃত্য-গীতৰ উদ্ভৱ হোৱাটোৱেই স্বাভাৱিক। বাগেজাৰী গীতত ভগা-ছিগা মালিতা পোৱাৰ উপৰিও সামাজিক ব্যংগ, বিবাহোত্তৰ চিত্তচাঞ্চল্য আৰু দৰিদ্ৰতাৰ হা-হুমুনিয়াহ অতি সুন্দৰ ৰূপত ৰেখাপাত হৈছে। বুবুৰেঙা (বৰতাবনৰ পেঁপা), গমেনা (গগণা), যৰ্খা (টকা), দীঘলপেটী (দীঘল ঢোল) আদি বাদ্যৰ ছেৱে ছেৱে দুশৰীয়া পানটুনধৰ্মী চুটি চুটি গীতৰ ফাঁকি সুৰ লগাই সমস্বৰে গাই আদবয়সীয়া তিৰোতাসকলে কঁকাল ভাঙি ভাঙি হাত-ভৰি নচুৱাই উৎফুল্ল মনে ঘূৰণীয়াকৈ ঘূৰি ঘূৰি নাচে।

**চ'মাংকান নৃত্য** ঃ কাৰ্বিসকলৰ চ'মাংকান অথবা মৃতকৰ শ্ৰাদ্ধৰ অনুষ্ঠান তেওঁলোকৰ জাতীয় উৎসৱ সদৃশ। প্ৰায়ে বসন্ত কালত অনুষ্ঠিত হোৱা চমাংকানৰ প্ৰকৃত অৰ্থ হৈছে খাচীয়া নৃত্য। খাচীয়াসকলৰ ৰীতিৰে মৃতকৰ শ্ৰাদ্ধ অনুষ্ঠান পালন কৰা বাবেই হয়তো চ'মাংকান নাম হ'ল। এই চ'মাংকান নৃত্য অথবা উৎসৱ আয়োজনৰ ফলত মৃতকৰ আত্মাই দুখ-ক্লেশৰ পৰা মুক্তি লাভ কৰি শান্তি পায় বুলি কাৰ্বিসকলে বিশ্বাস কৰে। চ'মাংকানৰ প্ৰথম দিনটোক ৰূ-কেহুম বোলে। এই দিনটোত হাতত ঢাল-তৰোৱাল লৈ নৃত্য-গীত সহকাৰে মৃতকৰ অস্থি ধান খেৰেৰে সজা মৃতকৰ প্ৰতিকৃতিৰ ভিতৰত সযতনে থৈ দিয়ে। দ্বিতীয় দিনটোক কানপি বা বৰনাচ বোলে। অন্তিম দিনা বানজাব কেকু অনুষ্ঠানৰ মাধ্যমেৰে মৃত ব্যক্তিগৰাকীৰ পাৰ্থিৱ সংস্কাৰ কাৰ্য শেষ কৰে। চ'মাংকানত ঢোল- পেঁপা, ঢাল- তৰোৱালৰ লগত জাম্বিলি আথনৰ গুৰুত্ব অপৰিহাৰ্য। ঢোল-পেঁপা, জাম্বিলি আথন লৈ দলে-বলে ৰাইজে এই নৃত্যত যোগদান কৰে। গাভৰুৱে জিৰ ঈক আৰু ডেকাহঁতে ৰ'জাৰ্দ্ধ মূৰত লৈ বৃত্তাকাৰে নাচ-গান কৰি আনন্দ প্ৰকাশ কৰে।

**ঝুমুৰ নৃত্য** ঃ অসমৰ চাহ বাগিছা সমূহত বাস কৰা লোকসকলৰ মাজত চিত্ত বিনোদনৰ বাবে থকা বিভিন্ন লোকনৃত্যৰ ভিতৰত ঝুমুৰ অন্যতম। ভাদ মাহৰ একাদশী তিথিত অনুষ্ঠিত হোৱা কৰম পূজাৰ অপৰিহাৰ্য্য অংগ ৰূপে ঝুমুৰ নৃত্য পৰিৱেশিত হয়। অৱশ্যে ইয়াৰ উপৰিও বছৰত আৰু দুবাৰ কৰম পূজা কৰা হয় আৰু সেইসময়তো

ঝুমুৰ নানাচিলেই নহয়। ঝুমুৰ নৃত্য স্ত্ৰীপ্ৰধান হ'লেও পুৰুষেও ইয়াত অংশ গ্ৰহণ কৰে। এই নৃত্যৰ কালত ঢোল, মাদল, তাল, বাঁহী প্ৰভৃতি বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হয়। ঝুমুৰ গোৱা ডেকাই গীত এটি শেষ কৰাৰ লগে লগে নাচনী গাভৰুহঁতে গীতৰ অন্তিম দুফাঁকি পুনৰাবৃত্তি কৰি নৃত্যৰ ছন্দ তোলে আৰু অবিৰতভাবে বাদ্যযন্ত্ৰ চলি থাকে। ঝুমুৰ নচা গাভৰুহঁতে একেলগে হাতত ধৰা-ধৰি কৰি এটি দীঘলীয়া শাৰীৰ সৃষ্টি কৰা দেখা যায়। এইনাচৰ ধাৰা দুটা- দ্ৰুত আৰু ললিত। সাধাৰণ ঝুমুৰ গীতৰ নাচ দ্ৰুত, কিন্তু খেমতা জাতীয় গীতৰ নাচখিনি ললিত। ঝুমুৰ নৃত্য গীতত গোপী-কৃষ্ণৰ বাল্য লীলা, ৰাস ক্ৰীড়া, কাত্যায়নী ব্ৰত প্ৰভৃতি আধ্যাত্মিক কথাবস্তুৱে মুখ্য স্থান অধিকাৰ কৰাটো তাৎপৰ্য্যপূৰ্ণ। ইয়াৰ উপৰিও ব্যক্তিগত বা সমাজ জীৱনৰ দুখ-কষ্ট, হা-হুতাহুৰ ভাৱ থকা বিৰহ অনুতাপ, লাঞ্ছনা-গঞ্জনা আদি বিষয়বস্তুৱেও ঝুমুৰ নৃত্য-গীতত জীৱন্ত ৰূপত প্ৰকাশ পায়। ঝুমুৰ নৃত্য ওৰে নিশা চলে।

**মণিপুৰ** - 'ভাৰতবৰ্ষৰ অলংকাৰ' হিচাপে অভিহিত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য মণিপুৰ কলা-সংস্কৃতিৰ ৰম্যভূমি। 'মণিপুৰ' শব্দৰ আক্ষৰিক অৰ্থ হ'ল মণি মুকুতাৰ ভূমি। ম্যানমাৰ, নাগালেণ্ড, মিজোৰাম আৰু অসম ভূমিৰে আবৃত মণিপুৰ প্ৰাকৃতিক দিশেৰে অতি চহকী। প্ৰাচীন কালৰে পৰা মণিপুৰী লোকসকল নৃত্য-গীতৰ লগতে তৰোৱাল যুদ্ধ, মল্ল যুদ্ধ আৰু মাৰ্চিয়েল আৰ্টত নিপুণ। মণিপুৰৰ মুখ্য লোকনৃত্য কেতবোৰৰ বিষয়ে তলত আলোচনা কৰা হ'ল - মণিপুৰী নৃত্য বুলিলে দৰাচলতে মণিপুৰ ৰাজ্যৰ নৃত্য পৰম্পৰাৰ সামগ্ৰিক ৰূপটোক বুজায়। এইনৃত্যধাৰা ৰাজ্যখনত প্ৰচলিত কেইবাটাও ভিন্ন প্ৰকাৰৰ নৃত্য প্ৰকৰণৰ সমষ্টি। মণিপুৰৰ আদিবাসী মেইতেইসকলৰ সবল নৃত্য পৰম্পৰা লাইহাৰাওবা নামৰ এক নৃত্য উৎসৱৰ মাধ্যমেদি এইনৃত্যধাৰাৰ সূচনা হয় আৰু পৰৱৰ্তী সময়ত ইয়াৰ লগত শাস্ত্ৰীয় নৃত্যৰ উপাদান সম্বলিত কেইবাটাও নৃত্য প্ৰকৰণ সংযোজিত হৈ মণিপুৰী নৃত্যই বৰ্তমান ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ অন্যতম ধাৰা হিচাপে আত্মপ্ৰকাশ কৰি আহিছে। মণিপুৰী নৃত্যক প্ৰধানভাৱে তিনিটা ভাগত বিভক্ত কৰিব পৰা যায় - লাইহাৰাওবা, ৰাস নৃত্য আৰু কীৰ্ত্তন।

**লাইহাৰাওবা ঃ** লাইহাৰাওবা মণিপুৰৰ প্ৰাচীনতম নৃত্য পৰম্পৰা। ই ধৰ্মভিত্তিক আৰু স্ত্ৰী- পুৰুষ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰিব পৰা লোকনৃত্য। এই নৃত্যৰ পৰিসৰ ব্যাপক। দহদিন জুৰি লাইহাৰাওবা নৃত্য উৎসৱ পালন কৰা হয়। এই নৃত্যৰ মাধ্যমেদি দেৱতা তোষণৰ উপৰি মাছ মৰা, সমৰ কলা, কৃষিকাৰ্যৰ আনন্দ আদি বিভিন্ন কাৰ্য্যৰ অভিব্যক্তি ঘটে। এই লাইহাৰাওবা নৃত্য উৎসৱৰ লগতে খাম্বা-থৈবী নামৰ এক কৰুণ প্ৰেম কাহিনী আধাৰিত এটি আকৰ্ষণীয় নৃত্য সংযোজিত হৈ থাকে।



লোকনৃত্য হ'ল মাৰুণী। মাৰুণীৰ অৰ্থ হ'ল স্ত্ৰীৰ ভেশত নচা আৰু গোৱা ব্যক্তি। পৰম্পৰামতে কাতি মাহত লক্ষ্মী পূজা সম্পন্ন হোৱাৰ পিছত এই নৃত্য পৰিৱেশনৰ প্ৰস্তুতি চলোৱা হয় আৰু একাদশীৰ দিনা নীতি-নিয়মৰ মাজেৰে ইয়াৰ সামৰণি মাৰে। এই নৃত্যত দুজন মাদল বাদক আৰু দুগৰাকী মাৰুণী থকাৰ উপৰি এজন মুখা পিন্ধা বহুৰা থাকে। প্ৰথমে মাদল বায়নে সাজ-পোছাক কৰাৰ পিছত মাৰুণী নৰ্তকীসকলে গীত আৰু তালৰ ছন্দে ছন্দে প্ৰয়োজনীয় সাজ- পোছাক পিন্ধে আৰু নৃত্যৰ সামৰণি নপৰালৈকে সেই পোছাকেৰে ঘৰে ঘৰে নৃত্য প্ৰদৰ্শন কৰে। এই নৃত্য গীতৰ মাজেৰে উপাস্য দেৱ-দেৱী, নদ-নদী, পৰ্বত-পাহাৰ, মাটি- পানী আদিক সন্তুষ্ট কৰিবলৈ প্ৰাৰ্থনা জনোৱা হয়। মাৰুণী আৰু বহুৱাই মাদলৰ তালে তালে নাচি নাৰ্জিফুল আৰু দৈ-চাউল মিহলাই তৈয়াৰ কৰা অক্ষতা চটিয়াই গৃহস্থক অশীৰ্বাদ দিয়ে। খুকৰী নাচ, চুটকী নাচ নেপালীসকলৰ আন দুটা অন্যতম লোকনৃত্য।

**ত্ৰিপুৰা** - ভাৰতবৰ্ষৰ তৃতীয় ক্ষুদ্ৰতম ৰাজ্য আৰু উত্তৰ-পূৰ্বাঞ্চলৰ সবাতোকৈ সৰু ৰাজ্য হিচাপে পৰিচিত 'ত্ৰিপুৰা' বঙালী, মণিপুৰী আৰু কেতবোৰ সৰু সৰু জনগোষ্ঠীৰ বাসস্থান। ৰাজ্যখনৰ মূলাধাৰ ইয়াত বাস কৰা জনজাতি আৰু অজনজাতীয় লোকৰ স্বকীয় সংস্কৃতিৰ অপূৰ্ব নিদৰ্শন। সংগীতৰ দিশেৰে বিশেষভাৱে খ্যাত ত্ৰিপুৰাত গাৰিয়া নৃত্য,হোজাগিৰি নৃত্য, হাক্ হাক্ নৃত্য, লেবুং বুমানি নৃত্য, বিজো নৃত্য আদি কেবাবিধো নৃত্যৰ প্ৰচলন আছে।

**গাৰিয়া নৃত্য** (Garia Dance) ঃ ত্ৰিপুৰাৰ অন্যতম সম্প্ৰদায় ত্ৰিপুৰীসকলৰ জীৱনশৈলী আৰু সংস্কৃতি ঝুম খেতিক কেন্দ্ৰ কৰিয়েই গা কৰি উঠিছে। ঝুমখেতিৰ শস্য ৰোপণৰ বাবে নিৰ্দিষ্ট এটুকুৰা ঠাই নিৰ্বাচন কৰি এপ্ৰিল মাহৰ মাজভাগত তেওঁলোকে দেৱতা 'গাৰিয়া' ক কৃষিকাৰ্যৰ মঙ্গল কামনা কৰি প্ৰাৰ্থনা কৰে। এই গাৰিয়া পূজাৰ লগত জড়িত আনন্দ উৎসৱ সাতদিনীয়াকৈ পালিত হয়। এই উৎসৱত আয়োজিত নৃত্য-গীতৰ জৰিয়তে দৰাচলতে তেওঁলোকে দেৱতাক আহ্লাদিত কৰিব বিচাৰে। গাৰিয়া নৃত্যত বাঁহেৰে নিৰ্মিত বাদ্যযন্ত্ৰ খাম, বাঁহী, চাৰিণ্ডা, লেবাং আদিৰ ব্যৱহাৰ হয়। মহিলা নৃত্যকাৰসকলে সাধাৰণতে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰে আৰু অতীজৰে পৰা প্ৰচলিত মুদ্ৰাৰে নিৰ্মিত ৰূপৰ হাৰ, খাৰু, কাণ আৰু নাকত পিন্ধা ব্ৰঞ্জেৰে নিৰ্মিত গোলাকৃতিৰ অলংকাৰ আদি পিন্ধে।

**হোজাগিৰি নৃত্য** (Hojagiri Dance) ঃ ত্ৰিপুৰাৰ লক্ষ্মীপূজা অথবা হোজাগিৰি উৎসৱে ত্ৰিপুৰাবাসীলৈ সংগীত নৃত্যৰ এক আনন্দময় পৰিৱেশ কঢ়িয়াই আনে। এই আনন্দ উৎসৱৰ আটাইতকৈ ভাললগা দিশটো হ'ল এই উৎসৱৰ লগত জড়িত নৃত্য।

মাহত এই উৎসৱ তিনিদিনীয়াকৈ চেং খাচীসকলৰ দ্বাৰা আয়োজন কৰা হয়। এই নৃত্যত অবিবাহিত পুৰুষ মহিলাইহে অংশগ্ৰহণ কৰে। পুৰুষ নৃত্যকাৰে ৰংচঙীয়া কাপোৰ আৰু পাটৰ ধুতী পৰিধান কৰে আৰু হাতত তৰোৱাল বা যাঠি লৈ নৃত্য কৰে। কুমাৰী ছোৱালীবোৰে পাটৰ সুন্দৰ সাজ পৰিধান কৰি অপ্সৰাৰ অভিনয় কৰে। কুমাৰী নৃত্যকাৰ দুজনী বা তিনিজনীয়ে ঘূৰণীয়াকৈ নৃত্য কৰে, আনহাতে সেই বৃত্তটোক আৱৰি পুৰুষসকলে আন এটা বৃত্ত সাজি হাতত তৰোৱাল বা যাঠি লৈ সুৰক্ষা কবচৰ দৰে থাকি নৃত্য কৰে।

**ছিকিম** - ভুটান, তিব্বত আৰু নেপালে আৱৰি থকা উত্তৰ-পূৰ্বাঞ্চলৰ এখন ৰাজ্য হ'ল ছিকিম। ছিকিম ভাৰতৰ দ্বিতীয়খন সৰু ৰাজ্য। মনোমোহা পাহাৰ, গভীৰ অৰণ্য আৰু জৈৱ বৈচিত্ৰ্যৰে পৰিপূৰ্ণ ছিকিমৰ ৰাজধানী গেংটক ৫৫০০ ফুট ওখ শিবালিক পাহাৰত স্থিত। লেপচাসকলৰ লগত মিলিত হোৱা হিন্দু ধৰ্ম আৰু বৌদ্ধ ধৰ্মৰ মিশ্ৰিত পৰম্পৰাৰ কাৰণে ছিকিমৰ সংস্কৃতি অতি সমৃদ্ধ। ছিকিমৰ মঠ সমূহৰ মজিয়াত লামাসকলে মুখাপিন্ধি কৰা নৃত্য উত্তৰ-পূব ভাৰতৰ আটাইতকৈ ৰঙীন নৃত্য যিয়ে এই ভূমিখণ্ডৰ সংস্কৃতিৰ মুখ্য সাৰভাগক তুলি ধৰে।

**চু-ফাট নৃত্য** (Chu Faat Dance) ঃ পৰ্বতমালা কাঞ্চনজংঘা যাক ছিকিমবাসীয়ে জীৱনদায়িনী বুলি ভাৱে সেই পৰ্বতমালাক সন্মান দেখুৱাই লেপচা সম্প্ৰদায়ে প্ৰদৰ্শন কৰা নৃত্যই হৈছে চু-ফাট। ই ছিকিমৰ আটাইতকৈ পুৰণি নৃত্য। কাঞ্চনজংঘা আৰু ইয়াৰ লগত থকা চাৰিটা পৰ্বত শিখৰক উদ্দেশ্যি জনোৱা ভক্তিয়েই এই নৃত্যৰ উৎপত্তি। লেপচাসকলে বিশ্বাস কৰে যে- এই পৰ্বতমালা পাঁচটা গুপ্ত ধনৰ ভঁৰাল, সেয়া হ'ল নিমখ, ঔষধ, খনিজ পদাৰ্থ, পবিত্ৰ পুথি আৰু খাদ্য শস্য। এই নৃত্য বৌদ্ধ কেলেণ্ডাৰৰ সপ্তম মাহৰ পোন্ধৰ দিনৰ দিনা পালন কৰা উৎসৱৰ লগত সংযুক্ত কৰি গোৱা ভক্তিগীতৰ লগত প্ৰদৰ্শিত হয়।

**চিংহি শ্বাম** (Singhi Chham) বা কাঞ্চনজংঘা (Kanchendzonga) ঃ ছিকিমৰ অন্যতম সম্প্ৰদায় ভুটীয়া সকলৰ দ্বাৰা প্ৰদৰ্শিত এই লোকনৃত্যত নৃত্যকুশলী সকলে ছিকিমৰ সাংস্কৃতিক প্ৰতীক স্বৰূপ স্বৰ্গীয় শ্নো লায়ন (snow lion) অংকিত মুখা পৰিধান কৰে। তেওঁলোকে সিংহৰ সাজ পৰিধান কৰি এই নৃত্য কৰে যিয়ে 'শ্নো লায়ন' ক প্ৰতিনিধিত্ব কৰে। ছিকিমৰ প্ৰহৰী হিচাপে থিয় দি থকা পৃথিৱীৰ তৃতীয় উচ্চতম পৰ্বত কাঞ্চনজংঘাক কিম্বদন্তীময় শ্নো লায়নৰ সৈতে ৰিজোৱা হয়। য়াক চাম, দেনজোং গ্নেনহা ভুটীয়া সকলৰ আন আন উল্লেখনীয় নৃত্য।

**মাৰুণী নৃত্য** ঃ ছিকিমত বসবাস কৰা এটা অন্যতম সম্প্ৰদায় নেপালীসকলৰ প্ৰধান



অৰশ্যে কেতিয়াবা সুকীয়া নৃত্যকলাৰ ৰূপতো খাম্বা-থৈবী নৃত্য প্ৰদৰ্শন কৰা হয়। এই নৃত্য পুৰুষ-মহিলাই যোৰপাতি প্ৰদৰ্শন কৰে।

**ৰাস নৃত্য** ঃ ৰাসনৃত্য মণিপুৰৰ জনপ্ৰিয় নৃত্য আৰু মণিপুৰী নৃত্যধাৰাৰ প্ৰধান আকৰ্ষণ। ৰজা ভাগ্যচন্দ্ৰক এই নৃত্যৰ প্ৰৱৰ্তক বুলি অভিহিত কৰা হয়। এইজনা শিল্পী আৰু পণ্ডিত ৰজাই অসমৰ ভাওনা, বংগদেশৰ সংকীৰ্ত্তন আৰু বিভিন্ন লোকনৃত্যৰ পৰা সমল বুটলি আনি মণিপুৰী নৃত্য পৰম্পৰাৰ লগত সিবোৰৰ সু-সমন্বয় ঘটাই মণিপুৰী ৰাস নৃত্যক আকৰ্ষণীয় কৰি গঢ় দি তোলে। ৰাস নৃত্য প্ৰধানকৈ তিনিটা ভাগত বিভক্ত। কুঞ্জৰাস, মহাৰাস আৰু বসন্ত ৰাস। ইয়াৰ বাহিৰেও মণিপুৰত নিত্যৰাস, দিবাৰাস, গোপৰাস আৰু উলুখল ৰাস নামৰ কেইবাটাও ৰাস নৃত্যৰ প্ৰচলন আছে।

**কীৰ্ত্তন** ঃ কীৰ্ত্তন মণিপুৰৰ অন্যতম প্ৰধান নৃত্য প্ৰকৰণ। এই প্ৰকৰণটি বংগদেশৰ গৌড়ীয় পৰম্পৰাৰ আৰ্হিত গঢ় লৈ উঠা। গীত-বাদ্যৰ বাহিৰেও কীৰ্তনত নৃত্য সংযোজিত হৈ থাকে। মৃদঙ্গৰ বোলত কৰা পুংচোলম আৰু তালৰ বোলৰ লগত কৰা কৰতাল চোলম কীৰ্তনৰ দুটি প্ৰধান নৃত্য উপাদান। পুংচোলম নৃত্যক মৃদংগ কীৰ্ত্তন বা ধুমাল নৃত্য বুলিও জনা যায়। এই নৃত্য কেৱল পুৰুষ নৃত্যকাৰৰ জৰিয়তে প্ৰদৰ্শিত হয়।

**থাংটা** (Thang-Ta) ঃ তৰোৱাল আৰু যাঠিৰ কলা প্ৰদৰ্শিত হোৱা থাং টা দৰাচলতে মণিপুৰৰ যুদ্ধ সম্পৰ্কীয় কলা (Martial art)। পৰম্পৰাগতভাৱে মণিপুৰী ভাষাত ইয়াক হোয়েন লেংলেং (Huyen Langlon) বুলি জনা যায়। হোয়েন মানে কলা আৰু লেংলেং মানে হৈছে কলাৰ ওপৰত জ্ঞান। ইয়াত তৰোৱাল ,যাঠি,ডেগাৰ আৰু অন্যান্য অস্ত্ৰেৰে নিজক বচাই ৰখাৰ প্ৰশিক্ষণ দিয়া হয়। নৃত্যকাৰসকলে ছন্দৰ তালে তালে ধীৰ গতিৰ অংগী-ভংগী প্ৰদৰ্শন কৰে। কলা সন্মতভাৱে ই যুদ্ধনৃত্য আৰু ইয়াক প্ৰদৰ্শন কৰিবলৈ পাকৈত হ'ব লাগিব।

ইয়াৰোপৰি লাইহাৰাওবা উৎসৱৰ লগত জড়িত মেইতেইসকলৰ মাইবি নৃত্য, মণিপুৰৰ জনপ্ৰিয় উৎসৱ ইয়াওচাং ত প্ৰদৰ্শিত থাবল চোংবা নৃত্য মণিপুৰৰ অন্য দুবিধ উল্লেখযোগ্য নৃত্য।

**নাগালেণ্ড** - অসংখ্য জনজাতীয় লোকৰ বাসস্থান , ওখ ওখ পাহাৰ-পৰ্বত ৰৌদ্ৰস্নাতা, খৰস্ৰোতা নদ-নদীৰে আৰু পাহাৰীয়া জান-জুৰিৰে পৰিপূৰ্ণ নাগালেণ্ড উত্তৰ-পূৰ্বাঞ্চলৰ এখন অন্যতম মনোমোহা ৰাজ্য। নাগালেণ্ডৰ অধিকাংশ অধিবাসী ইন্দো-মঙ্গোলীয় ঠালৰ আৰু এই ৰাজ্য প্ৰায় পোন্ধৰটা জনজাতিৰ বাসভূমি। সেয়ে নাগালেণ্ড বাৰে ৰহণীয়া সংস্কৃতিৰো মিলনভূমি।

**জেলিয়াং নৃত্য** (Zeliang Dance) ঃ জেলিয়াং নৃত্য নাগালেণ্ডৰ আটাইতকৈ

কলাসুলভ নৃত্যৰূপে পৰিচিত। ই পুৰুষ প্ৰধান নৃত্য যদিও জেলিয়াং জনজাতিয়ে মহিলাকো নৃত্যত অংশগ্ৰহণৰ অনুমতি দিয়ে। নৃত্যকাৰ সকলে দলবদ্ধভাৱে মুকলি পথাৰত সমবেত হৈ বৃত্তাকাৰে লাহে লাহে আৰু লাৱণি ভংগীত নৃত্য আৰম্ভ কৰে। লয় ধৰি ৰাখিবলৈ ছন্দময় ৰূপত পদ সঞ্চালন কৰে। এই নৃত্যত যুদ্ধৰ ভংগীত বিপৰীত দিশৰ পৰা আক্ৰমণ কৰাৰ ভাৱো প্ৰদৰ্শিত হয়। অংশগ্ৰহণকাৰীসকলে ধাতুৰ বিবিধ অলংকাৰ পৰিধান কৰি নৃত্যটোক শক্তিশালী ৰূপত উপস্থাপন কৰে। ইয়াত কোনো বাদ্যযন্ত্ৰ বজোৱা নহয়।

**চাং লো** (Chang Lo) **ঃ** চাংলো নামটো সম্ভৱতঃ নাগালেণ্ডৰ চাং জনগোষ্ঠীৰ পৰা অহা। চাংলো নৃত্য বৰ্তমান নাগালেণ্ডৰ অতি জনপ্ৰিয় নৃত্য। ইয়াক প্ৰায়ে 'চোৱা-লোৱা' (Sua-lua) বুলি কোৱা হয় আৰু ইয়াক মূলতঃ তিনিদিনীয়াকৈ উদ্‌যাপিত হোৱা পোংলেম (Poanglem) উৎসৱত পৰিৱেশন কৰা হয়। ইতিহাসে কয় যে-চাংলো সাধাৰণতে পৰিৱেশিত হৈছিল যোদ্ধাই বিজয় লাভ কৰাৰ পিছত। সেয়েহে পুৰুষ নৃত্যকাৰে নগা জনগোষ্ঠীৰ যোদ্ধাৰ সাজ পৰিধান কৰি পুৰণি নাগালেণ্ডৰ যুদ্ধৰ কৌশল প্ৰদৰ্শন কৰে। তাৰ বিপৰীতে অৱশ্যে মহিলা নৃত্যকাৰে ধুনীয়া আৰু ৰং-বিৰঙৰ সাজ-পাৰ পৰিধান কৰে।

**যুদ্ধ নৃত্য** (War Dance) **ঃ** যুদ্ধ নৃত্য নাগালেণ্ডৰ অতি জনপ্ৰিয় নৃত্য। পুৰুষৰ দ্বাৰা প্ৰদৰ্শিত এই নৃত্যত পৰাক্ৰমী আৰু উদ্যমী ভাৱ প্ৰদৰ্শন হয়। ই বিপদসংকুল নৃত্য কিয়নো ইয়াত কেতবোৰ প্ৰাণনাশক ভংগীও প্ৰদৰ্শিত হয়। সেয়েহে এই নৃত্যত অংশগ্ৰহণকাৰীসকলৰ ভুল কৰাৰ কোনো সুযোগ নাথাকে,অন্যথা প্ৰাণনাশো হ'ব পাৰে। এই নৃত্যত কোনো বাদ্যযন্ত্ৰ প্ৰয়োগ নহয়। নৃত্যকুশলী সকলে যুদ্ধত প্ৰয়োগ হোৱা কেতবোৰ চিঞৰৰ মাৰে আৰু অন্য গীত গায়। তেওঁলোকে যুদ্ধলৈ যোৱা এজন সৈনিকৰ অনুৰূপ সাজ- পাৰ পিন্ধে আৰু ৰূপ, লো আদিৰ অলংকাৰ পৰিধান কৰে। দৰাচলতে এই নৃত্যত এক কৃত্ৰিম যুদ্ধৰ পৰিৱেশ প্ৰদৰ্শিত হয়।

**মেঘালয়** - মেঘৰ আলয় মেঘালয় উত্তৰ-পূৰ্বাঞ্চলৰ এখন ৰূপহী ৰাজ্য, যাৰ ৰাজধানী শ্বিলং 'উত্তৰ পূবৰ স্কটলেণ্ড' নামেৰে খ্যাত। মেঘালয় খাচী ,জয়ন্তীয়া আৰু গাৰো সম্প্ৰদায়ৰ মিলনভূমি। সাংস্কৃতিক দিশেৰে উন্নত মেঘালয়ত বিভিন্ন লোকনৃত্যৰাজি যেনে- নংক্ৰেম নৃত্য, লাহো নৃত্য, ওৱাংগালা নৃত্য, চেড্ ৰেকিং নৃত্য আদিৰ প্ৰচলন আছে। তলত এই নৃত্যসমূহৰ আলোচনা কৰা হ'ল -

**নংক্ৰেম নৃত্য ঃ** নংক্ৰেম খাচীসকলে পালন কৰা এটি নৃত্যপ্ৰধান জনপ্ৰিয় উৎসৱ। অতি প্ৰাচীন কালৰ পৰাই খাচী সকলৰ চিয়েম সম্প্ৰদায়ৰ লোকে এই উৎসৱ পালন কৰি



আহিছে। এই উৎসৱত নৃত্যক প্ৰাধান্য দিয়া হয় আৰু পাঁচদিন ধৰি চলা উৎসৱৰ আটাইকেইদিনেই একেৰাহে নৃত্য চলি থাকে। এইদৰে চলা নৃত্যকে নংক্ৰেম নৃত্য বোলে। নংক্ৰেম নৃত্য আৰু উৎসৱৰ যোগেদি খাচীসকলে কৃষিৰ অধিষ্ঠাত্ৰী দেৱী পৃথিৱীক প্ৰাৰ্থনা জনোৱাৰ লগতে পূৰ্বপুৰুষৰ প্ৰতি শ্ৰদ্ধা নিৱেদন কৰে আৰু মানুহৰ মঙ্গল তথা কৃষিৰ উন্নতিৰ বাবে প্ৰকৃতিৰ ওচৰতো মিনতি জনায়। নংক্ৰেম নাচ খাচীসকলৰ ছোৱালীবোৰেহে নাচিব পাৰে যদিও ডেকাসকলেও আজিকালি এই নৃত্যত অংশগ্ৰহণ কৰা দেখা যায়। নাচনীসকলে পাট-মুগাৰ পোছাক পৰিধান কৰে। তেওঁলোকে গলত সোণৰ মোহৰযুক্ত এবিধ বিশেষ ধৰণৰ কণ্ঠহাৰ, হাতত বিভিন্ন ধৰণৰ খাৰু, কাণত জাতীয় অলংকাৰ আৰু মূৰত এবিধ ৰূপৰ মুকুট পিন্ধি সুসজ্জিত হয়। নাচত অংশগ্ৰহণ কৰা ল'ৰাবোৰেও সুন্দৰ পোছাক পৰিধান কৰে। নংক্ৰেম নৃত্য ধীৰ গতিত চলে। নাচনীসকলে ভৰিৰ আঙুলি বিশেষকৈ বুঢ়া আঙুলিটোৰ ওপৰত ভৰ দি মাটিত খুচি খুচি ভৰি দুখন চলাই চলাই সমগ্ৰ নৃত্য ক্ষেত্ৰ ঘূৰি ফুৰে।

**ওৱাংগালা নৃত্য ঃ** গাৰো জনজাতিসকলৰ আটাইতকৈ শ্ৰেষ্ঠ আৰু কৃষিভিত্তিক অনুষ্ঠান হ'ল ওৱাংগালা। আহিন-কাতি মাহত খেতি চপোৱাৰ সময়ত শস্যৰ দেৱতা চালজঙক উপচাৰ আগবঢ়াই প্ৰাৰ্থনা জনোৱা হয় আৰু সকলো গাঁওবাসীয়ে মিলি ভোজ-ভাত খায়। খোৱা-বোৱাৰ অন্তত প্ৰথমে বয়সিয়াল লোকসকলে আৰু পিছত ডেকা গাভৰুৱে নাচ-গান কৰে। ওৱাংগালা অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হ'ল ঢোল আৰু নাচৰ প্ৰতিযোগিতা। গাঁওবিলাকৰ মাজত এই প্ৰতিযোগিতা চলে। ইয়াৰ বাবে এশ এটা ডাঙৰ-দীঘল আকৃতিৰ ঢোল যোগাৰ কৰা হয়। ল'ৰা-ডেকা, বুঢ়া, তিৰোতা সকলোৱে ইয়াত ভাগ ল'ব পাৰে। নিজৰ জাতীয় পোছাক পৰিধান কৰি, মুৰত চৰাইৰ পাখি আৰু গছৰ পাত গুজি, নকমাই হাতত দীঘল দা আৰু বয়সিয়ালসকলে মিল্লাম লৈ নাচে। মুকলি পথাৰত বিৰাত জন সমুদ্ৰৰ মাজত এই ওৱাংগালা নৃত্য অনুষ্ঠিত হয়।

**লাহো** (Laho) **ঃ** মেঘালয়বাসী সকল বিশেষকৈ পেনাৰ জনগোষ্ঠীয়ে (Pnar Trib) মেঘালয়ৰ লোকউৎসৱ বেহদিনখ্লাম (Behdienkhlam)ৰ সময়ত ৰং বিৰঙৰ সাজ-পাৰ পিন্ধি লাহো নৃত্যত অংশগ্ৰহণ কৰে। এই নৃত্যত মহিলাসকলৰ দুয়োফালে দুজন মানুহ থিয় হয় আৰু তেওঁলোকে এজনে আনজনৰ হাত সংযোগ কৰি নিৰ্দিষ্ট মুদ্ৰা প্ৰদৰ্শন কৰে। (পুৰুষ-মহিলাই হাতত ধৰাধৰিকৈ নৃত্যৰ ভঙ্গীমা দিয়ে।) এই নৃত্যৰ সৈতে এজন বহুৱা ব্যক্তিও থাকে যিয়ে নিৰন্তৰে ব্যঙ্গ কথা কৈ দৰ্শকক হুহুৱাবলৈ যত্ন কৰে।

**চেড ৰেকিং ঃ** চেড চাক মিনচিম উৎসৱত 'চেড ৰেকিং নৃত্য' কৰা হয়। এপ্ৰিল

ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ হয় যদিও অসম ৰাজ্য মুছলমানৰ সংস্পৰ্শলৈ আহে ত্ৰয়োদশ শতিকাতহে। কেবাবাৰো ভালেমান মুছলমান শাসকে অসম আক্ৰমণ কৰিও ব্যৰ্থ হৈছিল যদিও তেওঁলোকৰ জৰিয়তে কামৰূপ মুছলমানৰ সংস্পৰ্শলৈ আহিছিল। বৈ যোৱা সৈন্যবাহিনী বা পৰাজিত বন্দী সৈনিক, ধৰ্মান্তৰিত থলুৱা লোক আৰু ধৰ্মপ্ৰচাৰ কৰিবলৈ অহা চুফী-সাধকসকলৰ জৰিয়তে প্ৰাচীন কামৰূপৰ মুছলমান সমাজ এখন লাহে লাহে ঠন ধৰি উঠিছিল। কোৱা বাহুল্য যে তুৰ্কী বাহিনীৰ পথ-প্ৰদৰ্শক জনৈক জনজাতীয় নেতাই 'আলি মেচ' নাম গ্ৰহণ কৰি ইছলাম ধৰ্মত দীক্ষিত হৈছিল। তেৰেঁই প্ৰথম ধৰ্মান্তৰিত কামৰূপৰ মুছলমান লোক। ইছলাম ধৰ্ম সেই কালৰ দিল্লীৰ ৰজাৰ ধৰ্ম হোৱা বাবে আলি মেচৰ লগতে ভালেমান জনজাতীয় লোক এই ধৰ্মত দীক্ষিত হৈছিল বুলি ভাবিব পাৰি; কাৰণ সেই সময়ত ৰজাৰ ধৰ্মই প্ৰজাৰ ধৰ্ম আছিল। বখতিয়াৰৰ লোক এই ধৰ্মত দীক্ষিত হৈছিল বুলি ভাবিব পাৰি; কাৰণ সেই সময়ত ৰজাৰ ধৰ্মই প্ৰজাৰ ধৰ্ম আছিল। বখতিয়াৰ আক্ৰমণৰ পৰা (১২০৫-০৬ খ্ৰী.) ইটাখুলিৰ ৰণলৈ (১৬৮২ খ্ৰী.) সুদীৰ্ঘ পাঁচশ বছৰ কাল মুছলমানসকলৰ লগত হোৱা যোগাযোগ আৰু সংঘৰ্ষৰ কালছোৱাত পত্তন ঘটা ইছলামীয় সমাজখনৰ আহোম ৰাজত্বকালত বেছি সম্প্ৰসাৰণ ঘটিছিল। আহোম ৰজাই বিভিন্ন কাৰু-কাৰ্যৰ বাবে উত্তৰ ভাৰতৰ পৰা আমদানি কৰা অনেক মুছলমান লোক অসমত আহি নিজকে অসমীয়া ভাষা-সংস্কৃতিৰ লগত বিলীন কৰি দিছিল। বাহিৰৰ পৰা অহা অধিকাংশ মুছলমান লোকে লগত তিৰোতা অনা নাছিল বাবে অসমৰ থলুৱা বিভিন্ন জনগোষ্ঠীৰ ছোৱালী বিয়া কৰাই অসমৰ স্থায়ী বাসিন্দা হৈ পৰিছিল। ফলত অসমীয়া মুছলমানৰ ভাষা-সংস্কৃতিত যেনেকৈ জনজাতীয় প্ৰভাৱ পৰিল, তদ্ৰূপ বিভিন্ন জনজাতীয় সমাজতো ইছলামীয় প্ৰভাৱ কিছু হ'লেও সোমাই পৰিল।

অসমৰ অধিবাসীসকলে পুৰণি কালৰে পৰা বিভিন্ন বৈদিক, অবৈদিক আৰু জনবিশ্বাসমূলক দেৱ-দেৱীৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰি আহিছে। অইন ধৰ্মৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ শিকনি দিয়া অসমৰ চুফী গুৰু ইবন-অল-আৰবী আৰু গিয়াচুদ্দিন আউলীয়াৰ উদাৰতাৰ বাবে অসমৰ খিলঞ্জীয়া মানুহে ইছলাম ধৰ্মক আপোন কৰি ল'বলৈ ধৰিলে। সেয়ে অসমীয়া মুছলমানে চুফীগুৰু ইবন আৰবীৰ দৰ্শনৰ দৰে নিজৰ গাঁৱৰ কাষত বা বাটৰ কাষত থকা হিন্দু বা জনজাতীয় উপাসনাৰ থান পাৰ হওঁতে গভীৰ সাত্ত্বিক ভাব প্ৰদৰ্শন কৰে। প্ৰয়োজন অনুসৰি নিজে নাইবা আওপকীয়াকৈ তেনেবোৰ থানলৈ অৰ্ঘ্য নিবেদন কৰাও দেখুৱায়।[১]

অনাৰ্য দেৱতা শিৱই অসমীয়া মুছলমান সমাজতো প্ৰভাৱ বিস্তাৰ কৰি আহিছে।



গোটাকৈ কটা দীঘলীয়া বাঁহবোৰ এডাল আনডালৰ ওচৰ চপাই লয়ত চাপৰি বজোৱাৰ দৰে শব্দ কৰে আৰু মহিলা নৃত্যকুশলী সকলে সংগীতৰ তালে তালে বাঁহ কেইডালৰ মাজে মাজে নৃত্য কৰে। নৃত্যকাৰসকলে ৰংচঙীয়া কাপোৰ পিন্ধে যেনে - থিহনা (Thihna), বাকিৰিয়া (Vakiria), কাৰৰচেই (Kawrchei) আৰু পানচেই (Puanchei)। মিজোৰামৰ প্ৰায় সকলো উৎসৱ-পাৰ্বনতে এইনৃত্য এক এৰাব নোৱাৰা অংগ।

**চাইলাম নৃত্য (Chailam Dance) ঃ** মিজোসকলৰ গুৰুত্বপূৰ্ণ উৎসৱ 'চাপচাৰকুট'ত প্ৰদৰ্শিত হোৱা চাইলাম নৃত্য এটি জনপ্ৰিয় নৃত্য। এই নৃত্যত পুৰুষ আৰু মহিলা উভয়ে অংশগ্ৰহণ কৰে। বৃত্তাকাৰে নচা নৃত্যকাৰসকলৰ মাজত বাদ্যবাদকসকলে আহি ঢোল আৰু পেপাঁ বজাই ছন্দৰ ঝংকাৰ তোলে। এই নৃত্যত চাইগীত গোৱা হয়। সামান্য প্ৰভেদৰ ভিত্তিত চাইলাম নৃত্যক চাৰিভাগত ভগোৱা হয়। চাপচাৰকুট উৎসৱ এসপ্তাহ বা তাতোকৈ অধিক চলে।

ইয়াৰোপৰি মিজোৰামত চ'লাকিয়া, চাৰলামকাই (Sarlamkai), চোৱাংলাইজোৱান (Chawnglazawn), জাংতালাম (zangtalam) আদি নৃত্যৰো প্ৰচলন আছে।

**অৰুণাচল প্ৰদেশ** - উত্তৰ-পূৰ্বাঞ্চলৰ 'সূৰ্যোদয়ৰ দেশ' হিচাপে জনাজাত অৰুণাচল প্ৰদেশ মাটি কালিৰ ফালৰ পৰা এখন বৃহৎ ৰাজ্য। প্ৰাকৃতিক সৌন্দৰ্য্যৰ দিশেৰে পূৰ্বোত্তৰ ৰাজ্যসমূহৰ ভিতৰত এখন লেখত ল'বলগীয়া ৰাজ্য। ৰামায়ণ-মহাভাৰতৰ কালৰে পৰা খ্যাত অৰুণাচল প্ৰদেশ বৰ্তমান ২৬ টা প্ৰধান জনগোষ্ঠী আৰু অসংখ্য জনজাতীয় লোকেৰে গঠিত কলা- সংস্কৃতিৰ মিলনভূমি।

**সিংহ আৰু ময়ুৰ নৃত্য (Lion and Peacock Dance) ঃ** ই অৰুণাচল প্ৰদেশৰ মনপা জনগোষ্ঠীৰ মাজত প্ৰচলিত লোকনৃত্য। ইয়াত জীৱ-জন্তুৰ কাহিনী বৰ্ণিত হয় আৰু নৃত্যকাৰসকলে জীৱ-জন্তুৰ চাল-চলন অনুকৰণ কৰি নৃত্য ভংগী দেখুৱায়। এইনৃত্যত দুটা দলে অংশগ্ৰহণ কৰে আৰু প্ৰতিটো দলৰ লগত দুজনকৈ ঢোলবাদক থাকে। নৃত্যকাৰসকলে কুকুৰা আৰু সিংহৰ অনুৰূপ মুখা পিন্ধে। এইনৃত্যৰ লগত তাল আৰু বৰকাহেঁ বজোৱা হয়।

**বাৰডোচাম নৃত্য (Bardo Chham) ঃ** অৰুণাচল প্ৰদেশৰ পশ্চিম কামেং জিলাৰ এটা সৰু সম্প্ৰদায় চেৰদুকপেনসকলৰ পৰম্পৰাগত নৃত্য হ'ল বাৰডোচাম। অৰুণাচলবাসীয়ে বিশ্বাস কৰে যে প্ৰত্যেকজন মানুহৰ গাতে ঈশ্বৰ আৰু চয়তানৰ বসতি আছে আৰু এই বিশ্বাসৰ ওপৰতেই বৰডোচাম নৃত্য প্ৰতিষ্ঠিত। লোকবিশ্বাস মতে ঈশ্বৰ আৰু চয়তান উভয়ে মনুষ্য জাতিৰ ওপৰত শাসন কৰিব বিচাৰে।

তেওঁলোকৰ মতে এটা বছৰত বাৰটা ভিন ভিন চয়তানে প্ৰতিমাহতে জোৰকৈ ভুমুকি মাৰে আৰু একেলগ হয়। সেয়ে এই নৃত্যত পিশাচ বা চয়তানৰ ওপৰত ঈশ্বৰৰ বিজয়ৰ চিত্ৰ অংকন কৰা হয়। চেৰদুকপেনসকলে ৰং-বিৰঙৰ মুখা পিন্ধি বিভিন্ন জীৱ- জন্তুৰ ভাও দিয়ে আৰু ঢোলৰ সৈতে নৃত্যৰ চেৰে চেৰে চয়তানৰ বিৰুদ্ধে যুঁজ কৰাৰ অভিনয় কৰে। পুৰুষ-মহিলা উভয়ে এই নৃত্যত অংশগ্ৰহণ কৰে। এই নৃত্যৰ জৰিয়তে প্ৰকৃতি মাতৃ আৰু প্ৰকৃতিৰ উপাদানৰ সৈতে মানুহৰ যি পাৰস্পৰিক সম্পৰ্ক তাকো দেখুওৱা হয়।

**ৱানচো নৃত্য (Wancho Dance) ঃ** ওজেল উৎসৱ অৰুণাচলৰ ৱানচো জনগোষ্ঠীৰ অতি জনপ্ৰিয় উৎসৱ। এই উৎসৱ ফেব্ৰুৱাৰী-মাৰ্চ মাহত কণীধানৰ গুটি সিচাঁৰ পিছত উদ্যাপন কৰা হয়। এই নৃত্য সাধাৰণতে গাঁওবুঢ়াৰ ঘৰত প্ৰদৰ্শিত হয়। সকলো বয়সৰ পুৰুষ আৰু ডেকা বিবাহিত মহিলাই এই নৃত্যত অংশগ্ৰহণ কৰে। এই নৃত্য পুৰুষে আৰম্ভ কৰে আৰু তেওঁলোকে পাছহোঁহোকাৰ পিছত মহিলা নৃত্যকাৰসকলে নৃত্য কৰে। নৃত্যৰত অৱস্থাত পুৰুষ নৃত্যকাৰে সোঁহাতত তৰোৱাল লয় আৰু এটা বেতৰ হোৱা কঁকালৰ পৰা নিতম্বলৈ ওলোমাই লয়। পুৰুষ নৃত্যকাৰে সচৰাচৰ বগা আৰু নীলা ৰঙৰ কাপোৰ পিন্ধে আৰু মহিলাসকলে ৰংচঙীয়া কাপোৰ পিন্ধে। হোৰাটোত জুনুকা বান্ধি লয় যাতে নাচৰ লয়ত এটি সাংগীতিক ধ্বনিৰ সৃষ্টি হয়।

**খামতি নৃত্য (Khamti Dance) ঃ** বৌদ্ধধৰ্মীয় খামতি সকলে পুৰণি সাধুকথা আৰু পৌৰাণিক কাহিনীৰ আধাৰত বহু ধৰণৰ নৃত্যনাটিকাৰ প্ৰদৰ্শন কৰে। সাধাৰণতে এই নৃত্যনাটিকা সমূহ মঞ্চস্থ হয় খামচাং (Khamsang), ছানকিয়ান (Sankian) আৰু পটৱাহ (Potwah) অনুষ্ঠানত। তেওঁলোকে উৎসৱৰ মনোৰঞ্জনৰ দিশটো প্ৰদৰ্শন কৰে। এই নৃত্য একমাত্ৰ পুৰুষেহে প্ৰদৰ্শন কৰে আৰু বৌদ্ধবিহাৰতহে কৰা হয়।

**নৃত্যৰাজিৰ মাজত থকা বৈচিত্ৰ্য ঃ**

ওপৰোক্ত আলোচনাৰ আধাৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ পৰম্পৰাগত লোকনৃত্যসমূহ জুকিয়াই চালে দেখা যায় প্ৰতিটো নৃত্যৰ এক সুকীয়া বৈশিষ্ট্য বিৰাজমান আৰু প্ৰতিটো নৃত্যই নিজৰ ৰাজ্যৰ সাংস্কৃতিক বিশেষত্বক প্ৰতিষ্ঠিত কৰে। অসমৰ বিহু নৃত্যই যিদৰে অসমৰ জাতীয় উৎসৱ বিহুক প্ৰতিনিধিত্ব কৰে ঠিক তেনেদৰে চিংহি শ্বাম নৃত্যত পৰিধান কৰা শ্নো লায়নৰ মুখাই অৰুণাচলৰ সাংস্কৃতিক প্ৰতীকক প্ৰতিনিধিত্ব কৰে। নৃত্যৰ লগত ব্যৱহৃত সাজ- পাৰ, গীত-মাত তথা বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো নৃত্যৰাজিৰ মাজত যথেষ্ট বৈচিত্ৰ্য পৰিলক্ষিত হয়। কিয়নো অন্য সময়ত



# সমাহৰিত সংস্কৃতিৰ পটভূমিত জনজাতীয় আৰু অসমীয়া মুছলমান সমাজ

● ড° আব্দুল মালিক

অসমৰ জনজাতি বুলিলে বৰ্তমান অসমৰ ৰাজনৈতিক মানচিত্ৰখনৰ অন্তৰ্গত জনজাতি সকলকেই নুবুজায়; ইয়াৰ দাঁতিকাষৰীয়া ৰাজ্যসমূহত বসবাস কৰা জনজাতি সকলকো বুজোৱা হয়। ইতিহাসে ঢুকি নোপোৱা সময়ৰে পৰা এই চুবুৰীয়া অঞ্চল সমূহৰ সৈতে অসমৰ জনজাতি সকলৰ নিগূঢ় সম্পৰ্ক আছে। ভাষাৰ ভিত্তিত অসমৰ জনজাতিসকলক অষ্ট্ৰিক আৰু চীন-তিব্বতীয় নামৰ দুটা ভাগত ভগালেও নৃতাত্বিক জাতি-গোষ্ঠী বিচাৰত অসমৰ জনজাতীয়সকলক প্ৰধানকৈ মঙ্গোলীয় ফৈদৰ অন্তৰ্ভুক্ত বুলি কোৱা হয়। অৱশ্যে নৃতাত্বিকসকলে প্ৰাচীন ককেচীয় গোষ্ঠীৰ প্ৰভাৱো অসমৰ জনজাতিসকলৰ শাৰীৰিক লক্ষণত সংমিশ্ৰিত হোৱা বুলি অনুমান কৰিছে। অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিলৈ এই জনজাতিসকলৰ বৰঙণি অলেখ। আৰ্য-হিন্দু সংস্কৃতিত জনজাতীয় প্ৰভাৱ যেনেকৈ সোমাইছে, তেনেকৈ পাৰস্পৰিক আদান-প্ৰদানৰ ফলত তেওঁলোকো প্ৰভাৱান্বিত হৈছে। অনেক সময়ত উভয়ৰ প্ৰভাৱৰ ফলত এক সমন্বয়মূলক সমাজ-সংস্কৃতিৰো উদ্ভৱ নোহোৱাকৈ থকা নাই। অসমত আৰ্য-হিন্দুধৰ্মৰ বাহিৰেও জনজাতীয় আদিম ধৰ্মসমূহৰ লগত বৌদ্ধ, খ্ৰীষ্টান, ইছলাম, শিখ আদি ধৰ্মৰ প্ৰচলন আৰু সেইবোৰ ধৰ্মৰ সৈতে সম্পৃক্ত মঠ-মন্দিৰ, থান-বিহাৰ, মছজিদ-গীৰ্জা-গুৰুদ্বাৰ আদি উপাসনা ঘৰবোৰ আছে। অনেক জনজাতীয় লোকে সময়ৰ সোঁতত হিন্দু, ইছলাম, বৌদ্ধ, খ্ৰীষ্টান আদি ধৰ্মত দীক্ষিত হ'লেও আদিম বা কৌলিক ধৰ্মৰ আচাৰ-ৰীতি সম্পূৰ্ণকৈ পৰিত্যাগ কৰিব পৰা নাই। উদাহৰণস্বৰূপে অসমৰ অনেক জনজাতীয় লোকে বৈষ্ণৱ ধৰ্মত দীক্ষিত হ'লেও নিজস্ব খাদ্যসম্ভাৰ তথা ৰীতি-নীতি আদি মানি চলে।

সপ্তম শতিকাত দক্ষিণ ভাৰত আৰু অষ্টম শতিকাত উত্তৰ ভাৰতত ইছলাম

● সহযোগী অধ্যাপক, হাজী আনফৰ আলী কলেজ, ডবকা

আলোচনা মুষ্টিমেয় মানুহৰ মাজতে সীমিত। নৃত্যকলাক মানুহে সদায় ব্যৱহাৰিক ৰূপতে চাব বিচাৰে, কিন্তু নৃত্য বিশেষৰ লগত জড়িত অন্যান্য দিশৰ আলোচনা প্ৰায়ে নহয়। উত্তৰ-পূৰ্বাঞ্চল নৃত্য- গীতত অতি চহকী যদিও উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত নৃত্যৰাজিৰ বিষয়ে প্ৰায় সকলোৰে জ্ঞান সীমিত। এনে আলোচনাই সাংস্কৃতিক সমন্বয় তথা সামাজিক সংহতিৰ বাটো মুকলি কৰে। আমাৰ এই আলোচ্য বিষয়টিৰ বিশদ আলোচনা হ'লে উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি, সাংস্কৃতিক সমন্বয়, সামাজিক সংহতি তথা আৰু বহু গুৰুত্বপূৰ্ণ দিশ উন্মোচিত হ'ব বুলি আশা কৰিব পাৰি।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


**অসমীয়া ঃ**

১) তালুকদাৰ, ৰামকৃষ্ণ ঃ *নৃত্যকলা দৰ্পণ*, কাগজ নগৰৰ কলাকৃষ্টি কেন্দ্ৰ, মৰিগাঁও, প্ৰথম প্ৰকাশ, ২০০০

২) তাহেৰ, মহম্মদ (সম্পা) ঃ *বিশ্বকোষ* (নৱম খণ্ড),অসম সাহিত্য সভা,যোৰহাট, প্ৰথম প্ৰকাশ, ২০০৬

৩) দাস, নাৰায়ণ ঃ *অসমৰ সংস্কৃতি কোষ*, জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৭

৪) শইকীয়া, নগেন ঃ *গৱেষণা পদ্ধতি পৰিচয়*, বনলতা প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৬

**ইংৰাজী ঃ**

১) Sharma, Prabal ঃ *Music Culture of North East India*, Raj Publication, New Delhi, 2009

২) Subrahmaniam, Padma ঃ *Dances of India*, Vivekananda Kendra Patrika, New Delhi, 2008.




নিপিন্ধিলেও পৰম্পৰাগত লোকনৃত্য পৰিৱেশনৰ সময়ত নৃত্যকুশলী সকলে পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰাৰ লগতে পৰম্পৰাগত বাদ্য যন্ত্ৰৰ ব্যৱহাৰ কৰে। যেনে- অসমীয়া ডেকা-গাভৰুৱে বিহু মাৰোতে পৰম্পৰাগত সাজ-পাৰ ধুতী-চোলা, ৰিহা-মেখেলা তথা গামখাৰু, জোনবিৰি আদি অলংকাৰ পিন্ধে। একেদৰে মিজো নৃত্যকাৰে চেৰৌ নৃত্যত তেওঁলোকৰ পৰম্পৰাগত সাজ-পাৰ থিহ্‌না, বাকিৰিয়া, কাৰৰচেই, পানচেই আদি পিন্ধা দেখা যায়। আকৌ লোকনৃত্য সমূহত পৰম্পৰাগত বাদ্যযন্ত্ৰৰ ব্যৱহাৰ এক অপৰিহাৰ্য্য অংগ হিচাপে হোৱা দেখা যায় যদিও নাগালেণ্ডৰ জেলিয়াং নৃত্য আৰু যুদ্ধ নৃত্যত কোনো ধৰণৰ বাদ্যযন্ত্ৰ ব্যৱহাৰ নহয়।

বৈচিত্ৰ্যৰ সমাহাৰ কঢ়িয়াই অনা কোনো লোকনৃত্য যদি লোকবিশ্বাসৰ আধাৰত গঢ় লোৱা, কোনোটো আকৌ কৃষি কৰ্মৰ সৈতে জড়িত।কোনোটো নৃত্য যদি যুদ্ধত বিজয়ৰ ধ্বজাবাহী, কোনোটো আকৌ পৰম্পৰাগত লোকবিশ্বাসৰ অপৰিহাৰ্য অংগ। উদাহৰণ স্বৰূপে- অৰুণাচল প্ৰদেশৰ বাৰডো চাম নৃত্য লোকবিশ্বাসক কেন্দ্ৰ কৰি গঢ় লোৱা, আনহাতে অসমৰ বিহু নৃত্য বা ত্ৰিপুৰাৰ হোজাগিৰি নৃত্য কৃষিকৰ্মৰ লগত সম্পৰ্কিত। নাগালেণ্ডৰ চাংলো নৃত্যৰ পটভূমি যুদ্ধত বিজয়ৰ প্ৰতীক হোৱাৰ বিপৰীতে মিজোৰামৰ চেৰৌ নৃত্য লোক উৎসৱৰ এক অভিন্ন অংগ। আকৌ মেঘালয়ৰ লাহো নৃত্যত থকা বহুৱাৰ চৰিত্ৰই এক ব্যতিক্ৰমী নৃত্যৰ পৰিচয় দিয়ে। অসমৰ বাগৰুম্বা নৃত্য আৰু ঝুমুৰ নৃত্য স্ত্ৰীপ্ৰধান হোৱাৰ বিপৰীতে নাগালেণ্ডৰ চাংলো নৃত্য যুদ্ধনৃত্য, পুৰুষ প্ৰধান ; আকৌ অৰুণাচলৰ খামতি নৃত্য আৰু মণিপুৰৰ কীৰ্ত্তনত কেৱল পুৰুষেহে অংশগ্ৰহণ কৰিব পাৰে।

**নৃত্যৰাজিৰ মাজত থকা সাদৃশ্যতা ঃ**

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ নৃত্যসমূহৰ মাজত বিভিন্ন দিশেৰে বৈচিত্ৰ্য স্পষ্ট, অৱশ্যে ই স্বাভাৱিকো। কিন্তু বিভিন্ন বৈচিত্ৰ্যৰ মাজতো কেতবোৰ সাদৃশ্য নোহোৱা নহয়। প্ৰথমেই মনকৰিবলগীয়া যে সকলো লোকনৃত্যই দলীয় নৃত্য আৰু প্ৰতিটো নৃত্য পৰম্পৰাৰ লগত নিৰ্দিষ্ট সমাজখনৰ প্ৰায় সকলো লোকেই জড়িত হৈ থাকে। নৃত্য পৰিৱেশনৰ দিশটোলৈ চালে কেতবোৰ নৃত্যৰ মাজত মিল দেখা যায় যেনে- অসমৰ বিহু, চ'মাংকান, বাগেজাৰী নৃত্য মিজোৰামৰ চাইলাম নৃত্য, মেঘালয়ৰ চেড ৰেকিং নৃত্যত নৃত্যকাৰসকলে বৃত্তাকাৰে নৃত্য প্ৰদৰ্শন কৰে। অসমৰ বাগৰুম্বা নৃত্যত নাচনীসকলে পৰম্পৰাগত কাপোৰ 'আৰোনাই' ব্যৱহাৰ কৰাৰ দৰে মিজোৰামৰ খোৱালাম নৃত্যত পৰম্পৰাগত কাপোৰ 'পোৱানদাম' ব্যৱহৃত হোৱাৰ লগতে

কাপোৰখনৰ সৈতে কৰা নৃত্যভংগীমাৰ দিশতো সাদৃশ্য পৰিলক্ষিত হয়। একেদৰে, মণিপুৰৰ থাংটা নৃত্য যুদ্ধনৃত্য ৰূপে পৰিচিত। কিয়নো এই নৃত্যত তৰোৱাল, যাঠী, ডেগাৰ আদিৰ কলা প্ৰদৰ্শিত হয় ঠিক সেইদৰে নাগালেণ্ডৰ যুদ্ধনৃত্য আৰু চাংলো নৃত্যত পুৰুষ নৃত্যকাৰে নগা যোদ্ধাৰ সাজ পৰিধান কৰাৰ লগতে নগা যুদ্ধৰ কৌশল প্ৰদৰ্শন কৰে। মিজোৰামৰ চেৰৌ নৃত্যত বাঁহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। বহুসময়ত চেৰৌ নৃত্য নামটো নজনা ব্যক্তিয়ে সেয়ে ইয়াক 'বেম্বো ডান্স' (বাঁহ নৃত্য) বুলিও অভিহিত কৰে। অসমৰ বিহু নৃত্যত বাঁহৰ গুৰুত্ব চেৰৌ নৃত্যৰ সমান নহয় যদিও চেৰৌ নৃত্যত ওচৰা ওচৰিকৈ থকা দুডাল বাঁহ ওচৰ চপাই চাপৰি বজোৱাৰ দৰে সংলগ্ন কৰি যিদৰে লয়যুক্ত শব্দৰ সৃষ্টি কৰে সেইদৰে বাহেঁৰে নিৰ্মিত টকা ব্যৱহাৰ কৰি বিহুতো লয়যুক্ত শব্দ ধ্বনিৰ সৃষ্টি কৰা হয়। কেৱল মহিলাসকলৰ মাজত জনপ্ৰিয় জেং বিহুত অন্য কোনো বাদ্যযন্ত্ৰ ব্যৱহাৰ নহয় তাৰ সলনি বাঁহেৰে নিৰ্মিত টকা আৰু গগণাৰহে ব্যৱহাৰ দেখা যায়। ত্ৰিপুৰাৰ গাৰিয়া নৃত্যতো বাঁহেৰে নিৰ্মিত বাদ্যযন্ত্ৰ খাম, বাঁহী, চাৰিণ্ডা, লেবাং আদিৰ বহুল ব্যৱহাৰ হয়। ইয়াৰোপৰি নৃত্যত ব্যৱহৃত বাদ্যযন্ত্ৰৰ ক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় প্ৰতিটো নৃত্যতে কিছু সুকীয়া গঢ়ৰ হ'লেও ঢোল আৰু তালৰ ব্যৱহাৰ অপৰিহাৰ্য। মুখাৰ ব্যৱহাৰৰ দিশত ছিকিমৰ চিংহিচাম নৃত্য আৰু অৰুণাচল প্ৰদেশৰ বড়ো চাম, সিংহ আৰু ময়ুৰ নৃত্যৰ মাজত যথেষ্ট মিল আছে। উত্তৰ-পূবৰ বিভিন্ন জাতি-জনজাতিৰ মাজত প্ৰচলিত অৰ্ধ নাটকীয় অনুষ্ঠানত বহুৱা চৰিত্ৰৰ প্ৰচলন আছে। কিন্তু পৰম্পৰাগত নৃত্যত বহুৱা চৰিত্ৰৰ প্ৰয়োগ মনকৰিবলগীয়া। মেঘালয়ৰ লাহো নৃত্য আৰু ছিকিমৰ মাৰুণী নৃত্য দুয়োটাতে বহুৱা চৰিত্ৰ আছে আৰু এই দিশেৰে নৃত্যদুটাৰ মাজত সাদৃশ্যও আছে। ছিকিমৰ মাৰুণী নৃত্যত নৰ্তকীসকলে ঘৰে ঘৰে গৈ নৃত্য প্ৰদৰ্শন কৰে আৰু নৃত্য-গীতৰ মাজেৰে উপাস্য দেৱ-দেৱী, নদ-নদী, পৰ্বত-পাহাৰ, মাটি- পানী আদিক সন্তুষ্ট কৰিবলৈ প্ৰাৰ্থনা জনায়। লগতে মাৰুণী আৰু বহুৱাই মাদলৰ তালে তালে নাচি নাৰ্জিফুল আৰু দৈ-চাউল মিহলাই তৈয়াৰ কৰা অক্ষতা চটিয়াই গৃহস্থক আশীৰ্বাদ দিয়ে। একেদৰে অসমৰ বিহু নৃত্য আৰু মিচিং সকলৰ গুমৰাগ নৃত্যও গাঁৱৰ প্ৰতিঘৰ মানুহৰ ঘৰৰ চোতালত প্ৰদৰ্শিত হয় আৰু গৃহস্থক আশীৰ্বাদ দিয়াৰ পৰম্পৰাও একেই। আকৌ মেঘালয়ৰ ওৱাংগালা নৃত্য আৰু মিজোৰামৰ খোৱালাম নৃত্য মুকলি পথাৰত বিশাল ৰাইজৰ মাজত অনুষ্ঠিত হয়।

নৃত্য পৰম্পৰাসমূহৰ উৎপত্তি তথা এই নৃত্যসমূহ কিহৰ ওপৰত আধাৰিত সেই দিশটো বিবেচনা কৰিলেও নৃত্যসমূহৰ মাজত বহু সাদৃশ্য দেখা যায়। উদাহৰণ স্বৰূপে - অসমৰ জাতীয় উৎসৱ বিহুৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্কিত বিহু নৃত্য



যিদৰে কৃষি কাৰ্য তথা প্ৰকৃতিৰ ওপৰত আধাৰিত ঠিক একেদৰে ত্ৰিপুৰাৰ হোজাগিৰি নৃত্য ত্ৰিপুৰাবাসীৰ কৃষি ভিত্তিক লোক উৎসৱ হোজাগিৰিৰ লগত আৰু মেঘালয়ৰ ওৱাংগালা নৃত্য গাৰো জনজাতিসকলৰ আটাইতকৈ শ্ৰেষ্ঠ আৰু কৃষিভিত্তিক উৎসৱ ওৱাংগালাৰ লগত জড়িত। খাচীসকলৰ নংক্ৰেম উছৱ আৰু নৃত্যৰ লগতো অসমীয়া বিহু উৎসৱ আৰু বিহু নাচৰ কিছু মিল থকা পৰিলক্ষিত হয়। অসমৰ মিচিং সকলৰ গুমৰাগ নৃত্য শস্য সিচাঁ উৎসৱ আলি-আই-লৃগাঙৰ লগত জড়িত হোৱাৰ দৰে অৰুণাচলৰ ৰাংচো নৃত্যও কণীধানৰ গুটি সিচাঁৰ পিছত উদ্‌যাপন কৰা ওজেল উৎসৱৰ সৈতে সম্পৰ্কিত। অসমৰ বিহু নৃত্য আৰু ত্ৰিপুৰাৰ বিজো নৃত্য - দুয়োটাই পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰাৰ উদ্দেশ্যে পৰিৱেশিত হয়। ইয়াৰোপৰি উত্তৰ-পূবৰ কেইবাটাও নৃত্য পৰম্পৰা ধৰ্মীয় অনুষ্ঠানক কেন্দ্ৰ কৰি হোৱা। যেনে - ভাদ মাহৰ একাদশী তিথিত অনুষ্ঠিত হোৱা কৰম পূজাৰ অপৰিহাৰ্য্য অংগ ৰূপে অসমৰ ঝুমুৰ নৃত্য পৰিৱেশিত হয়। একেদৰে ত্ৰিপুৰাৰ খোৱালাম নৃত্য খোৱাংচাৱি (Khuangchawi) নামৰ ধৰ্মীয় অনুষ্ঠানত প্ৰদৰ্শিত হয় আৰু মণিপুৰৰ লাইহাৰাওবা নৃত্যও ধৰ্মভিত্তিক। লোকনৃত্যৰ লগত জনশ্ৰুতি বা লোকবিশ্বাসো জড়িত থকা দেখা যায় আৰু এই দিশেৰেও কেতবোৰ নৃত্যৰ মাজত মিল দেখা যায়। অসমৰ বড়ো সম্প্ৰদায়ৰ মাজত প্ৰচলিত বাগৰুম্বা নৃত্যৰ উৎপত্তি সম্পৰ্কে থকা বিশ্বাস অনুযায়ী কুণ্ডিল জীয়ৰী ৰুক্মিণী আৰু দ্বাৰকাপতি শ্ৰীকৃষ্ণ বিয়াৰ পিছত কুণ্ডিললৈ আঠমঙলালৈ অহাৰ সময়ত কিৰাট জীয়ৰীসকলে ৰুক্মিণী আৰু কৃষ্ণক জোকাই গোৱা নৃত্য গীতৰ পৰাই এই নৃত্যৰ উৎপত্তি; বাগেজাৰী নৃত্য বকো অঞ্চলৰ বগে ৰাজ্যৰ ৰাণী 'বাগেজাৰী' ৰ নামেৰে আৰু খোকচি বা বায়খো উপাদিকা খোপৰাঙী, বহুৰাঙী নামৰ বায়েক-ভনীয়েকৰ নামেৰে হোৱা বুলি দুটি কাহিনী মুখে মুখে প্ৰচলিত হৈ আহিছে। একেদৰে মণিপুৰৰ লাইহাৰাওবা নৃত্য উৎসৱৰ লগত খাম্বা-থৈবী নামৰ এক কৰুণ প্ৰেমকাহিনী সংযোজিত হৈ আছে। আনহাতে অৰুণাচলবাসীৰ লোকবিশ্বাস অনুযায়ী ঈশ্বৰ আৰু চয়তান উভয়ে মনুষ্য জাতিৰ ওপৰত শাসন কৰিব বিচৰে আৰু ঈশ্বৰে সদায় চয়তানৰ ওপৰত বিজয় লাভ কৰে, আৰু বাৰডো চাম নৃত্যত তাৰেই চিত্ৰ অংকিত হয়। এনেদৰে বিচাৰ-বিশ্লেষণ কৰিলে দেখা যায় যে উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত লোকনৃত্যসমূহৰ মাজত যথেষ্ট সাদৃশ্য বিৰাজমান।

**সামৰণি ঃ**

নৃত্য এক অতি জনপ্ৰিয় সুকুমাৰ কলা। কিন্তু নৃত্যকলাৰ বিষয়ে চিন্তা-চৰ্চা বা

ব'হাগ বা এপ্ৰিল মাহত হ'বলগীয়া বিহুৰ গীত-ভিডিঅ' ডিচেম্বৰ বা জানুৱাৰী মাহতে মুকলি কৰি দিয়া হয়। একপ্ৰকাৰ যেন মাঘতেই ব'হাগ বিহুৰ আগমন ঘটে। আৰ্থ-সামাজিক দিশৰ ফালৰ পৰা এইসমূহ পৰিৱৰ্তন অতি গুৰুত্বপূৰ্ণ।

আকৌ, কাতি বিহুৰ ক্ষেত্ৰতো এনে পৰিৱৰ্তন দেখা গৈছে। আগতে কাতি বিহু আছিল কৃষক পৰিয়ালৰ মাজত সীমাবদ্ধ। গৃহস্থই সন্ধিয়া খেতিপথাৰ, বাৰী বা ভঁৰালত বন্তি জ্বলাইছিল। কিন্তু আজিকালি ৰাজহুৱাভাৱে আনুষ্ঠানিকভাৱে কাতি বিহুও পালন কৰা দেখা যায়।

মাঘ বিহুৰ ক্ষেত্ৰতো পৰিৱৰ্তিত আৰ্থ-সামাজিক পৰিস্থিতিয়ে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। ভোগৰ উৎসৱ ভোগালী বিহুৰ বাণিজ্যকৰণ চকুৰ লগা বিধৰ। 'ভোগালী জলপান' নামৰ উদ্যোগটোৰ যোগেদি অসমীয়া পিঠা-পনা, জলপান সকলো বজাৰত উপলব্ধ হ'ল। চহৰাঞ্চলৰ বেছিভাগ লোকেই পিঠা-পনা কিনিহে মাঘ বিহু পালন কৰে। নতুনকৈ মেজি আৰু ভেলাঘৰৰ সাজ-সজ্জা কৰি প্ৰতিযোগিতামূলকভাৱে প্ৰস্তুত কৰা প্ৰথাটো কিছু বছৰৰ পৰা লক্ষ্য কৰা গৈছে। ভোগৰ ৰং-ৰহইচৰ লগতে এই ধৰণৰ কাৰুকাৰ্যই ভোগালী বিহুৰ সৌন্দৰ্য বৃদ্ধি কৰিছে বুলিব পাৰি।

অসমীয়াৰ বাপতি সাহোন তিনিওটা বিহুক অধিক গতিশীল আৰু প্ৰাণৱন্ত কৰাত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে বৈদ্যুতিন প্ৰচাৰ মাধ্যমে (Electronic Media)। ৰঙালী, কঙালী আৰু ভোগালী বিহুৰ সাজ-সজ্জা, কাৰুকাৰ্যক জনসাধাৰণৰ সমুখলৈ উলিয়াই অনাত প্ৰচাৰ মাধ্যমসমূহৰ ভূমিকাই আটাইতকৈ বেছি।

এই প্ৰসঙ্গতে উল্লেখযোগ্য যে বিশ্বৰ সকলো সাংস্কৃতিক উপাদান প্ৰচাৰ আৰু প্ৰসাৰত সামাজিক মাধ্যমসমূহৰ ভূমিকাও কম নহয়। ফেইচবুক, ইউটিউব, হোৱাটচ্এপ আদি সামাজিক মাধ্যমে এই ক্ষেত্ৰত লোৱা ভূমিকা উল্লেখযোগ্য। তথ্য প্ৰযুক্তিয়ে আগবঢ়োৱা সুবিধাই অসমৰো চুকে-কোণে বিয়পি থকা সাংস্কৃতিক উপাদান সমূহ বিশ্ববাসীৰ সমুখলৈ উলিয়াই অনাত সহায় কৰিছে। অসমৰ লোকসাংস্কৃতিক উপাদানসমূহ (বিহু, ওজাপালি, খেৰাই, মিচিং বিহু বা অইনিতম, দেউৰী বিহু আদি উল্লেখযোগ্য) ইউ টিউবৰ যোগেদি অধিক প্ৰচাৰ-প্ৰসাৰ লাভ কৰিছে। এইবাৰ বিহুৰ বতৰত এশ এবিধ শাকৰ পৰিচয় লাভ কৰাৰ সুবিধা হৈছিল ফেইচবুক আৰু হোৱাটচ্এপৰ যোগেদি। উত্তৰ লখিমপুৰ কলেজৰ প্ৰচেষ্টাত প্ৰস্তুত কৰা প্ৰতিবিধ শাকৰ নাম আৰু ছবি সন্নিবিষ্ট স্লাইডে আগ্ৰহীসকলক উপকৃত কৰিছে।

শিল্পীসকলে কেছেট, চিডি বা এমপি থ্ৰী আদিতকৈ আজিকালি ইউটিউবতহে নতুন গান, ভিডিঅ' আদি মুকলি কৰিবলৈ ভাল পায়। অতি সহজে এইবোৰৰ যোগেদি



মন্ত্ৰ সাহিত্যৰ লগতে জিকিৰ গীততো আসন লাভ কৰা শিৱ দেৱতাক মুছলমানসকলেও আপোন বুলি ভাবে। বাঁহ বিয়া দৰাচলতে কামৰূপ-দৰঙত প্ৰচলিত ভঠেলি বা সুঁৱেৰি উৎসৱৰ এটি মুছলমান সংস্কৰণ। ভঠেলীক গোৱালপাৰাত বাঁশপূজা বুলি জনা যায়। কামৰূপৰ ভঠেলি, গোৱালপাৰা বাঁশপূজা, মঙলদৈৰ দৌল, কামৰূপৰ মুছলমানে বাঁহ বিয়া হিচাপে পালন কৰে।[২] একেদৰে অবিভক্ত গোৱালপাৰা জিলাৰ থলুৱা মুছলমানসকলৰ এটি গোট বাউসীয়াসকলৰ মাজত বাস্তু দেৱতাৰ পূজাৰ প্ৰচলন এতিয়াও কিছু ঘৰত দেখা যায়। ইছলামীয় দৃষ্টিৰে ই মুঠেই অনুমোদিত প্ৰথা নহয় যদিও পুৰুষানুক্ৰমে চলি অহা বাবে এচামে এই প্ৰথা এতিয়াও বিসৰ্জন দিব পৰা নাই। কোৱা বাহুল্য যে বাঁহ বিয়া অথবা বাস্তু পূজাৰ মূল দেৱতাজন হ'ল শিৱ।

অসমৰ জনজাতিসকলৰ মাজত প্ৰচলিত তন্ত্ৰ-মন্ত্ৰ, যাদু-বিদ্যা, জৰা-ফুকা আৰু ভালেমান দ্ৰব্যগুণ অসমীয়া মুছলমানসকলৰ মাজতো দেখা যায়। এইবোৰ নীতি-নিয়ম, পূজা-পাতল আদি অবৈদিক। জনজাতিসকলৰ বিশ্বাসত থকা দেও-ভূত, বুঢ়া ডাঙৰীয়া, ঘোঁৰা-পাক, বীৰা, পিশাচনী আদি অশৰীৰীসমূহো অসমীয়া মুছলমান সমাজতো সোমাই পৰিছে। একেদৰে অসমীয়া টোকাৰী গীত, দেহবিচাৰ গীত, ৰাতি খোৱা সম্প্ৰদায়ৰ 'চিয়া গীত' আৰু এই সম্প্ৰদায়ৰ ভক্তৰ মাজত গৰীয়া গোসাঁই আৰু গৰীয়া ভকতৰ উৎপত্তিয়ে আৰু জিকিৰত এই হিন্দুধৰ্মীয় গীতবোৰৰ অংশৰ ব্যৱহাৰে এইদৰে দুয়ো পক্ষৰ মাজত একেলগে দুয়ো ধৰ্ম চৰ্চাৰ সুন্দৰ উদাহৰণ দাঙি ধৰিছে। কোৱা বাহুল্য যে ৰাতিসেৱা অনুষ্ঠানটি এটি অনাৰ্য ক্ৰিয়া-কৰ্ম।

অসমত প্ৰায় সকলো শ্ৰেণীৰ লোকে মাছ-মঙহ খায়। অসম ৰাজ্যত ভাৰতৰ অন্যান্য অঞ্চলৰ আৰ্য হিন্দু সমাজত নচলা আহাৰ-বিহাৰ, আচাৰ-বিচাৰৰ মূলতে নিশ্চয় জনজাতীয় প্ৰভাৱ। ধৰ্মীয়ভাৱে নিষেধ দুই-এবিধ মাছ-মাংসত বাহিৰে অসমীয়া মুছলমানেও জনজাতীয় সম্প্ৰদায়সমূহৰ দৰে প্ৰায়বোৰ থলুৱা খাদ্যই ভক্ষণ কৰে। শুকান মাছৰ ব্যৱহাৰ, শুকতি, বাঁহ গাজ খোৱা পদ্ধতি এইবোৰ অসমীয়া মুছলমানে জনজাতিসকলৰ পৰা আহৰণ কৰা। একেদৰে ৰঙা চাউল, খাৰলি, খৰিচা, মাটিমাহৰ খাৰ, কলাখাৰ, শুকান মাছৰ গুড়ি আদিৰ ব্যৱহাৰো তেওঁলোকে জনজাতিসকলৰ পৰা শিকিছে। অন্যান্য জনগোষ্ঠীৰ দৰে অসমীয়া মুছলমানে ঘৰুৱা কাম-কাজৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন সৰু-সুৰা সঁজুলিসমূহৰ ভালেখিনি জনজাতীয় সমাজৰ পৰা আহৰণ কৰা।

তামোল শব্দ বৈদিক সাহিত্যত নাই। তামোলৰ ব্যৱহাৰ অষ্ট্ৰিক নাইবা দ্ৰাবিড়সলকৰ পৰা অহা বুলি পণ্ডিসকলে কয়। তামোল-পানৰ লগত জড়িত নানা

লোকবিশ্বাস, আচাৰ-নীতি অসমত প্ৰচলিত। এইবোৰৰ উৎসও জনজাতি সমাজৰ বুলি ভবা হয়। অসমৰ মুছলমান সমাজতো তামোল-পানৰ একেই সমাদৰ আৰু ইয়াৰ লগত জড়িত লোকবিশ্বাস সমূহো তেওঁলোকৰ মাজত দেখা যায়।

অসমৰ সমাজ ব্যৱস্থাত মাতৃপ্ৰধান নিয়মবোৰ ঘাইকৈ অষ্ট্ৰিক সকলৰ দান। অসমীয়া হিন্দু সমাজত ঢোকা আৰু ধেমনী প্ৰথাৰ (বৰলা আৰু বাঁৰী) বিবাহবোৰত মাতৃ প্ৰাধান্য দেখা যায়। কোৱা বাহুল্য যে এই প্ৰথাৰ প্ৰচলন অসমীয়া মুছলমান সমাজতো বিদ্যমান। তদ্ৰূপ ছোৱালী পলুৱাই আনি বিবাহ সম্পন্ন কৰা প্ৰথাও জনজাতীয় সমাজৰ প্ৰভাৱত অসমীয়া মুছলমান সমাজত সোমাই পৰিছে। মানুহৰ সামাজিক জীৱনত গুৰুত্বপূৰ্ণ স্থান লাভ কৰা জন্ম, বিবাহ আৰু মৃত্যু সম্পৰ্কীয় ভালেমান লোকাচাৰ অসমীয়া মুছলমান সমাজতো আছে। ইয়াৰে ভালেমান প্ৰতিবেশী জনজাতীয় সমাজৰ পৰা অহা। জন্মৰ সময়ত ডাইনী-ভুতুনীৰ চকুৰ পৰা হাত সাৰিবলৈ প্ৰসূঁতি ঘৰৰ প্ৰৱেশদ্বাৰত সিজুগছ, বগৰী কাঁইট আদি বান্ধি দিয়া নিয়ম অসমীয়া হিন্দু সমাজৰ দৰে মুছলমান সমাজতো আছে। এই লোকবিশ্বাস তিব্বতবৰ্মী কিৰাত, প্ৰধানকৈ বড়ো-কছাৰীসকলৰ দ্বাৰা প্ৰভাৱান্বিত বুলি ধাৰণা হয়। তদ্ৰূপ বিবাহত কইনা ঘৰলৈ দৰাঘৰে তামোল-পানৰ ভাৰ নিয়া, ঘৰ-জোঁৱাই ৰখা প্ৰথা, ছোৱালীয়ে গা-যাচি সোমোৱা প্ৰথা, টানি লৈ ছোৱালী বিয়া কৰোৱা প্ৰথাবোৰ জনজাতীয় সমাজৰ পৰা আহি অসমীয়া মুছলমান সমাজতো সোমাই পৰিছে।

সাজ-পোছাকৰ ক্ষেত্ৰত অসমীয়া মুছলমান সমাজত জনজাতীয় প্ৰভাৱ অনুমেয়। অসমৰ সকলো নাৰীয়ে দুখন কাপোৰ অৰ্থাৎ ৰিহা-মেখেলা নাইবা চাদৰ ব্যৱহাৰ কৰে। ৰিহা-মেখেলা, কঁকালত টঙালি বন্ধাৰ মূলতে জনজাতীয় পৰিধানৰ আৰ্হিৰ পৰা অহা।° নামনি অসমৰ ভালেমান মুছলমান তিৰোতাই জনজাতীয় আৰ্হিত বুকুত মেঠনি বা বুকু পাটানী পৰিধান কৰিছিল। প্ৰাচীন কিৰাত জনগোষ্ঠীয়ে অসমলৈ এড়ি কাপোৰ, পাট-মুগাৰ কাপোৰ আমদানি কৰিছিল বুলি পণ্ডিসকলে কয় আৰু এইবোৰ কাপোৰ অসমীয়া মুছলমান সমাজতো সমানে সমাদৃত। অসমীয়া মুছলমান কইনাগৰাকীও পাট-মুগাৰ কাপোৰেৰে জাতিষ্কাৰ হৈ পৰে। আ-অলংকাৰসমূহতো জনজাতীয় প্ৰভাৱ স্পষ্ট। কেৰু, থুৰীয়া, জাংফাই, গামখাৰু আদিত জনজাতীয় সংস্কৃতিৰ সংমিশ্ৰণ ঘটিছে আৰু এই সমূহ অসমীয়া মুছলমান মহিলায়ো ব্যৱহাৰ কৰে। জনজাতীয় তিৰোতাৰ দৰে অসমীয়া মুছলমান তিৰোতায়ো কাপোৰ ব'ব জানে, বিভিন্ন চানেকিৰ ফুল বাচিব পাৰে, বিভিন্ন ৰঙৰ ব্যৱহাৰ কৰি ৰংচঙীয়া কাপোৰ প্ৰস্তুত কৰিব জানে। একেদৰে তিব্বত-বৰ্মীয় সংস্কৃতিৰ অৱদান বাঁহ-বেতৰ



কৰিবলৈ ধৰিলে। তেতিয়াই মানুহৰ প্ৰয়োজনীয় বস্তু সংগ্ৰহৰ বাবে আনৰ ওচৰলৈ যাবলগীয়া হ'ল। ফলস্বৰূপে নিজৰ উৎপাদিত বস্তু আনৰ সৈতে সলনি কৰি নিজৰ ঘৰত নথকা বস্তুবিধ মানুহে আনৰ পৰা সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰিলে। সম্পূৰ্ণ অৰ্থত মুদ্ৰা ব্যৱস্থাৰ প্ৰচলন নহ'লেও মানুহৰ আৰ্থ সামাজিক দিশৰ বিকাশত ইয়াৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

মুদ্ৰা ব্যৱস্থাৰ প্ৰচলনৰ লগে লগে বিনিময় প্ৰথাৰ ঠাই দখল কৰিলে মুদ্ৰাই। প্ৰাপ্ত তথ্যমতে অসমত পোন প্ৰথম মুদ্ৰাৰ প্ৰচলন কৰে আহোম ৰজা জয়ধ্বজ সিংহই (১৬৪৮-৬৩)। ইংৰাজসকলৰ আগমনৰ পিছতে সমগ্ৰ ভাৰততে ধাতুৰ লগতে কাগজৰ মুদ্ৰাৰ প্ৰচলন আৰম্ভ হয়। (Among the earliest issues of paper rupees include the Bank of Hindostan (1770–1832), the General Bank of Bengal and Bihar (1773–75, established by Warren Hastings), and the Bengal Bank (1784–91).) মুদ্ৰা লাভৰ বাবে মানুহে সকলো কথা নতুনকৈ চিন্তা কৰিবলগীয়া হ'ল; সকলো কাম কৰিবলৈ বাধ্য হ'ল নতুন ধৰণে। ক্ৰমাগতভাৱে উদ্যোগ, বাণিজ্য, কৃষি আদি সকলো খণ্ডলৈ ইয়াৰ প্ৰভাৱ ঘনীভূত হ'ল। অসমীয়া জনসাধাৰণে পোনতে কৃষি নিৰ্ভৰ আছিল যদিও পিছলৈ মুদ্ৰা আহৰণৰ বাবে কৃষিৰ উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলগীয়া হ'ল নাইবা টকা আহৰণৰ বাবে অন্য কামো কৰিবলৈ বাধ্য হ'ল। কিন্তু পোনতে পৰম্পৰাগত সমাজত চাকৰি আদি কৰাটো বৰ সন্মানজনক কাম বুলি অসমীয়া মানুহে নাভাবিছিল।

পৰিবৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত অসমীয়াৰ বাপতি সাহোন বিহুৰ বিষয়ে আলোচনা কৰাৰ থল আছে। বিহু মূলতঃ অসমীয়াৰ কৃষি উৎসৱ। কিন্তু সময়ৰ সোঁতত বিহু এতিয়া কৃষি উৎসৱেই হৈ থকা নাই। কৃষক সকলতকৈ কৃষিৰ লগত জড়িত নথকা লোকেহে বিহু সংস্কৃতি পালন-পোষণত আগভাগ লোৱা দেখা যায়। গাঁৱত যিদৰে হালৰ গৰুৰ সলনি ট্ৰেক্টৰ ব্যৱহাৰ হ'ল গৰু বিহুৰ প্ৰাসঙ্গিকতাও এতিয়া মাথো আনুষ্ঠানিকতা ৰক্ষা কৰাৰ বাবেহে পালন কৰা বুলি ক'ব পাৰি। বিহু অনুষ্ঠিত কৰিবলৈ বিহু কমিটি গঠন কৰি একোটা অঞ্চলে বিহুৰ অনুষ্ঠান পালন কৰাহে আজিকালি দেখা যায়। ৰঙালী বিহু আদৰণিৰ পৰা বিদায় দিয়ালৈ যিটো পৰ্ব সি প্ৰায় ডেৰমাহ ধৰি চলা দেখা যায়। পৰম্পৰাগত সমাজখনত গৰুৰ পঘা বটা, বিহুৱান বোৱা, মাহ-হালধি আদি যা-জোগাৰ কৰা প্ৰথা সময়ৰ সোঁতত প্ৰায় বিলুপ্ত হ'বলৈ গৈ আছে। তাৰ সলনি এইবোৰ বস্তু বজাৰৰ পৰাহে ক্ৰয় কৰিবলৈ জনসাধাৰণ আগ্ৰহী হৈছে। ৰঙালী বিহু সম্পৰ্কত আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে বিহুগীতৰ ভিডিঅ' ছবি।

# পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত অসমীয়া সংস্কৃতিৰ মূল্যায়ন

● ড° ধনেশ্বৰ কলিতা

**প্ৰস্তাৱনা ঃ**

মানৱ সমাজে সামাজিক জীৱন যাপন কৰিবলৈ লোৱা সময়ৰে পৰা সংস্কৃতিয়েও পোখা মেলিবলৈ আৰম্ভ কৰিছিল। হেজাৰ হেজাৰ বছৰজুৰি মানৱ সমাজৰ সংস্কৃতিয়ে বিকাশ-বিস্তৃতি লাভ কৰিবলৈ সক্ষম হ'ল পৰম্পৰাৰ আঁত ধৰি। কিন্তু বিজ্ঞান-প্ৰযুক্তিৰ দ্ৰুত বিকাশে সমগ্ৰ বিশ্বৰে আৰ্থ-সামাজিক দিশৰ আমূল পৰিৱৰ্তন সাধন কৰিলে। এইসমূহে কিছু পলমকৈ হ'লেও ভাৰতবৰ্ষ তথা উত্তৰ-পূৰ্বাঞ্চলকো স্পৰ্শ নকৰাকৈ থকা নাই। এনে সা-সুবিধা তথা আৱিষ্কাৰসমূহে মানুহৰ জীৱন-ধাৰণ প্ৰণালীকে সলাই পেলাইছে। এই পৰিৱৰ্তিত পৰিস্থিতিয়ে সাংস্কৃতিক পৰম্পৰাকো গভীৰভাৱে প্ৰভাৱান্বিত কৰিছে। কিছুক্ষেত্ৰত সাংস্কৃতিক উপাদানসমূহ বিকৃত হোৱাত ই যেনেকৈ সহায় কৰিছে, অন্যফালে তৃণমূল পৰ্যায়ৰ সকলো উপকৰণ সামাজিক মাধ্যম, ইলেকট্ৰনিক মাধ্যমৰ যোগেদি বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত হোৱাৰো বাট মুকলি হৈছে।

**বিষয় বিশ্লেষণ ঃ**

আৰ্থ-সামাজিক দিশটো মানৱ সভ্যতাৰ বাবেই অতি গুৰুত্বপূৰ্ণ। অৰ্থনৈতিক ভেঁটিৰ ওপৰতেই এখন সমাজৰ বিকাশ নিৰ্ভৰ কৰে। অৱশ্যে এই কথা ঠিক যে আৰ্থিক প্ৰয়োজন সময় সাপেক্ষে সলনি হৈ থাকে। এই কথা সকলোৰে অৱগত যে আদিম যুগত মানুহে চিকাৰ কৰি জীৱন নিৰ্বাহ কৰিছিল, হাবিৰ ফল-মূল খাদ্য হিচাপে গ্ৰহণ কৰিছিল আৰু পৰ্বত অথবা গুহাত বসবাস কৰিছিল। সেই সময়ত তেওঁলোকে এখন সুসংহত সমাজৰ প্ৰয়োজনবোধ কৰা নাছিল। কিন্তু খাদ্যবস্তুৰ নাটনি বা জনসংখ্যা বৃদ্ধিৰ বাবে মানুহে একোখন সমাজ পাতি শৃংখলিত জীৱন যাপন কৰিবলৈ প্ৰয়াস

● সহকাৰী অধ্যাপক, শৰাইঘাট মহাবিদ্যালয়



পাচি, খৰাহী, ডলা, দোণ, পেৰা, চেপা, চালনি, পল, জাকৈ, খালৈ আদি অসমীয়া মুছলমানেও ঘৰতে সাজিব পাৰে আৰু এইবোৰো তেওঁলোকৰ দৈনন্দিন জীৱনৰ অপৰিহাৰ্য সামগ্ৰী। এইবোৰত বাহিৰেও সপোনৰ মংগল-অমংগল বিশ্বাস, যাত্ৰা-প্ৰকৰণ, সামাজিক সম্বন্ধৰ জেওৰ, শপত খোৱা ইত্যাদিবোৰতো অসমীয়া মুছলমান সমাজত জনজাতীয় বৰঙণি যথেষ্ট পৰিমাণে আছে। ৰাতি চাউল দিলে লক্ষ্মীয়ে এৰা দিয়ে বুলি বিশ্বাস কৰি ৰাতি চাউল নিদিয়া, ৰাতি হাতে হাতে জলকীয়া নিদিয়া, হালধি ৰাতি দিব নাপায়, ৰাতি চূণ খুজিলে 'বগা' বুলিহে খোজা, নিমখ ধাৰলৈ নিলে পুনৰ ঘূৰাই দিলে গৃহস্থই ঘূৰাই নোলোৱা জনজাতীয় লোকবিশ্বাসসমূহ অসমীয়া মুছলমান সমাজেও মানি চলা দেখা যায়। এনেদৰে ধৰ্মীয়, সামাজিক তথা সাংস্কৃতিক জীৱনত অসমীয়া মুছলমানৰ ওপৰত জনজাতীয় প্ৰভাৱ অনুমেয়। আমি মাথোন কেইটামান দিশৰ ওপৰতহে চমুকৈ আলোকপাত কৰাৰ প্ৰয়াস কৰিছোঁ।

অসমীয়া মুছলমানসকলৰ বিভিন্ন দিশত যেনেকৈ জনজাতীয় প্ৰভাৱ অনুমেয়; তদ্ৰূপ অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতীয় লোকৰ দৈনন্দিন জীৱনতো ইছলামীয় প্ৰভাৱ কিছু পৰিমাণে হ'লেও দেখা যায়। অসম তথা ওচৰ-চুবুৰীয়া ৰাজ্যকেইখনৰ ভালেমান জনজাতীয় লোকে বিভিন্ন প্ৰতিষ্ঠানিক ধৰ্ম গ্ৰহণ কৰিছে। অসমৰ বড়ো, কোচ, ৰাভা, ৰাজবংশী আদি বিভিন্ন জনগোষ্ঠীৰ মুষ্টিমেয় লোকে ইছলাম ধৰ্ম লৈছে। অসমৰ জনজাতীয় সম্প্ৰদায়সমূহৰ ভিতৰত জনসংখ্যাত বড়োসকলৰ সংখ্যাই সৰহ। তেওঁলোকে পালন কৰা এটি উৎসৱ হৈছে খেৰাই। এই পূজাত বিভিন্ন দেৱ-দেৱীৰ নামত জীৱ-জন্তু বলি দিয়া হয়। এনে পূজ্য দেৱতাসকলৰ এজন দেৱতা হৈছে বাদছাহ বা মুছলমান দেৱতা। নবাব দেৱতাৰ নামত বলি দিওঁতে পূজাৰীয়ে ধুতীখনৰ 'লেংটি' (পোন্ধ)টো খুলি লুঙি এখনৰ নিচিনাকৈ পিন্ধি পশ্চিমমুৱা হৈ বলি আগবঢ়ায়। বলি সমাপন কৰাৰ সময়ত পূজাৰীজনে 'বিচমিল্লাহ' অৰ্থাৎ আল্লাহৰ নামত বুলি উচ্চাৰণ কৰে।[৪] মুছলমানৰ পীৰ-ফকীৰৰ দৰে বড়ো সমাজত 'পীৰাদেউ' নামৰ এজনা দেৱতাও আছে।[৫] বড়োসকলৰ দৰে অসমৰ অন্যতম এটা জনজাতীয় গোট হৈছে ৰাভাসকল। তেওঁলোকৰ মাজতো সামান্য পৰিমাণে হ'লেও ইছলামীয় প্ৰভাৱ দেখা যায়। ধন আৰু সমৃদ্ধিৰ দেৱী 'বাইখো' বা 'খোকছি'ক সন্তুষ্ট কৰাৰ বাবে ৰাভাসকলে বছৰি এটি উৎসৱ পালন কৰে। এই পূজাত জন্তু বলি দিয়া হয়। 'বাইখো' পূজাৰ এজন দেৱতাৰ নাম 'সৈন্নাস ঠাকুৰ'। এইজনা দেৱতাৰ উদ্দেশ্য কুকুৰা বলি দিয়া সময়ত পুৰোহিতজনে ধুতীখন লুঙিৰ দৰে পৰিধান কৰি পশ্চিমফালে মুখ কৰি 'বিচমিল্লাহ' বুলি কয়। বড়ো জনজাতিৰ দৰে ৰাভাসকলৰ মাজতো 'পীৰাদেউ'

বুলি এজন দেৱতা আছে।[৬]

বৰ্তমান মেঘালয় ৰাজ্যৰ অন্তৰ্গত খাচীয়া পাহাৰত বসবাস কৰা খাচীসকলৰ মাজতো ইছলামৰ প্ৰৱেশ ঘটিছিল। খাচী সমাজ আৰু সংস্কৃতিৰ অংগ হৈ পৰা খাচীয়া মুছলমানসকলৰ কোনো কোনো খাচী ৰজা ‘চিয়েম’ পদতো অধিষ্ঠিত হৈছিল।[৭] মাওলাং ৰাজ্যৰ চিয়েমসকলৰ খাচী পাহাৰলৈ প্ৰব্ৰজন কৰা চাৰিটা মুছলমান পৰিয়ালৰ সতি-সন্তান বুলি ভবা হয়। ইছলাম গ্ৰহণ কৰিলেও খাচী মুছলমানসকলে খাচীয়া বুলিহে পৰিচয় দিয়ে।[৮] মুছলমানসকলৰ ভিতৰত ছিয়া সম্প্ৰদায়ে তাজিয়া সজাই-পৰাই তোলাৰ দৰে খাচীসকলেও চিয়েমৰ কবৰ সজাই-পৰাই তোলা দেখা গৈছিল। খাচী সমাজৰ নিয়ম-নীতি মানি চলিলেও খাচী মুছলমান সমাজত ঘৰৰ বাই-ভনী সকলোৰে পৈতৃক সম্পত্তিৰ সমানে ভাগ পায় আৰু বিয়াৰ পাছত ছোৱালী শহুৰৰ ঘৰলৈ যায়। একেদৰে মেঘালয়ৰ গাৰো সমাজত ইছলামৰ প্ৰৱেশ ঘটিছিল আৰু মুছলমান পুৰুষ আৰু গাৰো মহিলাৰ বৈবাহিক সম্বন্ধৰ ফলত ‘মমিন’ নামৰ সম্প্ৰদায়টোৰ জন্ম হৈছিল।[৯] অৱশ্যে গাৰো সমাজত ইছলামৰ প্ৰভাৱ গভীৰ নহ’ল।

নগালেণ্ডত ইছলামৰ প্ৰচাৰ হৈছিল। আজান ফকীৰৰ সংগী চালেহ পীৰে নগা পাহাৰত ইছলাম প্ৰচাৰ কৰি তাতে মৃত্যু বৰণ কৰিছিল। চালেহ পীৰৰ বংশধৰসকল পৰৱৰ্তী কালত ‘পৰ্বতীয়া দেৱান’ অৰ্থাৎ ‘পাহাৰৰ ৰজা’ বুলি জনাজাত হৈছিল। মণিপুৰৰ মুছলমানসকলৰ ‘মেইটি পাংগাল’ বুলি জনা যায়। তেওঁলোকৰ অধিকাংশই হৈছে যুদ্ধ বন্দী হিচাপে ৰৈ যোৱা। ১৬০৬ খ্ৰী.ত মণিপুৰৰ ৰজা খাগেমবাৰৰ বিৰুদ্ধে যুদ্ধ কৰি একাংশ মুছলমান চিপাহী বন্দী হৈ তাৰে স্থানীয় তিৰোতা বিয়া কৰাই স্থায়ীভাৱে থাকি গৈছিল। এওঁলোকে ইছলাম ধৰ্ম গ্ৰহণ কৰিলেও থলুৱা ভাষা-সংস্কৃতি গ্ৰহণ কৰি বৃহত্তৰ মণিপুৰীয়া সমাজখনত বিলীন হৈ গৈছে।

আমাৰ চমু আলোচনাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলত জনজাতীয় লোকৰ সৈতে মুছলমানসকলৰ সংশ্ৰৱ আৰু সংমিশ্ৰণৰ সৃষ্টি হোৱা সাংস্কৃতিক আদান-প্ৰদানৰ এটি চমু ৰূপৰেখা দাঙি ধৰিবৰ চেষ্টা কৰা হ’ল। অসমত অতি প্ৰাচীন কালৰে পৰাই বিভিন্ন জনজাতি আৰু মুছলমানকে ধৰি অন্যান্য সম্প্ৰদায়ৰ লোকে ওচৰা-ওচৰিকৈ বসবাস কৰি থকাৰ বাবে ইটোৱে সিটোৰ পৰা সাংস্কৃতিক উপাদান আহৰণ কৰি অসমত এক সমন্বয়ৰ সংস্কৃতিৰ সৌধ নিৰ্মাণ কৰিছে। এই দিশত গৱেষণাৰ এক বিস্তৃত সাৰুৱা ক্ষেত্ৰ গৱেষকসকলৰ কৰ্ষণৰ বাবে ৰৈ আছে।



**পাদটীকা ঃ**


১। মোহিনী কুমাৰ শইকীয়া ঃ অসমীয়া সংস্কৃতিত প্ৰভাৱ, ১৯৯৮, পৃ. ১৯-৩০

২। ৰফিউল হুছেইন বৰুৱা ঃ ‘বাঁহ বিয়া আৰু মহম্মদ ঘেনা ওজা’, ঐতিহাসিক পটভূমিত অসমৰ ঐতিহ্যমণ্ডিত ইছলামধৰ্মীসকল, ৩য় খণ্ড, ২০১০, পৃ. ২১৬

৩। নাহেন্দ্ৰ পাদুন ঃ অসমীয়া সংস্কৃতিলৈ জনজাতীয় বৰঙণি, ১৯৯৩, পৃ. ২৪

৪। ভবেন নাৰ্জী ঃ বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি, ১৯৬৬, পৃ. ১৯৫

৫। বীৰেন্দ্ৰনাথ দত্ত ঃ গোৱালপাৰাৰ লোকসংস্কৃতি আৰু অসমীয়া সংস্কৃতিলৈ ইয়াৰ অৱদান, ১৯৮২, পৃ. ৪৯

৬। বীৰেন্দ্ৰনাথ দত্ত ঃ প্ৰাগুক্ত গ্ৰন্থ

৭। P. R. G. Mathur ঃ The Muslim Khasi of Meghalaya, Perspective of Tribal Development and Administration, Hydarabad, 1975, p 122-132

৮। Hemlet Barch ঃ The History and Culture of the Khasi People, Shillong. 1967, p. 392.

৯। আকদাচ আলী মীৰ (সম্পা.) ঃ প্ৰাগুক্ত গ্ৰন্থ

(Identity Politics) বা বিভিন্ন ইচ্ছুভিত্তিক ৰাজনীতি (যেনে - নৰ্মদা বাচাও আন্দোলন) আদি হৈছে উত্তৰাধুনিকতাবাদৰ প্ৰভাৱ। ঠিক তেনেদৰে, ধৰ্মীয় মৌলবাদ আৰু সাম্প্ৰদায়িকতাৰ প্ৰসাৰো উত্তৰাধুনিকতাবাদৰ প্ৰভাৱত ঘটিছে।

**৫.১ উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ ভৱিষ্যত ঃ**

উত্তৰাধুনিকতাবাদ আৰু সাংস্কৃতিক বিশ্বায়নৰ পটভূমিত উত্তৰ পূৰ্বাঞ্চলৰ সংস্কৃতিৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তনসমূহ বিবেচনা কৰি চাব পাৰি। ভাৰতবৰ্ষৰ ভিতৰতে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰতা অধিক। এই অঞ্চল বিভিন্ন জনগোষ্ঠীৰ বসতি স্থল আৰু প্ৰতিটো জনগোষ্ঠীৰে সুকীয়া ভাষা আৰু সংস্কৃতি বিদ্যমান।

**৫.২** সাংস্কৃতিক বিশ্বায়ন আৰু উত্তৰাধুনিকতাবাদৰ প্ৰভাৱত এই অঞ্চলৰ থলুৱা ভাষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত নিম্নলিখিত পৰিৱৰ্ত্তনসমূহ পৰিলক্ষিত হৈছে।

(ক) কৃষিৰ সৈতে জড়িত লোকসংস্কৃতি সমূহ ক্ৰমান্বয়ে বিলুপ্তিৰ পথত আগবাঢ়িছে। চহা জীৱনৰ আশা-নিৰাশা ব্যক্ত কৰা কামৰূপী লোকগীত, গোৱালপাৰাৰ ম'হ পালকৰ প্ৰেম-পীৰিতি প্ৰকাশ কৰা গোৱালপৰীয়া লোকগীতৰ প্ৰসাৰ, প্ৰচাৰ আৰু জনপ্ৰিয়তা হ্ৰাস পাইছে। এনে উদাহৰণ অনেক ওলাব।

(খ) লোকসাধু (বুঢ়ী আইৰ মুখৰ সাধু) সমূহৰ চৰ্চা ব্যাপকভাৱে হ্ৰাস পাইছে। নগৰীয়া আৰু গাঁৱলীয়া মধ্যবিত্তৰ শিশুৰ মনোৰঞ্জনৰ মূল মাধ্যম টেলিভিশ্বন আৰু কাৰ্টুন।

(গ) থলুৱা খেল-ধেমালিসমূহ বিলুপ্তিৰ পথত। সেইবোৰৰ ঠাই লৈছে ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় খেলসমূহে।

(ঘ) ইংৰাজী ভাষাৰ ব্যাপক প্ৰসাৰ আৰু স্থানীয় ভাষাসমূহৰ জনপ্ৰিয়তা হ্ৰাস। ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ সংখ্যা বৃদ্ধি। ইংৰাজী ভাষা অৰ্থনৈতিক সবলীকৰণৰ সঁজুলি হিচাপে ব্যৱহৃত হৈছে।

(ঙ) একে সময়তে জনগোষ্ঠীয় ভাষাসমূহৰ প্ৰতি সংশ্লিষ্ট জনগোষ্ঠীৰ আগ্ৰহ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত এটা কথা বিশেষভাৱে লক্ষ্যণীয় যে যিবোৰ জনগোষ্ঠীৰ মাজত নৃগোষ্ঠীগত পৰিচিত সত্ত্বাৰ ৰাজনীতি (Ethnic Identity Politics) খুব শক্তিশালী আৰু প্ৰৱল সেইবোৰ জনগোষ্ঠীৰ মাজত নিজস্ব ভাষা আৰু সংস্কৃতিৰ চৰ্চা অধিক। অৰ্থাৎ এই জনগোষ্ঠীসমূহ ৰাজনৈতিকভাবে সংগঠিত হোৱাৰ এটা আহিলা হৈছে তেওঁলোকৰ ভাষা আৰু সংস্কৃতি আৰু সেইবাবেই চৰকাৰী পৃষ্ঠপোষকতাত এইবোৰ জনগোষ্ঠীৰ ভাষা আৰু সংস্কৃতিৰ চৰ্চা কৰি থকা হৈছে।



দৰ্শক-শ্ৰোতাই সঙ্গীত বা ভিডিঅ' উপভোগ কৰাৰ সুবিধা হৈছে; লগতে শিল্পীসকলে এখন বহল ক্ষেত্ৰ লাভ কৰিবলৈ সক্ষম হৈছে। আকৌ, জুবিন গাৰ্গ, পাপন আদি শিল্পীয়ে আজিকালি সঙ্গীতানুষ্ঠান ফেইচবুকৰ যোগেদি লাইভ সম্প্ৰচাৰ কৰাও পৰিলক্ষিত হয়। এই সময়ছোৱাত নীল আকাশৰ দৰে শিল্পীয়েও এইবোৰৰ মাধ্যমৰ যোগেদিয়ে জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

ক'ক ষ্টুডিঅৰ দৰে অনুষ্ঠানে আন আন সঙ্গীত শিল্পীৰ লগতে অসমৰ শিল্পীসকলক নিমন্ত্ৰণ কৰি যিবোৰ অনুষ্ঠান প্ৰচাৰ কৰে সেইবোৰেও অসমৰ লোক সংস্কৃতিক বহুল প্ৰসাৰতা প্ৰদান কৰিছে। এইবোৰৰ যোগেদিয়ে পাপনকে ধৰি আন আন শিল্পীয়ে ফিউজনৰ যোগেদি অসমৰ লোক সঙ্গীতক বিশ্বৰ উঠি অহা প্ৰজন্মৰ মাজত চিনাকি কৰি দিবলৈ সক্ষম হৈছে। এই প্ৰসঙ্গতে খগেন গগৈ, দুলাল মানকী, সোমনাথ বৰা, সীমান্ত শেখৰ আদিৰ নাম উল্লেখ কৰিব পাৰি। তথ্য-প্ৰযুক্তিৰ উন্নতিয়ে এইসমূহক ইমানেই দ্ৰুত গতি প্ৰদান কৰিছে যে নিজৰ জাতীয় অনুষ্ঠান বা সাংস্কৃতিক পৰম্পৰা দেশ-বিদেশৰ সকলো ঠাইৰ পৰা উপভোগ কৰিবলৈ সক্ষম হৈছে।

**অনলাইন মাৰ্কেটিং** এই সময়ৰ আটাইতকৈ প্ৰভাৱশালী ব্যৱসায় ৰূপে পৰিগণিত হৈছে। আমাজন, চপক্লুজেচ, এজিও দট কম, ফ্লিপকাৰ্ট আদিয়ে অসমীয়া গামোচা, জাপি, আৰোনাই, পাজাৰ, মেখেলা-চাদৰ, পিঠা-পনা আদিৰ যোগান ধৰিবলৈ লৈছে। ফলস্বৰূপে কেৱল ৰাজ্যৰ মাজতে সীমাবদ্ধ হৈ নাথাকি এইসমূহে এখন বিশাল বজাৰ লাভ কৰিবলৈ সক্ষম হৈছে। আগ্ৰহী গ্ৰাহকে আন ৰাজ্যত বা বিদেশত থাকিও নিজৰ জাতীয় সাজপাৰ পৰিধান কৰিবলৈ সক্ষম হৈছে।

একেদৰে ট্ৰেড ফেয়াৰ, এথ'নিক ফুড ফেষ্টিভেল আদিৰ যোগেদিও গ্ৰাম্যাঞ্চলৰ সকলো সা-সামগ্ৰীয়ে চহৰ-নগৰত ভাল বজাৰ দখল কৰিবলৈ সক্ষম হৈছে। জনজাতীয়, জনগোষ্ঠীয় সাজপাৰ, খাদ্যসম্ভাৰ এতিয়া সকলো লোকেই আদৰি লৈছে, প্ৰধানকৈ এনে ব্যৱস্থাসমূহৰ যোগেদি। টোপোলা ভাত, চুঙা চাউল, ছাইমদ, হাঁহ, কুকুৰা বা গাহৰিৰ মাংসৰ বিবিধ ব্যঞ্জন জনসাধাৰণে আদৰি লৈছে এই ফেষ্টিভেলসমূহৰ যোগেদি।

অসমৰ পৰম্পৰাগত খাদ্যসম্ভাৰ সমূহ বিভিন্ন ৰেষ্টুৰেণ্টত আজিকালি পৰিৱেশন কৰা হয়। কচু, ঢেকীয়া, পাতত দিয়া মাছ, শুকান মাছ, চুঙাত দিয়া মাংস — এইবোৰ বিশেষভাৱে পোৱা বহু ব্যৱসায়িক প্ৰতিষ্ঠান অসমৰ বিভিন্ন ঠাইত গঢ়ি উঠিছে। যাৰ গ্ৰাহকসকলে আদৰিও লৈছে। গুৱাহাটীৰ খৰিকা, ডেলিকেচি, খৰিচা আদিৰ নাম এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। এইবোৰে অসমৰ থলুৱা সামগ্ৰীসমূহৰ

মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

সন্তান জন্মৰ ক্ষেত্ৰতো পালিত ৰীতি-নীতিৰ তাৰতম্য ঘটাইছে পৰিৱৰ্তিত আৰ্থ-সামাজিক পৰিৱেশে। গণনি, এমাহত আইসকলৰ নাম গোৱা ৰীতি আজিকালি কমেই দেখিবলৈ পোৱা যায়। পূৰ্বতে গণনি উপলক্ষে নিমখ, মাছ, জলকীয়া বটা আদি ৰাইজক ভগাই দি সন্তানৰ কুশল-মঙ্গল কামনা কৰা ৰীতি আছিল যদিও আজিকালি এইবোৰ যথেষ্ট সংকুচিত হৈ আহিছে।

বিবাহৰ দৰে অনুষ্ঠানেও পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত ৰূপ সলাইছে। বিবাহ ভৱনত বিয়া পাতিবলগীয়া হোৱাৰ পৰাই পূৰ্বৰ বিয়াৰ আনন্দ-বিনোদন বা ৰাইজৰ সক্ৰিয় অংশগ্ৰহণত তাৰতম্য ঘটিছে। গাঁও বা চুবুৰীয়াৰ ৰাইজে এতিয়া কেৱল সাজিকাচি বিয়াৰ ভোজ বা পাৰ্টি খোৱাৰহে সুবিধা পায়। বিয়াগীত গাই, পানী তুলি, সুঁৱাগুৰি তুলি, ৰন্ধা-বঢ়া সকলোতে সক্ৰিয় অংশগ্ৰহণৰ সুবিধা নাপায়। আজিকালি ভাৰাতীয়া ৰান্ধনি মাতি, কেটাৰিং পাৰ্টি মাতি হোটেল বা বিবাহ-ভৱনত পাৰ্টি আয়োজন কৰা হয়। পূৰ্বৰ আনন্দ উল্লাস আজিকালিৰ বিয়াত বাৰুকৈয়ে নাই। ফলস্বৰূপে বিবাহৰ লগত জড়িত পৰম্পৰাগত ৰীতি-নীতি, আচাৰ-অনুষ্ঠানসমূহ নিশ্চিতভাৱেই কালৰ গৰ্ভৰ লয় পাবলৈ লৈছে। তেনেদৰে সময়ৰ অভাৱত আঠদিনত আঠমঙলা খোৱা ৰীতি দুই-তিনিদিনতে কৰিবলগীয়া হৈছে।

**সামৰণি ঃ**

অসমীয়া সংস্কৃতিয়ে সময়ৰ আহ্বান-প্ৰত্যাহ্বানৰ মাজেদি আগবাঢ়ি আহি আজিৰ ৰূপ পাইছে। তথ্য-প্ৰযুক্তিৰ নতুন মাধ্যমসমূহে এফালে যিদৰে সংস্কৃতিক প্ৰসাৰতা প্ৰদান কৰিছে সেইদৰে বহু ক্ষেত্ৰতইয়াৰ ৰূপো সলাইছে। কিছুমানে ইয়াকে সংস্কৃতিৰ বিকৃতকৰণো বুলি অভিহিত কৰিছে। বিয়োগাত্মক দিশসমূহ পাৰ্যমানে শুধৰণি কৰি নতুনত্বৰ লগত খাপ খুৱাই আগবাঢ়ি যাব পাৰিলে নিশ্চিতভাৱে অসমীয়া সংস্কৃতিয়ে ভৱিষ্যৎ আৰু অধিক উৎকৰ্ষ সাধন কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

**প্ৰসঙ্গ ঃ** online.assam.gov.in/web/guest/historyofassam?webContentId=109376 [8:31 PM) 16/5/2017



উত্তৰাধুনিকতাবাদৰ প্ৰসাৰ ঘটিছে। এই তত্ত্বৰ মূল বৈশিষ্ট্য হৈছে যে ই পূৰ্বৰ সকলো তত্ত্বকে নাকচ কৰিব বিচাৰে। জ্ঞানোদয়ৰ যুগ (The Age of Enlightenment)ৰ পিছত মানুহে যিবোৰ বিষয়ৰ ওপৰত আস্থা স্থাপন কৰি আহিছে - যেনে বিজ্ঞানৰ গ্ৰহণযোগ্যতা বা যুক্তিৰ সাৰ্বভৌমত্ব। উত্তৰাধুনিকতাবাদে এইবোৰৰ ওপৰতো প্ৰশ্ন উত্থাপন কৰিছে। উত্তৰাধুনিকতাবাদে 'মানুহ', 'সমাজ', 'ব্যক্তি' আদি সকলো পৰিঘটনাকে ভাষাৰ লীলা-খেলা হিচাপে ব্যাখ্যা কৰিব বিচাৰে। এই সকলোবোৰ হৈছে Signifier আৰু Siginfied- ত সৃষ্টি কৰা একো একোটা বাগ্‌ধাৰা আৰু সেয়েহে এইবোৰৰ কোনোটোকে চূড়ান্ত বা ধ্ৰুৱসত্য হিচাপে গ্ৰহণ কৰিব নোৱাৰি। সহজ কথাত চাবলৈ গ'লে উত্তৰাধুনিকতাবাদে মানুহৰ চিন্তা জগতত এক ধৰণৰ নৈৰাজ্যৰ আমদানি কৰিছে আৰু এই পৰিৱেশত কিছুমান প্ৰতিক্ৰিয়াশীল আৰু পশ্চাদগামী চিন্তাধাৰা মানুহৰ মাজত সোমাবলৈ সুযোগ পাইছে। ধৰ্মীয় মৌলবাদ, অন্ধবিশ্বাস, কুসংস্কাৰ, জ্যোতিষ শাস্ত্ৰ, বাস্তু শাস্ত্ৰ, পংকজ পাঠকৰ 'চিকিৎসা বিজ্ঞান' আদি তাৰ অন্যতম উদাহৰণ।

৪.২ উত্তৰাধুনিকতাবাদ আৰু সাংস্কৃতিক বিশ্বায়নৰ মাজত এক ঘনিষ্ঠ আৰু ওতঃপ্ৰোত সম্পৰ্ক আছে। সাংস্কৃতিক বিশ্বায়নে অৰ্থনৈতিক বিশ্বায়নৰ সম্পৰ্কে মতাদৰ্শগত তত্ত্ব আৰু যুক্তি গঢ়ি তোলে। প্ৰখ্যাত ইটালীয়ান মাৰ্ক্সবাদী বুদ্ধিজীৱি এণ্টনিঅ' গ্ৰামশ্চিয়ে Hegemony বা 'আধিপত্য'ৰ যি ধাৰণা দিছে সেই 'আধিপত্য' প্ৰতিষ্ঠাৰ এক অন্যতম সঁজুলি হৈছে সাংস্কৃতিক বিশ্বায়ন। অৰ্থনৈতিক বিশ্বায়নৰ সহযোগী হিচাপে সাংস্কৃতিক বিশ্বায়ন নাথাকিলে অৰ্থনৈতিক বিশ্বায়ন সৰহদিন তিষ্ঠিব নোৱাৰে।

৪.৩ আনহাতে এই সাংস্কৃতিক বিশ্বায়নৰ এটা অংশ হৈছে উত্তৰাধুনিকতাবাদৰ তত্ত্বই। এই তত্ত্বই যিহেতু সকলো তত্ত্বৰ অৱসান ঘোষণা কৰিছে - গতিকে বিশ্বায়নৰ বিপক্ষে কোনো সন্মিলিত বিৰোধ গঢ়ি উঠাৰ ভাবাদৰ্শগত ভিত্তিটোকে উত্তৰাধুনিকতাবাদে নস্যাৎ কৰিছে। অৰ্থনৈতিক বিশ্বায়নৰ বিপক্ষে মানুহৰ ক্ষোভ আছে। বহু ঠাইত সেই ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিছে। কিন্তু এই ক্ষোভসমূহে কোনো সুনিৰ্দিষ্ট ৰূপ গ্ৰহণ কৰা নাই। কোনো ক্ষোভ বা বিক্ষোভে সুনিৰ্দিষ্ট ৰূপ গ্ৰহণ কৰিব লাগিলে সেয়া কোনো সুনিৰ্দিষ্ট তত্ত্বৰ ওপৰত থিয় হ'ব লাগিব। কিন্তু সুনিৰ্দিষ্ট তত্ত্বৰ প্ৰতি উত্তৰাধুনিকতাবাদে বিয়পাই দিয়া সংশয় আৰু অনাস্থাই বিশ্বায়ন বিৰোধী সংগ্ৰামক পংগু কৰি পেলাইছে।

৪.৪ এনে এক পৰিস্থিতিত মানুহৰ ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিব ধৰে খণ্ডিত ৰূপত (fragmented)। বৰ্তমানে ভাৰতবৰ্ষ বা অসমত গঢ়ি উঠা পৰিচিতি সত্ত্বাৰ ৰাজনীতি

**৩.২** বিশ্বায়ন শব্দটো এটা বহুল প্ৰচলিত শব্দ যদিও বিশ্বায়নৰ সৰ্বসন্মত সংজ্ঞা দিয়াটো কিছু জটিল। ৰবাৰ্টছনৰ সংজ্ঞাটো এইক্ষেত্ৰত বিবেচনা কৰি চাবলগীয়া -

"Globalisation as a concept refers both to the compression of the world and the intensification of consciousness of the world as a whole: both complete global interdependence and consciousness of the global whole." (Robertson : 1991).

(ভাবাৰ্থ ঃ ধাৰণা হিচাপে বিশ্বায়নে দুটা কথা নিৰ্দেশ কৰে - এক, বিশ্বখন সংকুচিত হোৱা আৰু দুই, বিশ্বখন এখন বিশ্ব বুলি ভবা চেতনাটোৰ তীব্ৰতা বৃদ্ধি। দুয়োটা বিষয়ে আকৌ বিশ্বখনৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু সামগ্ৰী বিশ্ব সম্পৰ্কে এটা সুস্পষ্ট চেতনাৰ প্ৰতিহে দিক্ নিৰ্দেশ নকৰে।)

অৰ্থাৎ বিশ্বায়নৰ অৰ্থ হ'ল বিশ্বৰ বিভিন্ন ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা বৃদ্ধি আৰু সমগ্ৰ বিশ্বখনকে এক বুলি ভবাৰ যিটো চেতনা সেই চেতনাৰ প্ৰসাৰণ আৰু বিস্তাৰণ। যোৱা কেইবাটাও দশকত বিশ্বৰ সকলো দেশৰ মাজতে অৰ্থনৈতিক লেনদেন, বাণিজ্য, সামৰিক সহযোগিতা আদি বৃদ্ধি পাইছে। অৰ্থনৈতিক গাঁথনিৰ পৰিৱৰ্ত্তনৰ লগে লগে যেনেদৰে উপৰিসৌধৰ পৰিৱৰ্ত্তন ঘটে ঠিক তেনেদৰে অৰ্থনৈতিক বিশ্বায়নৰ সহৱৰ্তী হিচাপে সংস্কৃতিৰ বিশ্বায়ন আহিছে। অৰ্থনৈতিক বিশ্বায়ন যিহেতু অৰ্থনৈতিক সাম্ৰাজ্যবাদৰে এটা প্ৰক্ৰিয়া গতিকে সাংস্কৃতিক বিশ্বায়নক সাংস্কৃতিক সাম্ৰাজ্যবাদ বুলিও বহুতে ক'ব খোজে।

**৩.৪** সি যি কি নহওঁক এই অৰ্থনৈতিক আৰু সাংস্কৃতিক বিশ্বায়নৰ কেতবোৰ বৈশিষ্ট্য উল্লেখ কৰিব পাৰি। সেইবোৰৰ ভিতৰত আছে - তথ্য প্ৰযুক্তিৰ প্ৰসাৰ, ষ্টক মাৰ্কেট বা বিত্তীয় বজাৰত লাভকল্পী বিনিয়োগ, পেট্ৰ-ডলাৰৰ ৰাজত্ব, আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পুঁজিৰ মুক্ত আৰু অবাধ বিচৰণ, কাৰ্টুন সংস্কৃতিৰ জনপ্ৰিয়তা, গণমাধ্যম সমূহৰ প্ৰসাৰ, বিশ্বৰ তাপমাত্ৰা বৃদ্ধি, জাতি-ৰাষ্ট্ৰসমূহৰ ক্ষমতা হ্ৰাস, উত্তৰ-আধুনিকতা, একে ঠাইতে সকলো বস্তুৰ উৎপাদন কৰাৰ পৰিৱৰ্তে উৎপাদন কাৰ্যৰ আউটছ'ৰ্চিং (outsourcing), ইংৰাজী ভাষাৰ প্ৰাধান্য আৰু প্ৰসাৰ ইত্যাদি ইত্যাদি।

**৩.৫** পৃথিৱীৰ প্ৰায় সকলো অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত বিশ্বায়নৰ এই বৈশিষ্ট্যসমূহ বিৰাজমান। ভাৰতবৰ্ষ তথা অসম বা উত্তৰ-পূৰ্বাঞ্চলো এই বৈশিষ্ট্য সমূহৰ প্ৰভাৱৰ পৰা মুক্ত নহয়।

**৪.১ উত্তৰাধুনিকতাবাদ আৰু সাংস্কৃতিক বিশ্বায়ন ঃ**

সাংস্কৃতিক বিশ্বায়নৰ পটভূমিতেই এক মতাদৰ্শগত তত্ত্ব হিচাপে



# উত্তৰাধুনিকতাবাদ, সাংস্কৃতিক বিশ্বায়ন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ ভৱিষ্যত

● ড° চুলতান আলী আহমেদ

**১.১ সূচনা ঃ**

সাম্প্ৰতিক সময়ত উত্তৰাধুনিকতা আৰু বিশ্বায়নৰ বিষয়ে ভালেখিনি চৰ্চা বা আলোচনা পৰিলক্ষিত হৈছে। একে সময়তে উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতি, বিশেষকৈ লোক সংস্কৃতিৰ, বিভিন্ন দিশ সম্পৰ্কে বিভিন্নজনে আলোচনা কৰা দেখা গৈছে। আমাৰ এই নিবন্ধটোত উত্তৰাধুনিকতাবাদ, বিশ্বায়ন, সাংস্কৃতিক বিশ্বায়ন আদিৰ বিষয়ে থূলমূলকৈ আলোচনা কৰি সেইবোৰ বহুল পৰিঘটনাৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ ভৱিষ্যতনো কেনেদৰে জড়িত হৈ আছে সেই সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**২.১ অৰ্থনীতি আৰু সংস্কৃতিৰ মাজৰ আন্তঃসম্পৰ্ক ঃ**

অৰ্থনীতি আৰু সংস্কৃতি এই দুটা বিষয় আপাতঃ দৃষ্টিত পৃথক আৰু সম্পৰ্কহীন যেন লাগে যদিও কথাটো তেনেকুৱা নহয়। অৰ্থনীতি হৈছে মানুহৰ সামাজিক বা বস্তুগত জীৱনৰ মূল ভিত্তি আৰু সংস্কৃতি হৈছে সেই অৰ্থনৈতিক ভিত্তিৰ ওপৰত গঢ়ি উঠা মানুহৰ সামাজিক, চেতনাৰ বৰ্হিপ্ৰকাশ। অৰ্থাৎ সংস্কৃতিৰ মূল উৎস হৈছে মানুহৰ অৰ্থনৈতিক জীৱন। কথাটো অধিক সুন্দৰভাৱে কৈছে প্ৰখ্যাত দাৰ্শনিক, চিন্তাবিদ কাৰ্ল মাৰ্ক্সে তেওঁৰ -An Introduction to the Critique of Political Economy নামৰ গ্ৰন্থখনত। মাৰ্ক্সৰ উদ্ধৃতিৰে ক'বলৈ হ'লে, "In the social production of their means of life, human seings enter into difinite and necessary relations which are independent of this will- production relations which correspond to a definite stage in the development of their productive forces. The totality of these production relations

● সহকাৰী অধ্যাপক, বি. এইচ্. কলেজ, হাউলী

constitutes the economic structure of society, the real basis upon which a legal and political superstructure arises, and to which definite forms of social consciousness correspond."

(ভাবাৰ্থ ঃ মানুহে নিজৰ জীৱিকাৰ বাবে সামাজিক উৎপাদন কাৰ্যত অংশগ্ৰহণ কৰোতে কিছুমান সুনিৰ্দিষ্ট আৰু প্ৰয়োজনীয় সম্পৰ্কত আৱদ্ধ হয় যিবোৰ সম্পৰ্ক মানুহৰ ইচ্ছাৰ অধীন নহয় - এইবোৰ হৈছে উৎপাদন সম্পৰ্ক আৰু সম্পৰ্কবোৰ উৎপাদন শক্তিৰ বিকাশৰ এটা নিৰ্দিষ্ট স্তৰৰ সৈতে জড়িত। এই উৎপাদন সম্পৰ্কবোৰে সন্মিলিতভাৱে সমাজৰ অৰ্থনৈতিক গাঁথনি গঢ়ি তোলে আৰু সেই আচল গাঁথনিটোৰ ওপৰত ভিত্তি কৰিয়েই আইনগত আৰু ৰাজনৈতিক উপৰিসৌধ গঢ়ি উঠে। এই উপৰিসোধৰ সৈতে সম্পৰ্ক আছে সামাজিক চেতনাৰ নিৰ্দিষ্ট ৰূপবোৰৰ।)

**২.২** মাৰ্ক্সৰ এই কথাখিনিৰ পৰা এইটো স্পষ্ট যে মানুহৰ উৎপাদন সম্পৰ্ক বা অৰ্থনৈতিক সম্পৰ্কবোৰ লগ লাগি সমাজৰ অৰ্থনৈতিক গাঁথনি বা বুনিয়াদ গঢ়ি তোলে আৰু এই বুনিয়াদৰ আধাৰত আইনগত বা ৰাজনৈতিক বা অন্যান্য - উপৰিসৌধবোৰ গঢ়ি উঠে আৰু এই উপৰিসৌধবোৰ হৈছে মানুহৰ সামাজিক চেতনাৰ বৰ্হিপ্ৰকাশ। মাৰ্ক্সৰ উদ্ধৃতিটোৰ এইটো অংশত উপৰিসৌধ (Superstructure)ৰ নমুনা হিচাপে মাথোন 'আইন' আৰু 'ৰাজনীতি' এই বিষয় দুটাই উল্লেখ কৰিছে যদিও সেই একেটা প্ৰবন্ধৰ পৰৱৰ্তী অংশত তেওঁ উপৰিসৌধৰ ভিতৰত সাহিত্য-সংস্কৃতি আদি সকলোবোৰ সাঙুৰি লৈছে ঃ

"With the change in the economic foundation the whole gigantic superstructure is more or less rapidly transformed. In considering such transformations we must always distinguish between the material changes in the economic conditions of productions (changes which can be determined with the precision of natural science) and the legal, political, religions, aesthetic, or philisophic - in short ideological - forms in which human beings become conscious of this conflict and fight it out to an issue."

(ভাবাৰ্থ ঃ অৰ্থনৈতিক ভিত্তিৰ পৰিৱৰ্তনৰ লগে লগে সেই ভিত্তিৰ ওপৰত গঢ়ি উঠা বিশাল উপৰিসৌধৰো দ্ৰুত পৰিৱৰ্ত্তন হয়। সেই পৰিৱৰ্ত্তনসমূহ বিবেচনা কৰোতে আমি চাব লাগিব অৰ্থনৈতিক গাঁথনিৰ পৰিৱৰ্ত্তন আৰু উপৰিসৌধৰ পৰিৱৰ্ত্তনৰ মাজত পাৰ্থক্য আছে - উৎপাদনৰ অৰ্থনৈতিক অৱস্থাসমূহৰ পৰিৱৰ্ত্তন সঠিকভাৱে নিৰ্ধাৰণ কৰিব পাৰে - একেবাৰে প্ৰাকৃতিক বিজ্ঞানৰ নিয়মবোৰৰ নিচিনাকৈ -



আনহাতে আইনগত, ৰাজনৈতিক, ধৰ্মীয়, নন্দনতাত্বিক বা দাৰ্শনিক - অৰ্থাৎ চমুকৈ ভাবাদৰ্শগত ৰূপবিলাকৰ পৰিৱৰ্ত্তনসমূহ বেলেগ। এই ভাবাদৰ্শগত ৰূপ বিলাকৰ জৰিয়তে মানুহে উৎপাদন সম্পৰ্ক বা অৰ্থনৈতিক ব্যৱস্থাৰে সংঘাত বা বিৰোধ সমূহৰ বিষয়ে সজাগ হয় আৰু সেইবোৰ প্ৰশ্নক লৈ যুঁজ কৰে।)

**২.৩** মাৰ্ক্সৰ এই কথাখিনিৰ পৰা কেইটামান বিষয় স্পষ্ট হৈছে। প্ৰথমতে, সমাজৰ উপৰিসৌধ বোলোতে মাথোন আইনগত ব্যৱস্থা আৰু ৰাজনৈতিক ব্যৱস্থাকে সাঙুৰি লোৱা নহয় - বৰঞ্চ ধৰ্ম, নন্দনতত্ত্ব, দৰ্শন আদি বিষয়বোৰো সাঙুৰি লৈছে। সাহিত্য-সংস্কৃতি এইবোৰ উল্লেখিত বিষয়ৰে অন্তৰ্গত। অৰ্থাৎ সাহিত্য-সংস্কৃতিৰ বুনিয়াদ হৈছে সমাজৰ অৰ্থনৈতিক ব্যৱস্থা বা উৎপাদন ব্যৱস্থা। দ্বিতীয়তে, সমাজৰ অৰ্থনৈতিক গাঁথনিৰ পৰিৱৰ্ত্তনৰ লগে লগে উপৰিসৌধতো পৰিৱৰ্ত্তন ঘটে। কিন্তু গাঁথনিৰ পৰিৱৰ্ত্তন যেনেদৰে সঠিকভাবে নিৰ্ধাৰণ কৰিব পাৰি উপৰিসৌধৰ পৰিৱৰ্ত্তন তেনেদৰে নিৰ্ধাৰণ কৰিব নোৱাৰি। তৃতীয়তে, সমাজৰ অৰ্থনৈতিক গাঁথনি বা উৎপাদন ব্যৱস্থাই এক ধৰণৰ উৎপাদন সম্পৰ্ক সৃষ্টি কৰি লয়। এই উৎপাদন সম্পৰ্ক মানুহৰ ইচ্ছাৰ অধীন নহয়। এই উৎপাদন সম্পৰ্কৰ আভ্যন্তৰীণ দ্বন্দসমূহ বাহিৰলৈ ওলাই আহে সমাজৰ উপৰিসৌধৰ বিভিন্ন ৰূপবোৰৰ মাজেৰে। সেই ৰূপবোৰৰ ভিতৰত আইন ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা, ধৰ্ম, নন্দনতত্ত্ব, দৰ্শন এই সকলোৰো অন্তৰ্গত। এইবোৰক একেলগে ভাবাদৰ্শ বা ideology বুলি কোৱা হৈছে। (নন্দনতত্ত্বৰ ভিতৰতে পৰে সাহিত্য, সংস্কৃতি) ভাবাদৰ্শৰ পৰিৱৰ্ত্তনৰ সৈতে সমাজৰ মূল যি গাঁথনিগত অৰ্থনীতি তাৰ সম্পৰ্ক আছে। গাঁথনিত যদি জোকাৰণি হয় তেন্তে সেই জোকাৰণিৰ প্ৰভাৱ উপৰিসৌধতো পৰিব। মাৰ্ক্সৰ এই কথাখিনিৰ পৰাই অৰ্থনীতি আৰু সংস্কৃতিৰ সম্পৰ্ক পৰিষ্কাৰ।

**৩.১ <u>অৰ্থনৈতিক বিশ্বায়ন আৰু সাংস্কৃতিক বিশ্বায়ন</u> ঃ**

সমগ্ৰ বিশ্বজুৰি বিভিন্ন দেশৰ অৰ্থনৈতিক ব্যৱস্থা সমূহৰ মাজত আদান-প্ৰদানৰ পৰিসৰ আৰু গতিবেগ দুয়োটাই ব্যাপকভাৱে বৃদ্ধি পাইছে বিগত দুই-তিনিটা দশকত। বিশেষকৈ ১৯৯১ চনত ছোভিয়েত ইউনিয়নৰ বিপৰ্য্যয়ৰ পাছত সমগ্ৰ বিশ্বতে এক উমৈহতীয়া অৰ্থনৈতিক ব্যৱস্থাৰ জোৰদাৰ প্ৰচেষ্টা চলিছে। বিশ্ববেংক, আন্তৰ্জাতিক মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থা আজি আন্তৰাষ্ট্ৰীয় অৰ্থনৈতিক সংস্থাসমূহে এনেধৰণৰ ব্যৱস্থা এটাৰ পোষকতা কৰি আছে। তেনে এক প্ৰচেষ্টাৰ ফলশ্ৰুতিতেই অৰ্থনৈতিক বিশ্বায়নৰ সূচনা হৈছে আৰু সেই অৰ্থনৈতিক বিশ্বায়নেই সাংস্কৃতিক বিশ্বায়নৰ পথ প্ৰশস্ত কৰিছে।

এঘটি পানী আনি কাণৰ কাষত ফুচফুচালে— “লাজ নালাগে, ল’ৰাক পিতা, ঘৈণীয়েকক মাই বুলিবলৈ?” “তুমি নুবুজিবা গৰু হেৰোৱা মানুহৰ বেদনা...। গৰু হেৰালে এনেকুৱাই হয়। তিৰীক মাই, চলিক পিতাই বোলা যায়।” গৰু হেৰুৱাৰ এনে অনেক বেদনা আমি নিজেও ভুগি আহিছোঁ। অজস্র গৰু হেৰোৱাৰ কাহিনী আমি সৰুৰে পৰা শুনি আহিছোঁ।

আজিৰ তাৰিখতো আমাৰ সমাজত গৰুক কোবোৱা মানুহবোৰক লোকে ভাল দৃষ্টিৰে নেচায়। হালোৱাৰ হাতত চেকনিডাল, লৰুডাল শাসনৰ প্ৰতীক মাত্ৰ। বহু গৰখীয়া আৰু হালোৱাই সেইপাত দেখুৱাইহে শাসন কৰে আৰু বহুতে কাৰণে অকাৰণে গৰুবোৰক কোবাই ভাল পায়। আমাৰ চুবুৰীৰ এজনে হেনো দুপৰীয়া জানত পানী খুৱাবলৈ খেদি অনা গৰুহালে পানী খাবলৈ নাৰাজ হোৱাৰ কাৰণেও কোবাইছিল। কথাবোৰ মানুহে কাণে কাণে আলোচনা কৰে। স্বভাৱটো ভাল নহয়। গো-বধীয়া ইত্যাদি। গো-বধীয়াৰ শাস্তি অলেখ। খুজি-মাগি ভোজ দিয়াৰে পৰা কাফ্ৰা ভৰালৈকে। ‘কাফ্ৰা’ অৰ্থাৎ সমান পৰিমাণৰ মূল্য দুখীয়া গৰীৱক ভগাই দিয়া। উদ্ধাৰ। প্ৰায়শ্চিত্ত। গোসংসৰ্গ। গৰুৰ লগত হোৱা জিনা কাৰ্য। গো-ধৰ্ষণ মহাপাপ। আমি শুনামতে গৰীয়াৰ ধৰ্ম ইছলামত ই হাৰাম। কবীৰা গুণাহ। মহাপাপ। এই পাপৰ শাস্তিৰ কথা শুনিলে আমাৰ হৃদয় কঁপি উঠে। ইছলামিক ফিকাহ-আকাইদৰ জ্ঞান আমাৰ শূন্য। শুনিছোঁ, যিয়ে এই মহা অপৰাধ কৰিব তেওঁ অকলেই নিজান ঠাইত ধৰ্ষিতা গাইজনীক হত্যা কৰি গাত খান্দি পুতি থ’ব লাগিব। এই আইন কিমান ইছলামৰ বিধিসন্মত আমি নাজানিম। কিন্তু এই বিধিৰ স্পিৰিট (Spirit) আমাৰ বোধগম্য হৈছে যে, এই মহা অপৰাধ যাতে কোনো নৰমনিষে কৰিবলৈ সাহস নকৰে। এই ভয়ংকৰ শাস্তিটোৱেই প্ৰমাণ কৰে যে গৰুক গৰীয়াই কিমান সন্মান কৰে, কিমান আদৰ কৰে, কিমান পূজা কৰে।

গো-হত্যা সাম্প্ৰতিক সময়ৰ হাৰা গৰম কৰা বিষয়। সেই প্ৰসঙ্গ আমাৰ বিষয় নহয়। ক’ব নোৱাৰাকৈ সেই প্ৰসঙ্গই আমাৰ চিন্তাক জোকাৰি থৈ গ’ল। আমিও গো-মাংস খাওঁ। যেনেকৈ চিকেন খাওঁ। যেনেকৈ পোনাৰ পৰা ডাঙৰলৈকে মাছ খাওঁ। খাওঁ বুলিয়েই গো-মাতাৰ প্ৰতি আমাৰ ভক্তি নাই, প্ৰেম নাই সেই কথা নিশ্চয় বিজ্ঞানসন্মতভাৱে প্ৰমাণ কৰিব নোৱাৰি। যেনেকৈ আমি ভাত খাওঁ। ভাত খাবৰ বাবে ধানবোৰক ডিঙিতে কাটি আনি কোবাই, গছকি, মৰণা মাৰি, মিলত চেপি, ঢেকীত খুন্দি, কুলাত আচাৰি আচাৰি, গৰম পানীত উহাই উহাই, সিজাই সিজাই, চোবাই চোবাই কিমান নিদাৰুণ যাতনা দিওঁ। অথচ ধান, চাউল, ভাত- আমাৰ আৰাধ্য দেৱী



উদাহৰণস্বৰূপে, বড়ো আৰু কাৰ্বি জনগোষ্ঠী। আনহাতে, এই জনগোষ্ঠী সমূহৰ মধ্যবিত্ত বা উচ্চবিত্ত শ্ৰেণীটো ইংৰাজী আৰু বিশ্বায়নী সংস্কৃতিৰ প্ৰতি আকৰ্ষিত।

**৫.৩** ওপৰৰ পৰিৱৰ্ত্তনসমূহ লক্ষ্য কৰিলে দেখা যায় যে উত্তৰ পূৰ্বাঞ্চলৰ থলুৱা ভাষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত একে সময়তে দুটা বিপৰীতমুখী প্ৰৱণতা বিৰাজমান।

**৫.৪** প্ৰথমটো প্ৰৱণতা হৈছে, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিশ্বায়নী সংস্কৃতিৰ ব্যাপক প্ৰসাৰ। মূলতঃ ইংৰাজী ভাষা আৰু জনমাধ্যম সমূহৰ জৰিয়তে এই প্ৰসাৰ ঘটিছে। নগালেণ্ডৰ টেমচুলা আও বা অৰুণাচল প্ৰদেশৰ মামাং দাই আদি লেখিকাসকলে নিজৰ স্থানীয় ভাষাৰ পৰিৱৰ্তে ইংৰাজী ভাষাত সাহিত্য চৰ্চা কৰিবলৈ লৈছে। অসমৰ ক্ষেত্ৰত দেখা গৈছে ইংৰাজী মাধ্যমৰ ব্যক্তিগত শিক্ষানুষ্ঠানৰ ব্যাপক বিস্তাৰ ঘটিছে। এক বৃজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী মাধ্যমত অধ্যয়ন কৰে আৰু তেওঁলোকে নিজৰ থলুৱা কৃষ্টি, সংস্কৃতি বা ইতিহাস সম্পৰ্কে উদাসীন। অৰ্থাৎ প্ৰতিটো জনগোষ্ঠীৰ উচ্চবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীটো বিশ্বায়নী সংস্কৃতিৰ উগ্ৰ সমৰ্থক আৰু অনুৰাগী। স্থানীয় কৃষ্টি-সংস্কৃতি সম্পৰ্কে তেওঁলোকৰ আগ্ৰহ কম।

**৫.৫** দ্বিতীয় প্ৰৱণতা হৈছে নৃগোষ্ঠীগত ৰাজনীতি আহিলা হিচাপে স্থানীয় ভাষা আৰু সংস্কৃতি সমূহৰ চৰ্চা। কিছু কিছু ক্ষেত্ৰত কিছুমান থলুৱা ভাষা আৰু সংস্কৃতিৰ পুনৰুত্থান হৈছে। উদাহৰণস্বৰূপে, কোচ ৰাজবংশী ভাষা আৰু সংস্কৃতি। এই জনগোষ্ঠীটো দীৰ্ঘদিন ধৰি অসমীয়া হিচাপে নিজকে পৰিচয় দি আছিল আৰু অসমীয়া ভাষা আৰু সংস্কৃতিকে তেওঁলোকৰ ভাষা আৰু সংস্কৃতি বুলি ভবা হৈছে। কিন্তু উত্তৰাধুনিকতাবাদী চিন্তাধাৰা আৰু সাংস্কৃতিক বিশ্বায়নৰ ফলত তেওঁলোকৰ মাজত পৰিচিতি সত্তাৰ ৰাজনীতি (Identity Politics) গা কৰি উঠিছে। এই পৰিচিতসত্তাৰ ৰাজনীতি গঢ়ি উঠাৰ মাধ্যম হিচাপে কোঁচ-ৰাজবংশী ভাষা আৰু কোঁচ ৰাজবংশী সংস্কৃতি প্ৰায় বিলুপ্তিৰ গৰ্ভৰ পৰা পুনৰ ঠন ধৰি উঠিছে। এইবোৰৰ ব্যাপক প্ৰসাৰ হৈছে। বড়ো, কাৰ্বি, মিচিং আদি জনগোষ্ঠীৰ ক্ষেত্ৰতো কথাটো প্ৰায় একেই। অৰ্থাৎ সেইবোৰ স্থানীয় ভাষা আৰু সংস্কৃতিৰ চৰ্চাহে বৃদ্ধি পাইছে যিবোৰ থলুৱা ভাষা আৰু সংস্কৃতি ৰাজনৈতিক জমায়েতকৰণ (Political Mobilisation)ৰ মাধ্যম আৰু ৰাজনৈতিক পৃষ্ঠপোষকতা লাভ কৰিছে।

**৫.৬** অসমীয়া ভাষাৰ ক্ষেত্ৰত কথাটো কিছু সুকীয়া। অসমীয়া অন্য তুলনামূলকভাৱে বৃহৎ জনগোষ্ঠী আৰু এই জনগোষ্ঠীৰ মাজত মধ্যবিত্ত শ্ৰেণীৰ প্ৰভাৱ বেছি। এই মধ্যবিত্ত শ্ৰেণীটোৱে এটা সময়ত তাৰ নিজস্ব অৰ্থনৈতিক স্বাৰ্থত নিজস্ব ভাষা আৰু সংস্কৃতিৰ বিকাশ বিচাৰিছিল। সৰ্বভাৰতীয় ধনীক শ্ৰেণীৰ সৈতে বা আন্তঃৰাষ্ট্ৰীয়

বিত্তীয় পুঁজিৰ সৈতে যেতিয়া মধ্যবিত্ত শ্ৰেণীৰ সংঘাত আছিল, তেতিয়া এই মধ্যবিত্ত শ্ৰেণীটোৰ সম্বল আছিল অসমীয়া জাতীয়তাবাদ আৰু সেই জাতীয়তাবাদৰ ভেঁটি আছিল অসমীয়া ভাষা আৰু সংস্কৃতি। কিন্তু পৰিৱৰ্তিত পৰিস্থিতিত মধ্যবিত্ত শ্ৰেণীটোৱে দেখিলে যে সৰ্বভাৰতীয় বুৰ্জোৱা শ্ৰেণী আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় পুঁজিৰ সৈতে মিত্ৰতা কৰিলেহে অসমীয়া মধ্যবিত্ত সঠিক লাভবান হ'ব। আৰু সেই চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত হৈয়ে অসমীয়া মধ্যশ্ৰেণী তাৰ নিজস্ব থলুৱা কৃষ্টি-সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈছে আৰু সৰ্বভাৰতীয় তথা আন্তৰ্জাতিক সংস্কৃতিক আঁকোৱালি ল'ব ধৰিছে।

**৬.১ সামৰণি ঃ**

অৰ্থনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তনে যে সংস্কৃতিৰ ওপৰত প্ৰভাৱ পেলায় সেই কথাষাৰ উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ ক্ষেত্ৰতো প্ৰযোজ্য বুলি ক'ব পাৰি। ওপৰৰ বিশ্লেষণৰ পৰা সেইটোৱেই অনিবাৰ্য্যভাৱে ওলাই পৰিছে।

**আলোচ্য গ্ৰন্থসূচী**


১। Marx, Karl ঃ Selected works. Vol. I, pp 269-70

২। Ahemed, Aijaj ঃ In Theory, OUP, 1992

৩। গোহাঁই, হীৰেণ ঃ ৰচনাৱলী, ১ ম খণ্ড, কথা পাব্লিচাৰ্চ গুৱাহাটী, ২০০৯

৪। Islam, Maidul : Postmodernised cultural glolalisation : Threatening Folk Cultures in India. Social Scientist, Sept-Oct, 2006.




অৰ্বাচীন ছবিখনো কিছু পৰিমাণে জীয়াই আছে। গৰখীয়াৰ স্থান বৰকৈ আজিকালি আৰু নাই। এটা সময় আছিল। ঘৰত অপায়-অমঙ্গল হ'লে, বালা-মুছিবত হ'লে গৰখীয়াক মাতি এসাঁজ খুওৱাৰ নিয়ম আছিল। গেঞ্জী, গামোচা দিয়াৰ নিয়ম আছিল। গৰখীয়া নিষ্পাপ। গৰখীয়া নাবালক। গৰখীয়া কানাই কুলৰ। গৰখীয়াই গো পালন কৰে। গো লক্ষ্মী বস্তু।

আগতেই কৈ আহিছোঁ গৰীয়াৰ ধৰ্মগ্ৰন্থখনিৰ আদি চুৰাও 'গৰু'। 'আলবাকাৰা'। ভাবিলে আচৰিত হ'ব লাগে, ইছ্লাম ধৰ্মৰ ভালেমান নবীও উট পালক, ভেড়া পালক। আজি পৰ্যন্ত কাৰোবাৰ দুৰাৰোগ্য ৰোগ হ'লে 'জানৰ বদলা জান' চদকা (দান) দিয়ে। দুখীয়া-গৰীৱ-মিছকিনক। এই জান (জীৱ) হৈ পৰে গৰু। অতি সম্ভ্ৰম আৰু মান ৰাখি গো-পদ ধুই-মচি সেৱা কৰি অৰ্পণ কৰা হয়। গৰীয়াৰ এই গো-পূজা নেদেখিলে বিশ্বাস কৰা টান। নিঃসন্তান দম্পতীৰ শেষ ভৰসা গৰু। এক জানৰ বদলা এক মৰমৰ গৰু দান (চদকা)। গো-দান মহা দান।

গৰু হেৰোৱাৰ বেদনা। গৰু বিচৰাৰ কষ্ট। নোপোৱাজনে কেতিয়াও বুজি নাপাব। বিচাৰি হাবাথুৰি খাই ঘৰত এজাউৰি গালি। গৰু বিচৰা মানুহ আৰু পৰুৱাই পোৱা মানুহ একে। 'খোৱাৰ' গৰুৰ কাৰাগাৰ। অপৰাধী গৰুৰ বন্দীশাল। পৰৰ বাৰীৰ জেওৰা ভগা, কলাৰ বেৰা ভগাৰ অপৰাধত অভিযুক্ত গৰুবোৰৰ অসহায় মুখবোৰ দেখিলে গৰখীয়াৰ হৃদয় উতলে। মচুৰ, কলা, সৰিয়হৰ খেতিবোৰ উঠালৈ গৰখীয়া আৰু গৰুৰ কেৱল অপেক্ষা। উদং মাহ ফাগুন, চ'ত আৰু ব'হাগ। গৰীয়াৰ মছজিদৰ শুকুৰবৰীয়া নামাজত নামাজৰ শেষত ঘোষিত হ'ব গৰু-ছাগলী উদং দিয়াৰ দিন। উদং মানেই মুকলি। অবাধ স্বাধীনতা। বড়ি, হোলা, গড়, মথাউৰি, বাৰী, পথাৰ যিফালেই মন যায় সিফালেই বিচৰণ। কোনো হাক নাই, বাধা নাই। কিমান মাৰামাৰি, ৰং-ধেমালি, অবাধ যৌন মিলন। পাল খোৱাৰ সময়। গৰীয়াৰ এৰি দিয়া ষাঁড় নাথাকে। এৰি দিয়া দমৰাৰ নিয়ম নাই। দেৱতাৰ পূজা হাৰাম। সেয়ে গৰীয়াৰ গাইবোৰৰ পালখোৱা গাইবোৰৰ স্বামী দেৱতাসকল হিন্দুৰ, বড়ো সম্প্ৰদায়ৰ ষাঁড় গৰু। সন্তানবোৰ আন্তঃসাম্প্ৰদায়িক সম্বন্ধৰ ফচল।

গৰু হেৰোৱাক লৈ এটা মজাৰ কাহিনী। ভৰ খেতিৰ সময়। হালৰ হালোৱা গোহালিৰ পৰা উধাও। খোৱাৰ, পথাৰ, উলুৱনি, হাবিয়নি বিচাৰি চলাথ। দুপৰৰ বেলিটো মূৰত লৈ ভোকে-পিয়াহে ঘৰত ঘৈণীয়েকক মাতিলে—

"মাই অ' পানী...।" কাণ সমনীয়া পুতেকৰ আগত ঘৈণীয়েকক 'মাই' বোলা হাৰাম। লাজ পালে। সেইবাৰ ল'ৰাক মাতিলে- "পিতাই অ' পানী...।" ঘৈণীয়েকে

পূজন হ'ব। চৰিয়াত নিমখ দিয়া কুহুমীয়া গৰম পানী তৈয়াৰ। নতুন গামোচা, বিচনী। কিয়নো গিৰিহঁতনীয়ে গৰম পানীৰে চাৰি ঠেং ধুই-মচি নতুন গামোচাৰে বাও দিব লাগিব। নতুন পঘাৰে বান্ধিব লাগিব। আগতীয়াকৈ গোহালিত পানী চটিয়াই ধুই-মচি চাফা কৰিব লাগিব। নিজৰ গৰু আনক দিব লাগিলেও, আধি দিব লাগিলেও। বেচিব লাগিলে এটা পয়মাল। ঘৰখনৰ নানাজনৰ নানান কথা। আপত্তি। বেছ কেইদিনমানলৈ ঘৰখনত এটা গোমা পৰিৱেশ। পাহৰিবলৈ যত্ন কৰা এটা সচেতন পৰিৱেশ। কাৰোবাৰ চকু-মুখ ঢুলঢুলীয়া।

লক্ষ্মী গাইজনীক মাতে 'মাই' বুলি। পোৱালিটোৰ বান্ধ খুলি পিবলৈ দিওঁতে যিজনীয়ে আগঠেং দুখনেৰে মাটিত আঁচুৰি বুকুত ঢাকুৰে সেইজনীয়েই লক্ষ্মী। গোহালি ভৰাই দিব। গৃহস্থক ধনী কৰিব। আমাৰ ঘৰত থকা গাইজনীয়ে যেতিয়া আজিও পুৱাই খীৰাবলৈ যাওঁতে এই আচৰণ কৰে মাই কৈ যোৱা এই কথাষাৰে বুকুখন ধৰ্ফৰ্ কৰে। সেই বলধ লক্ষ্মী, যি পথাৰলৈ গৈ মাটি আচুৰি বুকু ঢাকুৰে। ভঁৰাল ভৰাই দিব। নাভি তল কৰি পানীত নামি যি গৰুৱে পানী খায় সেই গৰুও লক্ষ্মী। কিমান মিঠা বিশ্বাস। ভাবিলেই বুকু ভৰি যায়।

"যাৰ নাই গৰু, সি সবাতোকৈ সৰু।" আজিও গাঁও অঞ্চলৰ গৰীয়াই সৰ্বান্তঃকৰণে বিশ্বাস কৰে। এটা সময় আছিল, গৰুবোৰৰ কিছুমান বেমাৰ আহিছিল বছৰে বছৰে। বিশেষকৈ কাহ। ভোকোলা কাহ। নিহিনা কাহ। চোকপা (চবকা) লগা ইত্যাদি। গাঁওখনৰ মানুহৰ উদ্বেগ। দুশ্চিন্তা। ওজা-বেজ। তাবিজ-তুলাজৰ সীমা নাই। হালোৱা গৰুবোৰৰ কান্ধখৰ এটা অন্তহীন ঘাঁ। কিছুমান গৰুৰ কান্ধত ধানখেৰমান বগা পোক কিলবিলাই থাকে। মাখিয়ে কণী পাৰি ভেনা লগায়। গাঁওখনৰ দুই এক বিশেষজ্ঞ থাকে। চাৰি-পাঁচজনে ধৰি বগৰাই পোক উলিয়ায়। হালধি, চুণ, চাধাৰ গুৰি, এলান্ধুৰ মিশ্ৰণ এটা গাজি গাজি ভৰাই দিয়ে। তাতো নকমিলে কোনো ওজাৰ পৰামৰ্শ মৰ্মে গাঁওখনৰ তিনি সুতখোৰ মহাজনৰ নাম কাগজত লিখি বাঁহৰ চুঙাত ভৰাই ৰছিৰে ডিঙিত ওলোমাই দিয়ে। পোক বোলে থলথলকৈ সৰে। অন্ধবিশ্বাস। পিছে কৃষকক সৰ্বস্বান্ত কৰা সুতখোৰ মহাজনৰ শোষণৰ বিৰুদ্ধে কৰা প্ৰচণ্ড বিক্ষোভ, ঘৃণা এনেকৈয়ে প্ৰকট কৰে। আজিও বহু খেতিয়কে এই কথা মনে-প্ৰাণে বিশ্বাস কৰে, কেঁচা মঙহ খোৱা এই পোকবোৰেও সুতখোৰক কেনেকৈ সহ্য কৰিব নোৱাৰে। কি প্ৰতীকাত্মক অথচ নীৰৱে কৰা প্ৰতিবাদ। বুজাবলৈ ভাষা বিচাৰি নাপাওঁ।

গো-ৰখীয়া আৰু গো-ধূলি। দুটা শব্দই দুখন ছবি। আজি সেই গৰখীয়া নাই। ধূলি উৰুৱাই গো অহা বাটটো আছে। প্ৰহৰটো আছে। আমাৰ ফালে সেই



# গৰীয়াৰ গো-পূজা

● ছাহজাহান ছিদ্দিকি

গৰীয়া আৰু গো-পূজা। অভজা। গৰমিল নোহোৱা সন্দৰ্ভ। গৰুখোৱা গৰীয়া আৰু গো-পূজাৰী গৰীয়া। চকু কপালত উঠা কথা। পাক লগা হ'লেও বিষয়টোৱে দোলা দি থাকিল। কেবাটাও বছৰ। আলোচনাৰ কাল, বিষয়টো সিমান অনুকূল নহ'ল। তথাপিও মৰসাহ এটা কৰিলোঁ। লোভ সামৰিব নোৱাৰিলোঁ। গৰীয়া অসমীয়াৰ গো-পালন, গো-প্ৰীতি আমি শৈশৱত দেখি আহিছোঁ। গৰু আৰু গৰুৰ লগতে গৰুৰ লালন, পোষণ, পালনৰ লগত হাড়ে-হিমজুৰে জড়িত হৈ আহিছোঁ। সৰু থাকোতে জীৱনৰ প্ৰথমখন ৰচনাও পঢ়িছোঁ, বাৰে বাৰে মুখস্থ কৰিছোঁ— গৰুৰ বিষয়ে এখন ৰচনা। পঢ়া-শুনা সাং কৰি জীৱনৰ মধ্য বয়সত আৰম্ভ কৰিছোঁ পুনৰ এখন ৰচনা- বিষয় মূলতঃ গৰু। সন্দৰ্ভটো ক'ৰ পৰা কেনি যায় ক'ব নোৱাৰিম। অজস্ৰ কথাই ঠাহ খাই আছে বুকুত। এবাৰ এজন দাদাই ৰস কৰি এটা গাজা কৈছিল পৰীক্ষাৰ সময়। এবাৰ বোলে এজন ছাত্ৰই ৰচনা মুখস্থ কৰি গ'ল 'গৰু'। পৰীক্ষাত আহিল 'পুঠিমাৰী নদী'। কি কৰে বপুৰাই। ভাবি-চিন্তি গৰুটো পুঠিমাৰী নদীৰ পাৰত বান্ধি গৰুৰ বিষয়ে এখন দীঘলীয়া ৰচনা লিখি থৈ আহিল।

আমি তেতিয়া সৰু সৰু। আমাৰ গাঁও এখন নিভাঁজ অসমীয়া মুছলমানৰ গাঁও। গাঁও মানে গাঁৱেই। পথাৰত ধান। পুখুৰীত মাছ। বাৰীত তামোল-পান আৰু গোহালিত এপাল গৰু। গৰুও বিধে বিধে। বলধ, বাজান, গাই, দামুৰি, দমৰা, চেউৰী। নামো আছিল কলী, ৰাঙী, পাখৰী, লাউমূৰী ইত্যাদি। একোহাল গৰু একো একোখন ঘৰৰ অহংকাৰ। গৌৰৱৰ নিচান। গধূলি ঘৰত কাম কৰা ল'ৰাবোৰে দৰখৰ গুণ বোলাই জাহিৰ কৰে কাৰ পালোৱান হালোৱাক কাৰ হালোৱাই একেটা খোচতেই বগৰাই পেলালে। কাৰ গৰু কেইমুঠন ওখ। কাৰ গৰুৰ শিং কিমান দীঘল ইত্যাদি। সৰুৰে পৰা কিমান যে কাহিনী শুনি আহিছোঁ গৰুৰ। তাৰ লেখ-জোখ নাই। আমাৰ ঘৰত

● অধ্যক্ষ, কাউৰবাহা উঃ মাঃ মাদ্ৰাছা বিদ্যালয়, ৰঙিয়া

তিনিহাল হালোৱা। ৪-৫ জনী গাই। দমৰা-দামুৰি অসংখ্য। আমাৰ সৰুবোৰৰ পাল স্কুললৈ যোৱাৰ আগতে গৰুবোৰ পথাৰত দৰখ দিয়া, দুপৰীয়া পানী খুওৱা আৰু গধূলি ঘৰলৈ অনা। ইমান কষ্টকৰ, বিৰক্তিকৰ। কেতিয়াবা লটপটীয়া গৰুবোৰক আমি চেকনি, লৰুৰে দবৰা-দবৰিকৈ কোবাওঁ। কোনোবাই ঘৰত কৈ দিয়ে গৰুক কোবোৱা বুলি। এখন অথন্তৰ। পয়মাল লাগি যায় একোটা গধূলি। কাৰণ আটাইতকৈ বেয়া শব্দ এটাৰে আমাক গালি দিছিল— 'গো-বধীয়া' (গো-বধ্যা)। গো-বধ। গো-হত্যা এটা মাৰাত্মক অপৰাধ। আমাক সৰুতেই কৈছিল। আমাৰ মাই। পিতাই (বাবা)। তাৰ লগতে কৈছিল এটা কৰুণ কাহিনী। গো-হত্যা কৰিলে কেনেকৈ কাফ্ৰা (প্ৰায়শ্চিত্ত) ভৰিব লাগে। কেনেকৈ এখোৰ পঘা হাতত লৈ। গাঁৱৰ পৰা আলাগ হৈ বোবাৰ দৰে মানুহৰ ঘৰে ঘৰে গৈ চাউল সংগ্ৰহ কৰি ৰাইজক ভোজ খুৱাই উদ্ধাৰ হ'ব লাগে। আতংকিত হৈ পৰিছিলো। যদি কেতিয়াবা আমাৰ কোবত কোনোবাটো গৰু মৰি যায়। ডাঙৰ হৈ বুজিছোঁ। গৰুৰ প্ৰতি কিমান সন্মান ৰাখি এই বিশ্বাসবোৰ সমাজখনে মানি আহিছে। বিশ্বাসবোৰ মূলতঃ চাগে হিন্দুৰ। অভিন্ন অসমীয়া মুছলমানসকলেও সমানে মানি আহিছে যুগ-যুগান্তৰৰ পৰা। সৰু সৰু কিছু বিশ্বাসৰ কথা নক'লে নহ'ব। সকলো গৰীয়াই বিশ্বাস কৰে গৰু লক্ষ্মী বস্তু। গৰুক ভৰিৰে লঠিয়াব নেপায়। ঢকুৱাৰে কোবাব নেপায়। আমাৰ মাই কৈছিল- 'লক্ষীছাড়া হয়। 'গৰুৰ দৰখবোৰ ভৰিৰে চেৰিয়াব নাপায়। কাৰণ মুছা নবী গৰু ছাগলীৰ দৰখ মূৰত লৈ চাৰি ফুৰিছিল। অসমীয়া আৰু মুছলমানী বিশ্বাসৰ কি এক সমাহাৰ। এই আপাহতে কোৱা ভাল হ'ব যে ইছলাম ধৰ্মৰ মূল গ্ৰন্থ কোৰাণ শ্বৰীফৰ প্ৰথম আয়াত- 'চুৰা বাকাৰা।' যাৰ অৰ্থ গাই গৰু। কিমান আচৰিত কথা। যি আৰৱ মৰুত গৰু পোহা। গৰুৰ উৎপাদন। এটা অবান্তৰ কথা। সেই আৰৱ মুলুকৰ মহান গ্ৰন্থখনিৰ প্ৰথম অধ্যায় 'গাই গৰু'। মাজত এখন সাগৰ। ইপাৰে হিন্দুস্তান। সিপাৰে আৰৱ মৰুভূমি। সিপাৰে মৰুময় বালি। ইপাৰে সেউজ শস্যমালা। ইপাৰৰ কৃষিভূমিৰ মূল আহিলা গৰু, হাল, কোৰ। অথচ সিপাৰৰ পয়গম্বৰৰ মূল গ্ৰন্থৰ আদি বাণী 'আলবাকাৰা'। সিমান সহজ কথা নহয়। এলা-খেলা কথাও নহয় নিশ্চয়। গো উৎপাদনবিহীন এখন দেশতো গৰুৰ প্ৰতি ইমান প্ৰেম! ইমান সন্মান! ইমান আদৰ!

এতিয়া আহোঁ গাঁৱৰ গো-পূজাৰ কেইটামান নমুনালৈ। তেতিয়াও আৰু আজিও যেতিয়াই ঘৰৰ গাইজনীয়ে পোৱালি দিয়ে গোটেই ঘৰখনত উৎসৱমুখৰ পৰিৱেশ। আনন্দ, হাঁহি আৰু খিকিন্দালি। গাইজনীৰ বাবে গৰম পানী। পোৱালিটো সেকা। দৌৰা-দৌৰি। পোৱালিজনীৰ সৰু ঠেংকেইখনৰ খুৰাৰ বগা অংশটি নখেৰে



ছিঙি আনি জুইত পেলাই দিয়া। সেকি-পুৰি পোৱালি থিয় দঙা দিলে খেৰ এডাল কোৱাৰি দুটাৰ মাজেৰে নি ডিঙি অংশত বান্ধি দিয়ে, যাতে জিভাখন লক' পক' কৰে। ফেঁহু কাঢ়া। ফেঁহু খোৱা এটা বহু প্ৰতিক্ষিত উৎসৱ। ঘৰখনৰ শিশুসকলৰ বাবে আনন্দ। বাঁহৰ চুঙাত পোৰা ফেঁহু নামৰ এই অসমীয়া খাদ্যটোৰ কিমান আদৰ নেদেখাজনে বুজি নাপাব। ঘৰৰ প্ৰতিজন সদস্যৰ উপৰিও ওচৰৰ হামছায়া (চুবুৰীয়া) পৰ্যন্তই ইয়াৰ ভাগ পাবই লাগিব। আজিকোপতি এই ৰেৱাজ আমাৰ ঘৰৰ উপৰিও আমাৰ গাঁৱত কম-বেছি পৰিমাণে চলি আহিছে। কেৱল মানুহে ভাগ পালেই নচলে। গৰীয়া মুছলমানৰ বিশ্বাসৰ আৰু ভালেকেইপদ বস্তুৱেও তাৰ কিঞ্চিত পাবই লাগিব। প্ৰথম কথা লক্ষ্মীৰ বাসস্থান আমাৰ ধানৰ ভঁৰালৰ দইনা (ভঁৰালৰ চাংখনৰ বাহিৰলৈ ওলাই থকা অংশ)ত কিঞ্চিত ভক্তিভাৱে দিব লাগিব। নাঙল-যুঁৱলিৰ দুয়োটা অংশত কেইটামান টুকুৰাৰ ভাগ দিব লাগিব। সবাতোকৈ ডাঙৰ কথা ওচৰ-পাজৰৰ বিৰিণাৰ চোপকেইটাক যে দিব লাগিব খাটাং; কিয়নো কৃষ্ণই পোৱালিটো লুকাই থ'ব। বিৰিণাৰ মাজত। সঘনে দামুৰি হেৰাই থকা আৰু বিৰিণাৰ চোপৰ মাজত বিচাৰি পোৱাটোও এটা সঘনে সংঘটিত ঘটনা। এৰি গ'লে ভুল হ'ব। প্ৰথম ফেঁহু কাঢ়োতে ওহাৰৰ বাত এটা টানি প্ৰথমখিনি গাখীৰ মাটিত পেলাই দিয়া এটা দস্তুৰ। পৃথিৱীক প্ৰথম। ভূমি দেৱতা। তাৰ পিছৰ অলপ গাখীৰ পানীত পেলাই দিব লাগিব। জলদেৱতা। খোৱাজ খিজিৰৰ আস্থান। আনকি নতুনকৈ থোক পেলোৱা নাৰিকলৰ চুৰি হেন আগ অংশ কাটি পুখুৰীত পেলাই দিয়া দস্তুৰ এটাও আমাৰ ফালে চেগাচোৰোকাকৈ চলি আছে।

গাঁৱত জন্মা এনে কোনো গৰীয়া নাই, যাৰ শৈশৱত কৃষ্ণই গৰু চৰোৱা কাহিনী শুনা নাই। যিয়ে গৰু চৰাবলৈ গৈ বুকুত কৃষ্ণক লৈ পথাৰে পথাৰে ঘূৰি ফুৰা নাই। সন্ধিয়া চোতালত সৰুবোৰক ঢাৰিত শুৱাই মাক, আইতাক আতাকৰ মুখত এই গীত শুনা নাই— 'আমাৰ বাপা সৰু/বাৰীত চাৰে গৰু/ কাণশালা (কাৰশালা) সাপৰে লৰু।'

গৰীয়া আৰু গৰু! কিমান সম্পৃক্ত। নেদেখিলে কোৱা টান। কিমান বিশ্বাস! কিমান পৰম্পৰা গৰীয়াৰ! কাক কি ৰঙৰ গৰুৱে মানে। কি ৰঙে নামানে। পোৱালি জন্মৰ আগতেই ভাগ পাতি থোৱা— এইবাৰ কাঢ়লি হ'লে কোনটো ছোৱালীক বিয়াত যৌতুক (?) হিচাপে দিব। যেনেকৈ দুটামান হাঁহ, কুকুৰা দিয়াটো নিয়ম, এটি কাঢ়লি বা গাই দামুৰী দি অহাটো প্ৰায় বাধ্যতামূলক। নিদিলে কিমান কথা। উখনা-উখুনি। 'ফোতা' (সোঁতা) দিয়া কথা। বদনাম। খৰিয়াল। হিচাব নাই। সিফালে নতুন গৰু আহিলে ঘৰখনত এক খদমদম। লক্ষ্মী ঘৰ সোমাব। নিয়ম আছে। দস্তুৰমত গো-

নামবোৰ আমাৰ অঞ্চলৰ মানুহৰ মুখে মুখে। কিমান অভিধানসন্মত আমি নাজানিম। প্ৰতিটো বয়স অনুসৰি গৰুৰ দাম উঠা-নমা কৰে। বল-জোৰৰ হিচাবৰ একক। নামবোৰে আমাক ভাবুক কৰি তোলে।

গৰীয়া সমাজত সৰুৰে পৰা দেখি অহা দুটা অন্ধবিশ্বাস। আজিকালি অৱশ্যে প্ৰায় নাই। কোৰবানিৰ হালালকৃত গৰুৰ তেজ এটা গাঁতত পৰিবলৈ দিয়ে। ঘৰৰ পৰা দুডাল-তিনিডাল বাঁহৰ মাৰিত আগফালে কাপোৰ বান্ধি ঢেঁকীৰ লুড়ীৰ দৰেকৈ তেজ ডুবাই ৰ'দত শুকাই বাৰান্দাৰ চালত বিন্ধাই থোৱা হয়। দেও-ভূত খবিচৰ 'ন' এণ্ট্ৰি হয়।

আনটো আশ্চৰ্যজনক। গোৰোকচন। কি শব্দ আমি জ্ঞাত নহয়। পেটৰ কোনোবাটো অংশত লিভাৰত নে পাকস্থলীত থকা হেনো সৰু অংশ। ই হেনো অত্যন্ত মূল্যৱান। লাখটকীয়া বস্তু। ঢেকীয়াৰ ফুল। মৃগনাভি জাতীয়। সৰু থাকোঁতে বহুত শুনিছিলো গোৰোকচনৰ কথা। কিন্তু কি বস্তু, কেনে বস্তু। কি কাৰ্যত ব্যৱহাৰ হয়, কোনেও আমাক সন্তোষজনক উত্তৰ দিব নোৱাৰিলে।

এনে অজস্ৰ গো-কথা গৰীয়া সমাজত পোত খাই আছে। দেধাৰ কাহিনী। তাৰ মাজত হজৰত মুচা নবী (Moses), যাৰ দিনত প্ৰথমবাৰৰ বাবে ইজিপ্তত কেনেকৈ গো-পূজাৰ আৰম্ভণি হৈছিল সেই কথা আমি ইয়াত উল্লেখ নকৰিলোঁ। গৰীয়া সমাজৰ আগৰ চামৰ প্ৰতিজন ডেকা-বুঢ়াই জানিছিল নীল নদীৰ পাৰৰ সেই ফেৰাউন (Pharo)ৰ কাহিনী, য'ত লা-মিচাচে আৰম্ভ কৰিছিল সোণ-ৰূপৰ অলংকাৰেৰে নিৰ্মিত এটা গৰুৰ মূৰ্তি, পূজাৰ প্ৰচলন।

এই কথাই প্ৰমাণ কৰে গৰীয়া সমাজত গৰুৰ গুৰুত্ব। যুগে যুগে গৰীয়াই গৰুক আদৰ কৰি আহিছে আৰু যুগান্তৰলৈ সেই আদৰ বাচি থাকিব।



লক্ষ্মীৰ প্ৰতীক। গৰু মানেইতো নহয়। ধান, চাউল, ভাতক আমি শ্ৰদ্ধা কৰোঁ। কথাবোৰ ইমান পাকলগা, দেওলগা। আমাৰ মগজুৰ ধাৰত নোজোৰে।

গৰীয়াই গৰু কোৰবানি কৰে। কোৰবানি মানে হত্যা নহয়। কটল নহয়। কোৰবানি মানে ত্যাগ। কোৰবানি কৰিবলৈ গৰুক কোৰাণে নিৰ্দিষ্ট কৰি দিয়া নাই। অথচ আল্লাই কৈছে- "মোৰ নামত তোমাৰ আটাইতকৈ প্ৰিয় জন্তুটোক তুমি কোৰবানি দিয়া।"গৰীয়াই যি আল্লাক বিশ্বাস কৰে সেই গৰীয়াৰ আটাইতকৈ প্ৰিয় বস্তু গৰুটোকেই তেওঁ কোৰবানি কৰে। যেনেকৈ অগৰীয়াই অভীষ্ট সিদ্ধিৰ বাবে নিজৰ ইষ্ট দেৱতাৰ ওচৰত ছাগলী বলি দিয়ে, হাঁহ বলি দিয়ে, পাৰ বলি দিয়ে, মাছ বলি দিয়ে, ম'হ বলি দিয়ে। এনেটো নহয় যে হাঁহ, পাৰ, ছাগলী মেথোনক অশ্ৰদ্ধা কৰে, বেয়া পায়, ঘৃণা কৰে। আমি ভাবোঁ এইবোৰ ভাগে ভাগে কৰি আহিছে। কৰি থাকক বা নাথাকক এই লৈ নতুন বা বৈজ্ঞানিক চিন্তাৰ অৱকাশ নিশ্চয়কৈ আছে। গৰীয়া, অ-গৰীয়া সকলোৰে মিলি বলি-বিধান সম্পৰ্কে কিবা নতুন চিন্তাৰ সময় হৈছে।

কেইবছৰমান আগৰ কথা। বৰ হুতাহ কৰি গাই-দামুৰি এহাল কিনি আনিলো। মাই থকা দিনৰ কথা। সেই গো-পূজা। দুদিনমানতে সকলোৰে আদৰত গাইজনী এৰাল দিব পৰা হ'লোঁ। আমি সদায় ঘাঁহ কাটোঁ। হয় পুৱা, নহয় আবেলি। দানাৰ পাত্ৰত খেৰ কুটি, ভূচি চাপৰৰ দানা সিজাওঁ। ছমাহমানৰ পিছত গাইজনীৰ অসুখ। হৃষ্টপুষ্ট গাইজনী হুৰহুৰে শুকাবলৈ আৰম্ভ কৰিলে। মাই আৰু মই মনে মনে ভাঙি গৈছোঁ। ডাক্তৰ, ভি.এফ.এ. আনি বেজী, চেলাইন, ঔষধ-পথ্যৰ লেখ নাই। মায়ে বেজাৰতে আল্লাৰ হাতত এৰি দিয়ে। মই প্ৰায় আশা এৰিছোঁ। এদিন তাই উঠিব নোৱাৰা হ'ল। খাবও নোৱাৰা হ'ল। কেইদিনমানৰ পিছতে ছমহীয়া পোৱালি এৰি থৈ মাকজনী গুচি গ'লগৈ। সিমান দুখ নকৰিলোঁ। কৰিবলগা পতি-যতনৰ ত্ৰুটি কৰা নাছিলো। বিপদ হ'ল পোৱালিটো। ওৰেটো ৰাতি কান্দে। মাকক মাতে। বিছনাত মই চটফটাই থাকোঁ। পুৱাতেই মাই উঠি লাল চাহ বনাই তাইক খুৱায়। কাম কৰা ল'ৰাটোক কাঢ়লি পোৱালিটো দি পঠাম বুলি ভাবিলোঁ। মাই আপত্তি কৰিলে। 'যাৰ নাই গৰু, সি সবাতোকৈ সৰু।' মাই গভীৰভাৱে বিশ্বাস কৰে। ৰাখি থ'লোঁ। বহুত মৰম-আদৰ, যত্নত তাই লাহে লাহে মাকক পাহৰি গ'ল। হাতলৰুৱা হৈ পৰিছিল। পাহৰিব পৰা নাই সেইখিনি সময়তে এজন সম্পৰ্কীয় জোঁৱাই আহিছিল। মাক কৈ থকা শুনিছিলো। 'কোনে জানে এইজনীয়ে গোহালি ভৰাই দিব পাৰে আই।' চাটচাটকৈ মনত পৰি থাকে। সঁচাকৈয়ে যোৱা পাঁচ বছৰত তাই চাৰিটা পোৱালি দি আমাৰ গোহালি ভৰাই দিছে। দমৰাকেইটা আক-তাক দি চাৰিমহীয়া পোৱালিটোৰে সবাতোকৈ সৰু হোৱাৰ

পৰা নিজক বচাই ৰাখিছে।

কমৰেড কৰুণা ভূঞা আহিছিল। গাইজনী সংসাৰ ত্যাগ কৰাৰ সময়ত। ৰসিক মানুহ। এটা বঙালী কহাৰত কৈছিল। আজিও আওঁৰাও মই। ঘৰৰ জনীয়ে বক্‌বকায়। আজিকালি শুনাকৈ নকওঁ—

'ভাগ্যবানেৰ বৌ মৰে

দুৰ্ভাগ্যেৰ গৰু।

বহলাব খোজা নাই। ইমানখিনি ভাগ্যৱান হোৱাৰ বাঞ্ছা কৰোঁ বা নকৰোঁ। গৰু মৰাৰ সমান দুৰ্ভাগ্যৱান হোৱাৰ কল্পনাও আমি কৰিব নোৱাৰোঁ।

গৰীয়াৰ কোৰবানি ঈদ। অগৰীয়াৰ বাবে কেনেলগা দিন আমি নাজানোঁ। কিন্তু আমি বিষয়টো সন্দৰ্ভত অত্যন্ত সংবেদনশীল। আমি সৰু থাকোঁতে আমাৰ চাঁট (মছজিদৰ জামাত)ত বেছি টকা-পইচা থকা মানুহৰ সংখ্যা বৰ তাকৰ আছিল। সেইবাবে কোৰবানিৰ গৰুৰ সংখ্যাও বেছিৰ বেছি চাৰিটা-পাঁচটা আছিল। যোৱা দুটা দশকৰ ভিতৰত সংখ্যাৰ পাৰ্থক্যটো সাংঘাতিকভাৱে ব্যাপক হৈ পৰিল। এতিয়া কোৰবানি ষ্টেটাচ চিম্বল। কোনে কিমান ডাঙৰ, কিমান টকাৰ গৰু আনিছে সেই লৈ ৰৌজাল-বৌজাল। ত্যাগতকৈ ভোগৰ জোৰ বাঢ়িছে। ইমৰাণ শ্বাহ ছাৰৰ ভাষাত—"নৈ বহল হয় মানে দ কমে।" লাখটকীয়া কথা। মছজিদৰ চোতালত গৰুবোৰ হালাল কৰা হৈছিল। সেই কেঁকুৰীটোৰেদি আমি গৰুবোৰ আৰিমত্ত ৰজাৰ গড় আলিটোত দৰখ দিবলৈ নিছিলো। কি ভয়ংকৰ দৃশ্য। ঈদৰ দিনাৰ পৰা প্ৰায় এমাহমানলৈ সেইপিনেদি আহোঁতে যাওঁতে প্ৰচণ্ড ভয়, আতংকত গৰুবোৰ দৌৰে বহু দূৰলৈ। ডাঙৰবোৰে কৈছিল- "হালাল কৰা গৰুৰ 'ৰূহ' (আত্মা)বোৰ সেই ঠাইত ঘূৰাঘূৰি কৰি থাকে।" এক অজান কৌতুহল আৰু আতংকই আমাৰো মগজু জোকাৰি গৈছিল। ডাঙৰ হৈ বুজি পালোঁ। গৰুৱে তেজৰ গোন্ধ সহ্য কৰিব নোৱাৰে। ঘ্ৰাণশক্তি প্ৰখৰ হোৱা বাবে তেজ-মঙহৰ ভেকেটা-ভেকেট গোন্ধই গৰুবোৰক বোধহয় আতংকিত কৰি তোলে।

লাহে লাহে গৰীয়া গাঁওবোৰতো ব্যৱসায়িকভাৱে গৰুৰ মাংসৰ তথাকথিত 'বীফ ষ্টল' গঢ়ি উঠিব লাগিছে। এটা সময় আছিল। একোটা চুবুৰীত কেইটামান পৰিয়াল লগ হৈ সমবায় ভিত্তিত একো একোটা সৰু গৰু আনি বাৰীৰ মূৰত মনে মনে কাটি ভগাই লৈছিল। এতিয়া আৰু সেইদিন নাই। মাহেকে-পষেকেও গৰুৰ মাংস দেখা নোপোৱা মানুহেও এতিয়া পাৰিলে নিতৌ এসাঁজ খাব পৰাকৈ সুলভ হৈ পৰিছে। তথাপিও এই কথা কৈ ভাল পাম যে আজিও ব্যৱসায়িকভাৱে গৰুৰ মাংসৰ



দোকান খোলা ব্যৱসায়ীসকলৰ ন্যুনতম অংশ গৰীয়া মুছলমান। কাৰণ গৰীয়া মুছলমানে বিশ্বাস কৰে গৰু কটা মানুহৰ শেষ ভাল নহয়। দুৰাৰোগ্য বেমাৰত পৰে। এই আপাহতে কৈ থওঁ, অলপতে ফেইচবুকত পালোঁ ভাৰতৰ আটাইতকৈ বেছি গো-মাংস ৰপ্তানি কৰা বৃহৎ চাৰিখন দোকানৰ মালিক ভাৰতীয় হিন্দু। ব্ৰাহ্মণ সম্প্ৰদায়ৰ। সিয়ো এক বেলেগ সন্দৰ্ভ।

বাটে-ঘাটে, বজাৰে-পোহাৰে আজিকালি কেৱল মাংসৰ দোকান। ৰিটেইল প্ৰাইচ। ব্ৰয়লাৰ, ছাগলী, গাহৰি। সংবেদনশীল মানুহবোৰৰ বাবে উদ্বেগৰ বিষয়। গৰীয়া গাঁওবোৰত নিজে গৰু কটা সংখ্যা আজিও বৰ কম। য'ত কাটে তাতো যথেষ্ট আবুৰত কটা হয়। লোকচক্ষুৰ পৰা দূৰত কটা আমি আজিও দেখিবলৈ পাই আহিছোঁ। আনকি আমাৰ ফালে কোৰবানিৰ হালাল কৰ্মও পথাৰত, বাৰীৰ মাজত কৰা হয়। এই কথাই আমাক আপদ দিয়ে। কিছুদিনৰ আগতে ফেইচবুকত খোলা-মেলা ঠাইত গো-মাংস বাছি-কুটি থকা মাংসৰ দম এটাৰ ফটো দিয়া দেখা পালোঁ। এক বুজাব নোৱাৰা ব্যথাই আমাৰ বুকুত এক বুজাব নোৱাৰা যন্ত্ৰণাৰ জন্ম দিছিল।

গৰু কেৱল গাখীৰ দিয়া, পোৱালি দিয়া জন্তু হৈ থকা নাই। এই অমাতা প্ৰাণীটো আমাৰ জনজীৱনৰ, পৰিয়ালৰ এটা সদস্য হৈ পৰিছে। ইয়াৰ স্থান, মৰ্যাদা চিৰদিন চিৰপ্ৰৱাহমান হৈ থাকিব। এনে অলেখ কথা আমাৰ কোৱা নহ'ল। আমাৰ জ্ঞানৰ উৰ্দ্ধত। কিন্তু গৰুৰ বয়স জোখা আৰু জীৱনৰ কালবোৰ আমাৰ চহা মানুহবোৰে কেনেকৈ ৰাখিছে নক'লে দোষে চুব। অন্ততঃ গো-কুলে আমাক ক্ষমা নকৰিব। জীৱনৰ কালবোৰৰ নাম আমাৰ এই অঞ্চলৰ গৰীয়া-অগৰীয়া সকলোৰে একে হোৱা আমি দেখিছোঁ। দাঁতৰ ওপৰত ভিত্তি কৰি ৰখা নামবোৰ। চহা মানুহ, চহা নাম। চিন্তা উদ্ৰেককাৰী। পোৱালিটোৰ দাঁত গজা-নগজা, ফুটু ফুটু কৰা বয়স 'গজাকানি'। গজা > গজালি > অংকুৰ। কানি > কমভাগ > কানিভাগ। ০-১ বছৰলৈ গজাকানি বয়স।

'সমান' > সমান বয়স। দাঁতপাৰি সমানে গজি অহা বয়স। যাক কয় সমান বয়স। ১-৫ বছৰমানলৈ এইখিনি সমান বয়সৰ কাল। 'ভৰ বয়স'। দাঁতবোৰ ক্ষয় হ'বলৈ নোলোৱা পৰ্যন্ত প্ৰায় ৫ বছৰমান এই বয়সটোৰ ব্যাপ্তি। 'ভেৰ বেৰ'। প্ৰায় ৪ বছৰমান এই বয়ঃসন্ধি কাল। দাঁতবোৰ ক্ৰমে ক্ৰমে ক্ষয় যাবলৈ আৰম্ভ কৰাৰ সময়। 'সম্বহ' > সম-বহ। 'বহ' মানে আমাৰ ফালে বয়স। এই শব্দটো মানুহৰ ক্ষেত্ৰতো ব্যৱহাৰ হয়। সমান বয়স সম্ভৱতঃ। এই কালছোৱা ২ বছৰমান থাকে। 'ভাতি সম্বহ'। সম-বয়সৰ পৰা লাহে লাহে ভাটি মেলা। বেলা ভাটি দিয়া। ইও হেনো দুবছৰমান থাকে। একেবাৰে শেষ বয়স। বৃদ্ধাৱস্থা। যাৰ চহা নাম 'চৌপাত'। শেষ বয়স। এই

# উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি
# আভাস আৰু আলোচনা

সম্পাদক
**ড° হেমন্ত ডেকা**

সহযোগী সম্পাদক
**বনজিৎ শৰ্মা**

**অসমীয়া বিভাগ**
আৰু
**বি. এইচ্. কলেজ প্ৰকাশন সমিতি**
বি. এইচ্. কলেজ হাউলী
বৰপেটা (অসম) - ৭৮১৩১৬

Uttar - Purbānchalar Sanskriti : Āabhas āru Āalochana : A Collection of selected Seminar papers compile & edited by Dr. Hemanta Deka and Banjit Sarma on behalf of Assamese Department and published by B.H. College Prakashan Samiti, B.H. College, Howly, Assam - 781316
December, 2017 Price : 150/- only

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | বি. এইচ্. কলেজ প্ৰকাশন সমিতি<br>বি. এইচ্. কলেজ হাউলী<br>বৰপেটা (অসম) - ৭৮১৩১৬ |
| প্ৰথম প্ৰকাশ | ঃ | ডিচেম্বৰ, ২০১৭ |
| গ্ৰন্থস্বত্ব | ঃ | অসমীয়া বিভাগ, বি. এইচ্. কলেজ, হাউলী |
| ISBN | : | 978-81-930227-9-5 |
| মূল্য | ঃ | ১৫০.০০ (এশ পঞ্চাশ) টকা |
| প্ৰচ্ছদ | ঃ | ধীৰাজ বৰ্মন |
| অক্ষৰ বিন্যাস আৰু মুদ্ৰণ | ঃ | নিউ ডিজিটেল কম্পিউটাৰ, নলবাৰী, অসম |
| ঘোষণা | ঃ | সম্পাদনা সমিতিৰ অনুমতি অবিহনে গ্ৰন্থখনৰ পুনঃমুদ্ৰণ, প্ৰচাৰ বা বিতৰণ কৰিব নোৱাৰিব। অন্যথা আইন অনুসৰি অভিযুক্ত হ'ব লাগিব। |

# উৎসৰ্গা

বি. এইচ্. কলেজৰ অসমীয়া বিভাগৰ নিষ্ঠাবান,
কৃতী প্ৰাক্তন শিক্ষকবৃন্দ প্ৰয়াত গিৰীন্দ্ৰ কুমাৰ দাস,
প্ৰয়াত অতুল চন্দ্ৰ বৰ্মন, প্ৰয়াত খৰ্গেশ্বৰ নাথ,
শ্ৰীযুতা ফুলকুমাৰী কলিতা
আৰু
প্ৰয়াত ড° সিদ্ধেশ্বৰ বৰ্মাদেৱৰ নামত
এই গ্ৰন্থখন উৎসৰ্গা কৰা হ'ল।

প্ৰয়োজনীয় বিষয়। বিভিন্ন ধৰণৰ উৎসৱ অনুষ্ঠান আৰু আঁচনিৰ জৰিয়তে সময়ে সময়ে উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক সমলৰাজিৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱাৰ প্ৰয়াস অব্যাহত থাকিলেও এইবোৰে আজিকোপতি আমাক আশ্বস্ত কৰিবলৈ সক্ষম হোৱা নাই। বৰঞ্চ লোক সাংস্কৃতিক সমলসমূহৰ বাণিজীকীকৰণৰ প্ৰয়োজনত এইবোৰৰ ওপৰত নানান পৰীক্ষা-নিৰীক্ষা চলাই থকা হৈছে। ফলস্বৰূপে অধিকাংশ ক্ষেত্ৰতেই এনে সমল সমূহ বিকৃত ভাৱে উত্থাপিত হৈছে; যিটো পৰিঘটনা আমাৰ আত্মপৰিচয় ৰক্ষাৰ স্বাৰ্থত অধিক শংকাজনক। বিষয়টোৰ ক্ষেত্ৰত আলোচনা-বিলোচনা, বিতৰ্ক থাকিলেও বৰ্ত্তমানলৈকে আমি কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নাই। লগতে আমাৰ সাংস্কৃতিক সমলৰাজিৰ সংগ্ৰহ, সংৰক্ষণ আৰু সম্প্ৰসাৰণৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ নীতি নিৰ্দ্ধাৰণো হোৱা নাই। অৱশ্যে যিখিনি সম্ভৱপৰ হৈছে, সেয়া দুই-চাৰি অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিগত উদ্যোগ আৰু প্ৰচেষ্টাতহে। এনেধৰণৰ চেষ্টা আৰু উদ্যোগে আমাক কিমানখিনি আশ্বত্ব কৰিব পাৰিব সেই কথাও পৰ্যালোচনাৰ সময় সমাগত।

উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্থ-সামাজিক ক্ষেত্ৰত ব্যাপক ৰূপান্তৰ আৰম্ভ হৈছে। বিশ্বায়নী অৰ্থনীতিয়ে ক্ৰমাগতভাৱে জ্ঞাতে-অজ্ঞাতে অঞ্চলটোৰ বাসিন্দা সকলৰ জীৱনযাত্ৰাক অভাৱনীয় ৰূপত প্ৰভাৱিত কৰিবলৈ লৈছে। সংস্কৃতি মূলতঃ জীৱনচৰ্যা আধাৰিত হোৱা হেতুকে ই পৰিৱৰ্ত্তিত অৰ্থনৈতিক নীতি সমূহৰ দ্বাৰা প্ৰভাৱিত হোৱাটো স্বাভাৱিক। বহু সময়ত অনাকাংক্ষিত একাধিক অৰ্থনৈতিক কাৰকে সাংস্কৃতিক উপাদানৰাজিক পণ্যলৈ ৰূপান্তৰিত কৰি ইয়াৰ কাঠামোত ব্যাপক পৰিবৰ্ত্তন ঘটাইছে। এনে গাঁথনিগত পৰিৱৰ্ত্তন আৰু ইয়াৰ অস্তিত্বহীনতাৰ শংকাই প্ৰতিটো জাতি-জনগোষ্ঠীৰ লোকক আতংকিতও কৰি তুলিছে। এইখিনিতে উল্লেখযোগ্য যে, সংস্কৃতি পৰিৱৰ্ত্তনশীল আৰু ইয়াৰ ৰূপান্তৰো অৱশ্যাম্ভাৱী। কিন্তু এই ৰূপান্তৰৰ স্ৰোতত লোকজীৱন আধাৰিত সমলৰাজি কিমান দিনলৈ বৰ্ত্তি থাকিব, সেয়া এতিয়া নিঃ সন্দেহে চিন্তাৰ বিষয়।

বি. এইচ্. কলেজৰ অসমীয়া বিভাগ আৰু আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ উদ্যোগত 'উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা' শীৰ্ষক এখন দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হৈছিল যোৱা ১৬-১৭ জুন, ২০১৭ ইং তাৰিখে। এই আলোচনা চক্ৰখনি অনুষ্ঠিত কৰাৰ মুখ্য উদ্দেশ্য আছিল - উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য সম্পৰ্কে পুনঃমূল্যায়ন আগবঢ়োৱা। আঠৈ কুৰিতকৈয়ো অধিক গৱেষক-গৱেষিকাই তেখেত সকলৰ গৱেষণা পত্ৰৰ জৰিয়তে বিষয়টিৰ বিভিন্ন দিশত আলোকপাত কৰাৰ প্ৰয়াস কৰে। উক্ত গৱেষণা

# উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি
# আভাস আৰু আলোচনা

## সম্পাদনা সমিতি

উপদেষ্টা ঃ হৃষীকেশ গোস্বামী
ড° ভূষণ চন্দ্ৰ পাঠক
শশীপ্ৰভা গোস্বামী
খুৰছেদ আলম

সম্পাদক ঃ ড° হেমন্ত ডেকা

সহযোগী সম্পাদক ঃ বনজিৎ শৰ্মা

সদস্যবৃন্দ ঃ ৰেণু হাজৰিকা
উষা দাস
প্ৰশান্ত ৰাভা

# - সম্পাদনাৰ আগলিপাত -

সাংস্কৃতিক ভাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চল দেশৰ ভিতৰতেই বৈচিত্ৰ্যপূৰ্ণ আৰু সমৃদ্ধিশালী। নৃতাত্ত্বিক আৰু লোক সংস্কৃতিবিদ সকলৰ 'ভূ-স্বৰ্গ' (Paradise) ৰূপে চিহ্নিত ভাৰতবৰ্ষৰ এই অঞ্চলতেই সৰহ সংখ্যক জাতি-জনগোষ্ঠী, ভাষা, ধৰ্ম, সংস্কৃতিৰ লোকৰ বসবাস। প্ৰকৃতিৰ অনাবিল নৈসৰ্গিক শোভাৰ মাজত আত্মহাৰা হৈ থকা উত্তৰ-পূৰ্বাঞ্চলবাসীয়ে ভাৰতবৰ্ষৰ অন্যান্য প্ৰান্তৰ সৈতে যোগাযোগ আৰু সম্ভাৱ বজাই ৰখাৰ লগতে স্বকীয় সাংস্কৃতিক পৰিচয়ো অক্ষুণ্ণ ৰখাৰ প্ৰয়াস কৰি আহিছে। কোৱা বাহুল্য যে, উত্তৰ-পূৰ্বাঞ্চলবাসীৰ উমৈহতীয়া সাংস্কৃতিক বৈশিষ্ট্য আৰু বৈচিত্ৰ্যই এই অঞ্চলটোক দেশৰ অন্যান্য প্ৰান্তৰ তুলনাত অধিক পৰিমাণে আজিও আকৰ্ষণীয় কৰি ৰাখিবলৈ সক্ষম হৈছে।

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক প্ৰেক্ষাপট সম্পৰ্কে অদ্যাপিও যথেষ্ট বিচাৰ-বিশ্লেষণৰ থল আছে। স্বাধীনতাৰ পৰৱৰ্ত্তী কালছোৱাত একাধিক নৃতত্ববিদ আৰু লোক সংস্কৃতিবিদে এই সাংস্কৃতিক প্ৰেক্ষাপটসমূহ বিচাৰ কৰি ইয়াৰ অন্তৰ্গত উপাদান সমূহৰ সংগ্ৰহ, সংকলন, শ্ৰেণী বিভাজন, বৈশিষ্ট্য নিৰূপণ, সংৰক্ষণ আৰু বিচাৰ-বিশ্লেষণৰ প্ৰতি তৎপৰ হোৱা দেখা গৈছে যদিও সেয়া পৰ্যাপ্ত বুলি ক'ব নোৱাৰি। উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি সম্পৰ্কে আৰু অধিক আলোচনা আৰু ক্ষেত্ৰ অধ্যয়নৰ থল এতিয়াও মুকলি হৈ আছে। নিষ্ঠাবান লোক সংস্কৃতিবিদ সকলৰ বাদে এইক্ষেত্ৰত চৰ্চিত হোৱা অধিকাংশ বিচাৰ-বিশ্লেষণেই 'নগৈ গড়গাঁৱৰ বতৰা কোৱা'ৰ লেখীয়াহে হৈছেগৈ। সাংস্কৃতিক ক্ষেত্ৰখনৰ আঁৰ কাপোৰ গুচোৱাৰ ক্ষেত্ৰত এতিয়াও আমাৰ কৰণীয় যথেষ্টখিনি বাকী আছে। বিশেষকৈ, ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে ন ন ক্ষেত্ৰৰ সাংস্কৃতিক উপাদান ৰাজিৰ বিষয়ে জন সমাজক অৱগত আৰু সজাগ কৰিবলগীয়া কথাটো বিশেষভাৱে প্ৰণিধানযোগ্য।

বিশ্বায়ন, উদাৰীকৰণ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় উত্থানৰ মাজত নিঃচিহ্ন হৈ পৰাৰ উপক্ৰম হোৱা এনেবোৰ সাংস্কৃতিক সমল আৰু বৈশিষ্ট্যক ধৰি ৰখাটোৱেই এই সময়ছোৱাত আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। একে সময়তে উত্তৰ পুৰুষক সাংস্কৃতিক সমলৰাজিৰ বিশেত্ব আৰু গুৰুত্ব সম্পৰ্কে অৱগত কৰোৱাটো আটাইতকৈ

অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান
- কল্পনা বসুমতাৰী আৰু ড° বনলতা কলিতা/৮৪

উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত লোকনৃত্য ঃ বৈচিত্ৰ্যতা আৰু সমন্বয়
- ড° নিতু চহৰীয়া/৯৩

সমাহৰিত সংস্কৃতিৰ পটভূমিত জনজাতীয় আৰু অসমীয়া মুছলমান সমাজ
- ড° আব্দুল মালিক/১১১

পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত অসমীয়া সংস্কৃতিৰ মূল্যায়ন
- ড° ধনেশ্বৰ কলিতা/১১৮

উত্তৰাধুনিকতাবাদ, সাংস্কৃতিক বিশ্বায়ন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ ভৱিষ্যত
- ড° চুলতান আলী আহমেদ/১২৩

গৰীয়াৰ গো-পূজা
- ছাহজাহান ছিদ্দিকি/১৩১

পত্ৰসমূহৰ মাজৰ পৰা নিৰ্বাচিত কিছু সংখ্যক গৱেষণা পত্ৰ আৰু সমল ব্যক্তি সকলৰ আলোচনাও সামৰি 'উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিঃ আভাস আৰু আলোচনা' শীৰ্ষক এই গ্ৰন্থখনি প্ৰস্তুত কৰা হৈছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে, সামগ্ৰিক দিশৰ পৰা গ্ৰন্থখন স্বয়ংসম্পূৰ্ণ বা পূৰ্ণাঙ্গ কলেবৰৰ নহয়। গ্ৰন্থখনিত বিষয় সমূহৰ আভাস আৰু আলোচনাহে আগবঢ়োৱা হৈছে, যাতে ঘাইকৈ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হয়। আশা কৰোঁ, গ্ৰন্থখনিৰ দ্বাৰা মুখ্যতঃ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰসমাজ বিশেষভাৱে উপকৃত হ'ব।

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য অতুলনীয়। বহুধা বৰ্ণসমৃদ্ধ এই সাংস্কৃতিক বৈচিত্ৰ্যই নৃতত্ববিদ, লোক সংস্কৃতিবিদ গৱেষক, পৰ্যটক আনকি ক্ৰমাগতভাৱে সমগ্ৰ পৃথিৱীবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। প্ৰকৃতিৰ মনোৰম শোভা আৰু সমন্বয়-সহবাসৰ আত্মীয়তাৰে বান্ধ খাই থকা প্ৰতিটো জনগোষ্ঠীয়ে তেওঁলোকৰ স্বকীয় সাংস্কৃতিক পৰিচয় ৰক্ষাৰ প্ৰয়াস কৰি আহিছে।

বিশ্বায়ন আৰু উদাৰীকৰণৰ নব্য নীতিয়ে এই সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰতি একেসময়তে সংকট আৰু সম্ভাৱনাৰো দুৱাৰ মুকলি কৰি দিছে। এই ৰূপান্তৰৰ স্ৰোতত উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণৰ গাঁথনিগত বিশ্লেষণৰ প্ৰয়াসেৰে এই গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। গ্ৰন্থখনে বিশেষকৈ গৱেষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাৰ্গ দৰ্শন কৰিবলৈ সক্ষম হ'ব নিশ্চয়।

গ্ৰন্থখনি প্ৰকাশৰ বাবে অনুপ্ৰেৰণা যোগাওতা বি. এইচ্. কলেজৰ অধ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠক প্ৰমুখ্যে উপদেষ্টা সকল আৰু অসমীয়া বিভাগৰ সহকৰ্মী সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে নিজৰ বক্তব্য সমূহ লিখিত ৰূপত প্ৰস্তুত কৰি দিয়া সমল ব্যক্তিসকলকো আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। গ্ৰন্থখন আকৰ্ষণীয় ৰূপত ছপা-বন্ধাৰে সজাই তোলা 'নিউ ডিজিটেল কম্পিউটাৰ', নলবাৰীৰ কৰ্মী সকললৈ যাচিছোঁ আন্তৰিক কৃতজ্ঞতা।

বি. এইচ্. কলেজ, হাউলী
তাৰিখ ঃ ০১/১২/২০১৭ ইং

হেমন্ত ডেকা
সম্পাদক
বনজিৎ শৰ্মা
সহযোগী সম্পাদক

# বিষয়সূচী

উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা
- ড° দিলীপ কুমাৰ কলিতা/১

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা
- ড° অনিল কুমাৰ শইকীয়া/৫

উত্তৰ-পূৰ ভাৰতৰ লোক সাংস্কৃতিক বৈচিত্ৰ্যত সামাজিক সংহতি আৰু সংপ্ৰত্যয়
- ড° বিজয়া বৰুৱা ৰাজখোৱা/২৯

উত্তৰ পূৰ্বাঞ্চলৰ লোক সংস্কৃতি আৰু সাংস্কৃতিৰ সমন্বয়
- ড° বিনীতা বৰা দেৱচৌধুৰী/৩৭

প্ৰাচীন অসমৰ নৃগোষ্ঠীগত অধ্যয়ন ঃ এটি ঐতিহাসিক বিশ্লেষণ
- ড° লক্ষীমা হাজৰিকা/৪৫

উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃ-গোষ্ঠীগত অৱদান
- ভূপা পাটগিৰি/৫৬

উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃ-গোষ্ঠীগত অৱদান (মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত সোণোৱাল কছাৰী আৰু বৰো জনজাতিৰ ওপৰত এক আলোচনা)
- কিশোৰ কুমাৰ ৰাজবংশী আৰু অমৰজ্যোতি বৰ্মন/৬৫

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু ইয়াৰ বিশেষত্ব
- ড° অমৰজ্যোতি কোঁৱৰ/৭৪

# বিষয়সূচী


উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা

● ড° দিলীপ কুমাৰ কলিতা/১

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা

● ড° অনিল কুমাৰ শইকীয়া/৫

উত্তৰ-পূৰ ভাৰতৰ লোক সাংস্কৃতিক বৈচিত্ৰ্যত সামাজিক সংহতি আৰু সংপ্ৰত্যয়

● ড° বিজয়া বৰুৱা ৰাজখোৱা/২৯

উত্তৰ পূৰ্বাঞ্চলৰ লোক সংস্কৃতি আৰু সাংস্কৃতিৰ সমন্বয়

● ড° বিনীতা বৰা দেৱচৌধুৰী/৩৭

প্ৰাচীন অসমৰ নৃগোষ্ঠীগত অধ্যয়ন ঃ এটি ঐতিহাসিক বিশ্লেষণ

● ড° লক্ষীমা হাজৰিকা/৪৫

উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃ-গোষ্ঠীগত অৱদান

● ভূপা পাটগিৰি/৫৬

উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি আৰু নৃ-গোষ্ঠীগত অৱদান (মংগোলীয় নৃ-গোষ্ঠীৰ অন্তৰ্গত সোণোৱাল কছাৰী আৰু বৰো জনজাতিৰ ওপৰত এক আলোচনা)

● কিশোৰ কুমাৰ ৰাজবংশী আৰু ● অমৰজ্যোতি বৰ্মন/৬৫

উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্য আৰু ইয়াৰ বিশেষত্ব

● ড° অমৰজ্যোতি কোঁৱৰ/৭৪

অসমীয়া সংস্কৃতিত জনজাতীয় সংস্কৃতিৰ উপাদান
● কল্পনা বসুমতাৰী আৰু ● ড° বনলতা কলিতা/৮৪

উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত লোকনৃত্য ঃ বৈচিত্ৰ্যতা আৰু সমন্বয়
● ড° নিতু চহৰীয়া/৯৩

সমাহৰিত সংস্কৃতিৰ পটভূমিত জনজাতীয় আৰু অসমীয়া মুছলমান সমাজ
● ড° আব্দুল মালিক/১১১

পৰিৱৰ্তিত আৰ্থ-সামাজিক প্ৰেক্ষাপটত অসমীয়া সংস্কৃতিৰ মূল্যায়ন
● ড° ধনেশ্বৰ কলিতা/১১৮

উত্তৰাধুনিকতাবাদ, সাংস্কৃতিক বিশ্বায়ন আৰু উত্তৰ-পূৰ্বাঞ্চলৰ থলুৱা সংস্কৃতিৰ ভৱিষ্যত
● ড° চুলতান আলী আহমেদ/১২৩

গৰীয়াৰ গো-পূজা
● ছাহজাহান ছিদ্দিকি/১৩১

# উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতি
## আভাস আৰু আলোচনা

অসমীয়া বিভাগ

বি. এইচ. কলেজ